# অসমৰ মুছলমান

তৃতীয় খণ্ড

# ঐতিহ্য



আল - আমিন জনকল্যাণ সমাজ

পাঞ্জাবাৰী, গুৱাহাটী

মে’ ২০১৫

# অসমৰ মুছলমান

তৃতীয় খণ্ড

## ঐতিহ্য


মূল ইংৰাজী
লেখক
আবু নাছাৰ চাঈদ আহমদ

অসমীয়া অনুবাদ
ফাৰুখ চাদুদ্দিন আহমদ

মুখ্য সম্পাদক
মহম্মদ তাহেৰ

যুটীয়া সম্পাদক
ড° ইৰশ্বাদ আলি আৰু কমৰুজ্জামান আহমদ



প্ৰকাশক
আল-আমিন জনকল্যাণ সমাজ
পাঞ্জাবাৰী, গুৱাহাটী
প্ৰথম প্ৰকাশ, মে' ২০১৫

**ASAMAR MUSALMAN : VOL. III : AITIYYA**
A study on the culture and heritage of the Muslims of Assam authored in English by Abu Nasar Saied Ahmed and translated into Assamese by Prof. Farrukh Saduddin Ahmed, published by Al-Ameen Welfare Society, Panjabari, Guwahati 781037, Assam. First published, MAY 2015. Price : ₹ 500

প্ৰকাশক ঃ

আল-আমিন জনকল্যাণ সমাজ
(Al-Ameen Welfare Society)
২১ , বাঘৰবৰি পথ, পাঞ্জাবাৰী
গুৱাহাটী- ৭৮১০৩৭, অসম
ফোন ঃ ৯৪৩৫৩-৯৪২২৮, ৯৪৩৫১-৪৪২৯৮

© প্ৰকাশক

ISBN: 978-81-927731-2-4

মূল্য ঃ ৫০০ টকা মাত্ৰ

মুদ্ৰণ ঃ মাইক্ৰ কম্প-টেক
জয়ানগৰ পথ, ছয়মাইল, গুৱাহাটী-৭৮১০২২,
ফোন-৯৮৬৪০-৭২৯৬৯, ৯৫০৮৭-৮০৪৬৭

# উছৰ্গা



**অধ্যাপক ড° মহম্মদ তাহেৰ**

জন্ম - ২১ এপ্ৰিল ১৯৩১ মৃত্যু - ২৪ ফেব্ৰুৱাৰী ২০১৫

আল-আমিনৰ আজীৱন সদস্য আৰু উপদেষ্টাৰূপে ইয়াৰ উত্তৰোত্তৰ সাফল্যৰ পথত আগুৱাই যোৱাৰ ক্ষেত্ৰত পথ-প্ৰদৰ্শনকাৰী, প্ৰাজ্ঞ, বিশ্বস্ত আৰু নিঃস্বাৰ্থপৰ পৰামৰ্শদাতা কৃতবিদ্য শিক্ষাবিদ অধ্যাপক ড° মহম্মদ তাহেৰ চাহাবৰ পুণ্যস্মৃতিত তেখেতে সম্পাদনা কৰা শেষ গ্ৰন্থ “অসমৰ মুছলমান ঃ ঐতিহ্য” খন শ্ৰদ্ধাৰে উছৰ্গা কৰা হ’ল।

# সম্পাদনা সমিতি

| | | |
|---|---|---|
| মহম্মদ তাহেৰ | ঃ | মুখ্য সম্পাদক |
| ড° ইৰশ্বাদ আলি | ঃ | যুটীয়া সম্পাদক |
| কমৰুজ্জামান আহমদ | ঃ | যুটীয়া সম্পাদক |
| ড° আবু নাছাৰ চাঈদ আহমদ | ঃ | লেখক |
| ফাৰৰুখ চাদুদ্দিন আহমদ | ঃ | অনুবাদক |
| ডঃ তৌফিকুৰ ৰহমান বৰবৰা | ঃ | সভাপতি, আল-আমিন |
| হাছিবুৰ ৰহমান | ঃ | সচিব, কেন্দ্ৰীয় উপদেষ্টা সমিতি, আহ্বায়ক |
| ফকিল আহমদ বৰা | ঃ | সচিব প্ৰধান, আল-আমিন |

## পুথি প্ৰণয়ন আৰু প্ৰকাশন উপদেষ্টা সমিতি, আল-আমিন

| | | |
|---|---|---|
| মহম্মদ তাহেৰ | ঃ | সভাপতি |
| ড° ইৰশ্বাদ আলি | ঃ | কাৰ্যকৰী সভাপতি |
| কমৰুজ্জামান আহমদ | ঃ | সদস্য |
| ড° আবু নাছাৰ চাঈদ আহমদ | ঃ | সদস্য |
| মহম্মদ আব্দুল হাৰমাইন | ঃ | সদস্য , প্ৰাক্তন সভাপতি |
| মেহমুদুৰ ৰেহমান বৰা | ঃ | সদস্য |
| ইলতাফ হুছেইন হাজৰিকা | ঃ | সদস্য |
| ডঃ তৌফিকুৰ ৰহমান বৰবৰা | ঃ | সভাপতি, আল-আমিন, পদেন সদস্য |
| হাছিবুৰ ৰহমান | ঃ | সচিব তথা আহ্বায়ক |

## লেখকৰ চমু পৰিচয়

আবু নাছাৰ চাঈদ আহমদৰ জন্ম ১৯৪৯ । বৰ্তমানৰ গোলাঘাট জিলাৰ নাহৰণি প্ৰাথমিক বিদ্যালয়, নাহৰণি এম ই মাদ্ৰাছা আৰু কুৰালগুৰি হাইস্কুলত (এতিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়) শিক্ষা সমাপ্ত কৰি, কটন কলেজৰ পৰা ৰাজনীতি বিজ্ঞানৰ অনাৰ্চত প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান লাভ কৰি পাছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞানৰ প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি সোণৰ পদক অৰ্জন আৰু ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল। যোৰহাটৰ দেৱীচৰণ বৰুৱা গাৰ্লচ কলেজত অলপ দিন অধ্যাপনা কৰা আহমদে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগত সুদীৰ্ঘ দুটা দশক অধ্যাপনা আৰু গৱেষণা কৰিছিল। তাত থাকোতে তেওঁ আমেৰিকাৰ Fulbright Post-doctoral Fellowship লাভ কৰি University of Illinois, Urbana-Champaignত (১৯৮১-৮২) গৱেষণা কৰিছিল। তেওঁ শেহতীয়াকৈ আই আই টি গুৱাহাটী আৰু য়ুনিভাৰচিটি অব চায়েঞ্চ এণ্ড টেকন'লজী মেঘালয়ত অধ্যাপনা কৰিছিল। জাকাৰ্টাস্থ Indonesian Institute of Sciences (LIPI), কুৱালা লামপুৰস্থ Universiti Putra Malaysia, চিঙ্গাপুৰস্থ Institute of Southeast Asian Studies আৰু ঢাকাৰ Asiatic Society of Bangladeshত ভিজিটিং ফেল' হিচাপে যোগদান কৰিছিল। আহমদে বিভিন্ন বিষয়ত তিনিশৰো অধিক ইংৰাজী আৰু অসমীয়াত জনপ্ৰিয় প্ৰবন্ধ, ৩৯খন গৱেষণা নিবন্ধ, ১৪ খন ইংৰাজীত লিখা গৱেষণামূলক গ্ৰন্থ, কাৰ্ল মাৰ্ক্সৰ পত্নী জেনী মাৰ্ক্সৰ ওপৰত অসমীয়াত লিখা এখন জীৱনী আৰু হো চি মিনৰ কবিতাৰ অসমীয়া অনুবাদ *কাৰাগাৰৰ দিনলিপি* প্ৰকাশ কৰিছে। শেহতীয়াকৈ তেওঁ মৌলানা আবুল কালাম আজাদৰ আত্মজীৱনী *India Wins Freedom* অসমীয়ালৈ অনুবাদ কৰিছে আৰু অনতিপলমে এইখন গ্ৰন্থ প্ৰকাশ পাব বুলি আশা কৰা হৈছে। ✶

## আল-আমিন জনকল্যাণ সমাজৰ অসমৰ মুছলমানৰ ইতিহাস আৰু ঐতিহ্য বিষয়ক গ্ৰন্থ প্ৰণয়নৰ পৰিকল্পনা

'আল-আমিন জন-কল্যাণ সমাজে' প্ৰতিষ্ঠাৰ দিনাৰ পৰাই অসমৰ মুছলমানৰ অপ্ৰকাশিত জীৱন কাহিনী, ইতিহাস আৰু ঐতিহ্য, সংস্কৃতি আৰু অসমীয়া সাহিত্যলৈ মুছলমানৰ অৱদান আদি লিপিবদ্ধ কৰি প্ৰকাশ কৰিবলৈ এক পৰিকল্পনা গ্ৰহণ কৰিছিল। সেই কামৰ বাবে কেন্দ্ৰীয়ভাৱে পুথি-প্ৰণয়ন আৰু প্ৰকাশৰ বাবে এখন উপদেষ্টা কমিটি গঠন কৰা হৈছিল। এই উপদেষ্টা সমিতিৰ পৰামৰ্শ আৰু সিদ্ধান্ত মৰ্মে অসমৰ মুছলমানৰ ইতিহাস তথা ঐতিহ্য, অসমৰ মুছলমানৰ বৃহত্তৰ অসমীয়া সমাজ আৰু সংস্কৃতিলৈ অৱদান আদি সকলো দিশ সামৰি তথ্য ভিত্তিক গৱেষণাৰ অন্তত আল-আমিন সমাজে ইতিমধ্যে দুখনকৈ গ্ৰন্থ প্ৰস্তুত কৰি প্ৰকাশ কৰি পাঠকৰ হাতত তুলি দিবলৈ সক্ষম হৈছে। 'অসমৰ মুছলমান ঃ ইতিহাস আৰু সমাজ' আৰু 'অসমৰ মুছলমান ঃ অসমীয়া সাহিত্য আৰু সংস্কৃতিলৈ অৱদান' ইতিমধ্যে প্ৰকাশ হৈছে আৰু দুয়োখন গ্ৰন্থই ৰাইজৰ সমাদৰ লাভ কৰিছে। সম্প্ৰতি 'আল-আমিন জন-কল্যাণ সমাজ'ৰ পৰিকল্পনাৰ তৃতীয় খণ্ড 'অসমৰ মুছলমানঃ ঐতিহ্য' গ্ৰন্থখন ৰাইজৰ হাতত তুলি দিবলৈ পাই আমি বৰ আনন্দিত হৈছো। অসমৰ মুছলমানৰ ঐতিহ্যৰ মূল লিখাটো ইংৰাজীত ড° আবু নাছাৰ চাঈদ আহমদে প্ৰস্তুত কৰিছে আৰু সেয়া অসমীয়ালৈ অনুবাদ কৰিছে অধ্যাপক ফাৰৰুখ চাদুদ্দিন আহমদে।

মুখ্য সম্পাদক মহম্মদ তাহেৰ, যুটীয়া সম্পাদকদ্বয় ড° ইৰশ্বাদ আলি আৰু কমৰুজ্জামান আহমদ চাহেবে গ্ৰন্থখনৰ সম্পাদনা কৰি আপোনালোকৰ হাতত তুলি দিবলৈ যথেষ্ট কষ্ট কৰিব লগা হৈছে। মই সকলোলৈকে আল-আমিন জন-কল্যাণ সমাজৰ 'পুথি প্ৰণয়ন আৰু প্ৰকাশন সমিতি'ৰ হৈ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ। অসমৰ মুছলমানৰ ঐতিহ্যৰ বিষয়ত এই গ্ৰন্থখন এক প্ৰামাণিক দলিল হিচাবে পৰিগণিত হ'ব বুলি আমি আশা কৰোঁ। কাৰণ এই গ্ৰন্থখনত অসমৰ মুছলমানৰ কলা-সংস্কৃতি, সাহিত্য, ধৰ্মীয় পৰম্পৰা, জীৱন বৃত্ত, খাদ্য সম্ভাৰৰ পৰা আৰম্ভ কৰি সাজ-পোছাক আদি সকলো দিশ সামৰি লিখকে তথ্য গধুৰ প্ৰবন্ধ আগবঢ়াইছে আৰু প্ৰয়োজন সাপেক্ষে আলোকচিত্ৰ, সংযোজন কৰিছে।

এনে এখন গ্ৰন্থৰ মাজেৰে লেখকে অসমৰ মুছলমানৰ ঐতিহ্য, অসমীয়া সাহিত্য সংস্কৃতিলৈ মুছলমানৰ অৱদান আৰু অসমীয়া সমাজ গঠনত মুছলমানৰ অৰিহণাৰ কথা লিপিবদ্ধ কৰি এখন প্ৰকৃত ছবি দাঙি ধৰিবলৈ সক্ষম হৈছে। পৃথিৱীৰ বিভিন্ন দেশৰ পৰা আহি মুছলমান সকলে অসমৰ মাটিক আপোন কৰি অসমৰ মুছলমান হৈ এখন নতুন অসমীয়া সমাজ গঢ়িবলৈ চেষ্টা কৰি সফল হোৱাৰ প্ৰমাণ পোৱা যায় লেখকৰ বিভিন্ন প্ৰৱন্ধৰ মাজেৰে। ধৰ্ম্মৰ বাহিৰে সকলো ক্ষেত্ৰতে অসমৰ মুছলমান অসমীয়া সমাজৰ অবিচ্ছেদ্য অংগ। অসমত মুছলমানক বাদ দি অসমীয়া সমাজ সম্পূৰ্ণ হ'ব নোৱাৰে। অসমৰ মুছলমান সমাজখন ভাৰতবৰ্ষৰ অন্য প্ৰদেশৰ মুছলমানৰ লগত ধৰ্ম্মৰ বাহিৰে বহু কথাত অমিল। সেইটোৱেই অসমৰ মুছলমানৰ মহত্ব আৰু উদাৰতাৰ পৰিচয়। গ্ৰন্থখনৰ মাজেৰে অসমৰ মুছলমানৰ এখন প্ৰকৃত ছবি প্ৰতিফলিত হৈছে। আমি আশা ৰাখিছো গ্ৰন্থখনৰ মাজেৰে ৰাইজে অসমৰ মুছলমানৰ কিছু ছবি সহ প্ৰকৃত পৰিচয় পাবলৈ সক্ষম হ'ব। গ্ৰন্থখন প্ৰকাশ কৰিবলৈ যিসকলে সহায় সহযোগ কৰিছে সকলোলৈকে আল-আমিন সমাজৰ ফালৰ পৰা কৃতজ্ঞতা যাচিলোঁ। গ্ৰন্থখনৰ যোগেদি পাঠকে বহুতো মূল্যবান তথ্য লাভ কৰাৰ লগতে গ্ৰন্থখন ৰাইজে আদৰি ল'লে আমাৰ প্ৰচেষ্টা সাৰ্থক হ'ব। ✶

হাছিবুৰ ৰহমান
সদস্য, সচিব তথা আহ্বায়ক
'আল-আমিন' পুথি প্ৰণয়ন
আঁচনি সমিতি, গুৱাহাটী

তাৰিখঃ ২৭ জানুৱাৰী ২০১৫
ফোনঃ ৯৪৩৫১-১০৯৭৩

# আগকথা

অসমলৈ মুছলমানসকলৰ আগমন আৰু বসতি স্থাপনৰ ইতিহাসে এতিয়ালৈকে আঠটা শতিকা পাৰ কৰিলে। এই বৰ্ণাঢ্য ইতিহাসে অসমৰ সমাজ জীৱনৰ বিভিন্ন দিশত অনবদ্য অৱদান দি আহিছে। এই ক্ষেত্ৰত বিভিন্ন সময়ত বহুতো খ্যাত আৰু অখ্যাত লোকে নিজ গুণে অৰিহণা যোগাই আহিছে। তাৰ সৈতে সমান্তৰাল আৰু আন্তৰ্নিৰ্ভৰতাৰে অসমৰ সমাজ, সাহিত্য-সংস্কৃতি, অৰ্থনীতি, ৰাজনীতি, ক্ৰীড়া, আদিকৈ প্ৰায় সকলো দিশত বৰঙণি দি যোৱা মুছলমানসকলে নিজৰ স্বকীয় গুণ-গৰিমাৰে এক চমকলগা ঐতিহ্যৰ ধাৰাৰ সৃষ্টি কৰি তুলিলে। এই কথাবিলাকৰ প্ৰতি সচেতনহৈ ২০০৯ চনৰ ৬ জুনত দিল্লীস্থ Indira Gandhi National Centre for the Arts (ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলা কেন্দ্ৰ) এ এক বিস্তৃত গৱেষণা আৰু লগতে এখন চুটি তথ্যচিত্ৰ কৰিবলৈ মোৰ ওপৰত এক গুৰু দায়িত্ব অৰ্পণ কৰিলে। সেই প্ৰকল্পৰ অন্তত মোৰ ওপৰত ন্যস্ত কৰা দুয়োটা কাম যোৱা ২০১২ চনৰ অক্টোবৰ মাহত সম্পূৰ্ণ হয়। “Islamic Heritage in India's North East: Assam and Manipur” শিৰোনামেৰে মই এখন গ্ৰন্থ  যুগুত আৰু লগতে এই বিষয়বস্তুৰ  ওপৰতে এখন তথ্যচিত্ৰ নিৰ্মাণ কৰিলোঁ। (এইখন গ্ৰন্থ উক্ত ইংৰাজী গ্ৰন্থখনৰ অসমৰ প্ৰাসঙ্গিক অংশৰ অসমীয়া অনুবাদ।)

ঐতিহ্যৰ বিষয়ে কেইটিমান কথা উল্লেখ কৰাটো প্ৰয়োজন। ঐতিহ্য শব্দটোৰ ব্যাপক অৰ্থ আছে আৰু সেই কাৰণে ইয়াৰ অৰ্থ নিৰ্ণয় কৰোঁতে নানা বিতৰ্কৰো সূত্ৰপাত হয়। বহল অৰ্থত কোৱা হয় কেইবা শতিকা ধৰি বৰ্তি থকা যিকোনো প্ৰত্নতাত্ত্বিক কীৰ্তিচিহ্ন, পুৰণা গৃহ, ভাস্কৰ্য, কলা, শিলালিপি, চিত্ৰ, সংগীত, সাহিত্য, নৃত্য, লোক সংস্কৃতি, সামাজিক আচাৰ, প্ৰথা, ঐতিহাসিক স্থান, নৃতত্ত্বীয় বিষয়, সময়ে নিশ্চিহ্ন কৰিব নোৱাৰা ভৌগোলিক স্থান, ইত্যাদি বস্তু বা বিষয় ঐতিহ্যৰ বিচাৰ ধাৰাত পৰে। সাম্প্ৰতিক কালত ঐতিহ্যৰ ভিতৰত পৰা এই দিশসমূহক জীৱিত কৰি ৰখাত সচেতন মহলে, বিশেষকৈ বিজ্ঞসকলে গুৰুত্ব প্ৰদান কৰি আহিছে, কাৰণ, তাকে নকৰিলে সময়ৰ সোঁতত আমাৰ ইতিহাস আৰু পূৰ্বজসকলে সৃষ্টি কৰা সভ্যতা, সংস্কৃতি, যুগে যুগে আদৰি ৰখা পৰম্পৰা আৰু আন সকলোবিলাক আদৰণীয় সম্পদ অনতিপলমে হেৰাই যাব; লগতে নতুন প্ৰজন্মই গৌৰৱ কৰিবলগীয়া অতীতৰ কোনো বস্তুৱেই নাথাকিব। এই ধৰণৰ চিন্তা-চৰ্চা হোৱাৰ লগতে কিছুমান উদ্বেগজনক কথাও পৰিলক্ষিত হৈছে। ঐতিহ্য ৰক্ষাৰ নামত ব্যৱসায়ো হ'বলৈ ধৰিছে, যাৰ ফলত ঐতিহ্য-কেন্দ্ৰিক পৰ্যটন চলিবলৈ ধৰিছে। কিছুমান উগ্ৰ জাতীয়তাবাদী দল-সংগঠনে ঐতিহ্যক অতিৰঞ্জিত কৰি আৰু ইতিহাসক বিকৃত ৰূপত দেখুৱাই উগ্ৰ জাতীয়তাবাদৰ উত্তৰণ ঘটাই নিজৰ ৰাজনৈতিক

উদ্দেশ্য পূৰণ কৰিবলৈ প্ৰয়াস কৰাও দেখা গৈছে। আমাৰ দৃষ্টিভঙ্গী কেৱল মাথোন বিদ্যায়তনিক। আমাৰ উদ্দেশ্য হৈছে - পূৰ্বজসকলে সযতনে গঢ়ি তোলা ঐতিহ্যৰ ওপৰত আলোকপাত কৰা আৰু তাৰ প্ৰতি নতুন প্ৰজন্মক সচেতন কৰা, যাতে ভৱিষ্যতে আমাৰ আদৰণীয় ঐতিহ্য সংৰক্ষিত হৈ থাকে। এইখিনিতে এটা কথা উল্লেখৰ প্ৰয়োজন যে বিশ্বৰ বিভিন্ন প্ৰান্তত ইছলাম ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰ হোৱাৰ লগতে মুছলমানসকলে স্বকীয় বৈশিষ্ট্যৰে নিজ নিজ অনুভৱী মনেৰে ঐতিহ্য সৃষ্টি কৰি আহিছে। সেয়ে, ইছলামৰ পাঁচটা স্তম্ভৰ ওপৰতে সৃষ্টি হোৱা ইছলামীয় ঐতিহ্যক ভিন্ন ৰং-ৰূপে জাতিষ্কাৰ আৰু মনোৰম কৰি তুলিছে।

অসমৰ ঐতিহ্যৰ ক্ষেত্ৰতো উপৰোক্ত কথাষাৰৰ যথাৰ্থতা পোৱা যায়। তেৰ শতিকাৰ পৰা আহি ইয়াতে থিতাপি লোৱা মুছলমানসকলে স্থানীয় লোক সংস্কৃতিৰ সৈতে নিজে লগতে অনা ইছলামীয় সংস্কৃতিৰ সৈতে স্বকীয় ধৰণেৰে সংমিশ্ৰণ কৰি এক অনন্যসুন্দৰ ঐতিহ্য সৃষ্টি কৰিলে। এই বহুমুখী ঐতিহ্যৰ ৰূপৰেখা জীৱন পৰিক্ৰমাৰ বিভিন্ন দিশত প্ৰতিফলিত হ'বলৈ ধৰিলে। সেই ধাৰাই সামৰি ল'লে মছজিদ, দৰগাহ, মাদ্ৰাছা আদিকৈ ইছলামীয় প্ৰতিষ্ঠান, জন্মৰ পৰা মৃত্যুলৈকে সকলো জীৱন-পৰিক্ৰমাৰ স্তৰত সোমাই পৰা লোক-বিচাৰত গঢ় লোৱা ৰীতি-নীতি, পৰম্পৰাগত লোক গীত-মাত, জিকিৰ আদিকৈ ধৰ্মীয় আৰু আধ্যাত্মিক গীত, সাজ-পোছাক আৰু বয়ন শিল্প, তাৰোপৰি আগৰ ব্যৱসায় আৰু কাঁহ-পিতলৰ শিল্প উদ্যোগ আদিকৈ নিজৰ আছুতীয়া কৰ্মৰাজি, আৰু চিত্ৰ-শিল্প আৰু সাহিত্য-সংস্কৃতি। মুঠতে, এক নিৰ্মোহ অৱলোকনত দেখিবলৈ পোৱা যায় যে অসমৰ জাতীয় জীৱনত এনে এটা দিশ নাই য'ত মুছলমানসকলৰ আঠশ বছৰ গৰকা ঐতিহ্যৰ মনোৰম চানেকি নাই। আমাৰ এই গ্ৰন্থখনিত তাৰে এক বিন্যাস-বিশ্লেষণ-বিৱৰণ দিবলৈ প্ৰয়াস কৰা হৈছে। তাকে কৰোঁতে অসমত মুছলমান সমাজ গঠন প্ৰক্ৰিয়াৰ পৰা আৰম্ভ কৰি, তেওঁলোকৰ সামাজিক, ধৰ্মীয়, লোক-সংস্কৃতি, ৰীতি-নীতি, অনুষ্ঠান, আদিকৈ ওপৰত উল্লেখ কৰা সকলো দিশ বিভিন্ন অধ্যায়ত তথ্য আৰু ছবিসহ সন্নিৱিষ্ট কৰা হৈছে। এনে কৰোঁতে হয়তো আমাৰ অজ্ঞতা আৰু ভুলৰ বাবে কিছু কথা বাদ পৰি গৈছে। সেইবিলাক দিশ সামৰি ভৱিষ্যতৰ গৱেষকে প্ৰকাশ কৰি এই দিশত অধিক বৰঙণি যোগাব বুলি আশা কৰা হৈছে।

এই গ্ৰন্থখনি প্ৰস্তুত কৰাৰ দায়িত্ব মোৰ ওপৰত অৰ্পণ কৰা ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলা কেন্দ্ৰৰ ওচৰত মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই প্ৰসিদ্ধ সংগঠনটিৰ সাহায্য আৰু সমৰ্থনৰ অবিহনে এই ব্যয়-বহুল কাম সম্ভৱ নহ'লহেঁতেন। লগতে মই কৃতজ্ঞতাৰে সুঁৱৰিবলৈ বিচাৰিছোঁ দুগৰাকী বিশিষ্ট ব্যক্তিৰ বিশেষ ভূমিকাৰ কথা। আৰম্ভণিতে উল্লেখ কৰা হৈছে, ২০০৯ চনৰ ৬ জুনত কলা কেন্দ্ৰৰ এখন সভাত ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য খ্যাতনামা নৃতত্ত্ববিদ, গৱেষক, কৃতী অধ্যাপক ড° অন্নদা চৰণ ভাগৱতী আৰু কলা কেন্দ্ৰৰ জনপদ সম্পদৰ মুৰব্বী ড° মৌলী কৌশলৰ প্ৰস্তাৱ, তৎপৰতা আৰু উদ্যোগত অসমৰ মুছলমানসকলৰ বৰ্ণাঢ্য ঐতিহ্যৰ ওপৰত গৱেষণামূলক কাম আৰু তথ্য-চিত্ৰ নিৰ্মাণৰ সিদ্ধান্ত লোৱা হৈছিল। তাৰ পাছৰ পৰা দুয়োগৰাকী ব্যক্তিয়ে মোক সকলো সময়তে দিহা পৰামৰ্শ দি আহিছিল। দুয়োগৰাকী ব্যক্তিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। প্ৰায় দুবছৰৰ আশাশুধীয়া প্ৰচেষ্টাৰ দীঘলীয়া যাত্ৰাত এগৰাকী অতিকৈ আদৰণীয় ব্যক্তিয়ে মোক প্ৰতিটো খোজত দিক-দৰ্শকৰ দৰে সহায় আগবঢ়াইছিল। তেখেত হৈছে

বিশিষ্ট অভিনেতা, কথাছবি নিৰ্মাতা, থিয়েটাৰ ব্যক্তিত্ব, আৰু নাট্যকাৰ আব্দুল মজিদ। গণ-শিল্পী হিচাপে আমাৰ ৰাজ্যখনৰ সকলো ঠাইৰ সকলো মানুহৰ সৈতে থকা তেখেতৰ যোগাযোগ মোৰ কামত অভাৱনীয় সহায়ক হৈছিল। তেখেতলৈ মোৰ কৃতজ্ঞতা জনাইছোঁ। এইখিনিতে উল্লেখ কৰাটো উচিত হ'ব যে তেখেতৰ পৰিচালনাতে সমান্তৰালভাবে অসমত ইছলামীয় ঐতিহ্যৰ ওপৰত ইংৰাজী তথ্যচিত্ৰখন নিৰ্মিত হৈছিল।
আৰু দুগৰাকী আদৰণীয় ব্যক্তিয়ে বিভিন্ন সময়ত মোক দিহা-পৰামৰ্শ দি উপকৃত কৰিছিল। তেখেত দুগৰাকী হৈছে বিশিষ্ট শিক্ষাবিদ ড° মহম্মদ তাহেৰ আৰু ফাৰৰুখ চাদুদ্দিন আহমদ। এই দুগৰাকী শ্ৰদ্ধাভাজন ব্যক্তিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদত থকা Indian Council of Historical Researchৰ গ্ৰন্থাগাৰৰ কৰ্মকৰ্তাসকলে প্ৰয়োজনীয় কিতাপ আৰু জাৰ্ণেল যোগান ধৰি মোক উপকৃত কৰিছিল; তাৰ বাবে তেখেতসকললৈ মোৰ কৃতজ্ঞতা থাকিল। মোৰ কামটো হাতত লোৱাৰ পৰা শেহলৈকে বহুতো সুধী ব্যক্তিয়ে নানা ধৰণেৰে সহায় কৰিছিল। কোনোৱে মোক দীঘলীয়া সাক্ষাৎকাৰ দি আৰু আন কোনোৱে পুৰণি তথ্য দি উপকৃত কৰিছিল। তেখেতসকলক ব্যক্তিগতভাবে ধন্যবাদ ঠাইৰ অভাৱত দিব পৰা নগ'ল। তাৰ বাবে ক্ষমা বিচাৰিছোঁ। এই গ্ৰন্থখনিত কিবা আনিচ্ছাকৃত ভুল-ত্ৰুটি থাকি গৈছে যদি তাৰ বাবে কেৱল ময়ে জগৰীয়া হৈ থাকিম।✶

আবু নাছাৰ চাঈদ আহমদ

গুৱাহাটী
ফোন ঃ ৯৪৩৫৪০৭৩৭৬

# মুখ্য সম্পাদকৰ নিবেদন

২০০৩ চনত গুৱাহাটীত কেইজনমান সমাজসেৱী ব্যক্তিৰ প্ৰচেষ্টাত আল-আমিন জনকল্যাণ সমাজ নামেৰে এটি সমাজসেৱী অনুষ্ঠানৰ জন্ম হয়। এই অনুষ্ঠানটিয়ে সময়ে সময়ে দুৰ্গতসকলক সাহায্য আগবঢ়োৱাৰ ওপৰিও অসমৰ সাহিত্য সংস্কৃতি আৰু ইতিহাসলৈ যথাসম্ভৱ বৰঙণি আগবঢ়াবলৈ যত্নৰ ত্ৰুটি কৰা নাই। ২০১০ চনৰ ১০ অক্টোবৰত এক মহৎ উদ্দেশ্যৰে অসমৰ মুছলমানসকলৰ ইতিহাস, ঐতিহ্য, সমাজ, সংস্কৃতি আদি সকলো দিশ সামৰি এই অনুষ্ঠানে এক ব্যাপক গৱেষণা হাতত লয় আৰু ইয়াৰ পৰা লব্ধ তথ্যসম্ভাৰ কেইখনমান গ্ৰন্থৰ যোগেদি প্ৰকাশ কৰাৰ সিদ্ধান্ত লয়। বিগত আঠশ বছৰৰো অধিক কাল এই অসম ভূমিখণ্ডত বাস কৰি ইয়াৰ বৃহত্তৰ সমাজখনৰ অঙ্গ হিচাপে তাৰ সৌষ্ঠৱ বঢ়াই অহা মুছলমানসকল নিশ্চয় অঞ্চলটোৰ এটা তাৎপৰ্য্যপূৰ্ণ জনগোষ্ঠী। এই জনগোষ্ঠীটোৰ বৃহত্তৰ অসমৰ সমাজলৈ অৱদান স্বৰূপাৰ্থত উপলব্ধি কৰিবলৈ হ'লে ইয়াৰ অতীত আৰু বৰ্ত্তমান সম্যকভাৱে জানিব লাগিব। এই উদ্দেশ্যেৰেই আল-আমিন সমাজে অসমৰ মুছলমানৰ ইতিহাস, ঐতিহ্য, সমাজ, সংস্কৃতি এই সমস্ত দিশবোৰ সামৰি গৱেষণা ভিত্তিক প্ৰথমতে পাঁচখন পাছত ছখন গ্ৰন্থৰ এটা লানি প্ৰকাশৰ এখন আঁচনি হাতত লয়। গ্ৰন্থ ছখনত সন্নিৱিষ্ট কৰিবলগীয়া বিষয়বস্তু এনে ধৰণৰঃ প্ৰথম, অসমৰ মুছলমান ঃ ইতিহাস আৰু সমাজ', দ্বিতীয়, 'অসমৰ মুছলমান ঃ অসমীয়া সাহিত্য আৰু সংস্কৃতিলৈ অৱদান', তৃতীয়, 'অসমৰ মুছলমান ঃ ঐতিহ্য,' চতুৰ্থ, 'অসমৰ মুছলমান ঃ 'ৱাকফ আৰু অসমৰ ৱাকফ্ সম্পত্তি', পঞ্চম, 'অসমীয়া ইছলামীয় ধৰ্মসাহিত্য', ষষ্ঠ, 'অসমৰ মুছলমান ঃ ভৌগোলিক বিতৰণ আৰু আৰ্থ-সামাজিক অৱস্থা।' গৱেষণা ভিত্তিক এনে ছখন গ্ৰন্থ প্ৰণয়ন আৰু প্ৰকাশ দৰাচলতে এটা দুৰূহ প্ৰচেষ্টা। কিন্তু আমাৰ দৃঢ় বিশ্বাস ই অসাধ্য নহয়। আত্মবিশ্বাসেৰে আৰু যৌথভাৱে আগবাঢ়িলে এই প্ৰচেষ্টাত সিদ্ধি লাভ কৰিব পৰা যাব। প্ৰথম আৰু দ্বিতীয় গ্ৰন্থ দুখনিয়ে আমাৰ এই বিশ্বাস প্ৰতিপন্ন কৰে।

আমি জনাবলৈ পাই সুখী হৈছো যে আমাৰ এই গ্ৰন্থ লানিৰ প্ৰথমখনি গ্ৰন্থ যোৱা ১০ নৱেম্বৰ ২০১৩ তাৰিখে আৰু দ্বিতীয়খনি যোৱা ১৭ আগষ্ট ২০১৪ তাৰিখে উন্মোচিত হৈ গৈছে। আশা কৰিছো এই তৃতীয় খনি পুথি অহা ২০১৫ চনৰ প্ৰথম ভাগতে প্ৰকাশিত হ'ব।

মুছলমানসকলে অসমত বসবাস আৰম্ভ কৰা আঠশ বছৰৰো অধিক হ'ল। এটা মানৱ গোষ্ঠীৰ জীৱন যাপন প্ৰণালী যিমানেই সহজ সৰল নহওক লাগে এই যাপন পৰিক্ৰমাত কিছুমান চিত্তাকৰ্ষক পৰম্পৰাৰ

সৃষ্টি হয়। ইংৰাজীত এটা কথা আছেঃ 'Man does not live by bread alone.' মানুহৰ তৃষ্ণা আৰু ক্ষুধাৰ বাহিৰেও আবেগ অনুভূতি কামনা-বাসনা আছে। আছে সৌন্দৰ্য্য পিপাসা, নৃত্য-গীত, আনন্দ-উল্লাসৰ প্ৰতি আকৰ্ষণ। আৰু আছে আধ্যাত্মিক চিন্তা-চৰ্চ্চাৰ প্ৰতি নীৰৱ আকুলতা। সেয়েহে আনকি আদিম মানৱ পুত্ৰয়ো দিনটো দুৰ্ঘোৰ কষ্টসাধ্য আহাৰ সংগ্ৰহৰ কামত ব্ৰতী হৈয়ো ৰাতি গুহাত বা পৰ্ণকুটীৰত জুই জ্বলাই আহাৰ খাই নৃত্য-গীত কৰিছিল আৰু বেৰত বা পাহাৰৰ কাষৰ শিলাত চিকাৰ, পশু-পক্ষী আদিৰ ছবি আঁকি আনন্দ লভিছিল। মানৱ সভ্যতা আগবঢ়াৰ লগে লগে এইবোৰৰ মাধ্যমৰ হয়তো অলপ অচৰপ ইফাল-সিফাল হৈছিল কিন্তু প্ৰকাশভঙ্গী বাঢ়িহে গৈছিল। উদাহৰণ স্বৰূপে গুহাৰ বেৰৰ চিত্ৰকলা আহিল মন্দিৰ, গীৰ্জ্জা, মছজিদৰ বেৰলৈ, তাৰ পাছত এইবোৰ আহিল শিল্পীৰ কেনভাছলৈ। কিন্তু চিত্ৰাঙ্কণ চলিয়েই থাকিল। সেইদৰে নৃত্য-গীত-মাত আনন্দ-উল্লাসৰ মাধ্যম হোৱাৰ ওপৰিও ঐশ্বৰিক চিন্তা-চৰ্চ্চা আৰু উপাসনা আৰাধনাৰো মাধ্যম হ'ল।

এনেকৈয়ে এই মাধ্যমবোৰ সমাজৰ একো একোটা সংস্কৃতি হৈ গঢ় লৈ উঠিল আৰু পৰম্পৰা হৈ পুৰুষে পুৰুষে চলি থাকিল। দৰাচলতে একোখন সমাজ সভ্যতাৰ সোপানত আগবাঢ়ি গৈ থাকোতে এইদৰে গঢ়ি-উঠা সামাজিক নীতি-নিয়ম, নৃত্য-গীত, চিত্ৰ-কলা, হৰ্ষ-বিষাদ, আধ্যাত্মিক চিন্তা-চৰ্চ্চা আৰু এই সকলোবোৰৰ লগত জড়িত সাজ-সঁজুলিৰ এহাতে সংখ্যা বাঢ়িছে আৰু আন হাতে এইবোৰ জটিলৰ পৰা জটিলতৰ হৈ আহিছে। এই সকলোবোৰেই গঢ়ি-তোলে এখন সমাজৰ ঐতিহ্য আৰু এইবোৰৰ লগত পালনীয় নীতি-নিয়ম আৰু কৰণীয় কাৰ্য্যাৱলী হয় পৰম্পৰা।

যোৱা আঠশ বছৰে অসমত বসবাস কৰি অহা মুছলমান সকলেও বৃহত্তৰ অসমীয়া জাতিৰ সমন্বয়েৰে ইয়াত নিজস্ব ঐতিহ্য আৰু পৰম্পৰা গঢ়ি তুলিছে। সেইবোৰ আমি দেখিবলৈ পাওঁ তেওঁলোকৰ সামাজিক ক্ৰিয়া-কৰ্ম যেনে নৱজাতকৰ 'বাজ-ওলোৱা', চুন্নত (খটনা), তোলনি বিয়া, বিবাহ, মৃত্যু আদিত কৰি অহা পৰম্পৰাত, জিকিৰ-জাৰী আদি গীত মাতত, ঈদ, বকৰিদ, মহৰম (মোহৰৰম মাহৰ আছুৰা), ইত্যাদি উৎসৱ-পাৰ্ব্বণত, মছজিদ, মাজাৰ, সমাধি, সৌধ আদিবিলাকত খোদিত মোহনীয় চিত্ৰ-শিল্প, অক্ষৰ কলা [Calligraphy] আদিত।

আমাৰ পুথিলানিৰ এই তৃতীয়খন পুথি, তথা 'অসমৰ মুছলমান ঃ ঐতিহ্য'ত ড° আবু নাছাৰ চাঈদ আহমদে অসমৰ মুছলমানৰ ঐতিহ্য সম্পৰ্কে এক সম্যক কষ্টসাধ্য আলোচনা সাতটা অধ্যায়ত দাঙি ধৰিছে। 'অৱতৰণিকা' শীৰ্ষক প্ৰথম অধ্যায়ত মুছলমানৰ অসমলৈ আগমন, আগমনৰ কাৰণসমূহ আৰু স্থানীয় জনগোষ্ঠীসমূহৰ লগত সমন্বয়েৰে গঢ়ি উঠা বসবাসৰ কথা আলোচনা কৰা হৈছে।

পুথিখনিৰ দ্বিতীয় অধ্যায়ত লেখকে সময় পাৰ হোৱাৰ লগে লগে মুছলমান সকলৰ মাজত কেনেকৈ ঐতিহ্য আৰু পৰম্পৰা গঠন হৈ আহিল তাক দেখুৱাইছে। অসমৰ ইতিহাসৰ মধ্যযুগত সত্যপীৰ; চান্দসাঁই আদিসকলৰ গীতমাত আৰু আজান-ফকীৰৰ জিকিৰ জাৰী আদিৰ সৃষ্টি হ'ল। ইফালে শৰাইঘাটত অসমৰ হৈ মুছলমান সেনানি বাঘ হাজৰিকা, লাইধন খাঁ আদিসকলে মোগলৰ বিৰুদ্ধে যুঁজি ইতিহাস সৃষ্টিলৈ অৱদান আগবঢ়ালে। এইদৰে মুছলমান ঐতিহ্য গঠন হোৱাৰ কথা সাৱলীল ভাৱে ড° আহমদে এই অধ্যায়ত আলোচনা কৰিছে। সেই যুগতে গঢ়ি উঠা হাজোৰ পোৱা মক্কাৰ মছজিদ, পাণবাৰীৰ মছজিদ, পাঁচ পীৰৰ দৰগাহ,

গিয়াচুদ্দিন তাব্রিজীৰ দৰগাহ আদিৰ কথাও উল্লেখ কৰা হৈছে। লগতে লেখকে স্বৰ্গদেউ ৰুদ্ৰসিংহই অনোৱা আঠটা মুছলমান শিল্পী তথা কলা-কুশলীৰ পৰিয়াল, আখৰকটীয়া, শিলাকটীয়া, গুণাকটীয়া, ফাৰ্চীপঢ়ীয়া, নেগেৰীয়া, খনিকৰ, জোলহা আৰু দৰ্জ্জীৰ অৰদানৰ কথাও উদাহৰণেৰে উল্লেখ কৰিছে।

তৃতীয় অধ্যায়ত লেখকে অসমত মুছলমান সমাজ জীৱনৰ কথা উল্লেখ কৰিছে। এইখিনিতে উল্লেখনীয় যে যোৱা আঠশ বছৰত অসমত গঢ়ি উঠা মুছলমান সমাজ মাথোন বাহিৰৰ পৰা প্ৰব্ৰজিত লোকেৰেই গঠিত হোৱা নাই। বহুখিনি স্থানীয় লোকেও ইছলাম গ্ৰহণ কৰি অসমত মুছলমানৰ জনসংখ্যা বৃদ্ধিত, অন্ততঃ পূৰ্বতে সহায় কৰিছিল। সেয়েহে অসমত সমন্বয়ত মুছলমানৰ এক চহকী ঐতিহ্য আৰু পৰম্পৰা গঢ়ি উঠিছিল। এই উক্তিটোৰ প্ৰমাণ অসমীয়া মুছলমানৰ দৈহিক অৱয়ব, ভাষা, খাদ্য, সাজ-পাৰ, সামাজিক নীতি-নিয়ম আদিত দেখা যায়।

পুথিখনিৰ চতুৰ্থ অধ্যায়টো এটা তাৎপৰ্য্যপূৰ্ণ অধ্যায়। ইয়াত চুফী সন্ত আৰু তেওঁলোকৰ ভক্তিমূলক গীত আলোচনা কৰা হৈছে। ভাৰতলৈ অহা প্ৰথম চুফীসকলৰ ভিতৰৰ এজন হৈছে আজমীৰৰ হজৰত মইনুদ্দিন চিস্তি। ১১৪১ খ্ৰীষ্টাব্দত তেওঁ ভাৰতলৈ আহিছিল। অসমলৈ অহা প্ৰথম চুফী সন্তৰ ভিতৰত শ্বাহ জালালুদ্দিন তাব্রিজী (১৩৪৭ খ্ৰীষ্টাব্দ) এজন। জিকিৰখ্যাত আজান ফকীৰ ইয়ালৈ ১৬৩১/৩২ খ্ৰীষ্টাব্দ মানত আহিছিল যেন অনুমান হয়। তাৰ পাছত বিংশ শতিকালৈকে এজন-দুজনকৈ বহু কেইজন সন্ত অসমলৈ আহি আছিল। এই সকলোৰেই সমন্বয়ৰ শিকনিৰে অসমৰ সমাজলৈ উদাৰতাৰ অৱদান আগবঢ়াই আহিছে।

ড° আহমদে পঞ্চম অধ্যায়ত অসমৰ মুছলমানসকলৰ উপসম্প্ৰদায়বোৰ যেনে-চৈয়দ, ছেখ (সেখ), মৰিয়া আৰু জোলহা আৰু তেওঁলোকৰ সামাজিক বৈশিষ্ট্য উল্লেখ কৰিছে।

ইয়াৰ পাছৰ ষষ্ঠ অধ্যায়ত মুছলমানসকলে আগবঢ়োৱা সৃষ্টিধৰ্মী ঐতিহ্য যেনে- চাৰু আৰু কাৰু শিল্পৰ চৰ্চ্চা, চান্দসাঁইৰ গীত, বান্দৰ ফকীৰৰ গীত, আজান-ফকীৰৰ জিকিৰ-জাৰী, দিলবৰ দোচাইৰ হস্তীবিদ্যাৰ্ণবৰ চিত্ৰ আদিবোৰৰ এটি চমু আলোচনা দাঙি ধৰিছে। তদুপৰি আধুনিক যুগৰ পীৰ জিলকদ আলি, চুফী কবি মফিজুদ্দিন আহমদ হাজৰিকা, মুঞ্চি নজিৰুদ্দিন আহমদ, চৈয়দ আব্দুল মালিক, আব্দুছ ছাত্তাৰ, এম. ইব্ৰাহীম আলি আদি সকলৰ অসমীয়া সাহিত্যলৈ অৱদান আলোচনা কৰা হৈছে।

পুথিখনিৰ সপ্তম অধ্যায়ত আছে মছজিদ, মাদ্ৰাছা, দৰগাহ, খানকাহ, এতিমখানা ইত্যাদি অনুষ্ঠান প্ৰতিষ্ঠানবোৰৰ এটা সম্যক আলোচনা আৰু অসমত এইবোৰৰ বৰ্ত্তমানৰ অৱস্থা আৰু স্থিতি। মাদ্ৰাছা ব্যৱস্থা সম্পৰ্কে যিহেতু আমাৰ বহুতেই অৱগত নহয়, সেয়েহে ড° আহমদে সাধাৰণভাৱে মাদ্ৰাছাৰ উৎপত্তি আৰু বিশেষকৈ ভাৰতবৰ্ষ আৰু অসমত ইয়াৰ উৎপত্তি, বিস্তাৰ আৰু বিতৰণ বহলাই আলোচনা কৰিছে। সেইদৰে দৰগাহ বা মাজাৰ সম্পৰ্কেও এটি বহল আলোচনা ইয়াত সন্নিৱিষ্ট হৈছে।

'সামৰণি'ত ড° আহমদে উল্লেখ কৰিছে যে কোনো ঐতিহ্য বিচ্ছিন্নভাৱে গঢ়ি উঠা নাই। সেইদৰে অসমতো ইছলামীয় ঐতিহ্য বিচ্ছিন্নভাৱে গঢ়ি উঠা নাই। দৰাচলতে সংমিশ্ৰণত গঢ়ি উঠা অসমৰ ইছলামীয় ঐতিহ্য অতীব আকৰ্ষণীয়। এই ঐতিহ্য ইছলামৰ তৌহিদ (একেশ্বৰবাদ) আৰু পঞ্চস্তম্ভ (কলিমা, নামাজ, ৰোজা, জাকাত আৰু হজ)ৰ ভিত্তিত প্ৰতিষ্ঠিত।

সংমিশ্ৰণৰ ফল্গুধাৰা সমগ্ৰ অসম জুৰি স্নিগ্ধভাৱে বৈ যোৱাৰ মূলতে আছে ইছলামীয় বিশ্বাস আচৰণ আৰু বৈষ্ণৱীয় বিশ্বাস আচৰণৰ সাদৃশ্য, আজান ফকীৰৰ সৰল চুফীবাদৰ প্ৰভাৱ আৰু স্থানীয়ভাৱে হোৱা ধৰ্মান্তৰকৰণ প্ৰক্ৰিয়া। এনে হোৱাৰ ফলত অসমৰ মুছলমানৰ মাজত স্থানীয় সংস্কৃতিৰ প্ৰভাৱ অধিক। সেয়েহে ইয়াত বিভিন্ন ধৰ্মৰ মাজত সমন্বয়ৰ মাত্ৰাও অধিক। ই আমাৰ সমাজৰ এটা মহৎ যোগাত্মক দিশ। এনে হোৱা বাবে অসমৰ মুছলমানৰ ওপৰত ৱাহাবী (মৌলবাদী) প্ৰভাৱ আৰু তকলিদ (পৰম্পৰাবাদী) দৰ্শনে অসমত ইছলামীয় ঐতিহ্য বিনষ্ট কৰিব পৰা নাই।

অসমত আছে মধুৰ আন্তৰ্ধৰ্মীয় সম্পৰ্ক। মুছলমানে মন্দিৰ নামঘৰৰ বাবে অৰদান আগবঢ়োৱা আৰু হিন্দুৱে মছজিদ মাজাৰৰ বাবে অৰদান আগবঢ়োৱা দৃষ্টান্ত অনেক দেখা যায়। আশা কৰা যায় যে অসমত বৈ থকা এই সৰ্বধৰ্মসদ্ভাৱ, পাৰস্পৰিক সন্মান আৰু সহনশীলতাৰ ফল্গুধাৰাই ৰাজ্যখনৰ সমাজক মহীয়ান কৰি ৰাখিব।

এইখিনিতে এটা কথা মন কৰিবলগীয়া যে অসমৰ সামাজিক পৰম্পৰা, সংস্কৃতি আৰু ঐতিহ্য গঢ়ি উঠিছে বহু জাতি উপজাতিৰ সুদীৰ্ঘ কালৰ সংমিশ্ৰণত। অৰ্থাৎ এই সংস্কৃতি আৰু ঐতিহ্য গঢ়ি উঠোতে বহুকাল লাগিছে। এনে দীঘলীয়া কালৰ নিৰ্ভুল ইতিহাস আমাৰ হাতত নাই। সেয়ে আমাৰ অনিচ্ছা সত্ত্বেও ইয়াত যদি কিবা ত্ৰুটি-বিচ্যুতি সন্নিৱিষ্ট হৈছে, তাৰ বাবে পাঠকসকলৰ ওচৰত আমি ক্ষমাপ্ৰাৰ্থী। তেখেতসকলে তেনে ত্ৰুটি আমাক আঙুলিয়াই দি পৰৱৰ্তী সংস্কৰণত সত্য তথ্য আৰু বিৱৰণ পৰিবেশন কৰাত আমাক সহায় কৰিবলৈ আমি সানুনয় অনুৰোধ কৰিলো।

এই পুথিখনি প্ৰস্তুত কৰোতে আল-আমিন পুথি প্ৰণয়ন আৰু প্ৰকাশন উপদেষ্টা সমিতিৰ সচিব তথা আহ্বায়ক হাছিবুৰ ৰহমান আৰু আল-আমিন জনকল্যাণ সমাজৰ সভাপতি ডাঃ তৌফিকুৰ ৰহমান বৰবৰাই আমালৈ সকলো প্ৰকাৰৰ সাহায্য আগবঢ়াইছে। তেখেতসকলৰ ওচৰত আমি কৃতজ্ঞ। এই পুথিখনিৰ লেখক অধ্যাপক ডং আবু নাছাৰ চাঈদ আহমদে বহুতো কষ্টৰে অসমৰ বিভিন্ন ঠাইত ক্ষেত্ৰ অধ্যায়ন কৰি ইয়াক ইংৰাজী লেখি উলিয়াইছিল। যিহেতু ইয়াত অসমৰ মুছলমানৰ ঐতিহ্য ব্যাপকভাৱে আলোচিত হৈছে, আমি আল-আমিন সমাজৰ ফালৰ পৰা অসমীয়ালৈ অনুবাদ কৰাই আমাৰ গ্ৰন্থলানিৰ তৃতীয় গ্ৰন্থ হিচাপে ইয়াক প্ৰকাশ কৰিবলৈ মনস্থ কৰোঁ। সেই উদ্দেশ্যে ডং আহমদৰ ওচৰ চপাত তেখেতে সানন্দে আমাৰ প্ৰস্তাৱত সন্মতি জনায়।পুথিখনৰ তথ্য তথা চিত্ৰ সমূহ সংগ্ৰহ কৰাত আব্দুল মজিদ চাহাবে যি সহায় কৰিলে তাৰ বাবে আমি তেখেতৰ ওচৰত কৃতজ্ঞ। আমি অতি সুখী যে এনে এখন ইংৰাজীতে লেখা জটিল পাণ্ডুলিপি গুৱাহাটী বিশ্ববিদ্যলয়ৰ ৰসায়ন বিভাগৰ প্ৰধান অধ্যাপক ফাৰৰুখ চাদুদ্দিন আহমদে আমাৰ অনুৰোধত অসমীয়ালৈ অনুবাদ কৰি আমাক কৃতাৰ্থ কৰিছে। আল-আমিনৰ হৈ আমি তেখেতক অশেষ ধন্যবাদ জনাইছো।

পুথিখনিৰ প্ৰস্তুতিত যুটীয়া সম্পাদকদ্বয় ডং ইৰশ্বাদ আলি আৰু কমৰুজ্জামান আহমদে আমালৈ বহুতো সহায় আগবঢ়াইছে। কমৰুজ্জামান আহমদ চাহাবে ঘাইকৈ চূড়ান্ত ডি. টি. পি আৰু মুদ্ৰণৰ সময়ছোৱাত আৰ্হি কাকত সংশোধন আৰু নতুন তথ্য সংযোজন কৰিছে। এই অৱস্থাত ডং চাঈদ আহমদেও যাৱতীয় ব্যৱস্থাপনাৰে আমালৈ সাহায্য আগবঢ়াইছে। তেখেতসকলৰ পুনৰ এবাৰ শলাগ নলৈ নোৱাৰিলো। আল-

আমিনৰ যুটীয়া সম্পাদক মেহমুদূৰ ৰহমান বৰাই পুথিখনৰ সম্পাদনা আৰু মুদ্ৰণৰ পৰ্য্যায়ত যাৱতীয় ব্যৱস্থাপনাৰে আমাক সহায় কৰিছে। তাৰ বাবে তেখেত আমাৰ ধন্যবাদৰ পাত্ৰ। এইখিনিতে আমি এই পুথিৰ সম্পাদনা সমিতি আৰু পুথি প্ৰণয়ন আৰু প্ৰকাশন উপদেষ্টা সমিতিৰ সদস্যসকলৰ শলাগ লৈছো। মুদ্ৰক মাইক্ৰ কম্প-টেকৰ স্বত্তাধিকাৰীলৈকো আমাৰ ধন্যবাদ থাকিল।

আমাৰ গ্ৰন্থলানিৰ এই তৃতীয়খন গ্ৰন্থয়ো প্ৰথম আৰু দ্বিতীয় গ্ৰন্থ দুখনৰ দৰে সুধীসমাজত সমাদৰ পাব বুলি আমি আশাবাদী।

পুথিখনিয়ে অসমৰ মুছলমান সমাজক আকৌ এবাৰ আত্মগৌৰৱেৰে সামান্যতম গৰীয়ান কৰিব পাৰিলেও আৰু ই অসমৰ বৃহত্তৰ সমাজৰ সমন্বয়লৈ অকণমানো অৰিহণা যোগাব পাৰিলে আমি আমাৰ কষ্ট সাৰ্থক হৈছে বুলি ভাবিম। ✶

মহম্মদ তাহেৰ

মুখ্য সম্পাদক

প্ৰাগজ্যোতিষ নগৰ

গুৱাহাটী- ৭৮১০১৪

২০ ডিচেম্বৰ, ২০১৪

('আল-আমিন'ৰ গ্ৰন্থ প্ৰকাশ আঁচনিৰ তৃতীয় খণ্ড 'অসমৰ মুছলমানঃ ঐতিহ্য'ৰ সম্পাদনা কৰি তাৰ বাবে তাহেৰ চাহাবে ২০১৪ চনৰ ডিচেম্বৰ মাহত লেখি যোৱা এই 'মুখ্য সম্পাদকৰ নিবেদন' তেখেতৰ অন্তিম সম্পাদকীয়।)

# সূচীপত্ৰ


পৃষ্ঠা

**প্ৰথম অধ্যায়** ১ - ১৪

**অৱতৰণিকা**

- প্ৰস্তাৱনা
- চুফী সন্ত আৰু তেখেতসকলৰ প্ৰভাৱ
- পূৰ্ব্ব-সমীক্ষা
- প্ৰতিপাদ্য প্ৰসঙ্গ
- টোকা আৰু প্ৰসঙ্গ পুথি

**দ্বিতীয় অধ্যায়** ১৫ - ৩৬

**ইছলামীয় ঐতিহ্য গঠন**

- গঠনৰ বিভিন্ন দিশ
- টোকা আৰু প্ৰসঙ্গ পুথি

**তৃতীয় অধ্যায়** ৩৭ - ৬৪

**মুছলমানসকলৰ সমাজ-জীৱন**

- জীৱন বৃত্ত
- জন্ম
- আকিকা
- খট্‌না (চুন্নত)
- তোলনি বিয়া
- বিবাহ
- ব্ৰহ্মপুত্ৰ উপত্যকাৰ খিলঞ্জীয়া মুছলমান বিয়া

পৃষ্ঠা

- মৃত্যু সংক্ৰান্তীয় নীতি নিয়ম

**ধৰ্মীয় উৎসৱ**

- ঈদুল ফিতৰ আৰু ঈদুজ্জোহা
- চবে বৰাত
- মহৰম

**ভাষা, খাদ্যাভাস আৰু সাজপাৰ**

**ঘৰুৱা শিল্প- উদ্যোগ আৰু কলা-কৃষ্টি**

- বয়ন ঐতিহ্য
- কাঁহ-পিতলৰ কাম
- আগৰ উদ্যোগ
- টোকা আৰু প্ৰসঙ্গ পুথি

**চতুৰ্থ অধ্যায়** ৬৪ - ৮৯

**চুফী সন্ত আৰু ভক্তিমূলক গীত**

- অসমত চুফী সন্ত
- আজান ফকীৰ
- জিকিৰ আৰু আন্তৰ্সাম্প্ৰদায়িক সম্ভাৰ
- টোকা আৰু প্ৰসঙ্গ পুথি

**পঞ্চম অধ্যায়** ৯১ - ১০০

**উপসম্প্ৰদায়**

- চৈয়দ
- মৰিয়া
- ছেখ (সেখ)
- জোলহা
- টোকা আৰু প্ৰসঙ্গ পুথি

পৃষ্ঠা

**ষষ্ঠ অধ্যায়** **১০১ - ১২১**

**সৃজনীমূলক ঐতিহ্য আৰু লোকগীত**

- লোকগীত
- সৃষ্টিধৰ্মী ঐতিহ্য
- টোকা আৰু প্ৰসঙ্গ পুথি

**সপ্তম অধ্যায়** **১২৩ - ১৫৩**

**পৰম্পৰাগত অনুষ্ঠান-প্ৰতিষ্ঠান**

- মছজিদ
- অসমত মছজিদ
- মাদ্ৰাছা
- মাদ্ৰাছাৰ ইতিহাস
- দৰগাহ
- খানকাহ
- এতিমখানা
- টোকা আৰু প্ৰসঙ্গ পুথি

**সামৰণি** **১৫৫ - ১৬০**

**গ্ৰন্থপঞ্জী** **১৬১ - ১৬৭**

**পৰিশিষ্ট** **১৬৯ - ১৭৬**

- অসমৰ মুছলমান ঃ ‘‘ইতিহাস আৰু ঐতিহ্যৰ অধ্যয়ন আৰু গৱেষণা’’ দাতাসকলৰ প্ৰতি কৃতজ্ঞতা
- ‘আল-আমিন’ৰ কাৰ্য্যনিৰ্বাহক সমিতি (২০১৩-২০১৫)
- আল-আমিন জন কল্যাণ সমাজে ইতিপূৰ্বে প্ৰকাশ কৰা গ্ৰন্থসমূহ

## প্ৰথম অধ্যায়

# অৱতৰণিকা

প্ৰস্তাৱনা

চুফী সন্ত আৰু তেখেতসকলৰ প্ৰভাৱ

পূৰ্ব্ব-সমীক্ষা

প্ৰতিপাদ্য প্ৰসঙ্গ

টোকা আৰু প্ৰসঙ্গ পুথি

## প্ৰথম অধ্যায়

# অৱতৰণিকা

### প্ৰস্তাৱনা

সাম্প্ৰতিক কালত, সমগ্ৰ বিশ্বতে ঐতিহ্য অধ্যয়ন আৰু বিচাৰে বিশেষ গুৰুত্ব লাভ কৰা পৰিলক্ষিত হৈছে। ঐতিহ্য বিচাৰৰ বিস্তৃত প্ৰসাৰ আৰু ধাৰাবাহিক অন্বেষণৰ বিভিন্ন কাৰণসমূহৰ ভিতৰত বিশ্বায়ন অন্যতম, কিয়নো, এই প্ৰক্ৰিয়াই মানৱ-জীৱনৰ কৰ্ম আৰু সংস্কৃতিজনিত আনুষঙ্গিক সকলো ক্ষেত্ৰতেই সম্যক প্ৰভাৱ পেলোৱাত সক্ষম হৈছে। আধুনিকোত্তৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক তাগিদাৰ মূৰ্ত্ত প্ৰকাশ স্বৰূপ ঐতিহ্য-শিল্পৰ বিকাশত প্ৰয়োজনাধিক যেন বিবেচিত গুৰুত্ব কুৰি শতিকাৰ শেষ ভাগৰ এক বিশেষ লক্ষণীয় বিষয়। সভ্যতা, সংৰক্ষণ, পৰ্য্যটন আদি সকলো ক্ষেত্ৰতে নিঃসন্দেহে ইয়াৰ প্ৰভাৱ পৰিছে। পিছে পৰিতাপৰ বিষয় যে অনেক সময়ত, ঐতিহ্য-বিচাৰ গতানুগতিক একঘেয়া যেন হৈ পৰা দেখা যায়। ইয়াৰ পৰা নিস্তাৰ পোৱাৰ প্ৰশস্ত পথ বিচাৰি ঐতিহ্যৰ ব্যৱহাৰিক দিশকো সাঙুৰি এই তত্বগত বিশদ অধ্যয়ন কৰা হৈছে। এই সন্দৰ্ভত নৃতত্ববিদ, পুৰাতত্ববিদ, সংস্কৃতি-বুৰঞ্জীবিদ, সমাজতত্ববিদ আৰু ভূগোলবিদসকলৰ অৰিহণা উৎসাহজনক।

ঐতিহ্যৰ সৰ্ববিদিত আৰু প্ৰায়সন্মত সংজ্ঞাৰ বহল পৰিসৰৰ দৃষ্টিভঙ্গীৰে ইছলামীয় ঐতিহ্যৰ বিশ্ববীক্ষণৰ পটভূমি পশ্চিমে মৰক্কো আৰু আলজেৰিয়াৰ পৰা পূবে ইণ্ডোনেছিয়ালৈ বিস্তৃত। বিভিন্ন স্থানীয় ভাষা, সংস্কৃতিৰ ধাৰা, পৰম্পৰা, সামাজিক-আচাৰ, অৰ্থনৈতিক বৈশিষ্ট্য আৰু জীৱন-ধাৰণ পদ্ধতি আদিৰ বৰ্ণাঢ্য সমাহাৰেৰে গঢ়ি উঠিছে ইছলামৰ এই ঐতিহ্য। কিন্তু ঐতিহ্যসমূহৰো মূল ভেটি স্বৰূপ হৈছে ইছলামৰ পাঁচ অৱশ্যকৰণীয় (পঞ্চ স্তম্ভ)[১] কৰ্ত্তব্য। সেই একেদৰেই, ভাৰতৰ ক্ষেত্ৰতো ইছলামীয় ঐতিহ্য বিচাৰ, ইয়াৰ বিশ্বজনীন স্বৰূপৰেই প্ৰতিফলন বুলিব পাৰি। বহু ধৰ্ম, বিবিধ ভাষা আৰু সংস্কৃতিৰ মিলনভূমি এইখন দেশত ইছলামীয় ঐতিহ্য, স্থান আৰু অঞ্চল বিশেষে, বিবিধতাৰ শত ফুলেৰে জাতিষ্কাৰ হোৱা নিতান্তই স্বাভাৱিক। এই দৃষ্টিভঙ্গীৰে বিচাৰ কৰিলে, অসমৰ ইছলামীয় ঐতিহ্যৰ সঠিক নিৰূপণ কিছু দুৰূহ হ'লেও, বেছ মনোগ্ৰাহী।

আৰবীয় বণিকৰ জৰিয়তেই ভাৰতৰ মালাবাৰ উপকূললৈ ইছলামৰ আগমন ঘটে। কেৰালাৰ কোচিনৰ পৰা ৩৫ কিলোমিটাৰ নিলগৰ কডুনগাল্লুৰত ৬২৭-২৮ খ্ৰীষ্টাব্দতে মছজিদ এটি সজা হৈছিল, ৰজা

চেৰামন পেৰুমলৰ নিৰ্দ্দেশত; তেওঁ পয়গম্বৰ হজৰত মহম্মদ (দঃ) ৰ সাক্ষাৎ লাভ কৰি ইছলামত দীক্ষিত হয় আৰু তাৰ পাছতে তেওঁ নিজ ৰাজ্যত এটা মছজিদ নিৰ্মাণ কৰিবলৈ নিৰ্দেশ দিয়ে। ভাৰতত এইটোৱেই প্ৰথম মছজিদ হিচাপে খ্যাতি অৰ্জ্জন কৰিছে; খুব সম্ভৱত মদিনাৰটোৰ পাছতেই পৃথিৱীৰ ভিতৰতে এই মছজিদেই চতুৰ্থ।

মুছলমানৰ ভাৰতত উপস্থিতি সম্পৰ্কে কিছু সাক্ষ্য, যেনে ৭১২ চনৰ মহম্মদ বিন কাচিমৰ সিন্ধুদেশ আক্ৰমণ আদি কৰি বিভিন্ন সময়ত ভিন ভিন আক্ৰমণ আৰু ভাৰতত মুছলমান সাম্ৰাজ্যৰ শাসনৰ বিস্তাৰ আদিৰ গৱেষণালব্ধ সঠিক দলিল আৰু তথ্য আজিকালি সহজে পাব পৰা হৈছে। মুছলমানসকল য'লৈকে গৈছে, তাতেই তেওঁলোক ঐতিহ্য সৃষ্টিত সফল হৈছিল। সততে চকুত পৰা সুদৃশ্য ৰাজ-প্ৰসাদ, সুবৃহৎ দুৰ্গ, বাগিচা, জয়-স্তম্ভ, ৰজা-পাৰিষদৰ সমাধি-সৌধ আৰু ভালেমান মিনাৰ আৰু বহুতো মছজিদ আদিৰ স্থাপত্য-কলাৰ উপৰিও সঙ্গীত, কলা-শৈলী, পট-চিত্ৰাঙ্কণ, খাদ্যাভ্যাস, পোছাক পৰিচ্ছদ আদি সকলোতেই ইয়াৰ স্বাক্ষৰ বিৰাজমান। এইকথা অসমতো প্ৰযোজ্য।

ভাৰত আৰু সেইদৰে অসমৰো ইছলাম আৰু ইছলামীয় ঐতিহ্য, ইছলামীয় বিশ্ব-পৰিক্ৰমাৰ অবিচ্ছেদ্য অঙ্গ। শতিকাৰ পাছত শতিকা জুৰি এই দেশত ইছলামৰ সৈতে হিন্দু আৰু বৌদ্ধ ধৰ্মীয় লোকৰ পৰিচয় আৰু আদান-প্ৰদান ঘটিছিল। সেয়া হৈ উঠিছিল অনিবাৰ্য্যভাৱে বিবিধ দৈনন্দিন আৰু আন তাগিদাত, যথা, ভাষাৰ জৰিয়তে ভাব-বিনিময়, বজাৰৰ বেচা-কিনা আনকি আন্তঃসম্প্ৰদায় বিবাহকে ধৰি জীৱন-জীৱিকাৰ আন প্ৰয়োজনলৈকে বিভিন্ন আলমত। ইছলামী ঐতিহ্যই অন্যান্য ঐতিহ্যৰ দৰেই সেয়েই সম্পূৰ্ণ অকলশৰীয়াকৈ আন প্ৰভাৱ একো নপৰাকৈ গঢ় লৈ উঠা নাছিল। ভাৰত উপমহাদেশৰ মুছলমানে নিজকে আৰু নিজা ঐতিহ্য বিভিন্ন মাধ্যমত, যথা, ভাষা আৰু সাহিত্য (যেনে, উৰ্দু কেবাটাও ভাষাৰ সংমিশ্ৰণৰ ফল), কলা, স্থাপত্য, সঙ্গীত, চুফী পৰম্পৰা ইত্যাদিৰে প্ৰকাশ কৰি আহিছে। সেই আপাহতে, ইছলাম ধৰ্মাৱলম্বী লোকে থলুৱা পৰিস্থিতি আৰু সমাজ-জীৱনৰ সৈতে খাপ খাওঁতে বিভিন্ন স্বকীয় বৈশিষ্ট্যৰে উজ্জ্বল মহীয়ান ৰঙ-ৰূপৰ বহুধা সমাহাৰ সৃষ্টি হৈছিল। সমগ্ৰ অঞ্চলটোতেই বৰ্ণাঢ্য ইছলামীয় ঐতিহ্য বাৰে ৰহণীয়া ৰূপে ধৰা দিছিল। ইয়াৰ পৰাই বুজিব পাৰি, মুছিৰুল হাছানৰ[২] যুক্তিৰ যথাৰ্থতা দক্ষিণ এছিয়াৰ মুছলমানৰ স্বৰূপ, এক-মাত্ৰিক বুলি গণ্য কৰা সাধাৰণ ধাৰণা অতি-সৰলীকৰণ দোষেৰে দুষ্ট হেতুকে বৰ্জনীয়। এই কথাও সেয়েহে প্ৰতিপন্ন হয় যে ইছলামে ইয়াৰ গণ্ডীত বহু সাংস্কৃতিক আৰু সময়সাপেক্ষে ব্যতিক্ৰম সামৰিবলৈ সক্ষম। প্ৰকৃততে, আৰু সদায়েই ইছলামৰ প্ৰকাশ বিবিধতাৰে মহিমামণ্ডিত, একক জঠৰ মুঠেই নহয়।[৩]

অসমৰ ইছলামীয় ঐতিহ্য-বিচাৰৰ গভীৰতালৈ যাওঁতে সেই কথাৰেই অনস্বীকাৰ্য্য নিয়ত প্ৰমাণ পোৱা যাব যে ইয়াৰ ইছলামীয় জগতখন বহুৰূপ সম্বলিত আৰু বৰ্ণাঢ্য। বুৰঞ্জীৰ দৃষ্টিৰে, আৰু সমাজ-সাংস্কৃতিক পটভূমিৰ পৰিপ্ৰেক্ষিতত শুদ্ধ বিচাৰ কৰিলে দেখা যায় যে দক্ষিণ আৰু দক্ষিণ-পূব এছিয়াৰ দৰে ভাৰতৰ উত্তৰ-পূব অঞ্চলৰ মুছলমানসকলৰ ঐতিহ্য বাৰেবৰণীয়া আৰু মোহনীয়।

ভাৰতৰ পূৰ্বোত্তৰৰ সাতভনী নামে খ্যাত অঞ্চলৰ অসম ৰাজ্যত মুছলমানৰ সংখ্যা সৰ্ব্বাধিক; ধৰ্মভিত্তিক জন গাঁথনিৰ চমু আভাস তলৰ তালিকাত দিয়া হৈছে (শতকৰা হিচাপত) ঃ

| ৰাজ্য | হিন্দু | | মুছলমান | | খ্ৰীষ্ট ধৰ্মী | | বৌদ্ধ ধৰ্মী | |
|---|---|---|---|---|---|---|---|---|
| | ১৯৯১ | ২০০১ | ১৯৯১ | ২০০১ | ১৯৯১ | ২০০১ | ১৯৯১ | ২০০১ |
| অৰুণাচল প্ৰদেশ | ৩৭.০ | ৩৪.৬ | - | ১.৯ | - | ১৮.৭ | ১২.৯ | ১৩.০ |
| অসম | ৬৭.১ | ৬৪.৯ | ৩০.৩ | ৩০.৯ | ৩.৩ | ৩.৭ | - | ০.২ |
| মণিপুৰ | ৫৭.৭ | ৬৪.০ | ৭.৩ | ৮.৮ | ৩৪.১ | ৩৪.০ | - | ০.১ |
| মেঘালয় | ১৪.৭ | ১৩.৩ | - | ৪.৩ | ৬৪.৬ | ৭০.৩ | - | ০.২ |
| মিজোৰাম | ৫.০ | ৩.৬ | - | ১.১ | ৮৫.৭ | ৮৭.০ | ৭.৮ | ৭.৯ |
| নাগালেণ্ড | ১০.১ | ৭.৭ | ১.৭ | ১.৮ | ৮৭.৭ | ৯০.০ | - | ০.১ |
| ত্ৰিপুৰা | ৮৫.৫ | ৮৫.৬ | ৭.১ | ৮.০ | - | ৩.২ | ৪.৭ | ৩.১ |

(উৎসঃ Census of India, 1991 and 2001)

অসমৰ বৰ্ত্তমান জনসংখ্যা প্ৰায় ৩২ নিযুতৰ ভিতৰত, ১০ নিযুত মুছলমান। ভাৰতৰ ৰাজ্য সমূহৰ ভিতৰত শতকৰা হিচাপত লক্ষদ্বীপ আৰু জম্মু কাশ্মীৰৰ পাছতে অসমৰ মুছলমান জনসংখ্যা তৃতীয় স্থানত।

পূৰ্ব্বোত্তৰৰ প্ৰৱেশদ্বাৰ-ৰূপী অসমলৈ আক্ৰমণ সূত্ৰে মুছলমানৰ প্ৰথম আগমন ঘটে খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাত, সেই সময়ত অসমখন কামৰূপ নামে জনাজাত আছিল। ১২০৫-০৬ চনত, দিল্লীৰ চুলতান কুতুবুদ্দিন আইবাকৰ বিশ্বস্ত সেনাপতি ইখতিয়াৰউদ্দিন বখতিয়াৰ খিলজীয়ে তিব্বত জয় কৰাৰ মানসেৰে চলোৱা এক অভিলাষী সামৰিক অভিযানৰ অংশ ৰূপে অসম প্ৰৱেশ কৰে । ইয়াৰ পূৰ্ব্বে তেওঁ বিহাৰ জয় কৰিছিল, আৰু বৰ্ত্তমানৰ বাংলাদেশৰ অন্তৰ্গত লক্ষ্ণৌটি (লক্ষণাৱতী) অধিকাৰ কৰিছিল। তেওঁ কামৰূপাধিপতি পৃথুৰ ৰাজ্যত সোমাইছিলহি। মেচ সম্প্ৰদায়ৰ মুখিয়াল এজনে সমৰ অভিযানত খিলজীক সহায় কৰিছিল; পাছলৈ এই মুখিয়ালজনে ইছলাম গ্ৰহণ কৰি আলী মেচ নামে জনাজাত হয়। সম্ভৱতঃ এওঁৱেই ইছলামত দীক্ষিত হোৱা ইয়াৰ প্ৰথম জন লোক। এই আৰম্ভণিৰ পাছত ভালেমান থলুৱালোক ইছলামলৈ ধৰ্মান্তৰিত হ'ল। কিন্তু তিব্বত অভিযান বিফল হোৱাৰ পাছত খিলজী উভতি আহোতে তেওঁ পৃথুৰ হাতত পৰাজিত হয়। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ কানাই বৰশী-বোৱা ঘাট নামে ঠাইৰ পৰা নদীপথেৰে তেওঁ পলাই সাৰিবলৈ সক্ষম হ'ল যদিও, তেওঁৰ প্ৰায়খিনি সেনা কামৰূপ-ৰজাৰ হাতত বন্দী হ'ল। ৰজাই এই সকল যুদ্ধ-বন্দীক সংস্থাপিত কৰিলে আৰু এইদৰে অসমত মুছলমানৰ বসতিৰ সূত্ৰপাত হয়।

এইদৰে বহুবাৰ মুছলিম যুদ্ধ-বন্দী অসমত থিতাপি লোৱাৰ বাহিৰেও, ইয়াত মুছলমান জনসংখ্যা বঢ়াৰ আৰু এক কাৰক হ'ল ইয়ালৈ হানিফী পন্থাৰ চুফী সন্তসকলৰ আগমন। ত্ৰয়োদশৰ পৰা সপ্তদশ শতিকালৈকে, ভাৰতৰ ভিন ভিন প্ৰান্তত চুফীবাদৰ জৰিয়তে ইছলামৰ প্ৰসাৰ ঘটিছিল; এইদৰেই তুৰ্কী -আফগান আৰু পাছৰ মোগল ৰাজত্বকালত, ভাৰতৰ উত্তৰ, পূব আৰু পূৰ্ব্বোত্তৰ অংশত ইছলাম বিয়পি পৰিছিল। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে চুন্নী ইছলামৰ চাৰিটা দাৰ্শনিক পন্থা আছে, সেইকেইটা হ'ল হানিফী, হাম্বলি, মালিকি আৰু ছাফিই চুফীবাদ।[৪] এই চুফী সাধকসকলে উমায়া[৫] খলিফাসকলৰ দিনত (৭৫৬-১০৩১) ইৰাক আৰু চিৰিয়াৰ

পৰা পৃথিৱীৰ বিভিন্ন, আনকি দুৰ্গম চুক-কোণলৈকো ইছলামৰ পোহৰ বিলাববলৈ গৈছিল। তেওঁবিলাক স্বপ্ৰণোদিতভাৱে প্ৰকৃত ইছলামীয় ঐতিহ্য-পৰম্পৰাৰ জ্ঞান বিলাববলৈ ওলাই আহিছিল। চুফী শিকনিয়ে সাম্য-মৈত্ৰীৰ বাণীৰে মুছলমানক থলুৱা লোক আৰু বাতাবৰণৰে সৈতে খাপ খাই পৰি জীণ যোৱাৰ পথ দেখুউৱাৰ উপৰিও অমুছলমান সমাজকো ইছলামৰ প্ৰতি আকৰ্ষিত কৰিছিল। ভাৰতৰ মালাবাৰ উপকূললৈ ইছলাম প্ৰচাৰৰ উদ্দেশ্যেৰে প্ৰথম আহে ছাফিই আৰব লোক; পাছত, একেই উদ্দেশ্যেৰে হানিফী চুফীসকল উপস্থিত হয়হি গঙ্গা অৱবাহিকাত, আৰু তাৰে পৰাই তেওঁবিলাক অসম পায়হি। ১২০৫-০৬ ৰ পৰা ১৬৮২ লৈকে অসম মুছলমান ৰাজশক্তিৰ সামৰিক অভিযানৰ সন্মুখীন হৈছিল। বুৰঞ্জীবিদ আৰু টোকাকাৰসকলৰ বিৱৰণৰ পৰা জনা যায় যে সেই ৪৭৬ বছৰৰ দীঘলীয়া কালছোৱাত সোতৰ বাৰ সামৰিক অভিযান-আক্ৰমণ চলিছিল, তাৰ ভিতৰত বেছি উল্লেখযোগ্যবোৰ হ'ল ছিকন্দৰ শ্বাহ (১২৩৬), হুছেইন শ্বাহ (১৪৯৮), তুৰ্বক খান (১৫২৯), মিৰ্জা নাথন (১৬১৭) মিৰজুমলা (১৬৬৩) আৰু শেষত ৰাজা ৰাম সিংহৰ (১৬৬৯)। যুদ্ধত বন্দী হৈ অসমতে ৰৈ যাবলৈ থিৰাং কৰা আক্ৰমণকাৰী সৈনিকক পাছলৈ ইয়াতেই ৰজাই সংস্থাপন দিছিল। এওঁলোকে থলুৱা তিৰোতা বিয়া কৰাই, ইয়াৰ সমাজ সংস্কৃতিত মিলি পৰিছিল। ইয়াৰ ভিতৰৰে ভালেসংখ্যক কলা-কুশলী, বন্দুক-কামান তৈয়াৰ আৰু মেৰামতি কৰোঁতা, কাঁহ-পিতলৰ কাম জনা লোক, চিকিৎসক (হেকিম), পশু-চিকিৎসক, খেতিয়ক, বণিক, দৰ্জী, টোকাকাৰ, গায়ক, বাদ্যযন্ত্ৰত পৰাদৰ্শী আৰু আনকি, কোনো কোনো ৰাজসভাৰ বহুৱাও আছিল। এনে বসতি চলি থকাৰ মাজতে আহোম আৰু কেতিয়াবা কোচ ৰজাৰ পৃষ্ঠপোষকতাত, আৰু কিছু মুছলমানলোকৰ অসমলৈ প্ৰব্ৰজন ঘটিল; এওঁবিলাক, অসমত তেতিয়াৰ দিনত নোহোৱা কেতবোৰ কলা-কৃতি আৰু কৌশলত পাকৈত আছিল। উদাহৰণ স্বৰূপে, আহোম স্বৰ্গদেৱ চুহুংমুঙে (১৪৯৭-১৫৩৯)বেজিৰ কাম জনা (দৰ্জী) আৰু গুণাকৰ বা গুণাকটীয়া (সোণালী সূতাৰ জড়িৰ কাম কৰোঁতা) মুছলমান লোক উত্তৰ ভাৰতৰ পৰা অনোৱাইছিল। পাছলৈ, স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত (১৬৯৮-১৭১৪)বিশেষ কলা-জ্ঞানত দক্ষতা সম্পন্ন লোকৰ, ৰাজ-পৃষ্ঠপোষকতা হেতু বেচ বুজন হাৰত প্ৰব্ৰজন ঘটে। এওঁবিলাকৰ ভিতৰত বিশেষ উল্লেখনীয় আছিল নিম্নোক্ত আঁঠোটি পৰিয়ালঃ ফাৰ্চীপঢ়ীয়া (ফাৰ্চী পঢ়িব আৰু লিখিব জনা), আখৰকটীয়া (সাঁচ-লিপি খোদাই কাৰ্য্যত পাৰ্গত), শিলাকটীয়া (শিলত চানেকি কাটিব জনা), গুণাকটীয়া (গুণাৰ কামত পাৰদৰ্শী), খনিকৰ (স্থপতিৰ বৃত্তিত পাকৈত), নেগেৰিয়া (ঢোল বজোৱাত পাকৈত) জোল্‌হা (বোৱা-কটাত-নিযুক্ত)আৰু দৰ্জী (ৰজা-অমাত্যবৰ্গৰ কাপোৰ চিলোৱাত পটু)। এওঁলোকৰ বাহিৰেও ৰংপুৰ আৰু গড়গাঁৱৰ আহোম ৰাজধানীত নিৰ্মাণ কাৰ্য্যৰ বাবে অনেক ৰাজমিস্ত্ৰী আৰু ইটা তৈয়াৰ কৰা মুছলমান লোক পশ্চিমৰপৰা অনোৱা হৈছিল। তদুপৰি স্বৰ্গদেউ ৰুদ্ৰসিংহই নৱাবৰ পৰিয়াল এটিকো মাতি আনি শিৱসাগৰৰ নাজিৰাৰ ওচৰত থাপে। এইবিলাক পৰিয়ালৰ পুৰুষ, আৰু আগতে অহা আন মুছলমান লোকসকল আৰু থলুৱা ধৰ্মান্তৰিত লোকসকলৰ বংশধৰসকল মিলি বৰ্ত্তমানৰ খিলঞ্জীয়া মুছলমান সম্প্ৰদায়টি গঢ়ি উঠিছে। তেওঁবিলাকে এক দীঘলীয়া পৰিক্ৰমাৰ মাজেৰে, থলুৱা অমুছলমান লোকৰে সৈতে, উঠা-বহা কৰি আৰু আৰ্থিক আৰু সামাজিক আদান-প্ৰদানৰ জৰিয়তে অসমৰ ইছলামীয় ঐতিহ্যৰ গঢ় দিয়ে; ই ইছলামীয় হোৱাতকৈ বেছি অসমীয়াহে। ইয়াৰ স্বতঃস্ফূৰ্ত প্ৰকাশ ঘটে বিভিন্ন ধৰণে; পৰম্পৰা, সংস্কৃতি, জীৱন-ধাৰা, ভক্তি-মূলক গীত, জীৱনচক্ৰৰ ভিন্-ভিন্ ক্ৰিয়া-কলাপ, জন্ম-বিবাহ-মৃত্যু পৰিধিৰ বিভিন্ন তিথি

পাৰ্বণৰ উদ্‌যাপন আদিৰ মাজেৰে অসমৰ মুছলমানৰ ইছলামীয় ঐতিহ্য গঢ়লৈ উঠে। অসমীয়া হিন্দু প্ৰমুখ্যে অন্যান্য থলুৱা গোষ্ঠী সম্প্ৰদায়ৰ লোক-পৰম্পৰাৰ সৈতে অতি নিবিড়ভাবে সাঙোৰ খাই থকা এইবিলাক দিশ আৰু ঐতিহ্য, এইবোৰ পৃথকাই চোৱা নিতান্তই দুৰূহ।

## চুফী সন্ত আৰু তেখেতসকলৰ প্ৰভাৱ

ইতিমধ্যে উনুকিউৱা হৈছেই যে ভাৰতৰ আন ঠাই আৰু আনকি আৰবদেশৰ পৰা অসমলৈ অহা চুফীসন্তসকল হানিফী পন্থাৰ। তেওঁবিলাক আঁহোতে ভাৰতবৰ্ষৰ বেলেগ-বেলেগ ঠাইৰ মাজেৰে আহিছিল, আৰু ভিন্-ভিন্ ঠাইত অৱস্থানো কৰিছিল। বহুকেইজন আকৌ সেই সময়ৰ দিল্লীৰ চুলতানৰ অধীনৰ বঙ্গতে প্ৰথমে উপস্থিত হৈছিলহি। ৰিচাৰ্ড ইটনৰ[৬] মতে, বঙ্গত চুফী সন্তৰ আগমন ত্ৰয়োদশ শতিকাৰ প্ৰথম দশকতে, ১২০৪ চনত বখতিয়াৰ খিলজীৰ লক্ষণাৱতী অধিকাৰৰ সময়ত ঘটিছিল; ইয়াৰে হয়তো দুই-এজন চুফী ইছলাম প্ৰচাৰৰ উদ্দেশ্যে অসমলৈও আহিছিল। পূব ভাৰতৰ চুফী সন্তসকলৰ বিচৰণ আৰু কাৰ্য্য-কলাপৰ লিখিত বিৱৰণ পোৱা যায়। প্ৰথম এনে সাক্ষ্য হৈছে ১২২১ চনৰ (২৯ জুলাইৰ) এক শিলালিপি; তাত পশ্চিম বঙ্গৰ বীৰভূম জিলাত খানকাহ (চুফী আশ্ৰম) এটি নিৰ্মাণৰ উল্লেখ আছে।

অসমলৈ অহা প্ৰথমগৰাকী বিখ্যাত চুফী সন্ত হ'ল গিয়াচুদ্দিন আউলিয়া; তেখেতে চতুৰ্দশ শতিকাৰ শেষ ছোৱাত গুৱাহাটীৰ পৰা ৩০ কিলোমিটাৰ আঁতৰৰ হাজোৰ গৰুড়াচল পাহাৰত মঠ পাতিছিল। আউলিয়া গৰাকীয়ে মক্কাৰ পৰা অনা এপোৱা মাটি ইয়াত দিছিল গুণে এই ঠাই পাছলৈ পোৱা-মক্কা নামে খ্যাত হৈ এক পবিত্ৰ-ধামত পৰিণত হ'ল। তেওঁৰ ইছলাম প্ৰচাৰৰ কেন্দ্ৰ থলীৰ দৰগাহ (পীৰৰ সমাধি-সৌধ) দিনৌ ধৰ্ম-নিৰ্বিশেষে বহুলোকে দৰ্শন কৰে।

এইজনা সন্তৰ জৰিয়তে বহুতো স্থানীয় লোক ইছলামত দীক্ষিত হোৱাত এই অঞ্চলত ইছলামৰ প্ৰসাৰ আৰম্ভ হয়। পাছলৈ অসমলৈ আন বহু চুফী সন্তৰো আগমন ঘটিল; তেখেতসকলক আউলিয়া বা পীৰ নামেৰে জনা যায় এওঁবিলাকৰ দুটি লক্ষ্য আছিল ঃ জন্মসূত্ৰে আৰু পাছত হোৱা মুছলমানক ইছলামৰ প্ৰকৃত জ্ঞানৰ সৈতে পৰিচয় কৰোৱা আৰু লগতে, ধৰ্মান্তৰকৰণত ইচ্ছুকজনক দীক্ষা প্ৰদান কৰা। দক্ষিণ এছিয়াৰ অন্যান্য প্ৰান্তৰ দৰে, ভাৰতখনো চুফী পীৰ-ফকীৰৰ দেশ। দেশব্যাপী থকা তেওঁলোকৰ দৰগাহসমূহে তাৰেই সাক্ষ্য দিয়ে। ভাৰতত দৰগাহৰ সংখ্যা প্ৰায় ২৫০০; অসমত এনে এশ খনতকৈও অধিক দৰগাহ আছে। পাৰ্ব্বত্য জিলা ডিমা হাচাও আৰু কাৰ্বি আংলঙৰ বাহিৰে বাকী আটাইকেইখন জিলাতে এই দৰগাহবিলাক সিচঁৰতি হৈ আছে। ব্ৰহ্মপুত্ৰ আৰু বৰাক উভয় উপত্যকাতে, ইতিহাসে গৰকা বিভিন্ন সময়ত পীৰ আৰু ফকীৰৰ পৰা দীক্ষা লাভ কৰি স্থানীয় জাত-কুল প্ৰথা প্ৰচলিত সমাজৰ লোকৰ ধৰ্মান্তৰকৰণ ঘটিছিল; ইছলাম প্ৰসাৰত ব্ৰতী তেওঁবিলাকৰ ভূমিকা নিতান্তই প্ৰশংসনীয় এই বাবেই যে, তেওঁলোকে ধৰ্ম প্ৰচাৰতেই ক্ষান্ত নাথাকি, সমাজ সংস্কাৰতো গুৰুত্ব দিছিল। তেনে এজন বৰণীয়, বিশেষ, শ্ৰদ্ধা-সন্মানৰ পাত্ৰ আছিল আজান ফকীৰ, যিজনাই বিভিন্ন জনগোষ্ঠীৰ মাজত শান্তি-সম্প্ৰীতিৰ বাণীও বিলাই সুস্থ-সংহত অসমীয়া সমাজ এখন গঢ়াত বিশেষ বৰঙণি যোগালে। তেখেতে ৰচা ভক্তিমূলক জিকিৰ আৰু গীতে বিভিন্ন সম্প্ৰদায়ৰ লোকক, ইজনক সিজনৰ ওচৰ চপাই অনাৰ বাণী বহণ কৰিছিল। (এই সম্পৰ্কে স্থানান্তৰত বিতংভাৱে আলোচনা কৰা হৈছে)।

## পূৰ্ব-সমীক্ষা

অসমৰ মুছলমানৰ বিষয়ে পোৱা প্ৰথম লেখনি মিৰ্জা নাথনৰ *বাহাৰিস্তানে গায়বী*। এইখন মূল্যবান গ্ৰন্থ ১৯৩৬ চনত ড° ময়িদুল ইছলাম বড়াই ফাৰ্চীৰ পৰা ইংৰাজীলৈ তৰ্জমা কৰে। পাছত চৈয়দ ফাতেহুল মান্নান সমন্বিতে কেইগৰাকীমানে ২০১০ চনত গ্ৰন্থখন অসমীয়ালৈও অনুবাদ কৰে। মোগল সম্ৰাট জাহাঙ্গীৰৰ (ৰাজত্ব কাল, ১৬০৫-১৬২৫) সেনাপতি মিৰ্জা নাথনে নামনি অসমত সামৰিক অভিযান চলাই (১৬০৯) কামৰূপ অধিকাৰ কৰে। এই অভিযানৰ কালছোৱাৰ প্ৰতিটো খুঁটি-নাটি তেওঁ লিপিবদ্ধ কৰি যায়। তদুপৰি অসমৰ ভূ-ভাগৰ বিতং বিৱৰণ সহ ইয়াৰ বিভিন্ন অঞ্চলত বসবাস কৰি থকা মুছলমানৰ বিষয়েও তেওঁ থূল-মূলকৈ লিখি থৈ যায়। অসমীয়া মুছলমানৰ বিষয়ে আটাইতকৈ বিস্তৃত বৰ্ণনা পোৱা যায় ছিহাবুদ্দিন তালিছৰ ফাৰ্চীতে লিখা *তাৰিখ-ই-আছাম* গ্ৰন্থত। তেওঁ সম্ৰাট ঔৰংজেৱে (১৬৫৮-১৭০৭) অসম আক্ৰমণ কৰিবলৈ পঠিওৱা বঙ্গৰ শাসক মীৰজুমলাৰ সেনা বাহিনীৰ লগত আহিছিল। (পুথিখন গুৱাহাটী বিশ্ববিদ্যালয়ৰ ফাৰ্চীৰ অধ্যাপক মজহৰ আছিফে ২০০৯ চনত ইংৰাজীলৈ অনুবাদ কৰে)। 'তাৰিখ-ই-আছাম'ৰ পাছত প্ৰায় চাৰিশ বছৰীয়া এক সুদীৰ্ঘ সময়ত অসমৰ মুছলমানৰ বিষয়ে বিশেষ কোনো লিখিত সম্ভেদ পোৱা নাযায়। তত্ৰাচ, আজান ফকীৰ ৰচিত জিকিৰৰ দৰে ভক্তিমূলক আৰু লোক-গীত, জনশ্ৰুতি আৰু মৌখিক বুৰঞ্জী, পুৰাতাত্বিক সাক্ষ্য ইত্যাদিৰ জৰিয়তে অসমৰ মুছলমানে আপোন আৰু আদৰৰ ঐতিহ্যৰ ৰূপত সাঁচি ৰখা সমলখিনিৰ বাৰ্তা পাব পাৰি।

উনবিংশ শতিকাত অৱশ্যে উপৰোক্ত এই পৰিস্থিতিৰ কিছু সলনি হ'ল, বহু কেইগৰাকীমান শিক্ষিত মুছলমান লিখকে ইছলাম, ৰছুল (দঃ) আৰু ধৰ্মীয় ক্ৰিয়া-কৰ্মৰ বিষয়ে লিখিবলৈ লয়। প্ৰাসঙ্গিক অধ্যায়ত পুনৰোল্লেখিত এই লিখনীসমূহ অসমীয়া নাইবা বঙালীতহে লিখা, হিন্দী বা উৰ্দূত নহয়। অসম, ইষ্ট ইণ্ডিয়া কোম্পানীৰ অধীনলৈ অহাৰ পাছত, অসমৰ বুৰঞ্জীৰ বিষয়ে ইংৰাজীত কিছু লিখা দেখা গ'ল, এই বিলাকত মুছলমান সম্প্ৰদায়ৰ কিছু উল্লেখ, আওপকীয়াকৈ বা কম-বেছি পৰিমাণে হ'লেও পোৱা গ'ল। John M'Cosh এ লিখা *Topography of Assam* - (১৮৩৭), প্ৰথম লিখনীসমূহৰ মাজৰে এখন; ইয়াত প্ৰধানকৈ ৰাজ্যখনৰ ভূ-ৰাজনৈতিক আৰু জনসংখ্যা দৃশ্যপটৰ আভাস, আৰু লগতে আহোম শাসনৰ পৰা উপনিৱেশিক-ৰাজলৈ ক্ষমতা হস্তান্তৰৰ সাময়িক প্ৰসঙ্গ বৰ্ণিত হৈছে। আন আন ব্ৰিটিছ বিষয়াই অসমৰ আন কেতবোৰ দিশ আৰু লগতে, নামনি অসমৰ জনসংখ্যা গাঁথনিৰ সাল-সলনি ঘটোৱা, ভৈয়াম জনজাতীয় ভালেমান লোকৰ ইছলামলৈ ধৰ্মান্তৰকৰণ প্ৰসংগও সামৰি নিৰ্ভৰযোগ্য টোকা লিখি থৈ গৈছে। উদাহৰণস্বৰূপে, উনবিংশ শতিকাৰ ৰচনা,W.W. Hunter ৰ *Statistical Account of Assam* (২ খণ্ডত প্ৰকাশিত, ১৮৭৯) লৈ আঙুলিয়াব পাৰি।

নিৰ্ভৰযোগ্য সাক্ষ্যৰ ভিত্তিত যুগুতোৱা বুৰঞ্জী পুথি, *A History of Assam* (১৯০৬), অসমত ভালেদিন চাকৰি কৰা ব্ৰিটিছ বিষয়া Edward Gait ৰ অমূল্য অৱদান। তেওঁৰ কিতাপখনত , ১২০৫ চনতে আৰম্ভ হোৱা মুছলমানৰ সামৰিক অভিযান আৰু তাৰ পাছৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন ঠাইত কিদৰে যুদ্ধ-বন্দীক সংস্থাপন দিয়া হ'ল, যাৰ আলমত কালক্ৰমত ব্ৰহ্মপুত্ৰ উপত্যকাত অসমীয়া মুছলমান সম্প্ৰদায়টি গঢ়

লৈ উঠিল, সেইবিলাকৰ বিষয়ে নিৰ্ভৰযোগ্য তথ্য সমল পোৱা যায়। কোৱা বাহুল্য, এওঁলোকৰে উত্তৰ-পুৰুষ, অসমীয় ইছলামীয় ঐতিহ্যৰ বাহক ৰূপে চিহ্নিত হ'লগৈ। তেওঁৰ *Report on Census of Assam-১৮৯১*ত জনসংখ্যাৰ মোটা-মুটি পৰিচয়ৰ উপৰিও অসমৰ মুছলমানৰ সামাজিক গাঁথনিৰ কিছু আভাস পোৱা যায়। B.C. Allen ৰ *Assam District Gazetteers* ১৯০৫-০৭, এ তেওঁৰ দিনৰ চাৰিখন জিলা, কামৰূপ, দৰং , নগাওঁ আৰু শিৱসাগৰ সামৰি, মুছলমান জনসংখ্যাৰ চিত্ৰ এখন দাঙি ধৰিবলৈ সক্ষম হৈছিল।

তিনিটা খণ্ডত ৰচিত (১৯৩২), C.S. Mullan ৰ *Assam: Census of India* ত কুৰি শতিকাৰ আগছোৱাত পূৰ্ববঙ্গৰ পৰা অসমলৈ, ব্যাপক হাৰত হোৱা প্ৰব্ৰজনৰ ফলত মুছলমান লোকৰ সংখ্যা বাঢ়ি অসমৰ জনসংখ্যাৰ গাথঁনি কিদৰে সলনি হ'বলৈ লৈছিল, সেই সম্পৰ্কীয় মন্তব্য অৱশ্য প্ৰণিধানযোগ্য। ভালেকেইজন বুৰঞ্জী প্ৰণেতাই অসমৰ মুছলমানৰ প্ৰসঙ্গত সম্যক আলোকপাত কৰাৰ চেষ্টা কৰিছে; তেওঁলোকে দেখুৱাইছে যে তিনিটা গুৰুত্বপূৰ্ণ কাৰণত ত্ৰয়োদশ শতিকাৰে পৰা আৰম্ভ কৰি, মুছলমানৰ সংখ্যা ব্ৰহ্মপুত্ৰ উপত্যকাত বৃদ্ধি পাইছে। এই কাৰণ তিনিটা হৈছে -----

(ক) আক্ৰমণ-জনিত আগমন, আৰু পাছলৈ সংস্থাপন,

(খ) হানিফী পন্থাৰ চু ফী সন্তৰ দ্বাৰা ধৰ্মান্তৰকৰণ, আৰু

(গ) পঞ্চদশৰ পৰা সপ্তদশ শতিকালৈ আহোম ৰজাসকলৰ পৃষ্ঠপোষকতা হেতু প্ৰব্ৰজন।

সামাজিক আৰু ৰাজনৈতিক দিশত অসমৰ দৃশ্যপটত মুছলমান অৱস্থিতি সম্পৰ্কে কেইখনমান প্ৰামাণ্য পুথি হ'ল- ড° সূৰ্য্য কুমাৰ ভূঞাৰ *Annals of Delhi Badshahate* (১৯৪৭), *মীৰজুমলাৰ অসম আক্ৰমণ* (১৯৫৬), আৰু *Aton Buragohain and his Times* (১৯৫৬)।

জীৱনীমূলক কিছুমান টোকা আৰু গ্ৰন্থত, বিশেষকৈ সুনিপুণ ৰণকৌশলী সাহসী বাঘ হাজৰিকা ওৰফে ইছমাইল চিদ্দিকি (*বাঘ হাজৰিকা*, সম্পাদকদ্বয় আনোৱাৰ হুছেইন আৰু ভীমকান্ত কোঁৱৰ, ২০০৪) আৰু 'সাতাৱন ছাল'ৰ (১৮৫৭) স্বাধীনতা সংগ্ৰামৰ স্বনামধন্য মুক্তি-যুঁজাৰু বাহাদুৰ গাওঁবুঢ়া (আব্দুছ ছাত্তাৰ প্ৰণীত, *বাহাদুৰ গাওঁবুঢ়া*, ১৯৪৯) প্ৰমুখ্যে মুছলমান ব্যক্তিত্বৰ কিম্বদন্তীস্বৰূপ জীৱন-বৃত্তান্তৰ উপৰিও, ইছলামীয় ঐতিহ্যৰ কিছু আভাসো পোৱা যায়।

আব্দুছ ছাত্তাৰৰ আন দুখন লেখত ল'বলগীয়া কিতাপ *সম্প্ৰীতিৰ চানেকি* আৰু *সংমিশ্ৰণত অসমীয়া সংস্কৃতি*য়ে (ক্ৰমে ১৯৭০ আৰু ১৯৭২ত প্ৰকাশিত) ব্ৰহ্মপুত্ৰ উপত্যকাৰ মুছলমানৰ সমাজ আৰু জীৱন ব্যৱস্থাৰ কিছু বিস্তৃত আভাস দিয়াৰ উপৰিও অসমৰ সমাজৰ সমন্বয়ৰ চিত্ৰ এখনিও দাঙি ধৰে। তাৰ পাছত আৰু কেইজনমানে অসমীয়াতে, অসমীয়া মুছলমানৰ ইতিবৃত্ত লিখাত মনোনিবেশ কৰে। ড° ইৰশ্বাদ আলিৰ গৱেষণামূলক প্ৰৱন্ধই ব্ৰহ্মপুত্ৰ উপত্যকাৰ মুছলমানৰ গাওঁ আৰু চহৰ এলেকাৰ জীৱন-ধাৰাৰ নিৰ্ভৰযোগ্য ছবি এখন ফুটাই তোলাত সক্ষম হয়। আমাৰ আলোচনাত তেওঁৰ লিখনীৰ প্ৰাসঙ্গিক উদ্বৃতি সন্নিবিষ্ট কৰা হৈছে। এই সমূহত অসমীয়া মুছলমানৰ সামাজিক জীৱনত অসমৰ লোক সংস্কৃতিৰ প্ৰভাৱৰ নিদৰ্শন পোৱা যায়। ড° মোহিনী কুমাৰ শইকীয়াৰ গৱেষণামূলক ইংৰাজী পুথি, *Assam Muslim Relation and Its Cultural Significance* (১৯৭৮)ত কেনেকৈ মুছলমান আৰু থলুৱা অন্যান্য সম্প্ৰদায়ৰ মাজত পৰস্পৰ আদান-

প্ৰদানৰ জৰিয়তে খিলঞ্জীয়া অসমীয়া মুছলমান সংস্কৃতিৰ উদ্ভৱ ঘটে আৰু ইয়েই যে এওঁলোকক বৃহত্তৰ অসমীয়া সমাজখনৰ অৱিচ্ছেদ্য অঙ্গৰূপ দিছে সেই কথা সম্যকভাৱে বৰ্ণোৱা হৈছে। ড° মহম্মদ তাহেৰে অসমীয়া মুছলমানৰ অভ্যুদয় আৰু সামাজিক অৱস্থাৰ বিষয়ে অসমীয়াত ভালেমান প্ৰৱন্ধ ৰচনা আৰু কেইবাখনো গ্ৰন্থ সম্পাদনা কৰিছে। ইয়াৰ উপৰিও কেবাজনো অসমীয়া মুছলমানে, অসমৰ মুছলমানৰ সাংস্কৃতিক ঐতিহ্যৰ বিষয়ে অসমীয়াত তথ্য ভিত্তিক টোকা লিখা দেখা গৈছে। অসমৰ মুছলমানৰ পৰিচয় বিশ্ব দৰবাৰত দাঙি ধৰিবলৈ কৰা এক প্ৰসংশনীয় প্ৰচেষ্টা হৈছে, কাছিম আলি আহমদৰ ইংৰাজীত ৰচনা কৰা *The Muslims of Assam* (২০১০) নামৰ গ্ৰন্থখনি। শেহতীয়াকৈ আল-আমিনৰ উদ্যোগত আৰু মহম্মদ তাহেৰৰ মুখ্য সম্পাদনাত প্ৰকাশিত *অসমৰ মুছলমান* প্ৰথম আৰু দ্বিতীয় খণ্ড এই দিশত অন্যতম সংযোজন। সি যি কি নহওক, এই সকলোবোৰ লিখনীতেই একে কথাই দোহৰা হৈছে যে অসমৰ ইছলামীয় ঐতিহ্য, বৃহত্তৰ অসমীয়া সমাজখনিৰ সামাজিক পৰম্পৰাৰ সৈতে ওতপ্ৰোতভাৱে জড়িত।

বৰাক উপত্যকাৰ ইছলামী ঐতিহ্যৰ বিষয়ে ইংৰাজীত বিশেষ লেখা-মেলা হোৱা নাই, যি হৈছে সেয়া বঙালী ভাষাতেই; পিছে তাত খুঁটি-নাটি সম্বলিত চিত্ৰ এখন দৃষ্টিগোচৰ নহয়। সেই কাৰণতেই, তেওঁলোকৰ ইতিহাস সম্পৰ্কে, জন্মৰে পৰা তাতে বসবাস কৰা কেইজনমান বয়সীয়াল লোকৰ সাক্ষাত যোগে সংকলন কৰা মৌখিক বুৰঞ্জীৰ ওপৰতে নিৰ্ভৰ কৰিবলগীয়া হয়। ইমাদুদ্দিন বুলবুলে ৰচনা কৰা *বরাকের রস সাহিত্যত* নামটোৱে সূচোৱাৰ দৰেই, তাৰ মুছলমানৰ মাজত প্ৰচলিত লোক-গীত আৰু পটন্তৰ, ফকৰা-যোজনা আদিত ৰসবোধৰ পৰিচয় পোৱা যায়। শেহতীয়াকৈ প্ৰকাশ পোৱা আলী হায়দৰ লস্কৰৰ গ্ৰন্থ *A History of the Muslims and the Barak Valley* (২০১৩) এই দিশত এক উল্লেখযোগ্য অৱদান।

অসমৰ চুফী সন্তসকলৰ বিষয়ে লিখনী কেৱল অসমীয়া আৰু বঙালী ভাষাতহে পোৱা যায়। *হজৰত আজান পীৰ* নামৰ মুহিবুল হুচেইনৰ কিতাপ খনেই অসমীয়াত প্ৰকাশিত (১৯৫৪) এই দিশত প্ৰথম পুথি। তাৰ পাছতে বিশিষ্ট সাহিত্যিক চৈয়দ আব্দুল মালিকৰ *অসমীয়া জিকিৰ আৰু জাৰী* সপ্তদশ শতিকাৰ চুফী সন্ত আজান ফকীৰ ৰচিত ১৬২ টি জিকিৰ আৰু জাৰীৰ সংকলন। এক সু-চিন্তিত গবেষণাৰ ফল এই পুথিখন গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰকাশ কৰে (১৯৫৮)। জিকিৰ আৰু জাৰীৰ বিষয়ে তেওঁৰ আৰু এখন পুথি, ১৯৭১ চনত প্ৰকাশিত, *জীৱৰ সাৰথি নাম* হ'ল আজান ফকীৰৰ ভক্তিমূলক গীতৰ সংকলনটিত এক গুৰুত্বপূৰ্ণ সংযোজন। ৰাছবীৰ হুছেইন আৰু ভাস্কৰজ্যোতি মহন্তৰ ইংৰাজী চিত্ৰ-পুথি , *Chord of Harmony : Satras and Dargahs of Assam* (২০১০), বৈষ্ণৱ সত্ৰ আৰু চুফী দৰগাহ এই দুই অনুষ্ঠানে সৃষ্টি কৰা উদাৰধৰ্মী পৰম্পৰাৰ প্ৰতিফলন। শেহতীয়াকৈ আল-আমিনৰ উদ্যেগত *অসমৰ মুছলমান: ইতিহাস আৰু সমাজ* এক উল্লেখযোগ্য সংযোজন। তাৰোপৰি, বিশিষ্ট চিন্তাবিদ হীৰেন গোঁহায়ে অসমৰ মুছলমানসকলৰ থলুৱা গীত-মাত সংগ্ৰহ কৰি এখন মূল্যবান গ্ৰন্থ যুগুত কৰাৰ প্ৰচেষ্টা হাতত লৈছে।

বৰাক উপত্যকাৰ চুফী সন্তসকলৰ জীৱন-টোকাৰ সংকলন আব্দুল চুকুৰ বৰভূঞাৰ *বরাকের পীর ফকীর* (২০০৮) এখন নিৰ্ভৰযোগ্য দলিল। লেখত লবলগীয়া এই কিতাপখনৰ জৰিয়তে শিতালং পীৰৰ জীৱন-টোকাৰ দৰে কেতবোৰ ৰচনাৰ মাধ্যমত বৰাকত ইছলামৰ আগমন আৰু তাৰ মুছলমান সম্প্ৰদায়ৰ সামাজিক জীৱনৰ প্ৰতিচ্ছৱি এখনৰ পৰিচয় পোৱা যায়। মেদিনী চৌধুৰীৰ *লুইত, বৰাক আৰু ইছলাম*

(২০০২) স্বকীয় বৈশিষ্ট্যৰে প্ৰবাহমান নদী দুখনৰ দুই উপত্যকাৰ মানুহৰ জীৱন-ধাৰাৰ এক তুলনামূলক অধ্যয়ন আৰু ৰাজ্যখনৰ ভিন্ন দুই ভৌগোলিক এলেকাৰ, এহাতে অসমীয়া আৰু আনহাতে বাঙালি লোক পৰম্পৰাৰ এখন প্ৰামাণ্য দলিল বুলিব পাৰি। তেওঁ ন দি দোহাৰিছে যে উপত্যকা দুটিত মুছলমানসকলৰ বিশেষ পৰিচিতি, নিজা পৰম্পৰা আৰু ঐতিহ্যৰ অৱদান প্ৰণিধানযোগ্য। যামিনী কুমাৰ চামালৰ *The Barak Valley* (২০০৬) এ বৰাক উপত্যকাৰ বঙালী লোকসকলৰ সাংস্কৃতিক পৰিসৰৰ উল্লেখনীয় দিশসমূহৰ বিষয়ে উনুকিয়াওঁতে দেখুৱাইছে যে তাৰ মুছলমান সম্প্ৰদায়ো এই পৰিধিৰ অবিচ্ছেদ্য তথা অনন্য অঙ্গ।

ওপৰৰ বৰ্ণনাৰ পৰা বুজিব পাৰি যে অসমৰ মুছলমানৰ বিষয়ে প্ৰায়বোৰ পুথি-পাঁজি, অনুসন্ধান আৰু আলোচনা-বিলোচনা ঘাইকৈ অসমীয়া আৰু বাংলাতেই হৈছে বাবে বাহিৰৰ লোকৰ বাবে ই সহজে বোধগম্য নহয়; তদুপৰি সৰহভাগ আলোচনাই এটা বা দুটা বিবেচ্য বিষয়তে সীমাবদ্ধ, অৰ্থাৎ সমাজবিদৰ ভাষাৰে সূক্ষ্মকেন্দ্ৰিক। দুয়োটা উপত্যকাকে সামৰি ইছলামীয় ঐতিহ্যৰ সমন্বিত আৰু বিস্তৃত অধ্যয়ন নিতান্তই বাঞ্চনীয়। উদাৰনৈতিক সম্যক দৃষ্টিভঙ্গীৰে এই প্ৰসঙ্গৰ পুংখানুপুঙ্খ বিচাৰ যেন সময়ৰ তাগিদা।

## প্ৰতিপাদ্য প্ৰসঙ্গ

ইছলামীয় জগতখন চকুৰোৱাকৈ বাৰে-ৰহণীয়া, পশ্চিমে মৰক্কো আৰু আলজেৰিয়াৰ পৰা পূবে ইণ্ডোনেছিয়ালৈকে দৃষ্টিগোচৰ হোৱা বৈচিত্ৰ্যৰে ই মহীয়ান। প্ৰায় ১২০ কোটি ইছলাম ধৰ্মাৱলম্বী লোকৰ জগতখনে সামৰিছে ৪৭ খনতকৈও অধিক মুছলমান প্ৰধান দেশ[৭]; ভাৰতৰ দৰে কেতবোৰ দেশতো মুছলমান জনসংখ্যা বুজন। এওঁলোকৰ আছে নিজস্ব ইতিহাস, সংস্কৃতি, সাহিত্য, সঙ্গীত, কলা আৰু স্থাপত্য, খাদ্যাভ্যাস, পোছাক-পৰিচ্ছদ আৰু বিবিধ বৰ্ণাধ্য সামাজিক ৰীতি-নীতি আৰু আচাৰ-বিচাৰ। এই সকলোতে ইছলামীয় চাপ-আৱেগ বৰ্ত্তমান যদিও ইয়াৰ বহুলাংশতে পৰিলক্ষিত হয় স্থানীয় লোক ঐতিহ্যৰ সবল সাক্ষ্য। সেয়েহে, থলুৱা লোক পৰম্পৰাৰ সৈতে ইছলামীয় পৰম্পৰাৰ আদান-প্ৰদানৰ পৰিসৰ অত্যন্ত বিস্তৃত। সেই গুণেই ইছলামীয় ঐতিহ্যৰ অন্যত্ৰ বিৰল মনোমুগ্ধকাৰী স্বৰূপ ইয়াত উপলব্ধ। এই সন্দৰ্ভত ত্ৰিপুৰী নাথ মদনৰ সুন্দৰ মন্তব্য বৰ প্ৰাসঙ্গিক ঃ

> ভাৰতত ইছলামৰ-সম্যক নৃতাত্বিক অধ্যয়নৰ বাবে সম্প্ৰদায়টিক ঐতিহাসিক, আঞ্চলিক, সাংস্কৃতিক আৰু ভাষিক পৃষ্ঠভূমিত বিচাৰ কৰিব লাগিব। তেওঁবিলাক বঙ্গৰ নে গুজৰাটৰ, কাশ্মীৰৰ নে কেৰালাৰ এই পটভূমি বিশেষ তাৎপৰ্য্যপূৰ্ণ। তাত্বিক দিশেৰে ইছলামপন্থীসকল বিশ্বজনীন আৰু এক যদিও, উম্মা অৰ্থাৎ বিশ্বৰ মুছলমান জনগণ, প্ৰকৃততে বহুধা বিভক্ত। সেই কাৰণেই দৰকাৰ বহুমুখী দৃষ্টিভঙ্গী আৰু তুলনামূলক বিচাৰ।[৮]

ইছলাম ধৰ্মাৱলম্বীৰ উক্ত অন্তৰ্নিহিত 'পাৰ্থক্য' ভাৰতৰ পূৰ্ব্বোত্তৰত ভালদৰেই প্ৰত্যক্ষ কৰা যায়। অনস্বীকাৰ্য যে, অসমৰ ক্ষেত্ৰতো ইছলামীয় ঐতিহ্যৰ সৃষ্টি হৈছে এক সুদীৰ্ঘ ঐতিহাসিক প্ৰক্ৰিয়াৰ মাজেৰে। আক্ৰমণজনিত কাৰণত আৰু ধৰ্মান্তৰকৰণৰ পৰিপ্ৰেক্ষিতত ওপৰোক্ত মন্তব্য, ব্ৰহ্মপুত্ৰ আৰু বৰাক দুয়ো উপত্যকাৰ ক্ষেত্ৰতেই প্ৰযোজ্য যদিও, এই দুই অঞ্চলৰ মাজৰ ভাষা, সংস্কৃতি, পৰম্পৰা আৰু জীৱনশৈলীৰ পাৰ্থক্য লক্ষণীয়। দুয়োটা সমাজেই স্থানীয় পৰম্পৰাৰ উপাদানেৰে সমৃদ্ধ হৈ বৃহত্তৰ সমাজখনৰ অংশৰূপে স্বকীয় ঐতিহ্যৰ সাৰ্থক সৃষ্টিৰ দাবীদাৰ। উদাৰ সংহত নিজস্ব ঐতিহ্যৰ সৃষ্টি ব্ৰহ্মপুত্ৰ উপত্যকাত সম্ভৱ হৈছিল,

জীৱন-পৰিক্ৰমা আৰু ধ্যান-ধাৰণাৰ সূক্ষ্ম সমন্বয়েৰে। কেইবা শতিকা জোৰা সুস্থ আদান-প্ৰদানৰ মাধ্যমেৰে ঠন ধৰি উঠিছিল সাম্প্ৰদায়িক সম্প্ৰীতিৰ এক অনন্য পৰম্পৰা। তাৰা চান্দে তেওঁৰ *Influence of Islam on Indian Culture* (১৯৬৩) গ্ৰন্থত এই প্ৰক্ৰিয়াক ভিন্ন সম্প্ৰাদয়ৰ 'সহ-মিশ্ৰণ' আখ্যা দিছে।[৯] ইছলামৰ প্ৰাণ স্বৰূপ 'পঞ্চ-স্তম্ভ' মূল বিধি-বিধান, পবিত্ৰ কোৰান আৰু হাদীছৰ পৰিপন্থী যেন লগা থলুৱা সামাজিক ৰীতি-নীতিৰ সংমিশ্ৰণেই ভাৰতীয় মুছলমানৰ ভৱিষ্যৎ নিৰূপণ কৰে; একেই ভূ-ভাগৰ অন্যান্য বাসিন্দা সকলৰে সৈতে প্ৰায় অভিন্ন এক ঐতিহ্যই ভাৰতত গঢ় লৈ উঠিছে, হুমায়ুন কবীৰৰ ভাষাত, 'মনন-সংহতি'ৰ দৃশ্যমান ফলশ্ৰুতি'।[১০] স্থানসাপেক্ষ সমাজৰ পৰিপ্ৰেক্ষিতত অনা-আৰব জগতৰ মুছলমান পৰিচিতিৰ পৰিসৰ সেয়েহে ব্যাপক। ইছলামৰ মূল নীতি-বিধানৰ সৈতে প্ৰকাশ্যে মতান্তৰ নাথাকিলে মুছলমানে স্থানীয় সাংস্কৃতিক আৰু সামাজিক আচাৰ বিচাৰত নিজাববীয়া অৰ্থ আৰু তাৎপৰ্য্য আৰোপ কৰি সেই সমস্ত আকোৱালি লয় আৰু চাৰিওকাষৰ অনা-মুছলমান জগতখনত খাপ খাই পৰি জীন যাবলৈ চেষ্টা কৰে। পূৰ্ব্বোক্তৰ ভাৰতৰ অন্যান্য অঞ্চলৰ লগতে, বুজন সংখ্যক মুছলমানৰ বসতি থকা, অসমতো, মুছলমান সংস্কৃতি 'ইছলাম-সৰ্ব্বস্ব' নহয়। গোড়া ধৰ্মসংস্কৃতিৰ সৈতে এই অঞ্চলবাসীৰ ৰাহি-জোৰা নাহে, কিয়নো ইয়াত বিৰাজমান এক খিলঞ্জীয়া মহান পৰম্পৰা আৰু ঐতিহ্য। এই কাৰণতে, আচৰিত হ'ব লাগীয়া নহয় যে আৰব জগতৰ, নতুবা আনকি উত্তৰ ভাৰতৰে ৰক্ষণশীল মুছলমানৰ দৃষ্টিত, অসমৰ থলুৱা মুছলমান 'উচিত শাস্ত্ৰনীতি মানি নচলা' নামতহে মুছলমান বা অৰ্ধ-মুছলমান।

বৰ্ত্তমানৰ বিবেচ্য অধ্যয়ন অসমৰ মুছলমান নামতহে এনে বুলি সাব্যস্ত কৰাৰ প্ৰচেষ্টা নিশ্চয়কৈ নহয়। এটা কথা নিশ্চিত যে, এইসকললোক সাধাৰণতে ধৰ্মৰ 'পঞ্চস্তম্ভ'ৰ আধ্যাত্মিক দিশত খোদা ভীৰু ধৰ্মপৰায়ণ মুছলমান। প্ৰতিপাদ্য বিষয়ৰে প্ৰাসঙ্গিক কোৰান শ্বৰীফৰ অধ্যায় এটি, ছুৰা 'হুজুৰাত'ৰ এটি পংক্তি তলত দিয়া হৈছে। ইয়াত বৈচিত্ৰ্যৰ আৱশ্যকতা আৰু বৈচিত্ৰ্যতাতেই যে একতা নিহিত, তাৰে আভাস পোৱা যায়ঃ

হে মানৱ জাতি, তোমালোকক
সৃষ্টি কৰা হৈছে
এযোৰ পুৰুষ আৰু নাৰীৰ পৰা।
আৰু তোমালোকক বিভিন্ন জাতি আৰু জনজাতি
কৰি তোলা হৈছে, যাতে
তোমালোকে ইজনে সিজনক জানিব পাৰা।

ছুৰা ৪৯:১৩

সৃষ্টি দৰ্শনৰ মূলতেই যে সৃষ্টিৰ বহুধা ৰূপ, সেই চিৰন্তন সত্য ব্যক্ত হৈছে এইদৰে পৱিত্ৰ কোৰানৰ আন এটি ছুৰাতঃ

যদি আল্লাহে ইচ্ছা কৰিলেহেঁতেন
তেওঁ তোমালোকক কৰিব পাৰিলেহেঁতেন

এবিধ মানুহ, কিন্তু (তেওঁৰ আঁচনি হৈছে)
তোমালোকৰ পৰীক্ষা লোৱা
তোমালোকক দিয়া খিনিৰ পৰা,
গতিকে এক জাতি হিচাপে
উৎকৰ্য সাধন কৰা সকলো গুণৰ।

ছুৰা ৫:৪৮

আল্লাহে মানৱকুলক একেটা মাত্ৰ গুণ-ৰূপ বিশিষ্ট সমষ্টি ৰূপে কৰাৰ সলনি ভিন্নতা আৰু বিবিধতাসহ সৃষ্টি কৰিছে; অথচ সকলোৰে দেহ-মন-প্ৰাণ যেন জীৱন-পৰিক্ৰমাৰ একেই সহজাত প্ৰকৃতিৰ গণ্ডীত একেটি ডোলেৰেহে গঁথা। বৈসাদৃশ্যৰ মাধ্যমতেই একত্বৰ উপলব্ধি ইছলাম আৰু বিশ্ব-মুছলমানৰ দৰ্শন, পয়গম্বৰ হজৰত মহম্মদ (দঃ)ৰ দ্বাৰা লিপিবদ্ধ চহিফাতুল মদিনাত (মদিনা চুক্তি পত্ৰ) ফটফটীয়াকৈ প্ৰকাশ পায়।[১১] য়াৎৰিব (মদিনা) ৰ অগ্ৰগণ্য ফৈদ আৰু পৰিয়ালৰ মাজত সম্পাদিত তেখেতৰ এই চুক্তিয়ে মুছলমান, ইহুদী, খ্ৰীষ্টধৰ্মী, জড়োপাসক আৰু মূৰ্তিপূজাৰী সকলোকে বান্ধি ৰাখিছিল। বহুৰূপ সম্বলিত বিশ্ব ভাতৃত্বক ইছলামে এই ধৰণেই সানন্দে শ্ৰদ্ধা সহকাৰে স্বীকৃতি দিছিল।

ত্ৰয়োদশ শতিকাৰ মহান পণ্ডিত পৰিব্ৰাজক ইবনে বটুটাৰ মতে, ৰছুল (দঃ)ৰ দিনতেই মুছলিম সমাজত পৰস্পৰ কিছু ভিন্ন অথচ মূলতঃ একেই ধ্যান-ধাৰণাই সুস্থ ভাৱেই গঢ় লৈ উঠিছিল; এই উপৰুৱা ভিন্নতা গাওঁ আৰু চহৰ অঞ্চলৰ লোকৰ নীতি-বিচাৰৰ পাৰ্থক্যত দেখা গৈছিল। ইছলামৰ 'পঞ্চস্তম্ভ' ই সকলো মুছলমানকে ধৰ্মৰ এক এনাজৰীৰে বান্ধে যদিও, সাধাৰণ সমাজখন আৰু জীৱনধাৰাৰ গঢ় দিয়ে ভিন ভিন থলুৱা পৰম্পৰাইহে। এনে সিদ্ধান্ততেই উপনীত হৈছিল, ত্ৰয়োদশ শতিকাৰ এই অক্লান্ত পৰিভ্ৰমণকাৰীজন। আল্লাৰ ঐশীবিধানৰ মৰ্ম অনুসৰি আৰু ইছলামৰ দৰ্শন আৰু সহজাত প্ৰকাশৰ আধাৰ, ইছলামীয় বিশ্বৰ সৰ্বত্ৰ বিৰাজমান বিবিধতা বুলি অনুধাৱন কৰিব পাৰিলে, এই পৰিপ্ৰেক্ষিতত অসমৰ ইছলামীয় ঐতিহ্য যে গৌৰৱৰ বিষয় সেই কথা নকলেও চলে; সেয়েহে ইয়াৰ সংৰক্ষণ আৰু উত্তৰণত উদগনি নিতান্তই বাঞ্চনীয়। বিশ্বৰ আন আন ঠাইৰ অনুৰূপ পৰিস্থিতিৰ সৈতে সামঞ্জস্য ৰাখি, এই অধ্যয়নৰ জৰিয়তে, বৰ্ত্ত মানলৈকে প্ৰাপ্ত ঐতিহ্যৰ সমুদায় সমল, ঘটনা-ক্ৰম, স্থান-বিশেষ, কলা, স্থাপত্য, সঙ্গীত, খাদ্য-সম্ভাৰ, পোছাক-পৰিচ্ছদ আদিকে ধৰি অসমৰ মুছলমানৰ জীৱনশৈলীৰ বিভিন্ন দিশ সামৰি এক সামগ্ৰিক বিচাৰ দাঙি ধৰিবলৈ চেষ্টা কৰা হ'ল। নৃতত্ববিদৰ ভাষাৰে ক'বলৈ হ'লে, ঐতিহ্য-প্ৰাসঙ্গিক চয়ন-চিনাক্তকৰণ-পৰ্য্যবেক্ষণ, পৰ্য্যালোচনা, চিত্ৰসহ পদ্ধতিগত লিপিবদ্ধকৰণ আৰু শেষত উপস্থাপনৰ সমগ্ৰ প্ৰচেষ্টাৰ লক্ষ্য, বৰ্ত্তমান প্ৰজন্মৰ বাবে অতীতৰ এক নিৰ্ণায়ক দিশৰ উন্মোচন আৰু ভৱিষ্যতলৈ, অতীতৰ সেই 'জীৱন্ত' স্বাক্ষৰৰ সাৰ্থক সংৰক্ষণ । কোৱা বাহুল্য, সুস্থ বৈচিত্ৰ্যৰ প্ৰতি সন্মান-সূচক দৃষ্টিভঙ্গীৰ সনাতন ৰীতিৰ ইছলাম আৰু লোক-পৰম্পৰা আৰু কৃষ্টিৰ আদান-প্ৰদানৰ জৰিয়তে সমন্বয় সম্প্ৰীতিসহ গঢ় লৈ উঠা, অসমৰ ইছলামীয় ঐতিহ্যৰ এক নিৰ্মোহ সম্পূৰ্ণ বস্তুনিষ্ঠ আৰু সামগ্ৰিক বিশ্লেষণ বেছ দুৰূহ কাম। তথাপিও এতিয়ালৈকে উপলব্ধ হোৱা নিৰ্ভৰযোগ্য তথ্য সম্ভাৰৰ ভিত্তিত ঐতিহাসিক দৃষ্টিকোণৰ পৰা আমাৰ ঐতিহ্য অনুধাৱন কৰাৰ বাবে এই প্ৰচেষ্টা হাতত লোৱা হৈছে।*

## টোকা আৰু প্ৰসঙ্গপুথি ঃ


১. পঞ্চ স্তম্ভ হৈছে, ইছলামৰ পাঁচটা মূল কৰণীয়: কলিমা, নামাজ, ৰোজা, জাকাত আৰু হজ।

২. Mushirul Hasan: *Islam, Communities and the Nation: Muslim Identification in South Asia and Beyond* ( New Delhi: Oxford University Press, 1998)

৩. উদাহৰণ স্বৰূপে, কাশ্মীৰৰ মুছলমানসকল ভাৰতৰ আন ঠাইত বসবাস কৰি থকা মুছলমানসকলতকৈ নানা কথাত বেলেগ। একেখন ছবি আমাৰ চুবুৰীয়া বাংলাদেশত পোৱা যায়। Chitralekha Zutshi, *Language of Belonging: Islam, Regional Identity and the Making of Kashmir* (New York: Oxford University Press, 2004), Ashim Roy, *The Islamic Syncretistic Tradition in Bengal* (Princeton: Princeton University Press, 1983), Rafiuddin Ahmed, *The Bengal Muslims 1671-1906: A Quest for Identity* (New Delhi: Oxford University Press, 1981) আৰু তেওঁৰে *Understanding Bengal Muslims* (New Delhi: Oxford University Press, 2001).

৪. দেখাত সুকীয়া যেন লাগিলেও চুফীসকলৰ চাৰিটা পন্থাৰ মতাদৰ্শ একেই, যাক থোৰতে উদাৰবাদী ইছলামীয় বুলি ক'ব পাৰি। প্ৰতিটো পন্থা আদি গুৰুগৰাকীৰ নামেৰে জনাজাত। এই পন্থাকেইটা হ'ল - হানিফী, আদি গুৰু ইৰাকৰ বাগদাদ নগৰৰ আবু হানিফা (৭০০-৭৬৭), মালিকি, আদি গুৰু মদিনা শ্বৰিফৰ মালিক ইব্‌ন আনাছ (৭১৫-৭৯৫), ছা'ফী, আদি গুৰু পেলেষ্টাইনৰ গাজা অঞ্চলৰ মহম্মদ ইব্‌ন ইদ্ৰিছ আছ-ছা'ফী (৭৬৭-৮২০) আৰু হাম্বালী, আদি গুৰু বাগদাদ চহৰৰ আহমদ ইব্‌ন হাম্বাল (৭৮০-৮৫৫)। উল্লেখযোগ্য যে মোগল আৰু অটোমান সম্ৰাটসকলে হানাফি পন্থাৰ চুফীসকলক বৰকৈ আদৰ আৰু সন্মান যাচিছিল। অসমৰ আজান ফকীৰ আৰু আদম খাকী হানাফি পীৰ আছিল।

৫. উমায়া হৈছে হজৰত মাবিয়াৰ বংশোদ্ভৱ। তেওঁলোকে ৭৫৬-১০৩১ কালছোৱাত ডামাস্কাছত ৰাজত্ব কৰিছিল।

৬. Richard M. Eaton, *The Rise of Islam and the Bengal Frontier, 1204-1760* (Berkerley: University of California, 1993) Chapter 3.

৭. বিশ্বৰ মুছলমান জনসংখ্যা আৰু জন-গাঁথনিৰ ওপৰত ভালেমান উৎকৃষ্ট গৱেষণামূলক গ্ৰন্থ প্ৰকাশিত হৈছে। তাৰ ভিতৰত উল্লেখযোগ্য, Francis Robinson, Atlas of Islamic World since 1500 (Oxford: Phaidon Press, 1982), Richard V. Weekes (ed), *Muslim Peoples: A World of Ethnographic Survey* (London: Greenwood Press, 1978), www.islamicpopulation.com

৮. T.N. Madan, "*One from Many: Explorations in the Anthropology in Islam*", *The Eastern Anthropologist*, Vol. 60, No. 1, 2007, pp. 1-25, quotation p. 2.

৯. Tara Chand, *Influence of Islam on Indian Culture* (Allahabad: Indian Press, 1963)

১০. Humayun Kabir, *The Indian Heritage* (Bombay: Signet Press, 1946)

১১. Ali Bulac, "*The Medina Document*" in Charles Kurzman (ed), *Liberal Islam: A Sourcebook* (New York: Oxford University Press, 1998) pp. 169-178.

## দ্বিতীয় অধ্যায়

# ইছলামীয় ঐতিহ্য গঠন

গঠনৰ বিভিন্ন দিশ

টোকা আৰু প্ৰসঙ্গ পুথি

# দ্বিতীয় অধ্যায়

# ইছলামীয় ঐতিহ্য গঠন

## গঠনৰ বিভিন্ন দিশ

সমগ্ৰ আৰবদেশে ইছলাম গ্ৰহণ কৰাৰ পূৰ্ব্বৰে পৰা আৰবীয় সাউদ-সদাগৰে ভাৰত উপমহাদেশৰ সৈতে বাণিজ্যিক সম্পৰ্ক ৰাখিছিল। পেট্ৰিচিয়া ক্ৰ'নৰ *Meccan Trade and the Rise of Islam*[১] নামৰ তথ্য-ভিত্তিক কিতাপখনৰ পৰা বুজিব পাৰি যে আৰবীয় বণিক মালাবাৰ উপকূললৈ তেওঁলোকৰ দেশে হজৰত মহম্মদ (দঃ)এ প্ৰচাৰ কৰা ধৰ্ম গ্ৰহণ কৰাৰ ৬০০ বছৰ আগৰে পৰাই আহ-যাহ কৰিছিল। অৱশ্যে এওঁবিলাক মুছলমান হোৱাৰ পাছতহে ইছলাম ধৰ্মটি আহি ভাৰত পায়হি ঃ লগত এওঁলোকে ধৰ্ম প্ৰসাৰৰ উদ্দেশ্যেৰে প্ৰচাৰকো আনিছিল। প্ৰথম অধ্যায়ত উনুকিউৱাৰ দৰে, মহম্মদ বিন কাছিমৰ সিন্ধু দেশ আক্ৰমণৰ (৭১২ খ্ৰীষ্টাব্দ) বহু পূৰ্ব্বেই আৰব বেপাৰী সকল মালাবাৰ উপকূল আৰু ছিটাগং (ছট্টগ্ৰাম)বন্দৰত উপস্থিত হৈছিলহি, আৰু সেই আপাহতেই ইছলামেও ভাৰতত পোখা মেলিছিল। ইয়াৰ পাছতো ভাৰতৰ ওপৰত আৰু ভালেমান আক্ৰমণ চলিছিল। ফলস্বৰূপে, আফগানিস্তান সীমান্তৰ পৰা উত্তৰ-ভাৰত হৈ বৰ্ত্তমানৰ বাংলাদেশলৈকে, ত্ৰয়োদশ শতাব্দীৰ আগভাগতে দক্ষিণ এছিয়াত ইছলামৰ প্ৰসাৰ ঘটে।

ত্ৰয়োদশ শতিকাতে 'কামৰূপ' নামে খ্যাত অসমতো মুছলমানৰ আগমন আৰম্ভ হয়, বখটিয়াৰ খিলজীৰ সামৰিক অভিযানেৰে (১২০৫-০৬)। তেওঁৰ সৈন্যদলে ১২০৪ চনত বঙ্গৰ লক্ষ্মৌটি (লক্ষণাৱতী) আক্ৰমণ কৰি অধিকাৰ কৰে।[২] তাৰ এবছৰৰ পাছতে তেওঁ তিব্বত আধিকাৰ মানসেৰে কামৰূপ সোমায়হি আৰু ৰজা পৃথুৰ লগত যুদ্ধত লিপ্ত হৈ অৱশেষত পৰাজয় বৰণ কৰি পলাবলৈ বাধ্য হয়।[৩] কামৰূপ জিলাত ব্ৰহ্মপুত্ৰৰ উত্তৰ-পাৰৰ কানাই-বৰশীবোৱা শিলাখণ্ডৰ লিপিত খিলজীৰ সৈন্যদলৰ পৰাজয়ৰ উল্লেখ পোৱা যায়। সংস্কৃতত খোদিত শিলালিপিৰ এটিত আছে ঃ "১২২৭ শকাব্দৰ তেৰ চৈত্ৰত (মাৰ্চ ৭, ১২০৬ খৃষ্টাব্দ) কামৰূপলৈ অহা তুৰ্কী ধ্বংসপ্ৰাপ্ত হয়" ; সেই ঠাইৰে ১৬৬৭ চনৰ আন এক শিলালিপিত ["চানা (চালেহ) আৰু চৈয়দ ফিৰোজৰ পৰাজয় আৰু মৃত্যুৰ পাছত"] আহোমৰ দুৰ্গ এটা সজাৰ উল্লেখ আছে। যৱন (মুছলমান)ৰ ওপৰত আহোম সেনাপতিৰ বিজয় সাব্যস্তৰ বৰ্ণনা খোদিত শিলৰ স্তম্ভ এটাও তাত আছে। এনেবোৰ কথাই ঠাইডোখৰৰ সামৰিক গুৰুত্বৰ আভাস দিয়ে। মৌখিক বুৰঞ্জীমতে, সেই এলেকাৰ মুছলমান বাসিন্দাসকল, এসময়ত ৰজা পৃথুৰে (১২০৬ চনত) বন্দী কৰি পাছলৈ সংস্থাপিত কৰা, বিদেশী সামৰিক অভিযানকাৰী মুছলমান সেনাৰেই বংশধৰ। শৰাইঘাটৰ যুজত (১৬৭১) মোগলক পৰাস্ত কৰা আহোম সেনাধ্যক্ষ লাচিত বৰফুকনৰ এজন ঘনিষ্ঠ সহযোগী, লাইধন খাঁ উত্তৰ-গুৱাহাটীৰ পূবে অৱস্থিত মান্দাকাটা অঞ্চলৰেই।

১২০৬ ৰ পৰা ১৬৮২ লৈকে অসম ১৭ বাৰ মুছলমান ৰাজশক্তিৰ সামৰিক অভিযান আৰু আক্ৰমণৰ সন্মুখীন হয়। মাজে মাজে অসমীয়া সেনা পৰাস্ত হয়, আকৌ কেতিয়াবা হৰাৰ পাল মুছলমান ৰাজশক্তিৰ সামৰিক বাহিনীৰ। উভয় পক্ষৰ এনে জয়-পৰাজয়ৰ ধাৰাৰ মাজেৰেই অসম ইছলামৰ সৈতে পৰিচিত হয় ; ইয়াৰ পৰা বুজা যায় যে অসমত মুছলমান ৰাজশক্তিৰ শাসন কাহানিও নিগাজি হোৱা নাছিল।






ৰচ্ছুছ চনত বখতিয়াৰ খিলজীৰ পৰাজয় সূচক শিলালিপি

নগাওঁ জিলাৰ গছতল নামৰ ঠাইত পোৱা শিলালিপিত ১৬৩২ চনত অসম আক্ৰমণ কৰা বঙ্গৰ চুলতান চিকন্দৰ শ্বাহৰ পৰাজয়ৰ উল্লেখ কৰা হৈছে। ইয়াৰ এশ বছৰ পূৰ্ব্বে ১৫৩২ চনৰ এপ্ৰিল মাহত দিল্লীৰ চুলতানৰ তুৰ্কী সেনাপতি তুৰ্বকে এক বিৰাট সৈন্যদল লৈ, হাতী-ঘোঁৰা আৰু ভালেমান বৰতোপ-কামান সহ অসম আক্ৰমণ কৰিছিল। প্ৰথমাৱস্থাত তেওঁৰ সামৰিক অভিযান বেছ সফল হৈছিল; তুৰ্বক আহোম ৰাজ্যৰ আৰু ভিতৰলৈ সোমাই পৰিছিল আৰু কলিয়াবৰত বাহৰ পাতি এবছৰমান আছিল। পাছত আহোম সেনাৰ সৈতে হোৱা প্ৰচণ্ড যুদ্ধত হাৰি তেওঁ ১৫৩৩ চনৰ মাৰ্চত মৃত্যুৰ মুখত পৰে। তেওঁৰ অধিকাংশ সেনা বন্দী হয়, আৰু আহোম স্বৰ্গদেউ চুহুংমুঙে যুদ্ধ-বন্দীক কলিয়াবৰ অঞ্চলত থিতাপি দিলে। তাত থকা এতিয়াৰ মৰিয়া সম্প্ৰদায় এওঁলোকৰে বংশধৰ।




গছতলৰ শিলালিপি

নগাওঁ জিলাৰ গছতল শিলালিপিত চুলতান চিকন্দৰ শ্বাহৰ অসম আক্ৰমণৰ কথা পোৱা যায়। (গুৱাহাটীস্থিত অসম ৰাজ্যিক সংগ্ৰাহলয়ত বৰ্তমান সংৰক্ষিত)।

তাৰোপৰি আৰু কেতবোৰ সামৰিক দৃষ্টিৰে গুৰুত্বপূৰ্ণ স্থানত সময়ে সময়ে আহোমৰ সৈতে মুছলমান ৰাজশক্তিৰ ভেটা-ভেটি হৈছিল, যথা, গুৱাহাটীৰ ৩০ কিলোমিটাৰ পূবৰ কাজলীমুখ, মধ্য অসমৰ কালিয়াবৰ আদি।



গুৱাহাটীৰ সমীপৱৰ্তী কাজলীমুখ

গুৰুত্বপূৰ্ণ কাজলীমুখতেই আক্ৰমণকাৰী মোগল সৈন্যদলৰ সৈতে আহোম সেনাৰ প্ৰচণ্ড যুদ্ধ হৈছিল। ছবিত বিশাল ব্ৰহ্মপুত্ৰ আৰু উপনৈ কলঙৰ সংগমস্থলী দেখা গৈছে; আক্ৰমণকাৰীয়ে উভয় জলপথেৰেই উজনি অসমলৈ আগ বাঢ়িছিল।

মন কৰিবলগীয়া যে এই অঞ্চলতো যোৱা পাঁচশ বছৰে মুছলমান বসতি গঢ়ি উঠিছে। দাঁতি কাষৰীয়া পাহাৰ আৰু ওখ টিলা আক্রমণ আৰু প্রতিৰক্ষা, দুয়োদিশৰে পৰা সুবিধাজনক। স্থানীয় মুছলমানসকলে কয় যে, তেওঁলোকৰ পূর্বপুৰুষসকল আক্রণকাৰী সেনাৰূপে আহিছিল যদিও পাছলৈ আহোম ৰাজসৈন্যদলতে ভৰ্ত্তি হয়গৈ।

আহোম মোগল সংঘর্ষৰ থলী কাজলীচকীত, পাঁচবছৰমান আগতে (২৯ মে', ২০০৯) মাটিত পুতি থোৱা গোলা-বাৰুদৰ প্রকাণ্ড দ'ম এটা গাওঁবাসীৰ চকুত পৰে।


কাজলী চকীত পোৱা গোলা-বাৰুদ

খুব সম্ভৱ ১৬৭০-৮২ৰ শেষলানি সংঘর্ষৰ কালছোৱাত, মোগল সৈন্যই বাৰুদৰ ভঁৰালটো গঢ়ি তুলিছিল। গাওঁবাসীয়ে আক্ষেপৰ সুৰত কয় যে, ৰাজ্য চৰকাৰে ল'বলগীয়া খৰতকীয়া আৰু উচিত ব্যৱস্থা নোলোৱা কাৰণে ভঁৰালটোৰ পৰা কিছু বস্তু চুৰি হ'ল।

যুদ্ধত বন্দী হোৱা বহুতো মুছলমান সেনাই ইয়াতেই থাকি যাবলৈ মন কৰিলে, আৰু ৰজায়ো তেওঁলোকক কামৰূপৰ বিভিন্ন এলেকাত সংস্থাপিত কৰিলে। স্থানীয় তিৰোতা বিয়া কৰাই এওঁলোক অসমীয়া মুছলমানৰ প্রথম পুৰুষ হৈ নিগাজিকৈ ৰৈ গ'ল। তেওঁলোকৰ সতি-সন্ততিয়ে মাতৃকুলৰ অসমীয়া ভাষা, সংস্কৃতি, পৰম্পৰা আৰু আচাৰ বিচাৰ আকোৱালি লৈ সম্পূর্ণৰূপে অসমীয়া সমাজত মিলি পৰিল। এনেদৰেই অচিৰেই অসমীয়া মুছলমান সমাজৰ অভ্যুদয় ঘটে। বুৰঞ্জীৰ দৃষ্টিৰে, ব্রহ্মপুত্র উপত্যকাত মুছলমান সম্প্রদায়ৰ ভেটি গঢ় লৈ উঠে খ্রীষ্টীয় ত্রয়োদশ শতিকাত, আৰু এটা শতিকাৰ ভিতৰতে ই পৰিপূর্ণ ৰূপত বিকশিত হয়। এই প্রক্রিয়াত অসমীয়া মুছলমান সমাজৰ ঐতিহ্য আন-আন অসমীয়াৰ সৈতে নিবিড় ভাৱে সাঙোৰ খাই একেই হৈ পৰিল । অসমীয়া সাহিত্য জগতৰ পুৰোধা, সাহিত্যাচাৰ্য্য চৈয়দ আব্দুল মালিকে ক'বৰ দৰে ঃ

> দিল্লীৰ মোগল শক্তি আৰু আহোম শাসকৰ মাজৰ পাঁচ শতিকা জোৱা দ্বন্দ্ব সংঘাতৰ পটভূমিতেই সংস্থাপিত মুছলমান আৰু খিলঞ্জীয়া বাসিন্দাৰ এৰা-ধৰা আৰু একাত্মীকৰণৰ মাজেৰে দুয়ো গোষ্ঠীৰ পাৰ্থক্য ক্রমান্বয়ে হ্রাস পাই আহে, আৰু এটা সময়ত ধর্মাচাৰৰ বাহিৰে আন কথাত পাৰ্থক্যৰ কোনো চিনেই প্রায় নৰলগৈ। এই ভূমিকেই স্থায়ী আবাস বুলি গণ্য কৰিবলৈ লোৱা মুছলমান সকলে অসমীয়া ভাষাকে নিজৰ বুলি আকোৱালি ল'লে, আৰু থলুৱা আচাৰ আৰু নীতি-নিয়ম সাৰটি খিলঞ্জীয়া হৈ পৰিল। এনে চামিলকৰণ ইমানেই নিখুঁত হৈ পৰিছিল যে, বুজন সংখ্যক ইছলাম ধৰ্মাৱলম্বীৰে গঠিত আক্রমণকাৰী মোগল সৈন্যদলৰ বিৰুদ্ধে অসমীয়া মুছলমানে বিনা দ্বিধাই যুদ্ধ কৰিছিল।[৪]

শিলালিপি, বিভিন্ন গড়, খাৰৈ, কামান-বৰতোপ আদিৰ সাক্ষ্য আৰু জনশ্ৰুতি আদিৰ পৰা সহজে বুজা যায় যে মুছলমান বসতি গঢ় লৈ উঠিছিল, ওপৰত উল্লেখ কৰা সামৰিক দৃষ্টিত গুৰুত্বপূৰ্ণ অঞ্চল সমূহত; ইয়াতেই আহোম স্বৰ্গদেৱে যুদ্ধত বন্দী হোৱা সৈন্যক স্থায়ীভাৱে বহিবলৈ মাটি দিছিল, যাতে আগলৈ এওঁলোকে আৰু পাছৰ পুৰুষে অসম ৰাজ্যৰহৈ যুঁজে। এই নীতি সফল বুলি পাছলৈ প্ৰমাণিত হৈছিল। আহোম সৈন্যদলত ভালেসংখ্যক মুছলমানো আছিল আৰু তেওঁলোকক যোগ্যতাৰ ভিত্তিত হাজৰিকা, শইকীয়া, বৰুৱা, বৰা আদিকৈ বিভিন্ন বাবো দিয়া হৈছিল।

মোগল সম্ৰাট ঔৰংজেৱে ১৬৬২ চনত নৱাব মীৰজুমলাক বশ্যতা কৰ দিবলৈ অস্বীকাৰ কৰা আহোম ৰজা জয়ধ্বজসিংহক পৰাভূত কৰিবলৈ অসমলৈপঠিয়াইছিল। তেওঁ ঢাকাৰ ওচৰৰ খিজিৰপুৰৰ পৰা যাত্ৰা আৰম্ভ কৰি, নৌপথেৰে অসমলৈ আহে। এই দীঘলীয়া যাত্ৰাৰ পথত তেওঁ কোচ-বিহাৰ, ৰঙামাটি, গুৱাহাটী আৰু কলিয়াবৰত বিৰাম লৈ অৱশেষত আহোম ৰাজধানী গড়গাঁও অধিকাৰ কৰেগৈ। তেওঁৰ সামৰিক অভিযান পুংখানুপুংখভাৱে লিপিবদ্ধ হৈছে বুৰঞ্জীবিদ চাহাবুদ্দিন তালিছৰ *তাৰিখ-ই-আছাম* নামৰ লিখনীত।নৱাব মীৰজুমলাৰ খিজিৰপুৰত ১৬৬৩ চনত মৃত্যু পৰ্য্যন্ত তালিছ তেওঁৰ সহচৰ আছিল।



নগাওঁ জিলাৰ কলিয়াবৰৰ ওচৰৰ মোগলক ভেটিবলৈ সজা প্ৰতিৰক্ষা গড়

সম্ৰাট জাহাঙ্গীৰৰ ৰাজত্ব কালৰে (১৬০৫-১৬২৭) পৰা কেইবাবাৰো ঘটা মোগলৰ অসম আক্ৰমণৰ বিস্তাৰিত বিৱৰণ সম্বলিত ভালেমান লিখনী-সাক্ষ্য পোৱা যায়। মিৰ্জা নাথনে তেওঁৰ সামৰিক অভিযানৰ বিশদ বৰ্ণনাৰ টোকা লিপিবদ্ধ কৰিছে ১৬০৬ ৰ পৰা ১৬২৫ লৈ হোৱা কেতবোৰ যুদ্ধত জয়ৰ আৰু আন কেতবোৰত পৰাজয়ৰ। নিঃসন্দেহে বৃহত্তম আৰু আটাইতকৈ সফলকাম আক্ৰমণটো আছিল নবাব মীৰজুমলাৰ (১৬৬২)। আহোম ৰজা জয়ধ্বজসিংহ সমূলঞ্চে পৰাজিত হৈ মোগলৰ সৈতে চুক্তিবদ্ধ হ'ল। মীৰজুমলা বঙ্গলৈ উভটি যাওঁতে নৰিয়াত পৰি মৃত্যুৰ মুখত পৰে। পাছৰজন আহোম ৰজা চক্ৰধ্বজসিংহই সন্ধিৰ চৰ্ত ভঙ্গ কৰাত, সম্ৰাট ঔৰংজেৱে (১৬৫৮-১৭০৭), ৰাজা ৰাম সিংহৰ নেতৃত্বত বিশাল সৈন্যবাহিনী এটা পঠিয়ালে, স্বৰ্গদেউক এশিকনি দিবলৈ বুলি, পিছে ইয়াৰ


মীৰজুমলা

শেষ ফল ওলোটাহে হ'ল। শৰাইঘাটৰ যুদ্ধত হাৰি মোগলেহে পাছ হুঁহকিলে। এইখিনিতে উল্লেখ কৰিব পাৰি যে ৰামসিংহই ১৬৭০-১৬৮২ সময়ছোৱাত নামনি অসমৰ গোৱালপাৰাৰ অভয়াপুৰীত (বৰ্ত্তমান বঙাইগাওঁ জিলাত) ৰামৰাজা গড় আৰু মালেগড় নামে জনাজাত দুটা গড় সজাইছিল। মন কৰিবলগীয়া যে এই দুই ঠাইৰ আশে-পাশে মুছলমান বসতি আজিও দেখিবলৈ পোৱা যায়। মুঠ কথাত ক'বলৈ হ'লে অসমৰ বিভিন্ন অঞ্চলত, ধুবুৰীৰ পৰা শিৱসাগৰলৈকে, আক্ৰমণজনিত ঘটনাক্ৰমতেই মুছলমান বসতিৰ সূচনা হৈছিল।

বৰ্ত্তমানে, ব্ৰহ্মপুত্ৰৰ গৰা-খহনীয়া আৰু ওচৰৰ মানুহে বেদখল কৰা আৰু মাটি কাটি নিয়া বাবে এইবোৰৰ অস্তিত্ব সংকটাপন্ন হৈ পৰিছে।




ৰামৰাজা গড়, মালেগড় (অভয়াপুৰী)

এইখিনিতে উল্লেখ কৰিবলগীয়া আন এক প্ৰসঙ্গ হ'ল, ৰাজ্যখনৰ বিভিন্ন স্থানত সেই ত্ৰয়োদশ শতিকাৰে পৰাই চলি অহা যুদ্ধবন্দী মুছলমানৰ সংস্থাপন নীতিৰ বাহিৰেও কোনো কোনো সময়ত, কিছু বন্দীক দাসৰূপে বিক্ৰী কৰি দিয়াও হৈছিল। শৰাইঘাটৰ যুদ্ধত বন্দী হোৱা বহুতো সেনাৰ কিছুমানক দৰঙী ৰজা চন্দ্ৰনাৰায়ণক গতাই দিয়া হৈছিল আৰু এই বন্দীসকলক বজাৰত বিক্ৰী কৰা হৈছিল। সেই হেতুকেই মঙলদৈ চহৰৰ নিকটবৰ্তী, কলাইগাওঁ মৌজাৰ বজাৰ এখনৰ নাম মোগল বেচা হাট বুলি কোৱা হৈছিল। সেই অঞ্চলৰ বৰ্ত্তমান মুছলমানসকলৰ একাংশ এই সকলৰে বংশধৰ।[৫] কথিত আছে যে অৱস্থাপন্ন হিন্দু আৰু আগতে থিতাপি লোৱা ধনী মুছলমানে কিনি লোৱা এনে দাসক মালিকে নিজৰ বাৰীতে সৰুকৈ ঠাই এডোখৰ উলিয়াই থাকিবলৈ দিছিল; পাছত ওচৰৰে দুখীয়া আৰু পিছপৰা জাতিৰ তিৰোতা বিয়া কৰোৱাই দিয়াইছিল। কালক্ৰমত এইদৰে বিদেশী মুছলমান সেনা আৰু তেওঁলোকৰ সতি-সন্ততি অসমীয়া সমাজত সোমাই পৰিল। মঙলদৈ চহৰৰ ওচৰৰ আন এখন মুছলমান অধ্যুষিত ঠাই হ'ল সানোৱা। ইয়াতে খালী ঠাই পাই, সম্ভৱতঃ সপ্তদশ শতিকাৰ আগছোৱাত যুদ্ধ-ক্ষেত্ৰৰ পৰা পলাই অহা মুছলমান সৈনিকে থাকিবলৈ লৈছিল। মুছলমান সামৰিক অভিযানৰ সৈতে আওপকীয়াকৈ হ'লেও জড়িত এনে বসতি সাধাৰণতে নদী-কাষৰীয়া অঞ্চলবোৰতেই চকুত পৰে। ব্ৰহ্মপুত্ৰইদিয়ে বহিৰাগত সেনাদল উজাই আহিছিল আৰু এই নদীৰ পাৰতেই ১২০৫ চনৰ পৰা আৰম্ভ কৰি শেষৰ ইটাখুলি ৰণলৈকে (১৬৮২) অধিক সংখ্যক যুঁজবোৰ হৈছিল।

উল্লেখযোগ্য যে বুৰঞ্জীপ্ৰসিদ্ধ শৰাইঘাটৰ যুদ্ধত বহুতো থলুৱা মুছলমানে মোগলৰ বিৰুদ্ধে যুঁজ দিছিল। লাচিত বৰফুকনৰ দুজন ঘনিষ্ঠ সহযোগী মুছলমান আছিল - বাঘ হাজৰিকা (ওৰফে ইছমাইল চিদ্দিকি)

আৰু লাইধন খাঁ। বিদেশী আক্ৰমণ আৰু আগ্ৰাসন প্ৰতিহত কৰাত মুছলমানৰ সংগ্ৰামী পৰম্পৰা, সৌ সিদিনা ১৯৪৭ চনত ভাৰত স্বাধীন হোৱাৰ পৰলৈকে অব্যাহত আছিল। মাতৃভূমিৰ প্ৰতি আনুগত্যৰ কাহিনী থোৰতে উনুকিয়াবলৈ হ'লে, মহান চিপাহী বিদ্ৰোহত, প্ৰবাদ-পুৰুষ মণিৰাম দেৱানৰ নেতৃত্বত অসমীয়া মুছলমানে কিদৰে যুঁজিছিল, সেই কথা উল্লেখ কৰিব লাগিব। বিদ্ৰোহ মষিমূৰ কৰা হ'ল, মূল হোতা কেইগৰাকীক গ্ৰেপ্তাৰ কৰি বিচাৰ কৰা হ'ল। মণিৰাম দেৱান আৰু পিয়লি বৰুৱাৰ ৰাজহুৱাকৈ ফাঁচী হ'ল। দুগৰাকী অতি ঘনিষ্ঠ সহযোগী, বাহাদুৰ গাওঁবুঢ়াক আৰু ফৰ্মুদ আলীক যাবজ্জীৱন কাৰাদণ্ড বিহা হ'ল আৰু বাহাদুৰ গাঁওবুঢ়াক কলিয়াপানীলৈ (আন্দামান) দ্বীপান্তৰিত কৰা হ'ল । তেওঁলোকৰ লগতে মধু মল্লিক, কমলা বৰুৱা, দুতিৰাম বৰুৱা, মৰঙীখোৱা গোঁহাই, ত্ৰিনাৰায়ণ আৰু মায়াৰাম নাজিৰকো এই শাস্তি দিয়া হৈছিল। তেওঁবিলাকক পাছত ১৮৬৩ চনত মোকোলাই দি ঘৰলৈ আহিবলৈ দিলে।

বাহাদুৰ গাওঁবুঢ়া (১৮১৯-১৮৯১) আছিল 'সাতাৱন ছাল'ৰ (১৮৫৭ চন) স্বাধীনতা সংগ্ৰামত মণিৰাম দেৱানৰ ঘনিষ্ঠ সহযোগী। আখৰকটীয়া পৰিয়ালৰ এইগৰাকী স্বাধীনতা সংগ্ৰামীৰ প্ৰকৃত নাম আছিল জুলফিক্কৰ বৰুৱা। তেখেতক শ্বেখ বাহদ্দিল নামেৰেও জনা গৈছিল।

মণিৰাম দেৱানৰ আন দুগৰাকী সতীৰ্থক লৈ ৰচিত কেতবোৰ লোকগীত পোৱা যায়; তাৰে এটি এনেধৰণৰঃ

দুতিৰাম বৰুৱা নাম চিৰস্তা যে দাৰ,
অকাৰণে দ্ৰোহী বুলি দিলে দুৰাচাৰ।
তাৰাসৱ সঙ্গে আৰু লোক বহুজন,
বাহাদুৰ, ফৰ্মুদ দুই মুছলমান।

বীণ-ব'ৰাগীৰ গীত (বঙ্গৰ বাউল-গীতৰ লেখীয়া) আৰু অসমীয়া মালিতাত, মণিৰাম দেৱান আৰু লগৰীয়াসকলৰ আত্মত্যাগৰ বিৱৰণ পোৱা যায় ঃ

অ' ব'ৰাগী, সুপ্ত বীণাৰ তাঁৰত হেৰ'
বুলা ৰেপণি,
নতুন সুৰত অসম দেশ মোৰ
উঠক ঝঙ্কাৰী।
সুপ্ত বীণাৰ তাঁৰত আজি
উঠক বাজি
সুপ্ত আমাৰ গৌৰৱৰাজি,
ল'ৰা-বুঢ়া-ডেকা মিলি
দেশৰ হকে উঠক সাজি-কাচি।

বীৰ দৰ্পে ডেকা ল'ৰাই
লাচিত সুঁৱৰি,
সতী ৰূপে জয়াক ভাবি
আহক জীয়াৰী,
শুনা হেৰ' ব'ৰাগী,
'সাতাৱন'ৰ কাহিনী।
মণিৰাম পিয়লীৰ আৰু বাহাদুৰৰ,
গাচোঁন এবাৰ আত্ম-বলিদান,
দেশৰ হকে যুঁজি বাৰু
কিপালে প্ৰতিদান ?
ভাঙি দে, ভাঙি দে
পুৰণিৰ প্ৰাচীৰ হেৰ'
অস্পৃশ্যতাক দূৰত ৰখি,
জাতি-অজাতি পৰিহৰি,
অসমীয়া বুলি হেৰ'
আগবাঢ়ি যাওঁ ব'ল,
অ' ব'ৰাগী, আগবাঢ়ি যাওঁ ব'ল।
অ' ব'ৰাগী, বুলা ৰেপণি
মণিৰাম-বাহাদুৰৰ
সহযোগিতাৰ বাতৰিটি
অসম দেশত ৰজনজনাই দে।
পুৰণি প্ৰাচীৰ হেৰ'
তাতে ভাঙি দে,
অ' ব'ৰাগী, তাতে ভাঙি দে।[৬]

যোৰহাট নগৰৰ মাজ মজিয়াত ফৰ্মুদ আলীয়ে বাস কৰিছিল। তেওঁ নিজে সঙ্গীতজ্ঞ আছিল। চাৰেঙ্গী আৰু চেতাৰ যন্ত্ৰ বজোৱাত পাৰদৰ্শী ফৰ্মুদ আলীয়ে গীত গাই আৰু বাদ্য যন্ত্ৰ বজাই জনতাৰ মাজত বিদেশী ব্ৰিটিছৰ বিৰুদ্ধে চেতনা জগাবলৈ চেষ্টা কৰিছিল, যাৰ কাৰণে তেওঁ কাৰবাস খাটিব লগীয়া হৈছিল আৰু তেওঁৰ সা-সম্পত্তি ব্ৰিটিছ প্ৰশাসনে লুটি নিছিল। ১৮৫৭ চনৰ স্বাধীনতাৰ প্ৰথম আন্দোলন ব্ৰিটিছে নিষ্ঠুৰ হাতেৰে দমন কৰিলেও ইয়াৰ আবেগ-উচ্ছাসৰ কিন্তু অন্ত নপৰিল।প্ৰজাই সুযোগ-সুবিধা পালেই বিদ্ৰোহ কৰি থাকিল, ব্ৰিটিছ পুলিচৰ গুলী সাহস আৰু ধৈৰ্য্যৰে বুকুপাতি ল'লে; অসমতো বহু মুছলমানেই অন্যান্যসকলৰ




চেলুলাৰ জে'লত ৰখা বাহাদুৰ গাঁওবুঢ়াৰ ছবি, সোঁফালে যোৰহাটত থকা তেওঁৰ কবৰ

লগতে ব্ৰিটিছৰ বিৰুদ্ধে চলা স্বাধীনতা সংগ্ৰামত যোগদান কৰিছিল। মাতৃভূমিৰ প্ৰতি আনুগত্যৰ এক জলন্ত উদাহৰণ আছিল পথৰুঘাটৰ ৰণ ; মঙ্গলদৈৰ ওচৰৰ এই ঠাইত ১৮৯৪ চনৰ ২৮ জানুৱাৰীত, ঔপনিৱেশিক শাসকৰ অন্যায় ভূমি কৰৰ প্ৰতিবাদ কৰোতে ইংৰাজৰ বৰ্বৰ আক্ৰোশৰ বলি হ'ল, গুলীবিদ্ধ ১৪০ জন খেতিয়ক। শ্বহীদসকলক, হত্যা লীলাৰ স্থানতেই সমাধিস্থ কৰা হ'ল; এইদৰে প্ৰাণ আহুতি দিয়াসকলৰ অনেকেই মুছলমান আছিল।[৭]

## ধৰ্মান্তৰকৰণ আৰু পৃষ্ঠপোষকতা-জনিত প্ৰব্ৰজন




পথৰুঘাটৰ ৰণৰ স্মৃতি স্তম্ভ

আগতে কোৱা হৈছেই যে অসমত আলি মেচেই প্ৰথমে ইছলাম গ্ৰহণ কৰি ধৰ্মান্তিৰিত হয় ; মুছলমানৰ কামৰূপ আক্ৰমণৰ আদিছোৱাতেই এই ঘটনা, সম্ভৱ ৰাজনৈতিক আৰু সামৰিক কুটনীতিৰ বিবেচনাৰে বখতিয়াৰ খিলজীৰ প্ৰভাৱতেই । আলী মেচে খিলজীক ভূটানলৈ যোৱা পথ দেখুৱাই দিছিল। তেওঁ মেচ সম্প্ৰদায়ৰ মুখিয়াল আছিল গুণে, তেওঁ ইছলাম গ্ৰহণ কৰাত আন বহুতো মেচ লোকো মুছলমান হ'ল। ত্ৰয়োদশ শতিকাৰ পৰা সপ্তদশ শতিকালৈকে সোতৰ বাৰকৈ ঘটা মুছলমান ৰাজশক্তিৰ আক্ৰমণ অসমত বহুবাৰ প্ৰতিহত কৰা হৈছিল। সেয়েহে মুছলমান সামৰিক শক্তিৰ জৰিয়তে ইছলামলৈ বলপূৰ্ব্বক ধৰ্মান্তৰকৰণ ঘটিছিল বুলি ভবাৰ অৱকাশ কম। দৰাচলতে আক্ৰমণকাৰী সেনা বাৰে বাৰে পৰাজিত হৈ বিফল মনোৰথহে হৈছিল। অনুমান কৰিব পাৰি যে ব্ৰহ্মপুত্ৰ আৰু বৰাক, দুয়োটা উপত্যকাতে চুফী সন্ত সকলৰ জৰিয়তেহে কিছু স্থানীয় লোকে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। অসমৰ ঠায়ে ঠায়ে থলুৱা মুছলমানৰ ঘন বসতি থকা অঞ্চলত সন্ত

চুফীসকলৰ ভালেসংখ্যক দৰগাহ দেখিবলৈ পোৱা যায়। মুছলমান বসতিৰ সৈতে জড়িত জন শ্ৰুতিয়েও ধৰ্ম প্ৰসাৰৰ উদ্দেশ্য অহা চুফী প্ৰচাৰক সকলৰ কাৰ্য্য-কলাপৰ কথাকে সোঁৱৰায়।

অসমৰ দুই পাৰ্ব্বত্য জিলা, কাৰ্বি আংলং আৰু ডিমা হাচাও বাদে ৰাজ্যখনৰ সকলো ঠাইতে মুছলমানলোকৰ অৱস্থান জনসংখ্যা-ভূগোলৰ সাক্ষ্য। কোনো ঠাইত মুছলমান বসতি ধৰিব পৰা যায় বিশেষ দুই 'অনুষ্ঠান', মছজিদ আৰু মাদ্ৰাছাৰ অৱস্থিতিৰ পৰা। অসমত মছজিদৰ মুঠ সংখ্যাৰ নিৰ্ভৰযোগ্য হিচাপ পোৱা নেযায়। পিছে ৰাজ্যখনত ১৬০০ খন মাত্ৰ মাদ্ৰাছা আছে - তাৰে ৭০০ তকৈ অধিক স্থানীয় লোকে নিজে চলোৱা বিধৰ ব্যক্তিগত খণ্ডৰ; আৰু বাকীবিলাক অসম মাধ্যমিক শিক্ষা পৰিষদৰ পাঠ্যক্ৰম অনুসৰণ কৰা চৰকাৰী সাহায্যপ্ৰাপ্ত মাদ্ৰাছা আৰু মাধ্যমিক শিক্ষা বৰ্ড, অসমৰ দ্বাৰা পৰিচালিত হাই মাদ্ৰাছা।

প্ৰণিধানযোগ্য যে অসমত ত্ৰয়োদশ শতিকাৰ পৰা হোৱা ধৰ্মান্তৰকৰণ প্ৰক্ৰিয়া স্বাভাৱিকতে লেহেম আৰু সতকাই চকুত নপৰা বিধৰ আছিল । অসমত ধৰ্মান্তৰকৰণৰ সূচনা হয় হাজো অঞ্চলত, গুৱাহাটীৰ পৰা ৩০ কিলোমিটাৰ পশ্চিমে, ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত। চুফী সন্ত গিয়াচুদ্দিন আউলিয়াই ইয়াতেই বাহৰ পাতি ৰাইজক ইছলামলৈ আকৰ্ষিত কৰা কাৰ্য্যত ব্ৰতী আছিল। ধুবুৰী আৰু গোৱালপাৰা অঞ্চলতো এনে প্ৰচাৰ কাৰ্য্য পাছলৈ চলিছিল। থলুৱা নিম্ন সামাজিক স্তৰৰ লোকৰ বহুতেই, ইছলামত সামাজিক ভেদাভেদ নাই গুণে, ধৰ্মটিত দীক্ষিত হোৱাত, মুছলমানৰ সংখ্যা বাঢ়িবলৈ লৈছিল।

হাজোৰ গৰুড়াচল পাহাৰৰ আশে-পাশে, বিস্তৃত মুছলমান বসতি দেখা যায়। এওঁলোকৰ কিছুসংখ্যক হয়তো ধৰ্মান্তৰিত হৈ মুছলমান হোৱা সকলৰ উত্তৰ-পুৰুষ। অৱশ্যে হাজোত থাকিবলৈ, বাহিৰৰ





হাজোৰ পোৱা মক্কা দৰগাহ আৰু মছজিদ, কাষত সম্ৰাট শ্বাহজাহানৰ পুত্ৰ ছুজাই জাৰি কৰা ফৰ্মানৰ শিলালিপি

পৰা কিছু সংখ্যক মুছলমান লোকো আহিছিল। এইদৰে কামৰূপৰ ঠায়ে ঠায়ে মুছলমান সম্প্ৰদায় এটি গঢ় লৈ উঠিছিল, আংশিকভাৱে স্বেচ্ছাই হোৱা ধৰ্মান্তৰকৰণ হেতুকেহে, কোনো বল প্ৰয়োগৰ ফলত নহয়। সন্মতিৰ ভিত্তিতহে ৰাইজ মুছলমান হৈছিল বাবে তেওঁলোকৰ মূল ধৰ্ম-বিশ্বাসৰহে সলনি হ'ল, আন সামাজিক আচাৰ-বিচাৰ, নীতি-নিয়ম, ধৰণ-কৰণ, ভাষা, সংস্কৃতি, পৰম্পৰা সকলো অক্ষুণ্ণ ৰ'ল। সেয়েহে ব্ৰহ্মপুত্ৰ উপত্যকাৰ আন অঞ্চলৰ দৰেই ইয়াতো আন্তঃসাম্প্ৰদায়িক সম্পৰ্ক মধুৰ। হাজোত মাঘী পূৰ্ণিমা উপলক্ষে উলিওৱা মণিকুট শোভাযাত্ৰাৰ সময়ত ইয়াৰ স্বতঃস্ফূৰ্ত প্ৰকাশ বৰ মনোগ্ৰাহী। বৌদ্ধ, হিন্দু, ইছলাম-তিনিওটা ধৰ্মৰে লোক পোৱা মক্কাৰ মূল প্ৰবেশদ্বাৰত ৰাতিপুৱা দহমান বজাত, স্বকীয় পাৰম্পৰিক সাজেৰে, গামোচা, জাপি, ঢাক-ঢোল সহ সমবেত হয়। দৰগাহৰ খাদিম আৰু হয়গ্ৰীৱ মাধৱ মন্দিৰৰ মুখ্য পুৰোহিত, দুয়ো সমদলৰ অগ্ৰাংশত অৱস্থান কৰি, দৰগাহৰ পৰা অনতিদূৰত অৱস্থিত মন্দিৰলৈ সমজুৱাক শোভাযাত্ৰাৰে আগবঢ়াই লৈ যায়। সমদলৰ নেতৃত্ব দিয়াৰ আগতে এওঁলোক দুয়োৰে দুই ধৰ্ম্মীয় সম্প্ৰদায়ৰ সৌহাৰ্দ্যৰ প্ৰতীক হিচাপে পতাকা বিনিময় কৰে।

এই মনিকূট শোভাযাত্ৰা সেয়েহে সাম্প্ৰদায়িক সম্ভাৱৰ জলন্ত দৃষ্টান্ত। দুই মুখ্য ধৰ্মীয় সম্প্ৰদায়ে হিন্দু আৰু মুছলমান মিলি সৃষ্টি কৰা অসম-ভূমিৰ ধৰ্মীয় ঐতিহ্যৰ অপূৰ্ব্ব উদাহৰণসমূহৰ ইয়ো এটা। মুছলমানে বাহিৰৰ বৃহত্তৰ সমাজখনৰ সৈতে খাপ খাই পৰা আৰু আনৰ পৰা থলুৱা নীতি আৰু পৰম্পৰাৰ উপাদান গ্ৰহণ কৰাটো চুফী প্ৰভাৱৰেই ফল বুলি সহজেই বুজিব পাৰি। শ্ৰীমন্ত শঙ্কৰদেৱৰ (১৪৪৯-১৫৬৯), নৱ-বৈষ্ণৱবাদে হিন্দু আৰু মুছলমান উভয়ৰে মাজত সমন্বয়ৰ সেতু গঢ়ি তোলাত বিশেষ ভূমিকা পালন কৰিছিল। সেইবাবেই মুছলমানে বৰগীত, আৰু হিন্দুৱে আজান ফকীৰৰ জিকিৰ গাই গাই উক্ত সমদলত অংশ গ্ৰহণ কৰে। হয়গ্ৰীৱ-মাধৱ মন্দিৰৰ চৌহদত এই শোভাযাত্ৰাৰ অন্ত পৰে সৌহাৰ্দ্যৰ মাজেৰে-আৰু দুয়োফালৰ মুখীয়ালসকলে আন্তঃধৰ্মীয় আদান-প্ৰদানৰ কথা সোঁৱৰে।

জনশ্ৰুতি মতে, গিয়াচুদ্দিন আউলিয়াই, মক্কাৰ পৰা এপোৱা মাটি (হজৰ পৰা উভটি আহোতে লগতে আনি) তাতে দি, বাঁহৰ বেৰ আৰু খেৰৰ ছালেৰে মছজিদ এটি সাজিছিল; তাতেই এতিয়াৰ দৰগাহ হিন্দু-মুছলমান উভয়ৰে শ্ৰদ্ধা-ভক্তিৰ থলী। ইয়ালৈ সাধাৰণতে নিতৌ আশীষ বিচাৰি শতাধিক লোকৰ আগমন হয়।

সম্ৰাট শ্বাহজাহানৰ পুত্ৰ শ্বাহজাদা ছুজাই বঙ্গৰ শাসনকৰ্ত্তা হৈ থাকোতে এই পৱিত্ৰ ধাম পৰিদৰ্শন কৰি পুৰণি মছজিদটোৰ ঠাইত নতুন এটা সজাৰ নিৰ্দ্দেশ জাৰি কৰে। দৰগাহ দৰ্শন বা জিয়াৰতলৈ আহি ছুজাই জাৰি কৰা ফৰমানখন আৰবী আৰু ফাৰ্চী ভাষাত লিখা হৈছিল। ইয়াত ৰাজকোঁৱৰজনাৰ গুণ বখনাৰ লগতে দৰগাহৰ কাষতে মছজিদ পুনৰ নিৰ্মাণৰ নিৰ্দ্দেশ আছে। সেই মৰ্মে লুতফুল্লাহ চিৰাজী আৰু পুত্ৰ নিয়ামতউল্লা, এই দুই স্থপতিয়ে ইটা আৰু শিলেৰে মছজিদটিৰ নৱ নিৰ্মাণ কৰিলে।

পৱিত্ৰ পোৱা মক্কা ধামৰ পৰা আন এটি পৱিত্ৰ ধাম হয়গ্ৰীৱ মাধৱ মন্দিৰলৈ প্ৰতি বছৰে মাঘ মাহত পূৰ্ণিমাৰ আগদিনা মণিকূট শোভাযাত্ৰাৰ আয়োজন কৰা হয়। সদৌ অসম ছাত্ৰ সন্থাই ইয়াত বিশেষ ভাগ লয়। মন্দিৰৰ পুৰোহিত আৰু দৰ্গাহৰ খাদিমে এই শোভাযাত্ৰাৰ নেতৃত্ব দিয়ে। সহস্ৰাধিক লোকে অংশ গ্ৰহণ কৰা এই শোভাযাত্ৰাত অগ্ৰণী খেলুৱৈ, কলাকাৰ, শিক্ষাবিদ আদিয়েও নিমন্ত্ৰিত হৈ যোগ দিয়ে।পোৱা মক্কাৰ মূল প্ৰৱেশ দ্বাৰৰ অনতিদূৰৰ হয়গ্ৰীৱ-মাধৱ মন্দিৰ প্ৰাঙ্গণত অন্ত পৰা এই যাত্ৰাত মুছলমান ল'ৰা-ছোৱালীয়ে সত্ৰীয়া নৃত্যত আৰু হিন্দু ল'ৰা-ছোৱালীয়ে জিকিৰত যোগ দিয়ে। তেওঁলোক ধৰ্মত কোনজননো কি ধৰাই টান।

ভাৰতৰ আন কিছুমান অঞ্চলত ঘটাৰ দৰে অসমত কাহানিও ইছলামলৈ গণ-ধৰ্মান্তৰকৰণ হোৱা নাছিল। নামনি অসমৰ ধুবুৰী জিলাৰ বিলাসীপাৰা, মঙলদৈ জিলাৰ মাৰৈ আৰু কামৰূপৰ দামপুৰত অৱশ্যে





মনিকুট শোভাযাত্ৰাৰ দুখন ছবি

বুজন মাত্ৰাত ধৰ্মান্তৰকৰণ ঘটিছিল যদিও, ই বলপূৰ্ব্বক নাছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ প্ৰাক্তন মূৰব্বী-অধ্যাপক আৰু (অসমৰ মুছলমান বিষয়ে গৱেষক পণ্ডিত) ড° মহম্মদ তাহেৰে ক'বৰ দৰেঃ

> অসমত ইছলামলৈ ব্যাপক ধৰ্মান্তৰকৰণ নোহোৱাৰ কাৰণ কেবাটাও। গণ ধৰ্মান্তৰকৰণ ঘটা বঙ্গ আৰু অন্যান্য ঠাইত সামাজিক ভেদ-ভাব আৰু শ্ৰেণী-বিভাজন বেছ কটকটীয়া আছিল, নিম্নবৰ্গৰ লোক সমাজত নিঠৰুৱাৰ দৰে আৰু নিষ্পেষিত হৈছিল। আনহাতে, চুফী সন্তসকলে প্ৰচাৰ কৰা পন্থা উদাৰবাদী হোৱা গতিকে শোষিতৰ বাবে ধৰ্মান্তৰকৰণৰ দ্বাৰ উন্মুক্ত হৈছিল। সমাজত প্ৰায় এঘৰীয়াৰ দৰে হৈ পৰা এওঁলোক, সমাজ ব্যৱস্থাৰ বিসঙ্গতিৰ পৰা পৰিত্ৰাণ পাবলৈ হয়তো ইছলামত দীক্ষিত হৈছিল। ইছলাম আঁকোৱালি লোৱাত নিৰ্ণায়ক ভূমিকা ল'ব পৰাকৈ জাত-পাতৰ তেনে কঠোৰ বিধান সম্ভৱ অসমত নাছিল। তদুপৰি অসম কোনো মুছলমান ৰজা বা নবাবে শাসনো কৰা নাছিল গতিকে ফুচুলাই নতুবা বলপূৰ্ব্বকভাৱে ধৰ্মান্তৰকৰণ কৰোৱাও হোৱা নাছিল। অসমৰ বিভিন্ন ঠাইত হোৱা ধৰ্মান্তৰকৰণ মূলতঃ চুফী সন্ত আৰু প্ৰচাৰক সকলৰ প্ৰচেষ্টাৰহে ফল। থোৰতে ক'বলৈ হ'লে, অসমৰ বিভিন্ন প্ৰান্তত ঘটা সকলো ধৰ্মান্তৰকৰণেই শান্তিৰ পৰিবেশতহে ঘটিছিল, ভয়-ভাবুকি বা বলপ্ৰয়োগৰ কথা তাত নাছিল।

এই সংক্ৰান্তত প্ৰণিধানযোগ্য এটি বৰ প্ৰাসঙ্গিক উদাহৰণ হ'ব অসমৰ বৃহত্তম অসমীয়া মুছলমান গাঁও দামপুৰৰ বৃত্তান্ত। কামৰূপ জিলাৰ হাজোৰ অনতিদূৰত, গুৱাহাটীৰ পৰা প্ৰায় ৪০ কিলোমিটাৰ নিলগৰ দামপুৰ অতীতৰ এটা সময়ত এখন হিন্দু গাঁওহে আছিল। জনশ্ৰুতি মতে, তিনিশ বছৰৰো বেছি হ'ল, এই গাওঁৰে প্ৰধান পুৰোহিত, বিহনাথ শৰ্মাৰ ছোৱালীয়ে মুছলমান সন্ত এজনৰ লগত বিয়া হৈ ইছলামত দীক্ষিত হোৱাত পুৰোহিত পৰিয়ালক এঘৰীয়া কৰা হ'ল। পাছত শৰ্মাই নিজেও জীয়াৰীৰ নতুন ধৰ্ম গ্ৰহণ কৰিলে; কিছু দিন পাৰ হোৱাত গাওঁখনৰ অনেক হিন্দু হৈ পৰিল মুছলমান। গাঁৰৰ বেছিভাগেই আহোম ৰজাৰ পাইক ব্যৱস্থাৰ অধীনত ৰজাঘৰীয়া শইকীয়া খিতাপ পাইছিল। বৰ্ত্তমান গাওঁখনত ১২,০০০ মান পৰিয়ালেৰে মুঠ জনসংখ্যা প্ৰায় ৬০,০০০; ধৰ্মত সকলো মুছলমান। এই গাঁৱৰে, উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ আৰু বৰ্ত্তমান অসম মানৱাধিকাৰ আয়োগৰ সভাপতি ন্যায়াধিশ ড° আফতাব হুছেইন শইকীয়াই কয় ঃ

> আমাৰ পৰিয়ালটোকে ধৰি দামপুৰ গাঁৰৰ সৰহভাগ লোক স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত ইছলামলৈ ধৰ্মান্তৰিত হৈছিল। তেওঁবিলাক সেই সময়ত আহোম ৰাজ্যৰ প্ৰজা আছিল, আৰু ৰজা ঘৰৰ আদৰ লভিছিল। বুৰঞ্জীয়ে এই কথাৰ সাক্ষী দিয়ে। আমি এসময়ত হিন্দু আছিলো বুলি কৈ গৌৰৱ বোধ কৰোঁ। আমাৰ পূৰ্বপুৰুষ গাঁৰৰ পুৰোহিত বিহনাথ শৰ্মা ধৰ্ম্মান্তৰ হোৱা প্ৰথমগৰাকী লোক আছিল। তেওঁৰ জীয়েকৰ মুছলমান সন্ত এজনেৰে বিয়া হৈছিল বাবে পৰিয়ালটিক সমাজচ্যুত কৰি গাওঁ এৰিবলৈ বাধ্য কৰোৱা হ'ল। তেওঁ বিলাক ওচৰৰ দামপুৰলৈ গুচি আহিল। ৰজাই তেওঁক এশ সৈনিকৰ ওপৰত বিষয়া, শইকীয়া উপাধি প্ৰদান কৰিলে। নিজ সম্প্ৰদায়ে অপমানিত কৰাত তেওঁ ইছলাম ধৰ্ম গ্ৰহণ কৰে; তেতিয়া তেওঁৰ সমুদায় এশ পাইক ইছলামত দীক্ষিত হ'ল। এওঁলোকেই আমাৰ গাঁৰৰ ধৰ্মান্তৰিত হৈ হোৱা মুছলমানৰ প্ৰথম পুৰুষ। তাৰ পাছত বিভিন্ন সামাজিক বৰ্গৰ আন কিছু হিন্দুৱেও নিজা ধৰ্ম সলাইছিল। ইছলাম গ্ৰহণ কৰি আমি ধৰ্মপৰায়ণ মুছলমান হ'লো, কিন্তু

আমাৰ হিন্দু ঐতিহ্য অক্ষুন্ন থাকিল সকলো বিষয়তে ভাষা,খাদ্য, সংস্কৃতি, সঙ্গীত, পোছাক-পৰিচ্ছদ, ইত্যাদি; মুঠৰ ওপৰত সকলো খিনি থলুৱা।

বৰ্ত্তমানে জনস্বাস্থ্য বিভাগৰ চাকৰিয়াল, অঞ্চলটোৰ এজন মুখীয়াল লোক, আব্দুল হাই শইকীয়ায়ো একে কথাই দোহাৰে। তেওঁ দামপুৰ গাওঁখনত ২৮ টা মছজিদ আছে বুলি জনায়, আৰু লগতে কয় যে পুৰণি মছজিদবোৰ স্থাপত্যৰ দিশৰ পৰা বিবেচনা কৰিলে বৈষ্ণৱ নামঘৰৰ সৈতে একে। গাওঁবাসীৰ সামাজিক জীৱন, ব্ৰহ্মপুত্ৰ উপত্যকাৰ আন হিন্দু গাঁৰৰ দৰেই, মূলতঃ গ্ৰাম্য কৃষি-অৰ্থনীতিভিত্তিক। খেতি চপোৱাৰ সময়ৰ কৃষি সংক্ৰান্তীয়, পৰম্পৰা ঐতিহ্যৰ (যি আন ঠাইত বিৰল) নিদৰ্শন অতি মনোগ্ৰাহী। ঈদ, মাঘ-বিহু আদি উৎসৱত দামপুৰৰ মহিলাই চাউলৰ পৰা অতিকমেও পোন্ধাৰবিধ মান পিঠা তৈয়াৰ কৰে। আব্দুল হাই শইকীয়াৰ মতে এনে আয়োজন থলুৱা ইছলামীয় ঐতিহ্যৰেই প্ৰকাশ। তেওঁৰ মতে এই মুছলমান সকলৰ মাজত চাউলৰ পৰা বিবিধ পিঠা-পনা তৈয়াৰী, পৰম্পৰা ৰূপতেই সেই অতীজৰ পৰা চলি আহিছে। প্ৰতিবিধ খাদ্য সম্ভাৰৰ নিজা গুণ-বৈশিষ্ট্য আছে। আত্মীয়-কুটুম আৰু ওচৰ চুবুৰীয়াৰে, সাম্প্ৰদায়িক একতা আৰু ভাতৃত্ব-সোৰ্হাদ্যৰ খাতিৰত পিঠাৰ আদান-প্ৰদান কৰা হয়। ঐতিহ্যৰ আৰু কেতবোৰ উপাদান, যেনে লোকগীত, সঙ্গীত আদি এই গাঁৰৰ সমাজত প্ৰত্যক্ষ কৰা যায়।





দামপুৰৰ পিঠাৰ সম্ভাৰ

দৰঙ জিলাৰ এখন গাওঁ মাৰৈতো এনে ধৰ্মান্তৰকৰণ ঘটিছিল, অষ্টাদশ শতিকাৰ পাছৰ ছোৱাত। গাওঁখনৰ বৰ্ত্তমান নাম ওজাপাৰা, কোচ ৰজা ইন্দ্ৰনাৰায়ণৰ অধীনৰ এজন বিখ্যাত তান্ত্ৰিক পৰশু ওজাৰ নামেৰে; তেওঁৰ পুত্ৰ দ্ৰোণ ওজাই ইছলাম গ্ৰহণ কৰে, আৰু তেতিয়া তেওঁৰ সমস্ত পৰিয়ালেই এই নতুন ধৰ্মত শৰণ লয়। তাৰ পাছত গোটেই গাওঁখনেই ইছলামত দীক্ষিত হয়। ওজা পৰিয়ালৰ বয়োজেষ্ঠ ৰহমানী বেগমে, সাক্ষাৎকাৰ লোৱাত কৈছিল ঃ

বিখ্যাত পৰশু ওজা পৰিয়ালৰ বংশধৰসকলৰ ভিতৰত ময়েই আটাইতকৈ বয়সীয়াল। মোৰ বয়স এতিয়া ৮৫ বছৰ। পৰশু ওজাৰ পঞ্চম পুৰুষৰ এজনৰ সৈতে মোৰ বিয়া হয়। আমি শুনিছিলো যে ওজাৰ তৃতীয় পুৰুষৰ জ্যেষ্ঠজন, দ্ৰোণই ইছলাম গ্ৰহণ কৰে, আৰু তাৰ পাছতেই গোটেই গাওঁখনেই ইছলামত দীক্ষিত হৈছিল। আমি শুনিছিলো যে পীৰ চাহেব এজনে দ্ৰোণক ধৰ্মান্তৰিত কৰিছিল, কিন্তু কোনেও নাজানে তেখেতনো কোন আছিল। যি কি নহওক পুৰণি নিয়ম-নীতি বহুতো আমি ধৰি ৰাখিলো। বিয়া-সবাহত আমি বিয়া নাম গাওঁ, নাচ নাচো আৰু পাৰম্পৰিক অসমীয়া ঢোল-তালো বজাওঁ।



পৰশু ওজাই পূজাৰ বাবে ব্যৱহাৰ কৰা ভালেমান সামগ্ৰী যথা, গণেশ মূৰ্ত্তি, ছাগলীৰ শিং, শঙ্খ আদি পৰিয়ালে সযতনে সংৰক্ষিত কৰা দেখিবলৈ পোৱা গৈছিল। পৰিয়ালৰ কম বয়সীয়া মহিলা এগৰাকীয়ে কৈছিল যে পৰিয়াল পৰম্পৰা অনুসৰি তেওঁলোকে ঈদুজ্জোহাৰ সময়ত গৰু কোৰবাণী নকৰে, তাৰ সলনি ছাগলী বা ম'হহে উৎসৰ্গা কৰে। তেওঁলোকে আগেয়ে বিশেষ উছব-পাৰ্বণ উপলক্ষ্যে পূৰ্বপুৰুষৰ স্মৃতিত ভোগ আগবঢ়াইছিল, পিছে এই কাৰ্য্য অনা-ইছলামীয় বুলি মৌলবীয়ে হাক দিয়াত আজিকালি সেই আচাৰ বাদ দিছে। তেওঁ ন'দি ক'লে যে গোটেই ওজা পৰিয়ালেই পূজা সামগ্ৰীখিনি আদৰ সাদৰ আৰু শ্ৰদ্ধা সহকাৰে সংৰক্ষণ কৰি ৰাখিছে। তেওঁ আৰু ক'লে যে অসম ৰাজ্যিক সংগ্ৰহালয়ৰ পৰা দুজনমান কৰ্মকৰ্ত্তা, পৰশু ওজাৰ বস্তু কেইপদ বিচাৰি আহিছিল আৰু কথা দিছিল যে সংগ্ৰহালয় কৰ্ত্তৃপক্ষই সেইখিনি সযত্নে ৰাখিব, " পিছে আমি আমাৰ অতি আদৰৰ সেই আপুৰুগীয়া সামগ্ৰীখিনি নিদিলো।"

অৱশ্যে ইয়াৰে কেইপদমান বহু আগেয়ে কোনোবাই চুৰ কৰি নিয়ে। ধূই পখালি শুকাবলৈ বুলি ৰ'দত দিওঁতে বলি দিয়া দাখন অলপতে চুৰি হ'ল। সদ্যহতে নাৰিকল গছ এজোপাৰ তলত পৰশু ওজাৰ গণেশ মূৰ্ত্তি ৰখা হৈছে। বংশৰ লোকে ভিতৰত থ'বলৈ ভয় কৰে, জানোচা পূজা নিদিয়া হেতু কিবা অঘটন ঘটে।





বাওঁফালে, পৰশু ওজাৰ পূজাৰ সামগ্ৰী, মাজত গনেশ মূৰ্ত্তি আৰু সোঁফালে তেওঁৰ বলিশাল

ইয়াৰ উপৰিও একেই দৰঙ জিলাৰ আন এখন ওজাপাৰাৰ বাসিন্দা সকলে এসময়ত মনসা পূজাও কৰিছিল। জনামতে, এওঁলোক আগৰ নিম্নবৰ্গৰ হিন্দু আছিল গুণে আনে হেয় চকুৰে চাইছিল। এজন মুছলমান সন্ত বগা বাবাই (আচল নাম আব্দুল খালেক) স্থায়ী মানুহখিনিৰ বহুতকে ইছলামত দীক্ষিত কৰে ; লগতে ওচৰৰে বৰ্তমানে মুছলিম ঘোপা (আগেয়ে গৰিয়াপাৰা) নামে জ্ঞাত ঠাইৰ মানুহখিনিও তেওঁৰ হাততেই ধৰ্মান্তৰিত হৈছিল। গৰিয়া শব্দটো মুছলমান সম্প্ৰদায়ৰ সৈতে জড়িত, কিয়নো বখতিয়াৰ খিলজীৰ দিনৰে পৰা ঘটা একাধিক আক্ৰমণৰ ভিন ভিন পৰ্য্যায়ত মুছলমান সকল গৌড়ৰ পৰা আহিছিল কাৰণে তেওঁলোকক গৰিয়া বুলি কোৱা হৈছিল। মুছলিমঘোপাৰ লোক অষ্টাদশ শতিকাত ধৰ্মান্তৰিত হৈছিল, কালক্ৰমত দুটা মছজিদ তাত নিৰ্মাণ হ'ল প্ৰথমটো, সৰু মছজিদ আৰু আন ডাঙৰটো, বৰ মছজিদ। ইয়াৰ লোকে বিয়া সবাহত ঢোল বজাইছিল, যিটো ইছলামী ৰীতিৰ পৰিপন্থী। আমোদজনক কথা যে এজন বয়সীয়াল লোকে জনাইছিল যে পূৰ্বতে ঢোল বজাই নামাজলৈ মানুহক আহ্বান কৰা হৈছিল। ঢোলটি কিছু বছৰ আগলৈকে সৰু মছজিদতেই আছিল, বৰ্ত্তমানে সেইটো ওচৰৰে হিন্দু পৰিয়াল এটাৰ তাত ৰখা হৈছে।

বুৰঞ্জীয়ে কয় যে, অষ্টাদশ শতিকাৰ ধুবুৰী জিলাত কোচ সকলৰ বহুলোক ধৰ্মান্তৰিত হৈ মুছলমান হৈছিল। W.W Hunter এ লিখি থৈ গৈছে যে এই ৰূপে কোচ জনসংখ্যা ভালেখিনি হ্ৰাস পায়। ধৰ্মান্তৰ হৈ হোৱা এই নৱ-মুছলমান সম্প্ৰদায়ে কিন্তু কেতবোৰ হিন্দু ৰীতি-নিয়ম মানিয়েই থাকিল। বিলাসীপাৰা চহৰত

বহুতো মুছলমানেই হিন্দুৰে মনা প্ৰথাৰেই মম বা চাকি জ্বলাই বৃত্তাকাৰে ৰাখি, খোদালৈ প্ৰাৰ্থনা জনোৱা দেখা পোৱা যায়। কম বয়সীয়া মহিলাৰে পৰিবেষ্টিত বয়সীয়াল এগৰাকী মহিলাই পূজাৰ দৰে এনে প্ৰাৰ্থনাত আগ ভাগ লৈ মূৰ দোঁৱাই, পূৰণ হবলগীয়া ইচ্ছা দোহাৰি আল্লাৰ নাম লৈ এক তান্ত্ৰিক পদ্ধতিৰ দেওধনী নৃত্যৰ দৰে মূৰ জোকাৰি এনেকৈ কৰা প্ৰাৰ্থনা ক্ৰমৰ ভিডিও ৰেকৰ্ডিঙো কৰা হৈছে। মূল কথাটো হৈছে বৰ্ত্তমানৰ বহু পাঁচ-ৱক্ত নামাজ পঢ়া, ৰোজা ৰখা ধাৰ্মিক মুছলমানেই তেওঁলোকৰ পূৰ্বপুৰুষ ধৰ্মান্তৰিত হৈছিল বাবদ অতীতৰ ধ্যান ধাৰণা আৰু ধৰ্মীয় আচাৰ সম্পূৰ্ণৰূপে এৰা নাছিল। তেওঁলোকে প্ৰাক আৰু উত্তৰ দীক্ষান্তকৰণ পৰ্য্যায়ৰ ধাৰাবাহিকতা ৰক্ষা কৰি যেন ইছলামীয় ক্ৰিয়া আৰু হিন্দু কৰ্ম-কাৰ্য্যৰ সংযোগেৰে কৃষ্টীয় আৰু ধৰ্মীয় সমাহাৰ সৃষ্টি কৰিছিল ।

ইতিমধ্যে কোৱা হৈছেই যে ঘাইকৈ চুফী সন্তসকলৰ জৰিয়তে হোৱা ধৰ্মান্তৰকৰণৰ ফলতহে মুছলমান জনসংখ্যাৰ বৃদ্ধি পাইছিল, কোনো মুছলমান শাসকৰ বলপূৰ্বক প্ৰভাৱৰ হেতুত নহয়; নামনি অসমতহে এই প্ৰক্ৰিয়া কিছু দূৰ উল্লেখনীয়। উজনি অসমতো ধৰ্মান্তৰকৰণৰ কিছু ঘটিছিল যদিও কেইখনমান ঠাইতে সীমাবদ্ধ আছিল আৰু ই সিমান লক্ষণীয় হাৰতো হোৱা নাছিল। মন কৰিবলগীয়া যে, উজনিতো কেবাখনো ডাঙৰ মুছলমান গাওঁ বা চহ ৰত ঘন মুছলমান বসতি আছে, কিন্তু এই বাসিন্দাসকল, যুদ্ধবন্দী সৈন্য আৰু স্বৰ্গদেউ চুহুংমুঙৰ দিনৰে পৰা আহোম ৰজাসকলে প্ৰায় তিনিটা শতিকা জুৰি অনোৱা বিশেষ বৃত্তি ধাৰী মুছলমান কলা-কৌশলী লোকৰ উত্তৰপুৰুষ। তাৎপৰ্য্যপূৰ্ণভাৱে আহোম ৰাজধানী গড়গাঁৱৰ চাৰিওফালৰ হাতীকোষ, সিংহদুৱাৰ, জেঙনীকটীয়া, কোঁৱৰপুৰ আদি গাওঁবোৰ মুছলমান-প্ৰধান। ভাব হয় যে ৰজাই বিদেশী আক্ৰমণকাৰীৰ বিৰুদ্ধে প্ৰতিৰক্ষা ঢাল যেন বেষ্টনী হিচাপে এই গাঁওবোৰ থাপিছিল। এই বিচক্ষণ নীতিয়ে মাত্ৰ এবাৰৰ বাহিৰে সঠিক ভাবেই কাম কৰিছিল। বহিৰাগত মুছলমানে ইয়াতেই বিয়া বাৰু কৰাই গৃহস্থী হৈছিল বাবে থলুৱা ৰীতি-নীতি আৰু ধৰণ-কৰণ আৰু পৰম্পৰা গ্ৰহণ কৰিছিল; তেওঁলোকৰ পাছৰ চামৰ সতি-সন্ততিৰ জৰিয়তেই কালক্ৰমত অসমীয়া মুছলমান সম্প্ৰদায়টি গঢ়ি উঠিছিল। প্ৰণিধানযোগ্য যে, ধৰ্মান্তৰিতসকলে সচৰাচৰ ধৰ্মহে সলায়, নিজা পুৰণি দৈনন্দিন সামাজিক নীতি-আচাৰৰ নিত্য-নৈমিত্তিক বিধান ব্যৱস্থাৰ কিন্তু বিশেষ সাল-সলনি নঘটায়; সেই কাৰণতেই আৰবীয়-ইছলাম পৰম্পৰাৰ পৰিপন্থী নানান অনা-ইছলামীয় আচাৰ এওঁলোকৰ মাজত সোমাই পৰিছিল। এই ঐতিহাসিক পটভূমিত বিচাৰ কৰিলে বুজা যায়, পৰম্পৰা আৰু ঐতিহ্যৰ দিশত অসমীয়া মুছলমান কিয় ইমান অসমীয়া পৰিচয়েৰে পৰিচিত।

## প্ৰব্ৰজন

অসমত মুছলমান প্ৰব্ৰজন তিনি প্ৰকাৰৰ ঃ

(ক) সামৰিক অভিযান আৰু আক্ৰমণজনিত, বখতিয়াৰ খিলজীৰ দিনৰে পৰা,

(খ) বেপাৰ-বাণিজ্য সংক্ৰান্তীয় (তুলনামূলকভাবে সিমান পুৰণি নহয়, তদুপৰি তাকৰ সংখ্যাত), আৰু

(গ) আহোম ৰজাৰ উদ্যোগত হোৱা-পৃষ্ঠপোষকতা হেতু প্ৰব্ৰজন, বিশেষ উল্লেখযোগ্য আৰু সুদূৰপ্ৰসাৰী।

আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহই (১৬৯৬-১৭১৪ ৰাজত্ব কাল) বিশেষ কাৰিকৰী দক্ষতাসম্পন্ন মুছলমান লোক অসমলৈ আনিবলৈ যত্নপৰ হয়। প্ৰথিতযশা বুৰঞ্জীবিদ সূৰ্য্যকুমাৰ ভূঞাদেৱে উনুকিউৱাৰ দৰে, এইজনা দূৰদৃষ্টিসম্পন্ন আহোম ৰজাই খাউণ্ড, বৈৰাগী আদি বিষয়াৰ বাব সৃষ্টি কৰিছিল তেওঁলোকৰ দায়িত্ব আছিল উত্তৰ ভাৰতৰ লেখত লব লগীয়া ঠাই ভ্ৰমণ কৰি সুদক্ষ লোক আৰু পৰিয়াল বাচি উলিয়াই তেওঁলোকক অসমলৈ আহিবলৈ সুচল কৰি দিয়া, যাতে সেই সময়ৰ অসমত অভাৱ তেনে কাৰিকৰী বিদ্যা-কৌশল থলুৱা লোকেও শিকিব পাৰে।

প্ৰব্ৰজন কৰি অহা পৰিয়ালৰ লোকক মুদ্ৰাত সাঁচ দিয়া, চিত্ৰাঙ্কণ স্থাপত্য-কলা, বন্দুক-বাৰুদ-বৰতোপ তৈয়াৰী আদিৰ দায়িত্ব দিয়া হৈছিল; বিশেষ শিক্ষিত লোকক ৰাজসভাত লিখক আৰু টোকাকাৰক হিচাপে নিয়োগ কৰা হৈছিল আৰু তেওঁলোকক ফাৰ্চী ভাষাত লিখা দলিল-পত্ৰ আদি পঢ়ি তাৰ অৰ্থ বুজোৱাৰ দায়িত্ব দিয়া হৈছিল।

এইৰূপেই অসমলৈ আহে বিভিন্ন কলা-কৌশলত দক্ষ আঠটি পৰিয়াল। তেওঁবিলাক হ'ল ফাৰ্চী পঢ়ীয়া, আখৰকটীয়া, খনিকৰ, শিলাকটীয়া, গুণাকটীয়া, নেগেৰীয়া জোলহা, আৰু দৰ্জ্জী। স্বৰ্গদেৱে বঙ্গ আৰু গোৱালপাৰাৰ সাতটি নৱাব পৰিয়ালো আনিছিল; তেওঁবিলাকক শিৱসাগৰ জিলাৰ নাজিৰাৰ ওচৰৰ অভয়পুৰীত থাকিবলৈ দিলে। ৰাজ-দৰবাৰত এওঁলোকে প্ৰাপ্য সন্মান পাইছিল; তেওঁলোকৰ খিতাপ ফুকনৰ সমকক্ষ আছিল। তেওঁবিলাকৰ সতি -সন্ততি এতিয়াও উজনি অসম আৰু গুৱাহাটীত দেখিবলৈ পোৱা যায়। তেওঁলোকে নিজা পদ-মৰ্য্যাদা বুজাবলৈ, এতিয়াও নবাব উপাধি ব্যৱহাৰ কৰে।

ড° মহম্মদ তাহেৰৰ কথাৰে ঃ

> ৰজা ৰুদ্ৰসিংহৰ উদ্যোগত আঁঠটি মুছলমান পৰিয়াল অসমলৈ আহে; তেওঁবিলাক এনে কিছুমান কলা-কৌশলত দক্ষ আছিল যিবোৰ অসমত সেই সময়ত নাছিল। গতিকে অসমৰ শিল্প আৰু অৰ্থনীতিত তেওঁলোকৰ গুৰুত্ব আছিল। এই পৰিয়ালকেইটিৰ উপৰিও, আহোম ৰাজ্যত নিযুক্তিৰ বাবে নাৱাব উপাধিৰে খ্যাত আৰু এটি বিশেষ সন্মানীয় পৰিয়ালো স্বৰ্গদেৱে অনাইছিল। এইবিলাক হ'ল পৃষ্ঠপোষকতা-জনিত প্ৰব্ৰজনৰ উল্লেখনীয় উদাহৰণ; পাছলৈ ৰাজ্যখনৰ ভিন ভিন অঞ্চলৰ অসমীয়া মুছলমান জন-গাথঁনিত ইয়াৰ প্ৰভাৱ পৰিলক্ষিত হয়।

আমি আখৰকটীয়া পৰিয়ালৰ এজন উত্তৰ-পুৰুষ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰসায়ন বিভাগৰ প্ৰাক্তন অধ্যাপক ফাৰুখ চাদুদ্দিন আহমদৰ সাক্ষাতকাৰ গ্ৰহণ কৰিছিলো। তেওঁ কয় ঃ

> স্বৰ্গদেউ ৰুদ্ৰসিংহই ভাটিৰ ফালৰ পৰা আঠটি পৰিয়াল অনাইছিল; সেই সময়ৰ থলুৱা লোকে নজনা কেতবোৰ কলা বৃত্তি আৰু কৌশলত এওঁলোক পাৰ্গত আছিল গুণে ৰজাই বৰ্ত্তমানৰ উত্তৰ প্ৰদেশৰ পৰা এই পৰিয়াল কেইটি অনাই ৰাজধানী গড়গাঁৱৰ আশে-পাশে থাপিছিল। এনে এটি পৰিয়ালহে হ'ল আখৰকটীয়া পৰিয়াল; নামটোৱে সুচোৱাৰ দৰেই, এওঁলোক তামৰ দৰে ধাতুৰ ফলি আদিত ৰজাৰ হুকুম, আদেশ-নিৰ্দ্দেশ খোদিত কৰাত দক্ষ আছিল। তেওঁলোকে মুদ্ৰাৰ পিঠিত ৰাজমোহৰ, চিত্ৰ, আখৰ আৰু আন চিন আদিও খোদিত কৰিছিল। আখৰ কটা কামত নিয়োজিত

হিচাপে এওঁলোক আখৰকটীয়া নামে জনাজাত হ'ল। আহোম ৰজাই তেওঁলোকক যথাযোগ্য সন্মান যাচিছিল আৰু ৰাজকীয় বিষয়-বাবো দিছিল। ৰজাই সেইদৰেই অন্যান্য পৰিয়ালৰো যতন লৈ ৰাজ-খিতাপ দিয়াইছিল। সেই আপাহতেই এই পৰিয়াল কেইটি অসমীয়া সমাজৰ এক বিশেষ অঙ্গৰূপে পৰিগণিত হ'লগৈ।

ৰাজকীয় মুদ্ৰাত ফাৰ্চী লিপি খোদাই কাৰ্য্যৰ ভাৰ ন্যস্ত হৈছিল আখৰকটীয়াৰ ওপৰত; বিশেষ দক্ষতা আৰু কলা কৌশলৰ বাবে তেওঁলোকে আহোমৰ দিনত ৰজাঘৰীয়া সন্মান আৰু সমাদৰ পাইছিল। প্ৰথমে উজনি অসমতহে আখৰকটীয়া পৰিয়ালৰ লোকৰ বসতি আছিল যদিও, বৰ্ত্তমান ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰায় সকলো ঠাইতে তেওঁবিলাকক পোৱা যায়।

আহোম ৰজাৰ পৃষ্ঠপোষকতাত অন্ন-সংস্থাপন লাভ কৰি আৰম্ভণিতে, প্ৰতিটো পৰিয়ালৰ জনচেৰেক মানহে আহিছিল যদিও দুটামান দশকৰ ভিতৰত, আন বহুতো আহিল। এওঁলোকৰ প্ৰতিটোৰে নিজস্ব সুকীয়া দক্ষতা আছিল।

দিল্লীৰ চুলতান তথা মোগল ৰাজ-দৰবাৰৰ পৰা পোৱা ফাৰ্চী ভাষাৰ চিঠি-পত্ৰ, টোকা, দলিল আদি পঢ়ি বুজাই দিবৰ বাবে ফাৰ্চীপঢ়ীয়া সকলক অনা হৈছিল। তেওঁলোকৰ দায়িত্ব গোপনীয় আৰু গুৰুত্বপূৰ্ণ আছিল বাবে এই পৰিয়ালৰ লোকে বিশেষ মৰ্য্যাদা লাভ কৰিছিল। এওঁবিলাকৰ কোনো কোনোক বৰুৱা উপাধি দিয়া হৈছিল। আহোম শাসনত উচ্চ খিতাপ আৰু সন্মান বহনকাৰী, এওঁলোকৰ উত্তৰ-পুৰুষ ঘাইকৈ উজনি অসমতে আছিল। খনিকৰ পৰিয়ালৰ লোক ৰাজমিস্ত্ৰী, কাঠমিস্ত্ৰী আৰু আন কাৰু-শিল্পী হিচাপে



আখৰকটীয়া কাৰিকৰ খোদিত মুদ্ৰা ; তাৰে এটিত লিপি ফাৰ্চীভাষাত

ঘাইকৈ নিয়োজিত হৈছিল। ৰজাই খনিকৰ খেল এটিও পাতি দিছিল। তেওঁবিলাকৰ অনেকেই আজিৰ স্থপতি-অভিযন্তাৰ দৰে ৰাজ- প্ৰসাদ, অট্টালিকা আদি সজা কামত নিয়োজিত আছিল, আহোম ৰাজ-শাসনৰ জন-কাৰিকৰী বিভাগৰ মূল আছিল এইসকল খনিকৰেই। শিলাকটীয়া লোক নিযুক্ত হৈছিল শিল পাথৰত ভাস্কৰ্য্য খোদিত কৰা কাৰ্য্যত, এওঁলোকৰ কলাই ৰাজকাৰেং আৰু আনকি মন্দিৰ আদিতো সৌন্দৰ্য্য বৰ্দ্ধন কৰিছিল।

সেই কালছোৱাত মাজে মাজে হোৱা আহোম-মোগল সংঘাত সত্ত্বেও এইদৰেই ৰাজ-পৃষ্ঠপোষকতা হেতু ঘটিত প্ৰব্ৰজনে ব্ৰহ্মপুত্ৰ উপত্যকাত মুছলমান জনসংখ্যা বৃদ্ধিলৈ অৰিহণা যোগাইছিল।

ৰাজ্যখনৰ প্ৰতিৰক্ষাৰ বাবে হোৱা যুঁজ বাগৰত অংশ গ্ৰহণ, সামৰিক দৃষ্টিৰে গুৰুত্বপূৰ্ণ অৱস্থান, শাসনৰ বিভিন্ন দিশ, ৰাজ-কাৰেং আৰু অট্টালিকা নিৰ্মাণ, মন্দিৰ ৰক্ষণাবেক্ষণ আদি সকলো ক্ষেত্ৰতে, থলুৱা হৈ পৰা মুছলমানৰ অৱদান কোনো পধ্যেই উলাই কৰিব পৰা বিধৰ নহয়।

অসমৰ প্ৰায়বোৰ মুছলমান গাঁৱতে দৃষ্টিগোচৰ হোৱা ইছলামীয় ঐতিহ্যৰ আৰু এটি দিশ হ'ল বয়ন সংক্ৰান্তীয়। অসমীয়া মুছলমানৰ মহিলা সমাজেই বয়ন-কলা জীয়াই ৰখাত মুখ্য ভূমিকা লয়। হিন্দু আৰু মুছলমান সকলো অসমীয়া মহিলাই বোৱা-কটাৰ কাম সৰুৰে পৰাই শিকিবলৈ লয়। ব্ৰহ্মপুত্ৰ আৰু বৰাক, দুয়ো উপত্যকাতে তাঁত-শালত ব্যস্ত হৈ থকা মহিলা প্ৰায়েই চকুত পৰে।

আহোম স্বৰ্গদেউ চুহুংমুঙৰ দিনত (১৪১৭-১৫৩৯) অসমৰ বয়ন ঐতিহ্যত মূলতঃ মুছলমান কাৰিকৰে কৰা সোণ আৰু ৰূপৰ গুণাকটা সূতাৰ কামৰ প্ৰচলন লেখত ল'বলগীয়া। সেইজনা স্বৰ্গদেউৰ দিনৰ যুদ্ধবন্দী মুছলমানৰ মাজতে গুণাৰ কাম কৰিব জনা ভালেমান কাৰিকৰ আৰু চোলা-সীয়া কামত পাৰ্গত লোকো আছিল; তেওঁবিলাকক ৰাজ সাহায্যৰে এই বিৰল কলাকৃতিত উদগনি যোগোৱা হৈছিল। স্বৰ্গদেউ জয়ধ্বজ সিংহৰ ৰাজত্ব কালতো (১৬৪৮-১৬৬৩) উত্তৰ ভাৰতৰ পৰা এনে পাৰদৰ্শী মুছলমান কাৰিকৰ অনোৱা হৈছিল আৰু তেওঁলোকৰ পৰা অসমীয়া কাৰিকৰেও এই কাম শিকিবলৈ লৈছিল।

গুণাকটীয়া নামে খ্যাত এই মুছলমান লোকসকলৰ জৰিয়তে থলুৱা বস্ত্ৰ-বয়ন কলাত ভালেমান মোগল চানেকি সোমাই পৰে, তদুপৰি সাজ-পোছাকতো মোগল আৰ্হিৰ চাপ পৰিবলৈ ধৰে। সেই সময়ৰ আৰু এক অপূৰ্ব্ব সংযোগ হ'ল অতীব সুন্দৰ কিংখাপৰ কাৰচিপি কৰা কাপোৰ। তাৰ বাবে হয় বাহিৰৰ পৰা কাৰিকৰ-তাঁতী অনোৱা হৈছিল, নতুবা তেনে সূতা ৱাৰানসী আদি ঠাইৰ পৰা কিনি অনা হৈছিল। ৰহনীয়া পাট আৰু সোণ-ৰূপ খচিত সূতাৰে বোৱা এনে কাপোৰত ফুল বছা অনুপম নক্সা-চানেকি সততে পোৱা গৈছিল। পুৰুষেই এই কাম কৰিছিল; কামটো প্ৰচুৰ কষ্টসাধ্য আৰু বৰ সূক্ষ্ম আছিল গুণে যথেষ্ট সময়ৰো প্ৰয়োজন হৈছিল। মুছলমান প্ৰব্ৰজনকাৰীয়ে থলুৱা তিৰোতা বিয়া কৰাইছিল বাবে দুই-তিনি পুৰুষ মানৰ পাছত পৰিয়ালৰ মহিলা সকলেও এই কলাত মনোনিৱেশ কৰি পাৰ্গত হৈ পৰিছিল।

অসমৰ গাঁৱৰ প্ৰতি গৃহস্থালিতেই একোখন তাঁতশাল দেখিবলৈ পোৱা যায়। মন কৰিবলগীয়া যে বয়ন ঐতিহ্যই এতিয়াও বিশেষ বাণিজ্যিক ৰূপ লোৱা নাই। অৱশ্যে গুৱাহাটীৰ ৩৫ কিঃ মিঃ দূৰৈৰ পাটবস্ত্ৰ-নগৰী ৰূপে খ্যাত শুৱালকুচিত ইয়াৰ ব্যৱসায়ীকৰণ বেছ সফল; ইয়াত কিন্তু মুছলমান বোৱনী নাই বুলিবই পাৰি। অৱশ্যে মুছলমান প্ৰধান প্ৰতিখন গাঁৱত সকলো গৃহস্থালিতে একোখনকৈ তাঁতশাল থকা সততে দেখিবলৈ পোৱা যায়। মন কৰিবলগীয়া কথা এয়ে যে গাভৰুহঁতেএই কলাত মনোনিৱেশ কৰি এই ঐতিহ্য যে জীৱন্তে সংৰক্ষণ কৰিব পাৰিছে, সেয়া নিতান্তই উৎসাহজনক। অসমৰ বৃহত্তম মুছলমান গাওঁ দামপুৰত তাঁতশাল নথকা ঘৰ নায়েই। ওপৰৰ এখন ছবিত দুজনী গাভৰু তাঁতশালত অসমীয়া ঐতিহ্যৰ প্ৰতীকস্বৰূপ গামোচা বোৱাত ব্যস্ত হৈ আছে।


তাঁতশালত উজনি অসমৰ মুছলমান মাহিলা

গুণাকটীয়াৰ সূক্ষ্ম কৃতিসৰ্বজন বিদিত। তেওঁলোকে জড়ি-কামত ব্যৱহৃত সোণালী সূতা আৰু গুণাৰে অপূৰ্ব সৃষ্টি অসমীয়া সাজ-পাৰত দেখিবলৈ পোৱা গৈছিল। স্বৰ্গদেউ চুহুংমুঙৰ দিনতেই ৰাজ পৰিয়াল আৰু সম্ভ্ৰান্ত মহিলাৰ চখ-চাহিদা পূৰাবৰ বাবে

আমন্ত্ৰণ কৰি অনা এই সকল মুছলমান আৰু তেওঁ বিলাকৰ উত্তৰ-পুৰুষ বাছকবনীয়া জড়ি-কামত সিদ্ধহস্ত। পিছে, দুখৰ বিষয়, বৰ্তমান উজনি অসমৰ কেইটামান পৰিয়ালতেই এই কলা সীমাবদ্ধ হৈছেগৈ।


দামপুৰৰ দুগৰাকী তাঁতশালত ব্যস্ত গাভৰু

গুণাকটীয়াসকলৰ উপৰিও, বিবিধ কলাকৃতিত পাৰদৰ্শী আন মুছলমানকো আহোম ৰজাই অনাইছিল; স্বৰ্গদেউ চুহুংমুঙৰ দিনৰে পৰা ৰাজ-পৃষ্ঠপোষকতা গুণে তেওঁবিলাকো বেছ সৰহ সংখ্যাতেই আহিছিল। আহোম ৰজাই ভাটি ফালৰ পৰা অনোৱা নেগেৰীয়া পৰিয়ালে ৰজা-ঘৰত বিশেষ মৰ্য্যাদা পাইছিল। তেওঁলোকৰ দায়িত্ব আছিল দুটা - দ'লসমূহৰ সুৰক্ষা নিশ্চিত কৰা, আৰু দ'লৰ বৰঢোল (নেগেৰা) বজোৱা। সেই কাৰণতেই পৰিয়ালটিক দৌলা আৰু নেগেৰীয়া এই দুই নামেৰেই জনা যায়। এই পৰিয়ালৰ উত্তৰ-পুৰুষে এতিয়াও আহোম ৰজাই তাহানিতে দিয়া দৌলা খিতাপৰ বাবে গৌৰৱ কৰে; কেৰকা গৰীয়াই সম্ভৱতঃ প্ৰথমজন নেগেৰিয়া। মানৰ আক্ৰমণৰ সময়ত (১৮১৭-২৬) আন বহুতো পৰিয়াল নোহোৱা হ'ল যদিও, দৌলা পৰিয়াল শিৱসাগৰতে ৰৈ গ'ল। এই দুঃসময়তো তেওঁবিলাকে ৰাজধানী ৰংপুৰ আৰু আগৰ গড়গাঁৱৰ দ'ল মন্দিৰৰ ৰক্ষণাবেক্ষণত লাগি থাকিল এওঁবিলাকৰ পৰিয়াল আজিও শিৱসাগৰ চহৰৰ ধাই আলিত আছে। মন্দিৰলৈ বুলি আগ কৰা নৈবদ্য দেবোত্তৰ সামগ্ৰীৰ ভাগ, সন্মানৰ চিন ৰূপে তেওঁবিলাকে এতিয়াও পায়। শিৱসাগৰ নগৰ পালিকাৰ প্ৰাক্তন সভাপতি, নেগেৰিয়া পৰিয়ালৰ মনিৰুদ্দৌলাৰ সাক্ষাৎকাৰ লওঁতে, পৰিয়ালটিৰ বিষয়ে কয়ঃ



প্ৰায় আশী বছৰৰ পুৰণা কিংখাপ চাদৰ আৰু ব্লাউজ



দুখন সুকীয়া ৰঙৰ কিংখাপ মেখেলা

> স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত আমাৰ পৰিয়ালটি উত্তৰ ভাৰতৰ পৰা আহে। পৰিয়ালৰ লোকক শিৱসাগৰ আৰু গড়গাঁৱত থকা দ'ল-মন্দিৰৰ চোৱা-চিতা আৰু ৰক্ষণা-বেক্ষণৰ দায়িত্ব দিয়া হৈছিল। আমাৰ পূৰ্বপুৰুষ; স্বৰ্গদেউসকলৰ বিশ্বাসৰ পাত্ৰ আছিল। মানৰ আক্ৰমণৰ সময়ত আমাৰ পৰিয়ালে দ'ল প্ৰাঙ্গণৰ পৰা আঁতৰি গুচি নগ'ল, আৰু দ'ল-সম্পত্তিৰ চোৱা-চিতা কৰিয়েই থাকিল। আমি আজিও দ'ল কৰ্ত্তৃপক্ষৰ পৰা দেবোত্তৰ সাহায্য পাওঁ।




শিৱসাগৰৰ নেগেৰীয়া পৰিয়ালৰ এটি পুৰণি ঘৰ, সোঁফালে, পৰিয়ালটিৰ সদস্য কেইগৰাকীমান

ইয়াৰ উপৰিও আহোম ৰজাই ৰাজকাৰেং, মঠ-মন্দিৰ, ৰংঘৰ আদি নিৰ্মাণ কৰোৱাবলৈ ভালেমান মুছলমান ৰাজমিস্ত্ৰী আৰু স্থাপত্যবিদ আৰু ঘৰৰ নক্সা আদি তৈয়াৰ কৰাত সিদ্ধহস্ত লোক মতাই অনাইছিল। শিৱসাগৰৰ অধিকাংশ ৰজাদিনীয়া প্ৰাসাদ, অট্টালিকা মুছলমান কাৰিকৰেই সাজি উলিয়াইছিল। এওঁবিলাকৰ ভিতৰত ঘনশ্যামউদ্দিন অন্যতম। শিৱসাগৰত সেই দিনতে ইটাৰে নিৰ্মিত তেওঁৰ ঘনশ্যাম-কুটীৰত বঙালী স্থাপত্য কলাৰ নিদৰ্শন বিদ্যমান। ইয়াত আৰু চকুত পৰে ইছলামীয় আৰ্হিৰ তোৰণ, কম ঢালৰ মূধচ-বেৰৰ মজবুত গাথনি, বিভিন্ন ফুল-লতাৰ নক্সা আৰু দেৱ-দেৱীৰ পোৰামাটিত খোদিত ভালেকেইটামান প্ৰতিমূৰ্ত্তি।




বাংলাদেশৰ ৰাজশাহীৰ ভাগা মছজিদ,(১৫২৩-২৪)। একে আকৃতিৰ মছজিদ সেই দেশত সচৰাচৰ দেখা যায়। ঘনশ্যাম-কুটীৰৰ আৰ্হিও অনুৰূপ।

ঔপনিবেশিক কালত পূৰ্ববঙ্গৰ পৰা যথেষ্ট সৰহ সংখ্যাত প্ৰব্ৰজন কৰি অহা লোকে মধ্য আৰু নামনি অসমত থিতাপি ল'লে; স্বাধীনতাৰ পাছতো নানা কাৰণত প্ৰব্ৰজন চলিয়েই থাকিল। পিছে এই প্ৰসঙ্গ আমাৰ বৰ্ত্তমান আলচৰ আওতাত নপৰে, কিয়নো মিঞা, ন-অসমীয়া বা পমুৱা মুছলমান নামে জ্ঞাত অভিবাসী মুছলমান সম্প্ৰদায়ৰ গঠন-প্ৰক্ৰিয়া এশ বছৰতকৈও কম পুৰণি বাবে, ঐতিহ্যৰ সংজ্ঞাভুক্ত নহয়।*

## টোকা আৰু প্ৰসঙ্গপুথি


১. Patricia Crone, *Meccan Trade and the Rise of Islam* (Princeton: Georgea Press, 2004)

২. বখটিয়াৰ খিলজীৰ বংগ আক্ৰমণৰ বিশদ বিৱৰণৰ বাবে চাওঁক, Richard M. Eaton, *The Rise of Islam and the Bengal Frontier, 1204-1760* (Berkeley: University of California, 1993) Introduction Chapter.

৩. বখটিয়াৰ খিলজীৰ অসম আক্ৰমণৰ বাবে চাওক, Edward Gait, *A History of Assam* (Calcutta: Thacker and Spink, 1933) pp. 37-38.

৪. Foreword by Syed Abdul Malik in Mohini Kumar Saikia, *Assam-Muslim Relation and its Cultural Significance* (Golaghat: Luit Printers, 1978)

৫. দীনেশ্বৰ শৰ্মা, *মঙ্গলদৈৰ বুৰঞ্জী* (গুৱাহাটী: অসম প্ৰকাশন পৰিষদ, ২০০৪) পৃ. ৪৬-৪৭.

৬. বীণ-ব'ৰাগী গীতবিলাক মৌখিক ৰূপত যুগে যুগে প্ৰচলিত হৈ আহিছে। তাৰ বেছিখিনিতে বেদনাৰ ভাব আৰু ভালেখিনিত বাণৰজা ভগদত্তৰ ৰাজত্ব, শংকৰদেৱ-মাধৱদেৱ, আহোম ৰজা ৰূদ্ৰসিংহৰ শাসন, মানৰ আক্ৰমণ, চিপাহী বিদ্ৰোহ আদিৰ দৰে ঐতিহাসিক কথা আৰু ঘটনা বৰ্ণনা কৰা আছে।

৭. এম আবিদ আলি, *পথৰুঘাট*, দ্বিতীয় সংস্কৰণ (মঙ্গলদৈ: প্ৰেমকান্দ শিকদাৰ, ২০০৬) পৃ.৩৫-৩৬ ত ৬৩গৰাকী শ্বহীদৰ নাম উল্লেখ কৰা আছে। এইখিনি নাম পথৰুঘাটৰ স্মৃতি স্তম্ভতো খোদিত হৈ আছে। বাকী গৰাকী অজ্ঞাত শ্বহীদ বোধকৰো আন বিভিন্ন ঠাইৰ পৰা আহি তাত সমাৱেত হৈছিল। সেইবাবে তেখেতসকল অজ্ঞাত হৈ ৰ'ল। আন এখন উল্লেখযোগ্য গ্ৰন্থ, প্ৰসন্ন কুমাৰ নাথ (সম্পাদিত), *পথৰুঘাট* (চিপাঝাৰঃ উদাস, ১৯৯৪)

## তৃতীয় অধ্যায়

# মুছলমানসকলৰ সমাজ-জীৱন

**জীৱন বৃত্ত**

জন্ম

আকিকা

খট্‌না (চুন্নত)

তোলনি বিয়া

বিবাহ

ব্ৰহ্মপুত্ৰ উপত্যকাৰ খিলঞ্জীয়া মুছলমান বিয়া

মৃত্যু সংক্ৰান্তীয় নীতি নিয়ম

**ধৰ্মীয় উৎসৱ**

ঈদুল ফিতৰ আৰু ঈদুজ্জোহা

চবে বৰাত

মহৰম

**ভাষা, খাদ্যাভাস আৰু সাজপাৰ**

**ঘৰুৱা শিল্প- উদ্যোগ আৰু কলা-কৃষ্টি**

বয়ন ঐতিহ্য

কাঁহ-পিতলৰ কাম

আগৰ উদ্যোগ

টোকা আৰু প্ৰসঙ্গপুথি

# তৃতীয় অধ্যায়

# মুছলমানসকলৰ সমাজ-জীৱন

কোনো সম্প্ৰদায়েই অকলশৰীয়াকৈ বিস্তাৰ লাভ নকৰে; সেই গুণে আছুতীয়াকৈ সম্পূৰ্ণ নিজস্ব জীৱন ব্যৱস্থাও সম্ভৱপৰ নহয়। মানৱবুৰঞ্জীৰ পাতে পাতে বিভিন্ন গোষ্ঠীৰ আৰু জাতিৰ প্ৰব্ৰজন আৰু আদান-প্ৰদানৰ প্ৰমাণ বিদ্যমান। এই প্ৰক্ৰিয়াত কেতবোৰ গোষ্ঠীয়ে নিজা পৰিচয় হেৰুৱাই এক বৃহত্তৰ সমষ্টিত জীন যায় আৰু আনহাতে আন কেতবোৰে নিজা ববীয়াকৈ সুকীয়া পৰিচিতি দিবলৈ সক্ষম হয়। বিভিন্ন মানৱ সমষ্টিৰ ইতিহাসৰ বিভিন্ন পৰ্য্যায়ত ঘটা প্ৰব্ৰজন, আক্ৰমণ, চামিলকৰণ, একাত্মীকৰণ আদিৰ মোক্ষম উদাহৰণ আমাৰ ভাৰতৰ ক্ষেত্ৰতেই পৰিলক্ষিত হয়। তদুপৰি, ইয়াতেই নতুন সৃষ্টি আৰু ঐতিহ্য সূচনাৰ প্ৰাৰম্ভিক পৰ্য্যায়ৰ ক্ৰিয়া- কৰ্মৰ স্বাক্ষৰ দেখা যায়, তাৰে কিছুমান অঞ্চল-বিশেষ ৰূপত। ভাৰতৰ ক্ষুদ্ৰ সংস্কৰণ বুলি খ্যাত উত্তৰ-পূৰ ভাগতো সেই একেই ঐতিহাসিক ক্ৰমবিকাশৰ সাধাৰণ ধাৰা লক্ষণীয়। থোৰতে ক'বলৈ হ'লে, ঐতিহ্যই তেনেই অকলশৰীয়াকৈ কাহানিও গঢ় নলয়, কিয়নো ই উমৈহতীয়া অভিজ্ঞতাৰহে ফলশ্ৰুতি।

ব্ৰহ্মপুত্ৰ আৰু বৰাক, এই দুই উপত্যকাৰ মুছলমানসকল ১২০৫-০৬ খ্ৰীষ্টাব্দতে আৰম্ভ কৰি এক সুদীৰ্ঘ ঐতিহাসিক প্ৰক্ৰিয়াৰ মাজেৰে বৰ্ত্তমানৰ স্থিতিত উপনীত হৈছেহি। সমগ্ৰ উত্তৰ পূৰ্ব্বাঞ্চলৰ মুছলমান সমাজ গঢ়ি উঠিছিল তুৰ্কী আৰু মোগল আক্ৰমণ, বিভিন্ন সময়ৰ প্ৰব্ৰজন, ধৰ্মান্তৰকৰণ আদিৰ আলমত। বহিৰাগত সকলৰ পৰিচয়ো শাসক, যোদ্ধা, শিক্ষক, ফকীৰ, ধৰ্ম প্ৰচাৰক, সাউদ-বণিক, দক্ষ-বনুৱা, কাৰিকৰ আৰু আনকি ব্যক্তিগত ভাগ্য/সম্পদ অন্বেষণকাৰী আদিৰ দৰে ভিন ভিন আছিল। এওঁলোকৰ সৰহ সংখ্যকেই উভটি নগৈ, ইয়াৰেই স্থানীয় মহিলাৰ সৈতে বিবাহ-পাশত আৱদ্ধ হ'ল, আৰু তাৰ ফলত সংহত সমাজ এখন গঢ়ি উঠিল আৰু সাংস্কৃতিক সংমিশ্ৰণো ঘটিল।

এই দৰেই অসমত একোখন খিলঞ্জীয়া মুছলমানৰ সমাজ আৰু সংশ্লিষ্ট ঐতিহ্যই গঢ় লৈ বৰ্ত্তমানৰ পৰ্যায় পালেহি। ব্ৰহ্মপুত্ৰ উপত্যাকাৰ ইছলামীয় ঐতিহ্যৰ গুৰি হ'ল বহিঃআক্ৰমণ, প্ৰব্ৰজন আৰু ধৰ্মান্তৰকৰণ এই তিনিওটাই ত্ৰয়োদশ শতিকাতে আৰম্ভ হৈছিল। আনহাতে বৰাক উপত্যকাৰ ক্ষেত্ৰত ই বিপুল সংখ্যাত ধৰ্ম্মান্তৰকৰণ আৰু সেয়া হৈছিল চতুৰ্দ্দশ শতিকাৰ চুফী সন্ত শ্বাহ জালাল পীৰৰ প্ৰভাৱৰ ফলত। নবাব চিৰাজুদ্দৌলাক ১৭৫৭ চনত পৰাস্ত কৰি ব্ৰিটিছে বঙ্গ অধিকাৰ কৰাৰ আগলৈকে, চিলেটৰ পৰা বৰাক

উপত্যকালৈ লেহেম গতিত, মুছলমান প্ৰব্ৰজন ঘটি আছিল; ১৮৭৪ চনত অসমখন চীফ-কমিচনাৰ-শাসিত প্ৰদেশ হোৱাত চিলেট জিলা অসমৰ ভিতৰত অন্তৰ্ভুক্ত হ'ল আৰু এই প্ৰক্ৰিয়া খৰতকীয়া হ'ল, আৰু দেশ-বিভাজনৰ সময়লৈকে এই প্ৰব্ৰজন প্ৰক্ৰিয়া চলি থাকিল।

তুলনামূলক ভাৱে বহু অধিক বিস্তৃত ব্ৰহ্মপুত্ৰ উপত্যকাত, হিন্দু মুছলমানৰ মিলা-মিছা আৰু আদান-প্ৰদানৰ পৰিসৰো বহল আছিল বাবে ই বৰাক উপত্যাকাৰ তুলনাত অধিক ৰহনীয়া হৈ পৰিছিল। তদুপৰি, ইয়াৰ মুছলমান আৰু বৈষ্ণৱ হিন্দুৰ সমাজ-গণ্ডীৰ পাৰ্থক্য সহজে চকুত নপৰিছিল; ত্ৰয়োদশ শতিকাৰ সেই চালুকীয়া অৱস্থাতে সূচনা হোৱা হিন্দু প্ৰভাৱৰেই ই ফল। যুদ্ধত বন্দী হোৱা আৰু পাছত অহা মুছলমানৰ অধিকাংশই লগত তিৰোতা মানুহ লৈ অনা নাছিল; গতিকে অসমৰ ভিন ভিন প্ৰান্তত থিতাপি লোৱাৰ পাছত তেওঁলোকে থলুৱা মহিলাকে বিয়া কৰাইছিল। তেওঁলোকৰ সতি-সন্ততিয়ে মাতৃ ভাষা সংস্কৃতি, চাল-চলন, আনকি কেতবোৰ হিন্দু ধৰ্ম্মীয় ক্ৰিয়া-কৰ্মও মানি চলা অস্বাভাৱিক বুলিব নোৱাৰি। সেয়েহে চতুৰ্দশ শতিকাত ৰচিত জিকিৰত আন ঠাইত প্ৰচলিত গোড়া ইছলামৰ নীতি নিয়ম বিৰুদ্ধ, এনে ধৰণৰ কথাৰ উল্লেখ পোৱা যায়, আৰু এটিত দেৱ-দেৱী পূজা অৰ্চ্চনাৰ বাবে অসমীয়া মুছলমানক ভৰ্ৎসনাও কৰি সকীয়াই দিয়া হৈছেঃ

আগলতি পাত পাৰি পূজা নানা দেৱ,
দোজখত পৰিব বান্দা নুতুলিব কেও।

মীৰজুমলাৰ অসম আক্ৰমণকাৰী সৈন্যদলৰ লগত অহা ছিহাবুদ্দিন তালিছে, ইয়াৰ হিন্দু মুছলমানৰ মাজত বিশেষ পাৰ্থক্য নেদেখি আচৰিত হৈ, টোকাত লিখিছিল ঃ

> "পূৰ্বৰ যুদ্ধ-বন্দী মুছলমানে নিজা পছন্দমতে স্থানীয় তিৰোতা বিয়া কৰাইছিল। তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে এতিয়া অসমীয়া লোকৰ নীতি-নিয়ম মানি চলে। এওঁলোক নামতহে মুছলমান, ইছলাম সম্পৰ্কে সম্পূৰ্ণ অজ্ঞ। তেওঁলোকে আন মুছলমানতকৈ থলুৱা লোকেৰে সৈতেহে মিলামিচা কৰিবলৈ বেছি ভাল পায়।"[১]

থলুৱা লোকৰ সমিল-মিলেৰে গঢ় লৈ উঠা এই পৰম্পৰাৰ ধাৰা, ঐতিহ্যৰ স্বাভাৱিক প্ৰকাশ ৰূপে এতিয়াও বৰ্ত্তি আছে। অসমৰ মুছলমান সমাজৰ বাৰেৰহণীয় সমস্ত দিশৰ বিশদ বিৱৰণ অধ্যায় এটাৰ গণ্ডীত সামৰা কঠিন, কাৰণ ইয়াৰ পশ্চাদপট বিশাল আৰু বিচিত্ৰ ঃ এই সমাজখন বিশ্ব-মুছলমানৰ সাধাৰণ ধৰ্ম-বুনিয়াদ সন্মত ইছলামীয় চৰিত্ৰৰ বাবে নহয়, বৰঞ্চ ইয়াৰ বৈচিত্ৰ্যৰ প্ৰাচুৰ্য্য হেতুকেহে মনোমোহা। ৰাতিপুৱা আজানৰ ধ্বনিত সোনকালেই উঠি ফজৰ নামাজেৰে দিনটো আৰম্ভ কৰি ইছাৰে শেষ কৰা, ৰমজানৰ ৰোজা ৰখা, ফিত্ৰা আৰু জাকাত দিয়া, আৰু অৱস্থাপন্নজনে হজ কৰা আদি ইছলামৰ বুনিয়াদী নিয়ম কানুন, বিশ্বৰ সকলো ইছলাম-ধৰ্ম্মালম্বীৰ ওপৰতেই প্ৰয়োজ্য কাৰণে মুছলমান সকল এক ধৰ্মীয় ডোলেৰে বান্ধ খাই থাকে ঠিকেই, কিন্তু এই গণ্ডীৰ বাহিৰত তেওঁলোকৰ জগতখন একক নহৈ বিবিধতাৰেহে সমৃদ্ধ; ভাষা, সংস্কৃতি-পৰম্পৰা, সামাজিক জীৱন, সাহিত্য, স্থাপত্য, কলা, আদি সকলো সামৰি, এয়াইতো ঐতিহ্যৰ যথাৰ্থ সমল।[২] এই অধ্যায়ত, ইছলামীয় ঐতিহ্যৰ স্বকীয় বিচাৰেৰে, অসমীয়া মুছলমানৰ সমাজ সংস্কৃতিৰ চিত্ৰ এখনি দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে। জন্মৰে পৰা মৃত্যু অৱধি জীৱন-বৃত্তৰ নৈমিত্তিক ধাৰা যে থলুৱা লোক পৰম্পৰাৰ আধাৰতেহে গঢ় লৈছে, সেই কথা সহজেই অনুমেয়।

## জীৱন-বৃত্ত

কোৱা বাহুল্য, জীৱন-বৃত্তৰ সমস্ত ধাৰা, সদায়েই স্থানীয় সংস্কৃতিয়েই নিৰূপণ কৰে। ধৰ্ম্মীয় আৰু আবেগিক স্বভাৱজাত সংস্কাৰৰ প্ৰাচীৰ নেওচি সংস্কৃতিৰ বিভিন্ন ৰূপ সৃষ্টি, মানৱ ইতিহাসৰেই চিৰন্তন তাগিদা; মুছলমান সকলৰ ক্ষেত্ৰতো এই কথা অভিন্ন নহয়।

জীৱন-বৃত্তৰ সূচনা জন্মেৰে, অন্ত-মৃত্যুৰে; তাৰ পাছতো থাকে মৃতকৰ বাবে কৰণীয় । জীৱন কাল অলেখ সৰু বৰ ঘটনা-পৰিঘটনাৰ সমাহাৰ কেতবোৰ বিশেষ নিৰ্ণায়ক, উৎসৱ পাৰ্বণেৰে পালিব লগীয়া, আৰু আনবোৰ যেন গাম্ভীৰ্য্য সমাহিত, আৰু আন কিছুমান কিন্তু বেদনাদায়ক; প্ৰতিটো ধৰ্ম্মীয় সম্প্ৰদায়ৰে বিভিন্ন সংক্ৰান্তত মানিবলগীয়া নিয়ম নীতি আছে।

## জন্ম

ইছলামৰ পৰম্পৰা অনুযায়ী, কেঁচুৱাৰ জন্মত বয়সীয়া লোক এজনে আজান দিয়াটো নিয়ম । এই কাম কৰা হয় নৱজাতকক তেওঁলোকৰ মাজলৈ আদৰিবলৈ। এসপ্তাহমানৰ ভিতৰত কেঁচুৱাটিক 'বাজ'লৈ অৰ্থাৎ বাহিৰলৈ, অৰ্থাৎ মুকলি আকাশৰ তললৈ উলিওৱা হয়; বাজলৈ উলিওৱাৰ এই প্ৰথা প্ৰায় সকলো সম্প্ৰদায়েই মানে। কেঁচুৱাৰ চুলি খুৰাই, আলফুলকৈ গাটো ধুৱাই, মাকে বাহিৰলৈ লৈ আহে, লগতে আহে পৰিয়ালৰ ঘাইকৈ বয়সস্থ মহিলা আৰু সৰু লৰা-ছোৱালী। মুখ নালাগিবলৈ বা অশুভ দৃষ্টিৰ সম্ভাব্য কুফলৰ পৰা হাত সাৰিবলৈ কেঁচুৱাটিক কপালত মিঠা-তেলৰ চাকিৰ ধোঁৱাৰ পৰা তৈয়াৰী কাজলেৰে ক'লা ফোঁট এটা দিয়া, হাত-ভৰিত ক'লা ৰছি বান্ধি দিয়া, আৰু দেও মনিচক আঁতৰতে ৰাখিবলৈ মূৰতো মিঠা তেল ঘঁহা হয়। এই উপলক্ষে সমবেত ল'ৰা-ছোৱালী, পৰিয়ালৰ বা সম্পৰ্কীয় আন মহিলা সকল আৰু ওচৰ- চুবুৰীয়াক পায়স আৰু মিঠাই, আৰু জহৰ দিন হলে চৰবত, আৰু সাধাৰণতে চাহ আদিৰে আপ্যায়িত কৰা হয়।



নৱজাতকক বাজলৈ অনাৰ ছবি

## আকিকা

শিশুক ভাল নাম এটা দিয়াটো আৱশ্যকীয়। যিমান পাৰি সোনকালেই এই কাম কৰা হয়। অসমীয়া সমাজৰ চলন্তি নিয়ম অনুযায়ী জন্মৰ দুদিনমানৰ ভিতৰতেই ঘৰত-মতা নাম এটা দিয়া হয়; ইছলামী নামটো দিয়া যায় পাছতহে, অৱশ্যে দুই তিনি বছৰতকৈ পলম কৰা নহয় - এই পৰ্বক আকিকা বোলা হয়। জনা-বুজা ধৰ্মপৰায়ণ লোকৰ সৈতে পৰামৰ্শ কৰি নাম এটা বাছি লৈ, পশু উৎসৰ্গা কৰি আকিকা সমাধা কৰা হয়; মঙহখিনি অঙহী বঙহী আৰু ওচৰ চুবুৰীয়াৰ মাজত বিলাই দিয়ে, মাক-দেউতাকে সাধাৰণতে এই মাংস নাখায়। আনুষ্ঠানিক ভাৱে দিয়া এই নাম পাছত আৰু সলাব নোৱাৰে।

## খট্না

শিশু বালকক ইছলামত বিধিগত ভৰ্ত্তিৰ বিধান হিচাপে খট্না কৰোৱা হয়। পুৰুষ লিঙ্গৰ অগ্ৰচৰ্মাংশ ছেদনকে খট্না কৰা বা চুন্নত দিয়া বুলি কোৱা হয়। ইছলামী শাস্ত্ৰত এই প্ৰথাৰ কোনো উল্লেখ নাই বাবে ই

হয়তো 'কৰিবই লাগিব' এনে নহবও পাৰে । অৱশ্যে হাদিছত লিখা মতে, পৱিত্ৰতাৰ খাতিৰত আৰু ইছলামত দাখিল হোৱাৰ লৌকিকতা অনুসৰি খট্‌না কৰা ফৰজ (অৱশ্যে কৰণীয়) ৰূপে গণ্য; সেইকাৰণে বিশ্বৰ সকলো মুছলমানেই ইয়াক মানে। ইহুদী সকলৰ মাজতো এই প্ৰথা প্ৰচলিত; ৰছুল (দঃ)ৰ দিনতো আৰবৰ খ্ৰীষ্টান আৰু ইহুদীসকলে খট্‌না কৰাইছিল । ইছলামৰ মুখ্য চাৰি 'মজহব' (হানিফী, হাম্বালি, ছাফিই আৰু মালিকী)ৰ ভিতৰত হাম্বালি আৰু ছাফিইসকলৰ মতে খটনা কৰোৱাবই লাগিব যদিও, হানিফি আৰু মালিকী সকলৰ মতে ই চুন্নতে মোৱাক্কাদা (ফৰজ নহয়, পিছে প্ৰশংসনীয়, কৰিব পাৰিলে উত্তম)। যি সকলে ইয়াৰ বিৰোধিতা কৰে তেওঁলোকে আঙুলিয়াই দিয়ে যে পৱিত্ৰ কোৰানত আল্লাহৰ সৃষ্টি সম্পূৰ্ণ, নিখুঁত বুলি কোৱা হৈছে বাবে এই কাম অপ্ৰয়োজনীয়; পিছে এনে চিন্তা-বিচাৰ মনা লোকৰ সংখ্যা তেনেই তাকৰ।

ইছলামীয় জগতৰ প্ৰায় মুছলমানেই খটনা স্বাস্থ্য-নীতিৰ ফালৰ পৰাও আৱশ্যক বুলিয়ে গণ্য কৰে। খটনাৰ বাবে নিৰ্দ্দিষ্ট কোনো বয়স সীমা নাই যদিও, আলিম সকলৰ মতে দহ বছৰ হোৱাৰ আগতেই কামফেৰা সমাধা কৰি পেলোৱা উচিত। হাদিছত (জবীৰ শ্বৰীফ আৰু আয়চা শ্বৰীফত) আছে যে ৰছুল (দঃ) এ তেখেতৰ দুই নাতিৰ খট্‌না জন্মৰ পাছৰ সপ্তম দিনটোত কৰাইছিল। সেয়ে ভালেমান ঠাইত এইটো নিয়মেই চলে, পিছে আজি কালি আৰু আনুষ্ঠানিক ধৰণে কৰা খট্‌না কমিবলৈ লৈছে, কিয়নো বেছি ভাগে মাক-বাপেকেই এই কাম জন্মৰ পিছতে চিকিৎসালয়তে কৰোৱাই লয়।

উত্তৰ-পূবৰ অন্যান্য অঞ্চলৰ লগতে গ্ৰাম্য অসমতো ছয়ৰ পৰা দহ বছৰৰ ভিতৰত কৰা খট্‌না এতিয়াও কেৱল ডাক্তৰী কটা-ছিঙা কামহে হৈ পৰা নাই; ইহুদী আৰু মুছলমান উভয়েই অনুসৰণ কৰা নবী ইব্ৰাহিম (আঃ)ৰ সাধাৰণ পৰম্পৰাৰ দৃষ্টিত ই স্বাস্থ্য-সন্মত বিধি বুলিয়ে বিবেচিত। আগতে এই কাম প্ৰশিক্ষণ প্ৰাপ্ত হাজামে (নাপিতে) কোনো চেতনানাশক ব্যৱহাৰ নকৰাকৈয়ে কৰিছিল।[৩] বেছ উলহ মালহৰে এই আয়োজন কৰা হৈছিল, যেন এখন সৰু-সুৰা বিয়াই। বয়সস্থ মহিলাই নাম জুৰি উৎসৱমুখৰ পৰিস্থিতিৰ সৃষ্টি কৰে। ল'ৰাটিক মানসিক ভাৱে প্ৰস্তুত কৰিবলৈ উৎসাহ যোগোৱা হয়, যাতে খট্‌নাৰ (কিছু বিপদ সংকুল) শাৰীৰিক বেদনা সহ্য কৰিবলৈ আগবাঢ়ে। সাহস যোগাবলৈ ল'ৰাটিৰ লগৰে এজনক সম্ভাব্য বেদনা-ভয় কিছু লাঘৱ হওক বুলি দোস্ত (বিশিষ্ট বন্ধু) পাতি দিয়া হয়; কিন্তু এই বন্ধুত্ব জীৱনযোৱা হৈ পৰে আৰু দুয়ো আজীৱন পৰস্পৰৰ সুখ-দুখৰ সমভাগী হয়গৈ ।

খট্‌নাৰ সময়ত বিশেষকৈ দৰঙ জিলাৰ (কোনো কোনো ঠাইত) প্ৰচলিত লোক-গীত চেৰা-ধেকৰ সুৰেৰে গোৱা হয় ঃ

এইবাৰ তোৰ পাল,
সজ কথা কাম ভাল,
আল্লাৰ মোমিন হোৱা ভাল।
দেহা আৰু ৰুহ তোৰ,
হ'ব পাক আৰু চাফ,
হ'বি তই ওচৰ আল্লাৰ।
আছে কান্দি মা তোৰ,

তোৰ কষ্ট হ'ব ভাবি।
কষ্ট তোৰ নাওমান,
ক্ষণ মাথোন দু টামান
আল্লাহ যে কি মহান।
দিব বাট তেওঁ দেখাই
পাক ৰাস্তা কেনি যায়।
এই বাটে গৈছিল বাচা,
তোৰ আব্বা তোৰ চাচা।
এই বাটত আছে আল্লাৰ,
দোৱা-দান মহিমা অপাৰ।
আমাৰ বাচা হৈছা ৰাজি,
ওলা বাচা সাজি-কাছি।

কোনো কোনো ঠাইত কেইবাগৰাকী মহিলাই একেলগে আগ চোতালত বহি লোক-সংগীতৰ সুৰত নাম ধৰে এনেদৰেঃ

মাৰাই কৰিছিল বহন,
চাৰি মাহ চাৰি দিন।
পাঁচ মাহ পাঁচ দিন,
ছয় মাহ ছয় দিন,
পাৰ হয় মাহ-দিন
দহ মাহ দহ দিন।
আজি পালি এই দিন।
মাৰাই পাচিছে তোক
নেক কাম নেক জোচ।
মাৰাই কান্দিছে,
দুখত নহয় খুচিতে।
সাঁত বছৰ সাঁত মাহ,
নেক কামলৈ ওলাই আহ।

উজনি অসমতো কেতবোৰ ঠাইত দেহ-বিচাৰ গীতৰ অনুৰূপে, এই ধৰণৰ গীত গোৱা দেখা যায়। গোলাঘাট জিলাৰ বাতিপৰীয়া গাঁৱৰ অসমীয়া মুছলমান মহিলাই গায়ঃ

মজবুত যদি তোৰ নিয়ত
লুকাই আছ কিহৰ ভয়ত ?

আল্লাৰ ওচৰত নিবি কি,
নেকিৰ বাহিৰে দিবি কি ?
হেৰ' বোপাই ধন
আল্লাৰ নামত লগা মন।
কৌমত লগা তোৰ নাম,
নিয়তৰ পিনে লগা ধ্যান।
এই দুনীয়া দুদিনৰ
ল'বি ইমান তৌহিদৰ।
আল্লাই আছে চাই তোক
তেৰেঁই স্ৰজিলে তোক-মোক।
আল্লাৰ নামত কৰ কাম
কৌমত লগা তোৰ নাম।



দুৰ্ভাগ্যৰ কথা মুখে-মুখে চলি অহা এইবিলাক লোক গীত আজি-কালি নাইকিয়া হৈ আহিছে। এই বিলাক গীত গোৰা প্ৰায় সকলো বয়োজ্যেষ্ঠা মহিলাই জগতৰ পৰা ইতিমধ্যে মেলানি মাগিছে।

ওপৰৰ ছবিত দেখিবলৈ পোৱা মেখেলা-চাদৰ পৰিহিত বয়সস্থ মহিলাই খট্‌না পৰ্ব উপলক্ষে গীত জুৰিছে; মাজৰ গৰাকীয়ে আগভাগ লৈছে। এই দৃশ্য গুৱাহাটীৰ পৰা প্ৰায় ৩০ কিলোমিটাৰ নিলগৰ দামপুৰ গাঁৱৰ।

'দুদিনীয়া সংসাৰ'ৰ একাধিক উল্লেখ, অসমীয়া বৈষ্ণৱকৃতি 'দেহ বিচাৰ' গীত-সুলভ। উজনি অসমৰ এনে গীতৰ ভাষা লিখিত অসমীয়াহে, কথিত নহয়।

## তোলনি বিয়া

নামনি অসমৰ কিছুমান ঠাইত মুছলমান ছোৱালী পুষ্পিতা হোৱাৰ উপলক্ষে কেতবোৰ আনুষ্ঠানিকতাৰ মাজেৰে সেই পৰিস্থিতি পালন কৰা হয়। প্ৰথমে ছোৱালীজনীক চাৰিদিন মানৰ কাৰণে আছুতীয়াকৈ ৰখা হয়; আকৌ আন কেতবোৰ অঞ্চলত সেই ঠাইৰ হিন্দু সমাজত প্ৰচলিত নীতি-নিয়ম মুছলমানেও মানে। উজনি অসমৰ মুছলমান সকলে পিছে এনে নিয়ম কমকৈ মানে আৰু ছোৱালীজনীৰ পুষ্পিতা হোৱা কথাটো গুপুতে ৰাখে। নামনি অসমত ছোৱালীজনীক মাক-বাপেকৰ নতুবা, দূৰত মোমায়েকৰ ঘৰতে চাৰিবেৰৰ মাজতে, তিনি-চাৰিদিনমানৰ বাবে আৱদ্ধ কৰি ৰখা হয়। সেই সময়ছোৱাত, ছোৱালীজনীক পায়স আৰু আন নিৰামিষ আহাৰহে দিয়া হয় আৰু ওচৰতে পালেবগা গোলাপ বা তেনে আন কোনো বগা ফুলো যচা হয়। চাৰি বা পাঁচ দিনৰ দিনা, ছোৱালীজনীয়ে বিশেষ ধৰণেৰে গা-ধোৱাৰ ব্যৱস্থা কৰা হয়; তেওঁ গা-ধুবৰ বাবে জোগাৰ কৰা পানীখিনিত আগতীয়াকৈ চাউল, ফুল, সোণৰ অলঙ্কাৰ আদি কেবাঘণ্টাও ডুবাই ৰখা হয়। স্নান কৰাৰ পাছত ছোৱালীজনীক নতুন সাজ-পাৰ পিন্ধিবলৈ দি সাঁত বিধ ফল যচা হয়। আত্মীয় মহিলাই ছোৱালীজনীক মহিলাৰ তিনি খনীয়া অসমীয়া পোছাক অৰ্থাৎ ৰিহা, মেখেলা আৰু চাদৰ যাচে। সেইদিনাই, ছোৱালীজনীৰ সখী সমনীয়াহঁতক জলপান আৰু পাৰিলে ভোজ ভাত খুৱায়, বয়োজ্যেষ্ঠ

অভিভাৱক আৰু ধৰ্মপৰায়ণ লোক দুজনমানে বিশেষ দোৱা-মোনাজাত আৰু কোৰান পাঠ কৰি ছোৱালীজনীৰ ভৱিষ্যৎ মঙ্গল কামনা কৰে। এই পৰম্পৰাই ফটফটীয়াকৈ দেখুৱায়, কিদৰে অসমীয়া হিন্দু সমাজৰ আচাৰ, ইছলামীয়-ৰীতিসুলভ বিশেষ 'দোৱা'ৰ সৈতে সানমিহলি হৈ পৰিছে। সমন্বয়ত গঢ়ি উঠা অসমৰ মুছলমান ঐতিহ্যৰ ইয়ো এক চানেকি। উনুকিয়াই থ'ব পাৰি যে, অসমীয়া হিন্দু সমাজতো প্ৰায় একেবোৰে নিয়মেই প্ৰচলিত যথা, - ছোৱালীক ফল-মূল, নাৰিকল পানী খুউৱা হয়, ওচৰৰ পুখুৰী এটাৰ পৰা গা-ধোৱা পানী তুলিবলৈ কেইবাগৰাকী মহিলা আৰু গাভৰুৱে লগে-ভাগে যায় আৰু গা-ধোৱাৰ পাছত ছোৱালীজনীক কল গছ এজোপাক পতি জ্ঞান কৰি সাৱটিবলৈ দিয়া হয়। নামনি অসমৰ বৰপেটাত এনে নিয়মৰ চলন্তি আজিকোপতি দেখা যায়।

## বিবাহ

নিঃসন্দেহে পৃথিৱীৰ সকলো মানুহৰ বাবেই জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আনুষ্ঠানিক আচাৰ হ'ল বিয়াখন। মুছলমান বিবাহৰ কৰণীয় সাৰাংশ হৈছে 'নিকাহ'। ইয়াৰ যোগেদি স্ত্ৰী-পুৰুষৰ যুগ্ম সম্পৰ্কত পৱিত্ৰতা আৰোপ কৰি দুয়োকে আবেগিক বান্ধোনেৰে বান্ধিবলৈ চেষ্টা কৰা হয়, যেন আজীৱন তেওঁলোকৰ মাজত এই সম্বন্ধ টিকে। নিকাহ কেন্দ্ৰিক বিবাহ অনুষ্ঠানৰ হোতা হ'ল উকীলজন। দৰা আৰু কইনা পক্ষৰ পৰস্পৰ আলোচনাৰ মাজেৰে এওঁক বাছি দিয়া হয়। তেওঁ বিবাহ প্ৰস্তাৱত কইনাৰ সন্মতি যে আছে সেই কথা ঠাৱৰ কৰি, দৰাক সোধে, নিকাহ (প্ৰস্তাৱ) কবুল (গ্ৰহণ) কৰিছেনে। কইনাৰ মোহৰৰ (স্ত্ৰী-ধনৰ দৰে) পৰিমাণ দুয়োটা পৰিয়ালে বুজা-বুজিৰে থিৰাং কৰে। ছোৱালীগৰাকীৰ ভৱিষ্যত সুৰক্ষাৰ বাবে এইটো কৰা হয় আৰু সেয়ে নিকাহ প্ৰস্তাৱত মোহৰৰ কথা উল্লেখ থাকে। মুছলমান বিবাহৰ এয়াই ন্যূনতম সৰ্বজনস্বীকৃত ধৰ্মীয় বিধি।

তদুপৰি, মুছলমান লোক বিয়াৰ তাৰিখ ঠিক কৰাৰ বিষয়ত বেছ সচেতন। তেওঁলোকে পৰিয়ালৰ মাজত কথা পাতি বয়োজ্যেষ্ঠসকলে আৰু ধৰ্মবিজ্ঞ মৌলবী এজনৰ সৈতে, নিকাহৰ বাবে সুবিধাজনক আৰু লগতে শুভ বিবাহৰ তাৰিখ এটাৰ বিষয়ে আলোচনা কৰি সিদ্ধান্তত উপনীত হয়। এনে কৰোতে চান্দ্ৰ-মাহ সম্বলিত পঞ্জিকা চোৱা হয়। সাধাৰণতে মাহৰ প্ৰথমাৰ্দ্ধত পৰাকৈ পূৰ্ণিমা তিথিত বা তাৰ আগতে (কৃষ্ণপক্ষ এৰি) তাৰিখ এটা স্থিৰ কৰা হয়। ৰমজান মাহ, মহৰমৰ প্ৰথম দহদিন আৰু চফৰ মাহত বিয়া পতা নহয়। অৱশ্যে, এই নিষেধ কঠোৰ নহয়।

ওপৰোক্ত কথা খিনিৰ উপৰিও আৰু কেতবোৰ মন কৰিবলগীয়া প্ৰথা আছে, যিবিলাক আৰম্ভণিৰ পৰা শেষলৈকে স্থানীয় লোক-পৰম্পৰাই নিৰূপণ কৰে। বিবাহ উদযাপন দেখ্‌দেখ্‌কৈ কন্যা-কেন্দ্ৰিক, কিয়নো কইনাজনীয়েই মনোযোগ আৰু আকৰ্ষণৰ কেন্দ্ৰ। আজিকালি মুছলমান বিয়াৰ আচল 'সোৱাদ' গাওঁ অঞ্চলত হে পোৱা যায়; নগৰীয়া মুছলমান বিবাহত বিবিধ বৰ্জনীয় বাহ্যিকতা সোমাই পৰাৰ বাবে বিয়াখন আচাৰ-নীতি হিচাপে, থলুৱা বা ইছলামীয়, কোনোটোৱেই নহয়গৈ। অৱশ্যে, মনত ৰাখিব লাগিব যে অসমৰ মুছলমানৰ ৯০ শতাংশই গাঁৱতহে বাস কৰে। সেইবাবে আমাৰ আলচত গ্ৰাম্য বা চহৰৰ সমীপৰ তেনে ধৰণৰ বিয়াৰ কথাইহে ঠাই পাইছে, কিয়নো এয়াহে এই অঞ্চলৰ মুছলমান ঐতিহ্যৰ পৰিচায়ক।

বিয়া-বাৰুৰ বেলিকা, ব্ৰহ্মপুত্ৰৰ উপত্যাকাৰ মুছলমানৰ ক্ষেত্ৰত অসমীয়া লোক-সংস্কৃতি আৰু পৰম্পৰাই বিয়াখনৰ সামাজিক দিশটোত মুখ্য ভূমিকা গ্ৰহণ কৰে। অনুৰূপ বঙালী প্ৰভাৱ বৰাক উপত্যকাৰ মুছলমানৰ বিবাহত লক্ষ্য কৰা যায়।

## ব্ৰহ্মপুত্ৰ উপত্যকাৰ খিলঞ্জীয়া মুছলমানৰ বিবাহ প্ৰথা

ঠাই বিশেষে বিবাহ উদযাপনত সামান্য প্ৰভেদ থাকিলেও মুছলমান বিয়াখনত ইতিপূৰ্ব্বে কৈ অহাৰ দৰে মূল গুৰুত্ব কইনাজনীৰ ওপৰত। বিয়াৰ সময়ত কইনা ঘৰখন সজাই পৰাই উৎসৱমুখৰ কৰি তোলা হয়। আগফালৰ চোতালখনত দৰাৰ লগত অহা মানুহখিনিক বহিবৰ বাবে ব্যৱস্থা কৰা হয়। দৰা বহিবৰ কাৰণে অলপ ওখ চালপিৰা এখনৰ ওপৰত চামিয়ানা, (চন্দ্ৰতাপ) এখন দি লোৱা হয়। সোমাই অহা বাটটোত গেট (আদৰণি তোৰণ) এখন দি ফুল পাত আৰু ৰঙীণ কাগজেৰে সজাই তোলা হয়। পাছফালৰ চোতালখনতো কইনাৰ ওচৰত দৰা ঘৰীয়া মহিলা সকল বহিবৰ বাবে ব্যৱস্থা কৰি ৰখা হয়। কইনা তাতে, অলপ বহল দেখনিয়াৰ কৰি তোলা আসন এখনত সমনীয়া সখীৰ লগত বহে।

অসমীয়া মুছলমানে বিয়া সংক্ৰান্ততো ভালেমান থলুৱা নীতি-নিয়ম আৰু আৰু আচাৰ মানি চলে। ঘৰৰ আৰু ওচৰৰ মহিলাসকলে নিকাহৰ দিনাখন দৰা ঘৰীয়াক দিবলৈ বুলি চাউলেৰে তৈয়াৰী বিভিন্ন প্ৰকাৰৰ লাৰু, আখৈ, চিৰা আদি আগদিনাখন ৰাতিৰ ভিতৰতেই যুগুতাই থয়। কইনাকো নিকাহৰ আগদিনা পুৱাবেলা সম্বন্ধীয়া আৰু সমনীয়হঁতে মিলি গা ধুৱায়। সখিয়েক, লগৰীয়া আৰু বয়সস্থ মহিলাই তাৰ আগেয়ে কইনাৰ গাত পিচি থোৱা হালধি সানি বেছ ৰং তামাচা কৰে। এনে আয়োজন অলপ দীঘলীয়া হয়। ছোৱালীক ভিতৰৰ পৰা দুগৰাকী মহিলাই লৈ আহে। আনোতে



দৰাৰ ঘৰলৈ বুলি পিঠা-পনা-লাৰু-আখৈৰ টোপোলা বন্ধাত ব্যস্ত মহিলা

তিনিওগৰাকীৰে মূৰ ঢকাকৈ চাদৰ এখন দি অনা হয়, যাতে কোনেও কইনাৰ মুখ নেদেখে। হালধি খেলা কোঠাত তেওঁলোকে বৃত্তাকাৰে ঘূৰি থাকে। বটা হালধি সনাৰ পাছত কইনাক পৰম্পৰা অনুযায়ী তামোল পান যচা হয়, তাৰ লগতে ছোৱালীৰ মূৰত সৰুকৈ বান্ধি লোৱা এঠোক ধান আলফুলকৈ থোৱা হয়। নতুন ঘৰৰ হ'ব লগীয়া বোৱাৰী তথা লখিমী আৰু ভবিষ্যৎ মাতৃত্বৰ বাবে আশীৰ্বাদৰ চিন হিচাপে এনেকুৱা পৰম্পৰা চলি আহিছে। তাৰ পাছত কইনাৰ পাল পৰে। হালধি সনা লোকক তেওঁ পান-তামোল যাচে। তাৰ পাছত ফুলৰ পাহি আৰু নিম পাত আদি দিয়া কুঁহুমীয়া পানীৰে কইনাক গা ধুউৱা হয়। সেই সময়ত গোটেইখন সুগন্ধি ফুলৰ সুৱাসেৰে আমোলমোলাই থাকে। (কোনো কোনোৱে বুট থেতালিও কইনাক সানে) গা-ধুউৱাৰ



কইনাক গা ধুৱলৈ অনা দৃশ্য

পাছত, পাৰম্পৰিক অসমীয়া সাজজোৰ পিন্ধিবলৈ দিয়া হয়। আগৰ দিনত, আনকি কিছু বছৰমান আগলৈকে কইনাৰ সাজ আছিল চালে চকুৰোৱা কিংখাপৰ মেখেলা, চাদৰ আৰু ৰিহা। পিছে আজি কালিৰ মহঙা দিনত এই সুন্দৰ পোছাক প্ৰায় নাইকিয়া হৈ পৰিছে। কোনো চহকী লোকৰ ঘৰত তেনেকুৱা সাজ-কাপোৰ থাকিলে




কইনাৰ মুখত হালধি সনা আৰু গা ধুওৱাৰ আগমুহূৰ্তৰ ছবি

তেওঁলোকে নিজেই আহি কইনাক পিন্ধাই তেওঁক বৰ শুৱনী কৰি তোলে। আজি-কালি পাটৰ মেখেলা, চাদৰ আৰু ৰিহাই সচৰাচৰ ব্যৱহৃত হয়। আ-অলঙ্কাৰৰ ভিতৰত আগৰ দিনৰ দৰেই গাম খাৰু (সোণৰ বা ৰূপৰ ১৪ৰ পৰা ১৮তোলা ওজনৰ), ১০ টা নেজ লগা আঙুঠি, এডালৰ পৰা তিনি ডাল মূৰত পিন্ধা চিৰপেচ বা চিৰপতি, ডিঙিত পিন্ধা বাখৰ আৰু প্ৰবাল মণি খতোৰা বেনা আৰু দুগ্‌দুগি, গলপতা আদিকৈ ভালেমান গহনা কইনাই পৰিধান কৰে। এসময়ত কাণত থুৰিয়া পিন্ধিছিল। আজিকালি থুৰিয়াৰ প্ৰচলন একেবাৰে নাইকিয়া হৈ গৈছে। বহুতো আঢ্যৱন্ত পৰিয়ালৰ লগত থকা ভাল অসমীয়া গহনা নিজৰ ফালৰ পৰা আনি কইনাক পিন্ধোৱা পৰম্পৰা গাঁওবিলাকত এতিয়াও চলি আছে। কইনা ঘৰৰ পৰা উলিয়াই দিয়াৰ দুদিনমানৰ পাছত সেইখিনি গহনা আকৌ গৰাকীৰ হাতত দি দিয়া হয়। অসমীয়া মুছলমান জীয়ৰী-বোৱাৰীয়ে দীঘল চুলি ৰখাটো এটা আদৰৰ পৰম্পৰা আছিল। দীঘল চুলিয়ে মহিলাৰ সৌন্দৰ্য বৃদ্ধি কৰে বুলি বিশ্বাস। দীঘল চুলিৰ



অসমীয়া গহনা পৰিহিতা কইনা

কইনাক সুন্দৰকৈ 'কল ডিলীয়া' খোপা বন্ধাটো এক কলা বুলি পৰিগণিত আৰু তাকে কৰোঁতে মহিলাসকলে হাতে-কামে লাগি যায়। চহৰৰ ছোৱালীবিলাকৰ বহুতেই আজি কালি চুলি চুটি কৰাৰ বাবে নগৰীয়া কইনাৰ কম ক্ষেত্ৰতহে কল দিলীয়া খোপা বন্ধা দেখা যায়। কিন্তু গাঁও অঞ্চলত জীয়ৰী-বোৱাৰীৰ দীঘল চুলিৰ ঐতিহ্য মুছলমান সমাজত এতিয়াও বিদ্যমান। এইবিলাকৰ পৰা এটা কথা সুন্দৰকৈ ওলাই পৰে যে এঘৰৰ কইনা ধুনীয়াকৈ সজাই-পৰাই দিয়াটো সকলোৰে উমৈহতীয়া দায়িত্ব। এই দায়িত্ব পালন কৰাত এক শাশ্বত আনন্দও পোৱা যায়।



অসমীয়া গহনা পৰিহিতা কইনা

দৰাৰ ঘৰ বেছি দূৰৈত ন'হলে তেওঁবিলাকৰ বিশেষকৈ মহিলা কেইগৰাকীমান কইনাৰ ঘৰলৈ আহি ছোৱালীক সুগন্ধি আঁতৰ দি যায়হি। ই সামাজিক মিলা প্ৰীতিৰ আন এটা অনুপম চিন স্বৰূপ।

অসমীয়া কইনাই পৰিধান কৰা কিছুমান পোছাক, যেনে কিংখাপৰ মেখেলা-চাদৰ-ৰিহা, এতিয়া এই সাজ প্ৰায় নোহোৱাই হৈ পৰিছে। কাৰণ, তেনেকুৱা সাজ পোছাক তৈয়াৰ কৰা বোৱনী নাইকিয়া হোৱাৰ লগতে সেইবিলাক বৰ বেছি মহণ্ডা হৈ পৰিছে। তথাপি, কোনো কোনো গ্ৰামাঞ্চলত এতিয়াও তেনে সাজ-পাৰ দেখিবলৈ পোৱা যায়।

মন কৰিবলগীয়া যে অসমীয়া মুছলমান সমাজত বিয়াখনৰ সমূদায় ক্ৰিয়া-কাৰ্য্যত, থলুৱা অসমীয়া সংস্কৃতিৰ সৈতে সম্পূৰ্ণকৈ ৰজিতা খোৱা কথাখিনিয়েই সোমাই আছে; কেৱল ধৰ্মীয় কামখিনিতহে অসমীয়া হিন্দু আৰু মুছলমানৰ বিবাহ অনুষ্ঠানৰ পাৰ্থক্য দেখিবলৈ পোৱা যায়। আনহাতে আকৌ হিন্দুসকলৰ মাজতো পালিবলগীয়া নিয়মখিনিৰ সম্প্ৰদায়ভেদে কিছু হেৰ-ফেৰ আছে; আহোম সকলে চকলং প্ৰথাহে মানে, বিয়াত পুৰোহিতে এশ এগছি চাকি জ্বলাই পূজা-পাতল কৰে। ইফালে সৰহ সংখ্যক হিন্দুৱেই হোমাগ্নি সাক্ষী কৰি বিবাহ পালন কৰে। বৈষ্ণৱ সকলৰ মাজত অনেকেই মহাপুৰুষ দুজনাৰ ৰচিত ভক্তিমূলক নাম গাই বিয়াৰ কাম সমাধা কৰে।

ভাৰতৰ অন্যান্য অংশৰ মুছলমানৰ দৰেই, অসমতো দৰাই, পাৰম্পৰিক সাজ, পাগুৰী আৰু ফুল-বছা বেছ ধুনীয়া দীঘল কুৰ্ত্তা-পাইজামাৰে সজ্জিত হৈ বন্ধু-বান্ধৱ, আত্মীয় কুটুম্বেৰে সৈতে কইনা ঘৰত উপস্থিত হয়হি। দৰাঘৰীয়াক সজ্জিত গেটখনৰ ওচৰতেই কইনাঘৰীয়াই আদৰে। ছোৱালীৰ মাকে দৰাঘৰীয়া মহিলাসকলক ভিতৰলৈ আগবঢ়াই নিয়ে, আৰু বাপেক নতুবা বয়োজ্যেষ্ঠজনে দৰা আৰু আন সকলক বিবাহ মণ্ডপলৈ লৈ যায়, আদৰ-সাদৰ কৰি। ছোৱালীৰ মাকে মহিলাসকলক কইনা বহি থকা ৰভাখনলৈ নি আথে-বেথে বহুৱায়। দৰাপক্ষীয় পুৰুষৰ বাবে আগফালৰ চোতালৰ ৰভাখন; সেয়ে দৰা আৰু তেওঁৰ লগৰীয়া তামুলীৰ (দৰাৰ বিশিষ্ট বন্ধু) সৈতে তেওঁবিলাকে তাতেই বহে। এই সমাগতসকলক কমলা বা আন ফলৰ



দৰা-কইনা পক্ষৰ মাজত তামোল পাণৰ শৰাইৰে আদৰ-সম্ভাষণ বিনিময়

ৰসেৰে তৈয়াৰী চৰবৎ (পানীয়), চাহ-পিঠা, (চহৰত আজিকালি কেক) মিঠাই আদিৰে আপ্যায়িত কৰা হয়। লঘু জলপানৰ পাছত বাপেক নাইবা কোনো এজন বয়োজ্যেষ্ঠ আত্মীয়ই তামোল-পাণৰ বটা যাচি সমজুৱাকৈ দৰাপক্ষক আদৰণি জনায় আৰু তেওঁলোকৰ অহাৰ উদ্দেশ্যৰ কথা আনুষ্ঠানিকভাৱে সোধে। দৰাৰ ফালৰ

পৰাও একেদৰেই বটা-ভৰ্ত্তি তামোল পাণ আগবঢ়াই কইনাঘৰীয়াৰ লগত বটা দুখন সলনা-সলনি কৰে, আৰু তেওঁলোকে পূৰ্ব্বৰ বুজাবুজি অনুযায়ী কইনা নিকাহ কৰি নিবলৈ অহা বুলি কয়। তাৰ পাছতে ধৰ্মবিজ্ঞ বয়সস্থ সকলৰ এজনে মানৱ-জীৱনত বিবাহৰ গুৰুত্ব সম্পৰ্কে চমুকৈ ব্যাখ্যা কৰে। তেওঁ কোৰান আৰু হাদীচৰো উদ্ধৃতি দি সমাজ ব্যৱস্থাৰ শান্তিময় ধাৰাবাহিকতা ৰক্ষাৰ হেতু যে বিয়া কৰোৱাটো ফৰজ (বাধ্যতামূলক) সেই কথা সোঁৱৰাই দিয়ে। এইদৰে দৰা-কইনাৰ বান্ধোনত সমজুৱাকৈ বিবাহৰ সামাজিক সন্মান আৰু স্বীকৃতি প্ৰদান কৰা হয়।



পৰাম্পৰাগত সাজত দৰা

ইয়াৰ পাছতেই নিকাহৰ বিভিন্ন পৰ্য্যায়, যথা দৰাৰ প্ৰস্তাৱত মান্তি হৈ বিয়াত বহিবলৈ কইনাৰ সন্মতি নিৰূপণৰ বাবে এজন উকীল আৰু লগতে দৰা আৰু কইনা দুয়ো ফালৰপৰা একোজনকৈ সাক্ষী ঠিক কৰা, মোহৰৰ পৰিমাণ আৱশ্যক হ'লে ঠিক কৰা, এই সিদ্ধান্তবোৰ বিবাহ-থলীত সমজুৱাকৈ জনোৱা ইত্যাদি। তাৰ পাছত দৰাৰ নিকট আত্মীয়ই কইনালৈ বুলি উপহাৰ অনা ৰিহা, মেখেলা আৰু চাদৰৰ সাজ আৰু আ-অলংকাৰ, বিবাহ-থলীত সকলোকে মুকলিকৈ দেখুৱায়।

এই পৰ্ব শেষ হ'লে, সাক্ষী দুজনৰে সৈতে উকীল ভিতৰৰ ৰভাখনত বহি থকা কইনাৰ কাষলৈ গৈ সকলোৰে সন্মুখতে কইনা বিয়াত ৰাজী (সন্মত) আছে নে নাই সেই কথা পৰিষ্কাৰ ভাষাত সোধে; ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চলত কথাখিনি অসমীয়াতে সোধা হয়, আৰু বৰাক অঞ্চলত সোধা হয় বাংলাত। মন কৰিবলগীয়া যে কইনাগৰাকীৰ জীৱনৰ এই গুৰুত্বপূৰ্ণ সময়খিনিত কইনাঘৰীয়া নিকটাত্মীয় কোনো তেওঁৰ ওচৰত নাথাকে, যাতে (ছোৱালীৰ সন্মতিৰ ক্ষেত্ৰত) অযথা হস্তক্ষেপ কৰাৰ কোনো অৱকাশ নাথাকে। উকীলে নিকাহৰ এই কামখিনি কৰোঁতে কইনাৰ মুখ চাদৰেৰে ঢকা থাকে যাতে তেওঁ এই সময়কণত ঘনিষ্ঠ কাকো নেদেখে আৰু নিজেই স্বাধীনভাৱে সিদ্ধান্ত ল'ব পাৰে। এই পৰম্পৰাটি পয়গম্বৰ হজৰত মহম্মদ (দঃ)ৰ দিনৰ পৰা বিশ্বৰ সকলো মুছলমান সমাজত চলি আহিছে। কইনাক উকীলে এনেদৰে সোধে - 'অমুক ঠাইৰ অমুকৰ পুতেক অমুকে মোক উকীল নিযুক্ত কৰিছে আৰু ইমান পৰিমাণৰ মোহৰ দিয়াৰ চুক্তি স্বীকাৰ কৰি তোমালৈ নিকাহৰ প্ৰস্তাৱ মোৰ যোগেদি আগবঢ়াইছে। এই প্ৰস্তাৱ তুমি গ্ৰহণ কৰিছানে?' উকীলে উপৰোক্ত প্ৰশ্নটো তিনিবাৰ সোধে, যাতে ছোৱালীয়ে ঠিক মতে শুনে আৰু ভাবি চিন্তি সন্মতি দিয়ে- 'হয়, মই গ্ৰহণ কৰিছো'। উকীলে সাক্ষী দুজনক সোধে, কইনাৰ উত্তৰ তেওঁলোকে ঠিক শুনিছেনে; তেওঁলোকৰ পৰা ইতিবাচক উত্তৰ পালে, উকীল আৰু সাক্ষী দুজন (আগফালৰ ৰভাত বহি থকা) দৰাৰ ওচৰ পায়হি, আৰু খবৰটো সমবেত সকলক জনায়- এয়া আনন্দ আৰু সুখৰ বাতৰি আৰু উৎফুল্লিত হোৱাৰ সময়। কোনো মৌলবী নাইবা বয়োজ্যেষ্ঠ এজনে পৱিত্ৰ কোৰানৰ চুৰা (অধ্যায়) ৰ কিয়দংশ আওঁৰায় । তাৰ পিছতে উকীলে দৰাৰ কাষ চাপি সোধে ঃ 'অমুকৰ ছোৱালী অমুকে ইমান পৰিমাণৰ মোহৰত তোমাৰ সৈতে নিকাহত সন্মতি জনাইছে। তুমি এই নিকাহত ৰাজী নে?' দৰাই 'হয়, মই সন্মত' বোলাৰ লগে লগে বিবাহৰ মূল-কাৰ্য্যৰ পৰিসমাপ্তি। তাৰ পাছতে মৌলবী বা বয়োজ্যেষ্ঠ এজনে খোতবা (ভাষণ) পঢ়ে। এই ভাষণৰ মূল বক্তব্য হৈছে,

বিবাহ ব্যৱস্থাৰ জৰিয়তে জীৱন-পৰিক্ৰমা অক্ষুন্ন ৰখাৰ তাত্বিক মহত্ব। এটা কথা বিশেষ মনকৰিবলগীয়া যে দুয়োপক্ষৰ মাজত কোনো গোপন দান-প্ৰতিদানৰ কথা নতুবা দেয় যৌতুক আদিৰ দাবী কৰাৰ কু-প্ৰথা অসমীয়া মুছলমানৰ মাজত নাই। যৌতুকক এক লজ্জাজনক সামাজিক ব্যাধি বুলি গণ্য কৰা অসমীয়া মানুহৰ এই বিচাৰ-ধাৰা গৌৰৱৰ বিষয়।

এতিয়া আহিল আনন্দ উদ্‌যাপনৰ সময়, দৰাৰ ফালৰ পৰা শুকান খেজুৰ, মিঠাই, চুপাৰি-সহ সুগন্ধি মিঠা পাণ আদি বিলোৱা হয়। ডাঙৰ কে'কৰ আদান-প্ৰদানো আজিকালি চলে। তাৰ পিছত দৰাপক্ষক, যথেষ্ট আয়োজন সহ প্ৰস্তুত, সু-স্বাদু ভোজ-ভাতেৰে আপ্যায়িত কৰা হয়। ওপৰত উল্লেখ কৰা হৈছেই যে অসমীয়া মুছলমান সমাজত যৌতুকৰ নিয়ম নাই; দৈনন্দিন ব্যৱহাৰৰ বাবে কইনাক কিছু সামগ্ৰী উপহাৰ হিচাপেহে দিয়া হয় আৰু তাৰে তালিকা এখন দৰাৰ অভিভাৱক বা নিকটতম কোনো আত্মীয়ৰ হাতত দিয়া হয়। নিত্য প্ৰয়োজনীয় কোৰান এখন, নামাজ পঢ়িবলৈ জায় নামাজ (বহা কঠ) এখন, এডাল তচবিহ (জপ-মালা), অতি কমেও এসাজ ৰিহা-মেখেলা-চাদৰ, বটা বাটিকে ধৰি কাঁহ পিতলৰ কেইপদমান বাচন-বৰ্ত্তন, আৰু লগতে দহ-বাৰখন মান গামোচাও দিয়া হয়। নতুন ঘৰখনিত কইনা সোমোৱাৰ পাছত দৰাৰ বয়োজ্যেষ্ঠ আত্মীয়ক চিনাকি কৰি দিয়াৰ সময়ত মান ধৰিবলৈ এনে গামোচা দিয়া হয়।



লক্ষিমপুৰৰ খুটাকটিয়াৰ চৈয়দ জাকিৰ হুছেইনৰ ঘৰত পোৱা দোলা

একালত যেতিয়া মটৰ গাড়ী নাছিল তেতিয়া দৰাৰ ঘৰৰ মানুহ সাধাৰণতে চৈ দিয়া গৰু গাড়ীত আহিছিল আৰু দৰা আহিছিল হাতী বা ঘোঁৰাত উঠি। মহিলাসকল অহা গৰু গাড়ীৰ আগে পাছে দুয়ো পিনে পৰ্দা তৰি দিয়া হৈছিল। দৰা অহা হাতী বা ঘোঁৰাটোক ৰংচঙীয়া কাপোৰ দি আৰু ফুলৰ মালা পিন্ধাই সজাই পৰাই লোৱা হৈছিল। কইনাৰ ঘৰৰ পৰা দৰাৰ ঘৰলৈ দূৰত্ব বেছি নহ'লে কইনাক সুন্দৰকৈ সজাই লোৱা দোলাত তুলি দুজন মজবুত পুৰুষে কান্ধত লৈ গৈছিল। গাঁৱৰ আঢ্যৱন্ত পৰিয়ালত দোলা থকাটো এক মৰ্যাদাপূৰ্ণ কথা আছিল। সেই পৰিয়ালে আনৰ ঘৰৰ কইনাৰ বাবে দোলাখন দিয়াটো এক সামাজিক দায়িত্ব বুলি গণ্য কৰিছিল।

ন-কইনাই নতুন ঘৰত প্ৰথম সাজ-ৰন্ধাৰ আখৰা হিচাপে 'চৰু-ধৰা' প্ৰথাৰে, পৰিয়ালৰ বাবে ৰন্ধাৰ (প্ৰতীকি ৰূপত) দায়িত্ব গ্ৰহণ কৰে। বৰাক উপত্যকাত ইয়াক বৌ-ভাত বোলে। ডাঙৰ ডেকচী এটাত চাউল সিজোৱা কামটো কইনাই আৰম্ভ কৰে; পৰিয়ালৰ নতুন সদস্যা ৰূপে আদৰিবলৈহে এই নিয়ম; ন-ছোৱালীয়ে আত্মীয় কুটুম্ব সকলোৰে আটাইবোৰ খোৱা তৈয়াৰ কৰিব নালাগে। এই কৰ্মৰ মাজেৰে পৰিয়াল আৰু ওচৰ-চুবুৰীয়া সকলৰ সৈতে চিনাকি হোৱা যায়, আৰু গৃহস্থালি চম্ভালি লোৱাৰ প্ৰথম খেপ পেলোৱা হয়। অৱশ্যে এই প্ৰথা ঠাই বিশেষে সামান্য সুকীয়া। উজনি অসমত ন-কইনা পৰিচিতিৰ ধৰণ ওপৰত উনুকিউৱাৰ দৰে যদিও, নামনিত চিনাকি হওঁতে ছোৱালীক ফুল যচাটো নিয়ম।

কোৰা বাহুল্য যে বিবাহ আনন্দ উৎসৱৰ অৰসৰ, কন্যা-গৃহ ইয়াৰ কেন্দ্ৰ স্থল। কইনা ঘৰীয়া মহিলাই দৰাপক্ষৰ বাবে চাউলৰ লাৰু-পিঠা তৈয়াৰ কৰে, অঙহী-বঙহী আৰু ওচৰ-চুবুৰীয়াই বিয়াত লাগি-ভাগি দিয়ে; নিকাহৰ আগদিনা সন্ধ্যা গোটেইখন উথপ্‌থপ্ হৈ পৰে, ওৰেটো ৰাতি পিঠা-পনা ভজা কামৰ লেঠাৰি নিছিগে, বিয়া নামো চলি থাকে। বহু শতিকা যোৰা প্ৰচলিত লোক-গীত সুৰীয়া এনে বিয়া নাম বৰ মধুৰ ঃ

চৰায়ে তুলিলে ছয় অৰা পোৰালি
গছৰ ডাল শুৱনি কৰে,
আয়ে তুলিলে গাভৰু ছোৱালী
আনৰ ঘৰ শুৱনি কৰে।

কিছুমান গীতত বেদনাৰ ভাব পোৱা যায়। যেনেকৈঃ

হাতত পাণ-বটালৈ
মাৰাক মাতা গৈ,
মা, মোৰ মৰমৰ
যাবলৈ ওলালোঁ,
যাবৰে সময়ত
মাতহে লগালোঁ।

আন এটি বিয়া নাম ঃ

ফুল আছে ফুলি
কদম আছে হালি,
কিয় আইদেউ চিন্তা কৰা
দৰা বেয়া বুলি ।

আৰু আন এটা বিয়াৰ গীত এনেধৰণৰঃ

কাম চৰাইৰ ৰঙা ঠোঁট
কপালতে সেন্দুৰ ফোঁট
ববাজান ঐ,
দূৰলৈ নিদিবা মোক।

উজনি অসমত প্ৰচলিত এনে গীত, হিন্দু-মুছলমান সমন্বিতে সমগ্ৰ অসমীয়া সমাজৰ উমৈহতীয়াকৈ সম্পত্তি। মুছলমান বিয়াৰো বিয়া নাম গোৱা প্ৰথা সেয়েহে অসমীয়াৰ বাপতিসাহোনেই বুলিব পাৰি। গীতৰ বিষয়বস্তু, কথা আৰু সুৰ ঠাই বিশেষে ভিন ভিন, কিন্তু আটাইবোৰতে থলুৱা লোক-ভিত্তি বিদ্যমান, ধৰ্মৰ কথা ইয়াত বিশেষ নাই, আনকি আওপকীয়াকৈ হ'লেও; উজনিৰ দৰে নামনিতো বিয়া নাম মুছলমানৰ অতি আপোন । লোক-গীতৰ সুৰ-লয় সমন্বিত, উজনি অসমৰ দৰেই মহিলা-সৰ্ব্বস্ব যদিও নামনি অসমৰ গোৱালপাৰাত প্ৰচলিত বিয়া-গীতৰ কথা আৰু সুৰ অলপ সুকীয়া ধৰণৰ। তাৰে এটি এনে ধৰণৰঃ

এত ভায়া আজি
মাজে আজি মাজ,
বিয়াৰ মাজে আজি বিয়াৰ মাজ।
গুলজাৰেৰ আজি মাজ,
বাবাজী গেছিলাম।
মাজে মাজ ৰূপ কৰিব মাজ।
দয়াল বিনে চলো না ৰেলগাড়ী,
দয়াল বুগদা দিলান বিনে
চলো না ৰেলগাড়ী।
নামাজ, ৰোজা ইমান ধন,
চলতে যাইব মালগাড়ী,
আগে যাইতা ইয়াল গাড়ী,
পিছে যাইতে মাল গাড়ী।
দয়াল বুগদা দিলান বিনে,
চলো না ৰেল গাড়ী।

নামনি অসমৰ বিভিন্ন ঠাইত ভিন্ন ধৰণেৰে বিয়া নাম গোৱা দেখিবলৈ পোৱা যায়। এই গীতবিলাক কেৱল কইনাৰ ঘৰৰ ৰভা তলত মহিলাইহে গায়। কোনো কোনো ঠাইত মহিলাসকলে দৰা-ঘৰীয়াক নিকাহৰ পাছত খুৱাবলৈ বিবিধ আহাৰ প্ৰস্তুত কৰি নাচি-নাচি লগতে হাত চাপৰি বজাই বিয়া গীত গাই আনন্দ কৰে। আন কোনো কোনো ঠাই মহিলাসকলে নিকাহৰ আগ দিনা কইনা ঘৰৰ ৰভাতলিত ঢাৰি পাৰি আগত তামোল পানৰ বটালৈ বহি বিয়া নাম ধৰে। তেনে এটি গীত তলত দিয়া হৈছেঃ

চোতালৰ আগতে সৰগৰ পাত,
দেউতা বুলি মাতিবি কাক ?
ভায়েৰৰ সলনি দেওৰক পালি,
সদোৰৰ ভায়েৰক পাহৰি গ'লি ?
চোতালৰ আগতে সৰগৰ পাত
দাইটি বুলি মাতিবি কাক ?
ভনীয়েৰৰ সলনি ননদক পালি,
মৰমৰ ভনীয়েৰক পাহৰি গ'লি ?
চোতালৰ আগতে সৰগৰ পাত,
মা বুলি তই মাতিবি কাক ?

মাৰৰ সলনি শাহুক পালি,
মৰমৰ মাৰাক পাহৰি গ'লি।

বৰাকত গোৰা বিয়া নামৰ দুটি তলত দিয়া হৈছে; প্ৰথমটি কইনাক সজাই থাকোতে মহিলাসকলে গায় ঃ

ওগো প্ৰিয়তমা, ওগো প্ৰিয়তমা,
ভরা যৌৱন তোমার যেন শশীসমা
কেমনে সাজাবো তোমায় বলগো আমারে
তুমি বিনা সাজে ক'ত সুন্দর আমাৰ মন মাঝারে।

দুৰণি বটীয়া ঠাইলৈ বিয়া দিয়াৰ দুখত মহিলাসকলে গায়ঃ

রইয়া রইয়া কান্দে কইন্যা গো
চলে কোন অচিন নগর।
ওহে পতি অনেক দূরে
তোমাৰ শশুড়ের ঘর।

কইনা সজাই ৰভাৰ তলত বহুৱাই তেওঁলৈ অনা উপহাৰ সামগ্ৰী আগত লৈ সখীসকলে এইদৰে গীত গায় ঃ

কইন্যা সাজাইয়া রাইখাছি,
দান কর গো কইন্যার দাদী।
সামনে আসিয়া তোমার নাতিন,
কান্দন করইন প্রাণবান্ধর লাগিয়া।
কইন্যা সাজাইয়া বসাইয়া,
দান কর গো কইন্যার চাচী,
সামনে আসিয়া ভারিঝয়ে,
কান্দন করইন মাই-চাচীর লাগিয়া।
কইন্যা সাজাইয়া বসাইয়া,
দান কর গো কইন্যার মামা,
সামনে আসিয়া তোমার ভাগ্নি,
কান্দন করইন মামামার লাগিয়া।
কইন্যার ভাবি কই রইলায়, দান কর বারইয়া,
তোমার নন্দাই যাইতে বিদেশ,
নতুন সঙ্গী লইয়া।
কইন্যার বউনা কই রইছইন,
আন ডাক দিয়া,
শালী লইয়া যাইতা তাইন,
আইতা শান্তি দিয়া।

বিবাহ ব্যৱস্থাপনাৰ বিভিন্ন পৰ্য্যায়ো বৰাকৰ মুছলমান আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ মুছলমানৰ বিশেষ ভিন্ন নহয়। নিকাহৰ দিনাখন কইনাঘৰত দৰাপক্ষৰ আদৰণি, নিকাহ্‌ সম্পাদনা আৰু পাছৰ দোৱা-খোতবা, বিয়াৰ ভোজ, কইনাৰ লগত দিয়া উপহাৰ আদিৰ আয়োজন প্ৰায় একেই।

## মৃত্যু সংক্ৰান্তীয় নীতি-নিয়ম

জীৱনকাল দীঘলীয়াই হওক বা চুটিয়েই হওক মৃত্যু যেন এক যাত্ৰাৰ পৰিসমাপ্তি। মুছলমান পৰিয়াল এটিত মৃতকৰ বাবে কৰিবলগীয়া খিনি ইছলামীয় নীতি-নিয়মেৰে পালন কৰা হয়। মৃত্যুৰ লগে-লগে স্থানীয় মছজিদৰ জামাত (মছজিদ-ভিত্তিক সমাজ)ৰ ওপৰত মৃতকৰ অন্তোষ্টিক্ৰিয়াৰ কাম ন্যস্ত হয়। তদুপৰি, পৰিয়ালৰ লোকসকলৰ কৰণীয়ৰ বিষয়েও সমাজে দিহা-পৰামৰ্শ দিয়ে আৰু যাৱতীয় সহায় আগবঢ়ায়। প্ৰথম ধৰ্মীয় ক্ৰিয়া হৈছে, মৃতকৰ ঘৰত পবিত্ৰ কোৰাণ সম্পূৰ্ণকৈ আওঁৰোৱা; পুৰুষ-মহিলা উভয়েই ইয়াত অংশ গ্ৰহণ কৰে। ইফালে মুখীয়াল দুজনমানে সমূহীয়া কবৰস্থানত কবৰৰ ঠাই বাছি উলিয়ায়; সাধাৰণতে মৃতকৰ নিকটাত্মীয়সকলৰ কবৰৰ ওচৰতে ঠাই বিচৰা হয়। কবৰ কিদৰে খান্দিব লাগিব, দীঘ-পুতল-দ কিমান হ'ব এইবোৰ কথাত অভিজ্ঞ লোকে ভাগ লয়। পুৰুষ মৃতকক জামাতৰ পুৰুষ কেইজনমানে লগ হৈ গোচল (বিধিসিদ্ধ-স্নান) কৰোৱায়; মহিলাৰ ক্ষেত্ৰত কেৱল মহিলাইহে এই কাম কৰে। গাটো ধুওৱাৰ আৰু তাৰ পাছত কফন (মৃতদেহক পিন্ধোৱা বস্ত্ৰ) পৰিধান কৰোৱাৰ নিৰ্দ্দিষ্ট পদ্ধতি আছে। এইখিনি কৰা হৈ গ'লে সুগন্ধি আঁতৰ মুখমণ্ডলত ঘঁহা হয়। তাৰ পাছত চাঙীত তুলি সম্ভ্ৰম সহকাৰে মৃতকক সমাধিস্থ কৰিবলৈ মৌন সমদলেৰে শোকাৰ্ত পৰিবেশত কবৰস্থানলৈ লৈ যোৱা হয়। কবৰস্থানত পৰিয়ালে বাচি দিয়া ইমাম এজনে জানাজা (কবৰস্থিত কৰাৰ সমূহীয়া নামাজ) পঢ়োৱায়। যিমান সম্ভৱ সৰহ সংখ্যক লোকে ভাগ লোৱা এই নামাজত কিন্তু মহিলাই যোগদান নকৰে। জানাজাত উপস্থিত থাকি মৃতকৰ প্ৰতি শ্ৰদ্ধা জনোৱা অৱশ্যে পূণ্য কৰ্ত্তব্য ৰূপে পৰিগণিত। পৰিয়ালৰ এজনে মৃতকৰ বিষয়ে দুআষাৰমান কয়, আৰু তেওঁ যদি জীৱন-কালত কাৰোৱাক ক্ষুন্ন কৰিছিল সেইটো ক্ষমা কৰিবলৈ অনুৰোধ জনায় আৰু মৃতকৰ লগত কিবা দেনা-পাওনা থাকিলে পৰিয়ালবৰ্গক যোগাযোগ কৰিবলৈয়ো কোৱা হয়। ইছলাম ধৰ্ম মতে কাৰো ওচৰত ঋণী হৈ মৃত্যু বৰণ কৰা গৰ্হিত কাম তত্ৰাচ মৃতকৰ কোনো ধাৰ ৰৈ গ'লে, তাৰ পৰিশোধ তেওঁৰ পৰিয়ালৰ অপৰিহাৰ্য্য কৰ্ত্তব্য।





মৃতকৰ জানাজাত চামিল হোৱা দৃশ্য, সোঁফালে কবৰৰ চাৰিওফালে দিব লগীয়া বাঁহৰ জেওৰাৰ তৈয়াৰী

জানাজাৰ পাছত শৱ নমোৱা হয় কবৰলৈ; ওপৰত বাঁহৰ ঘন আৱৰণ দিয়া হয়, ভিতৰখন দেখাত বাকচ এটাৰ দৰে হয়গৈ। আজান ফকীৰে এটি সুন্দৰ অথচ তত্বগধূৰ জিকিৰত কৈছে ঃ

বাৰীৰে কাষতে
জাতিবাঁহ এজুপি
সিও মোৰ সোদৰৰ ভাই।
জীয়াই থাকো মানে
কৰো কাঠি-কামি,
মৰিলে লগত যায়।

জীৱ-জন্তুৱে কোনো হানি নকৰিবলৈ কবৰৰ চাৰিওফালে বাঁহৰ মজবুত জেওৰা এখনো দিয়া হয়।

অসমীয়া মুছলমান সকলে মৃতকৰ সদ্‌গতি আৰু চিৰশান্তি ভিক্ষা কৰি তিনিটা বিশেষ, শোক-পাৰ্বণ পালন কৰে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ অসমীয়া মুছলমানে 'তিনিদিনীয়া' পাতে; আত্মীয়-কুটুম, বন্ধু-বান্ধৱকে ধৰি জামাতৰ পুৰুষ সকল কবৰস্থানলৈ গৈ, মৃতকৰ সদ্‌গতি কামনাৰে আল্লাহক প্ৰাৰ্থনা কৰে। ইয়াক জিয়াৰত বোলে। সমবেত জিয়াৰতকাৰীসকলে তাৰ পাছত মৃত ব্যক্তিগৰাকীৰ ঘৰলৈ আহি, চমুকৈ কোৰান পাঠ আৰু মোনাজাত (প্ৰাৰ্থনা) কৰে। তেওঁলোকৰ বাবে গৃহস্থৰ লোকে সামান্য জলযোগৰ ব্যৱস্থাও কৰে, অৱশ্যে নিৰামিষ খাদ্য,ফল-মূল আদি আগবঢ়োৱা হয়। এইক্ষেত্ৰত বৈষ্ণৱ প্ৰথাৰ অসমীয়া হিন্দুসকলে সততে মনা তিলনীৰ সৈতে সাদৃশ্য বিশেষ মন কৰিবলগীয়া। মৃত্যুৰ সাত বা দহ দিন পাছত 'সাদিনীয়া' বা 'দহদিনীয়া' পালিত হয়; কোৰান পাঠ; মৌলুদ গোৱা (মৌলুদ সম্পৰ্কে পঞ্চম অধ্যায়ত আলোচনা হৈছে) আৰু ধৰ্ম আলোচনাৰ আয়োজন কৰা হয়। অঞ্চল বিশেষে কবৰ খন্দা ব্যক্তি কেইজন আৰু দুখীয়া নিচলাক নিমন্ত্ৰণ কৰি খুউৱাত অধিক জোৰ দিয়া হয়। এই কৰ্মটি বহুতেই সাঁজ লগাৰ পাছত পাতে। আলিমৰ (মুছলমান ধৰ্মীয় পণ্ডিত) ধৰ্মসম্পৰ্কীয় আৰু আনুষঙ্গিক ভাষণৰ ব্যৱস্থা কৰি, শেষত ৰাতিৰ আহাৰেৰে ইয়াৰ মোখনি মৰা হয়। এই প্ৰথা অসমীয়া হিন্দুৰ সকাম 'দহাৰ' সৈতে মিলে। এইখিনি কাম শোক-পালনৰ প্ৰাথমিক সমাপ্তি ৰূপে বিবেচিত। সদৌশেষত মৃত্যুৰ পাছত ৪০ দিন অতিবাহিত হ'লে, ছালিছা ('ছল্লিশ-দিনীয়া') পালন কৰা হয়। এই নিয়ম 'দহদিনীয়াৰ' লেখীয়াই। ছালিছাত ইছলামীয় ধৰ্ম প্ৰভাৱ লক্ষণীয় ঃ সমূহীয়া জিয়াৰতৰ উপৰিও, মৃতকৰ পৰিয়ালৰ লোক আৰু বিজ্ঞজনে মিলি ধৰ্ম-আলোচনা, কোৰান পাঠ কৰে, আৰু ভক্তিমূলক গজল, জিকিৰ, নাটে-নবী আৰু মৌলুদ আদি পৰিবেশনো কৰে। সমগ্ৰ দক্ষিণ এছিয়াতে এই পাৰ্বণৰ জৰিয়তে, পালিবলগীয়া শোক-কালৰ অন্ত পেলোৱা হয়।

মন কৰিবলগীয়া যে ইছলামত তিনদিনীয়া বা দহদিনীয়াৰ কোনো বিধান নাই, আনকি দক্ষিণ এছিয়াৰ বাহিৰত ছালিছাৰ নিয়মো নাই। এই পৰিপ্ৰেক্ষিতত, নিঃসন্দেহে বুজিব পাৰি যে প্ৰথম দুই পাৰ্বণ পালন আৰু ফল-মূল সহ নিৰামিষ খাদ্য ব্যৱস্থা আদি, ব্ৰহ্মপুত্ৰ উপত্যকাৰ থলুৱা হিন্দু পৰম্পৰাৰেই প্ৰভাৱ; আনকি পাৰ্বণ দুবিধৰ নামৰো (তিলনী আৰু দহাৰ সৈতে) সামঞ্জস্য থিতাতেই চকুত পৰে। বৰাক উপত্যকাতো, আনকি মণিপুৰৰ ইম্ফল উপত্যকাতো মৃতকৰ বাবে একে ধৰণৰেই শোক-পালন কৰা হয়; ভাৰতৰ অন্যান্য অংশত এনে আচাৰ-নীতি দেখা নাযায়।

## ধৰ্মীয় উৎসৱ পাৰ্বণ

মুছলমান সকলৰ বাবে নিতৌ পাঁচ বাৰ নামাজ পঢ়া ফৰজ বা অৱশ্যকৰণীয়। ই ইছলামৰ মূল ভেটি স্বৰূপ ইয়াৰ উপৰিও আৰু কেতবোৰ কৰণীয় ক্ৰিয়া কলাপ হ'ল, আৰবী ৰমজান মাহত ৰোজা ৰখা, জাকাত-ফিতৰা (দুখীয়া নিচলাৰ বাবে সাহায্য) দান আৰু সামৰ্থ্যবানৰ ক্ষেত্ৰত হজ (মক্কালৈ তীৰ্থ) যাত্ৰা। তদুপৰি মুছলমানৰ কেইটামান ধৰ্মীয় আৰু সামাজিক উৎসৱো আছে যথা, দুই ঈদ - ঈদুল-ফিত্ৰ আৰু ঈদুজ্জোহা, চবে বৰাত, চবে কদৰ, ফাতেহা-ই-দোৱাজদহম বা ঈদে-মিলাদুন্নবী, আৰু মহৰমৰ আছুৰা।

ওপৰত উল্লেখ কৰা দুই ঈদ, (ঈদুল-ফিত্ৰ আৰু ঈদুজ্জোহা) পৃথিৱীৰ সকলো মুছলমানৰ বাবেই বিশেষ আয়োজনেৰে পালিত ডাঙৰ উৎসৱ। অসমৰ মুছলমানেও অন্যান্য প্ৰান্তৰ ইছলাম ধৰ্মাৱলম্বী ভাতৃগণৰ দৰেই যথেষ্ট উৎসাহ-উদ্দীপনাৰে পালন কৰে এই দুই ঈদ। ৰমজানৰ এমহীয়া ৰোজাৰ শেষত কাচি জোনটো দেখাৰ লগে-লগে আনন্দময় পৰিবেশৰ সৃষ্টি হয়, ফটকা আদি ফুটাই সকলোকে জনোৱা হয়; আগৰ দিনত কোনো কোনো ঠাইত বন্দুকৰ গুলিৰ শব্দেৰেও জোন দেখাৰ জাননী দিয়া হৈছিল। অসমলৈ মুছলমানসকল প্ৰথম অহাৰে দিন ধৰি এই ঈদুল-ফিতৰৰ উদ্‌যাপনৰ লিখিত উল্লেখ পোৱা যায়। মোগল সম্ৰাট জাহাঙ্গীৰৰ সেনাপতি মিৰ্জা নাথনে, তেওঁৰ অসম-আক্ৰমণ কালত লিখি থৈ গৈছিল ঃ

> দিনটোৰ শেষত, চাকিগছ জ্বলাবৰ পৰত, যেতিয়া ন-জোন দেখা গৈছিল, ৰাজকীয় শিঙা-বাদ্য বাজি উঠিছিল, আৰু গোলন্দাজ বাহিনীৰ বন্দুক বোৰ অবিৰাম ফুটিছিল। পিছ-ৰাতিলৈ বন্দুকৰ শব্দ বন্ধ হৈছিল, আৰু তাৰ ঠাই লৈছিল বৰটোপৰ গৰ্জ্জন-ধ্বনিয়ে, যেন এক ভূমিকম্পহে হৈছিল।[৪]



মাছখোৱাৰ ঈদগাহ ময়দানত ঈদুল ফিতৰৰ সমূহীয়া নামাজ

ন-জোন দেখাৰ পাছত, ছাৱাল মাহৰ প্ৰথম দিনটোত উদ্‌যাপিত হয়, ঈদুল-ফিত্ৰ। ঈদৰ দিনাখন, সকলো মুছলমানেই, যেয়ে যেনেকৈ পাৰে নতুন ধুনীয়া সাজ-পোছাক পৰিধান কৰে। মছজিদ নাইবা ঈদগাহত গোট খাই সমূহীয়া নামাজ পঢ়ে; সেই দিনাখন ইজনে সিজনক সাৰটি মৰম আৰু শুভেচ্ছাৰ আদান-প্ৰদান কৰে। দুখীয়ালৈ নামাজৰ আগতেই ফিত্ৰা যাচে। প্ৰতি ঘৰেই সাধ্যানুযায়ী পৰিয়ালৰ লোক আৰু আলহীৰ বাবে সুস্বাদু আহাৰৰ ব্যৱস্থা কৰে; বন্ধু-বান্ধৱ, অঙহী-বঙহীয়ে, ইজনে সিজনৰ ঘৰত এখন্তেক হলেও দেখা দি মঙ্গল কামনা কৰে, আৰু দিনটো একেলগে আনন্দ স্ফূৰ্তিৰে কটোৱাৰ প্ৰয়াস পায়।

মন কৰিবলগীয়া কথা এই যে বুজন সংখ্যক মুছলমান লোকৰ বসতি থকা ঠাইত, গাৱেঁই হওক বা চহৰেই হওক, ঈদৰ বিশেষ নামাজৰ বাবে ঈদগাহ ময়দান দেখিবলৈ পোৱা যায়।

**ঈদুজ্জোহা** পালিত হয় আৰবী জিলহজ মাহৰ দশম দিনাখন— ইয়াতো একেই উচ্ছাস-আয়োজন সম্ভাৰেৰে উদ্‌যাপন হয়। পয়গম্বৰ ইব্ৰাহীম (আঃ), শিশু পুত্ৰ ইছমাইলক খোদাৰ নিৰ্দ্দেশ ক্ৰমে উৎসৰ্গা কৰিবলৈ প্ৰস্তুত হোৱাৰ ঘটনা স্মৰণ কৰি, ত্যাগৰ উৎসৱ ৰূপে এই ঈদ উদ্‌যাপিত হয়। ঈদগাহ নাইবা

মছজিদত আনটো ঈদৰ দৰেই নামাজ পঢ়া হয়, আৰু যাৰ বাবে সম্ভৱ, উট, গৰু, ম'হ, ভেড়া, ছাগলীৰ দৰে জন্তু কোৰবাণী (উৎসৰ্গা) কৰি, আত্মীয়-কুটুম্ব, বন্ধু-বান্ধৱ আৰু গৰীৱ-দুখীয়াৰ মাজত মাংস বিতৰণ কৰা হয়। আনহাতে, এয়াই হৈছে হজ-পালনৰো সময়; অৱস্থাপন্নজনে জীৱন কালত অন্ততঃ এবাৰ হজ আদায় কৰিবৰ বাবে মক্কা-মদিনালৈ যাত্ৰা কৰিব লাগে। প্ৰকৃতপক্ষে এই ঈদ হজ-কেন্দ্ৰিক।

পয়গম্বৰ মহম্মদ (দঃ) ৰ জন্মদিন হিচাপে **ফাতেহা-দোহাজ-দহম,** ৰবিউল-আওৱাল চান্দ্ৰ-মাহৰ বাৰ তাৰিখে উদ্‌যাপন কৰা হয়; সমগ্ৰ বিশ্বতে ইয়াক মুছলমান সকলে ঈদে-মিলাদুন্নবী হিচাপে পালন কৰে। অন্যান্য প্ৰান্তৰ লগতে অসমতো যথাযোগ্য মৰ্য্যাদা আৰু সম্ভ্ৰম-শ্ৰদ্ধাৰে পালন কৰা হয় এই উৎসৱ। নবীজনাৰ জীৱন আৰু চিন্তা-দৰ্শনৰ ওপৰত আলোকপাত কৰি বিভিন্ন আলোচনা সভা আদিৰ আয়োজন কৰা হয়; নাটে-নবী, মৌলুদ আদি গোৱা হয়, সমূহীয়া ভোজৰ ব্যৱস্থা কৰা হয়, আনকি অকনিহঁতৰ মাজত ৰচনা, গজল, জিকিৰ, পবিত্ৰ কোৰান পাঠ ইত্যাদৰ প্ৰতিযোগিতা পতা হয়। পিছে আজিকালি কিছুমান লোকে ৱাহাবী ভাৱধাৰাৰ[৫] প্ৰভাৱত পৰি, এই উদ্‌যাপনৰ পৰা মানুহক বিৰত ৰাখিবলৈ চেষ্টা কৰে, এই যুক্তিত যে সেই তেতিয়াৰ দিনত এই উৎসৱ পালিত নহৈছিল, ই পাছৰ সময়ছোৱাত হোৱা সংযোজনহে। মৌলুদ পৰিৱেশন আৰু অন্যান্য পৰিৱেশনো, পাৰিলে এওঁলোকে বন্ধ কৰিব খোজে। সি যি কি নহওক, সংখ্যা গৰিষ্ঠ মুছলমানেই এই উৎসৱ পালন কৰাত যথেষ্ট আগ্ৰহী, কিয়নো ই ৰছুল (দঃ) ৰ প্ৰতি বিশেষ সন্মান প্ৰদৰ্শনৰো মাধ্যম।

**চবে বৰাত** (সৌভাগ্যৰ নিশা) মুছলমানৰ আন এক গুৰুত্বপূৰ্ণ উৎসৱ । আৰবী চান্দ্ৰমাহ চাবানৰ ১৫ তাৰিখৰ এই তিথি, ৰাতি পালন কৰা হয়। সেইদিনা মুছলমান পুৰুষসকল মগৰিব (সন্ধ্যা)ৰ পাছত কবৰস্থানলৈ গৈ মৃতকৰ বাবে প্ৰাৰ্থনা জনায়। ঘৰৰ মহিলাসকল হালোৱা আৰু ৰুটি প্ৰস্তুতিত ব্যস্ত হৈ পৰে । ইঘৰে-সিঘৰে, বন্ধু-ইষ্ট-কুটুম্বৰ মাজত এনে খাদ্য সামগ্ৰীৰ আদান-প্ৰদান হয়। স্ত্ৰী-পুৰুষ নিৰ্ব্বিশেষে সকলো মুছলমানেই বিশেষ নামাজ পঢ়ে আৰু কোৰান তিলাৱৎ (পাঠ) কৰে; কোনো কোনোৱে গোটেই নিশাটোৱেই দোৱা-দৰুদ আৰু নামাজ পঢ়ি কটায়। মুছলমান বিশ্বাসমতে, এইটো ৰাতিতেই খোদাই বছৰটোৰ বাবে একোজন মানুহৰ ভাগ্য নিৰূপণ কৰে, আৰু লগতে জীৱিকাৰ সংস্থানো কৰে ; সেয়েহে সকলোৱেই সেইদিনা সৌভাগ্য কামনা কৰি আল্লাহৰ ওচৰত প্ৰাৰ্থনা জনাবলৈ হেলা নকৰে।

**মহৰম মাহৰ** বিষাদ অনুষ্ঠান **আছুৰা** মুছলমানৰ আৰু এক মহত্বপূৰ্ণ পাৰ্বণ। বিশেষকৈ ছিয়া সম্প্ৰদায়ৰ লোক সকলৰ বাবে ই অতীব তাৎপৰ্য্যপূৰ্ণ। চান্দ্ৰ-মাহ মহৰমৰ দশম দিনা আছুৰা পালন কৰা হয় । এই তিথিত পয়গম্বৰ মহম্মদ (দঃ)ৰ নাতি ইমাম হুছেইনৰ (ৰাঃ)শ্বহীদ হোৱা ঘটনা স্মৰণ কৰা হয়। ই দুখৰ দিন আৰু


মহৰমৰ ১০ তাৰিখে পালন কৰা তাজিয়াৰ দৃশ্য

মুছলমান সকলে সেয়েহে নামাজ পঢ়ি, ৰোজা ৰাখি মহৰমৰ ১০ তাৰিখে ইয়াক পালন কৰে; ছিয়াসকলে তাজিয়া শোভাযাত্ৰাত অধিক গুৰুত্ব দিয়ে। ৬৮০ খ্ৰীষ্টাব্দৰ কাৰবালা যুদ্ধত কৰুণ মৃত্যু বৰণ কৰা ইমাম

হুছেইনৰ কথাকে সুঁৱৰি বুকুত হাত চপৰিয়াই 'হায় হুছেইন-হায় হাছান' আৰ্তনাদেৰে, তেওঁলোকে গভীৰ শোক প্ৰকাশ কৰে। বহুতো ডেকাই যুদ্ধং দেহি ভাৱেৰে কৰঙনত চপৰিয়াই লাঠি-দাণ্ডা খেলি, তৰোৱাল ঘূৰাই, নাচি-নাচি বাহুবল প্ৰদৰ্শন কৰে। চুন্নি সকলে নামাজ ৰোজাৰে দিনটো পালন কৰা দেখা যায় আৰু তেওঁলোকে তাজিয়াত ভাগ নলয়। অসমত অৱশ্যে ছিয়ালোক তেনেই তাকৰ। অসমীয়া ছিয়া নায়েই; প্ৰায় ভাগ ছিয়াই বিগত শতিকাত উত্তৰ ভাৰতৰ পৰা অহা লোকৰ বংশধৰ।

## ভাষা, খাদ্যাভ্যাস আৰু সাজ-পাৰ

ব্ৰহ্মপুত্ৰ আৰু বৰাক দুয়োটা উপত্যকাৰে মুছলমান সকলে নিজ-নিজ থলুৱা ভাষাই ব্যৱহাৰ কৰে, আৰু সেই ভাষাকেই মাতৃভাষা ৰূপে বুকুৰ আপোন বুলি আকোৱালি লয়। ব্ৰহ্মপুত্ৰ উপত্যকাৰ মুছলমানৰ মাতৃভাষা অসমীয়া। সেই অতীজতে, তেওঁলোকৰ উপৰিপুৰুষ প্ৰথম আহি ইয়াত থিতাপি লোৱাৰে পৰা, পোনতে সামৰিক অভিযান আৰু আক্ৰমণত অহা তাৰ পাছত যুদ্ধ বন্দী হিচাপে বৈ অৱশেষত স্থায়ী বাসিন্দা হিচাপে সংস্থাপিত হোৱাৰ পৰা, এই ভাষাৰেই কথা বতৰা পাতি আহিছে। ধৰ্মান্তৰিত হোৱা সকলৰ ক্ষেত্ৰত কথাটো তেনেই ফট্‌ফটীয়া; তেওঁলোকে ধৰ্মটোহে সলালে, ভাষা একেই থাকিল।[৬] দেশৰ অন্যান্য অংশৰ পৰা অহা প্ৰব্ৰজনকাৰীয়েও এই ভাষাকেই সাৱটি ল'লে। কোৱা বাহুল্য, ল'ৰা-ছোৱালীয়ে মাকৰ ভাষাকেই মাতৃ-ভাষা ৰূপে লয়। তেতিয়াৰ বহিৰাগত মুছলমান সকলে লগত তিৰোতা মানুহ অনা নাছিল বাবে ইয়াতেই বিয়া বাৰু কৰাইছিল; সেই সূত্ৰেই স্থানীয় জীৱন-ধাৰা আৰু ভাষাৰ মাধ্যমতেই তেওঁলোকৰ সতি-সন্ততি ডাঙৰ-দীঘল হ'ল। বৰাক উপত্যকাৰ বেলিকাও একেই ঘটনা; তাত পূৰ্ব-বঙ্গৰ পৰা হোৱা প্ৰব্ৰজন আৰু সমসাময়িক ধৰ্মান্তৰকৰণৰ যোগেদি মুছলমান সমাজ এখন গঢ় লৈ উঠিছিল। গতিকে আচৰিত হ'বলগীয়া নহয় যে, ভাষাৰ ভিত্তিত ব্ৰহ্মপুত্ৰ উপত্যকাত কোনজন অসমীয়া, আৰু বৰাক উপত্যকাত কোনজন বাংলাভাষী মুছলমান ধৰিব নোৱাৰি।[৭] সেয়েহে অসমত নিজ-নিজ বৃহত্তৰ খিলঞ্জীয়া সমাজখনত মুছলমানসকল অন্তৰ্ভুক্ত হোৱাত সহজ হৈ পৰিছিল; থলুৱা ভাষাই আৰু গোষ্ঠীয় পৰিচিতিয়ে ধৰ্ম-পৰিচয় ঢাকি পেলাইছিল। থলুৱা সমাজ-জীৱনৰ সতে একাত্মতাৰ প্ৰামাণ্য চিন ভাষাৰ উপৰিও, সমন্বয়-সংস্কৃতিৰ আৰু কেতবোৰ দিশো আছে; তাৰে কিছু আলোচনা তলত কৰা হৈছে।

আন যি কোনো সম্প্ৰদায়ৰ দৰেই, মুছলমান সকলৰো প্ৰিয় খাদ্য কেতবোৰ আছে। আমাৰ মুছলমানৰ প্ৰধান খাদ্য ভাত হোৱা বাবে, চাউলৰ পৰা বিভিন্ন জলপান তৈয়াৰ কৰাৰ পদ্ধতি ভালদৰে জ্ঞাত; ঈদ, বিয়া, আকিকা আদি উদ্‌যাপনত আৰু দৈনন্দিন ব্যৱহৃত আমিষ আহাৰৰ বেলিকা তেওঁলোকে হালাল (বৈধ) খাদ্যৰ ওপৰত জোৰ দিয়ে। বিশ্বৰ সকলো মুছলমানৰ বাবেই খাদ্য দুই ধৰণৰ ঃ হালাল আৰু হাৰাম (অবৈধ)। নিষিদ্ধ খাদ্যৰ ভিতৰত পৰে, গাহৰি, কাউৰী, কুকুৰ, চিলনী, শগুণ-ঈগল আদিৰ দৰে চিকাৰজীৱী আৰু গেলা-পচা খাদ্য ভক্ষণকাৰী জীৱ-জন্তু। অৱশ্যে মাছৰ ক্ষেত্ৰত কোনো বাধা-নিষেধ নাই। ব্ৰহ্মপুত্ৰ উপত্যকাত থলুৱা খাদ্যাভ্যাসৰ লগত ৰজিতা খুৱাই, আনৰ দৰে মুছলমানেও শাক-পাতৰ বিবিধ নিৰামিষ সাজ যেনে - খাৰ, টেঙা, কাহুদি, খাৰলি, খৰিছা আদি প্ৰস্তুত কৰে আৰু বৰ তৃপ্তিৰে খায়। বৰাকৰ মুছলমানৰ ক্ষেত্ৰতো থলুৱা খাদ্য গ্ৰহণৰ প্ৰভাৱ পৰিলক্ষিত হয়। এইদৰে খাদ্যৰ ভিত্তিত মুছলমানসকলক অন্যান্যৰ পৰা পৃথক বুলি গণ্য কৰিব নোৱাৰি যদিও, এওঁলোক বিশেষ সুস্বাদু কেতবোৰ ব্যঞ্জন প্ৰস্তুতিত পাকৈত বুলি খ্যাত;

এইবোৰৰ ভিতৰত পোলাও, বিৰিয়ানী, কোফতা, কাবাব আদি মাংসৰ বিভিন্ন প্ৰকৰণ আদি প্ৰধান। আজিকালি অন্যান্য সম্প্ৰদায়ৰ মানুহেও এইবোৰ ৰান্ধিবলৈ লৈছে, এয়া মুছলমানৰ পৰিপূৰক প্ৰভাৱৰ ফল বুলিব পাৰি।

অসমীয়া মুছলমানৰ থলুৱা হৈ পৰা ইছলামীয় ঐতিহ্যৰ বিশেষ স্বাক্ষৰ বহন কৰে সাজ-পোছাকে। পিন্ধনৰ পৰা মুছলমান মহিলাক হিন্দু এগৰাকীৰ পৰা বেলেগ বুলি বুজিব নোৱাৰি; এওঁলোকেও খাচ অসমীয়া সাজ-পাৰ, মেখেলা-চাদৰেই পৰিধান কৰে। কেৱল গাত পিন্ধা চোলা (ব্লাউজ) ভালকৈ মন কৰিলে সামান্য





কিংখাপ মেখেলা-চাদৰ পৰিধান কৰা অসমীয়া মুছলমান মহিলা, সোঁফালে বোৰ্খা পৰিহিতা বৰাকৰ মহিলা

বেলেগ যেন দেখা যায়; মুছলমান মহিলাই আবুৰ হওক বুলি দীঘল হাতৰ চোলাবিধ পিন্ধে। বয়সস্থ মহিলাই গাৰ ওপৰৰ অংশ মূৰেৰে সৈতে ঢাক খোৱাকৈ ৰিহা-মেখেলা-চাদৰৰ তিনিখনীয়া কাপোৰ সাজ পিন্ধে। চাদৰখন পিন্ধোতে মাটিত নালাগে কাৰণে পৰিষ্কাৰ হৈয়েই থাকে বাবে মূৰ ঢাকিবলৈ ব্যৱহাৰ কৰিব পাৰি।

অসমীয়া মহিলাই বিয়া-বাৰু আদিৰ দৰে উৎসৱ উদ্‌যাপনত পাট-কিংখাপ সাজ পিন্ধিবলৈ ভাল পায়। (ওপৰৰ এখন ছবিত কিংখাপ সাজ-পৰিহিতা এগৰাকী মুছলমান মহিলা দেখা গৈছে।) এই সাজ বিশেষ মৰ্য্যাদাৰ বুলি গণ্য, ইয়াৰ বাছকবনীয়া গুণা (সোণালী সূতা) কামৰ বাবে। চিত্ৰত দেখা থিতাতে চকুত পৰা আৰ্হিৰ কেতবোৰ বিশেষত্ব আন ঠাইত দৃষ্টিগোচৰ নহয়। এই কথাও উল্লেখযোগ্য যে আহোম ৰজাই অনোৱা মুছলমান তাঁতী আৰু গুণাকটীয়াই এই সুন্দৰ বস্ত্ৰৰ ঐতিহ্যৰ সৃষ্টি কৰিছিল; ই এতিয়াও অসমৰ কোনো কোনো ঠাইত সক্ৰিয়ভাৱে প্ৰচলিত।

মুছলমান মহিলাই সচৰাচৰৰ মূৰ ঢাকি লয়, কিয়নো ইছলামীয় ৰীতি অনুযায়ী আবুৰসহ শালীন ভাৱে পোছাক পৰিধান কৰা নিতান্তই বাঞ্চনীয়। গাওঁ অঞ্চলত বয়সীয়া মহিলা সকলে এই তিনিখনীয়া সাজ সচৰাচৰ পৰিধান কৰে, পিছে চহৰীয়া মহিলাই বিয়া, আকিকা, জন্মদিন আদি বিশেষ উদ্‌যাপনতহে এই পোছাক পিন্ধে।

অসমীয়া মহিলাৰ তিনিখনীয়া সাজ-পাৰৰ এক বিশেষ অংশ ৰিহা, যিখনৰ আদৰ অতি বেছি। প্ৰায়সকল বয়োজ্যেষ্ঠ অসমীয়া মুছলমান মহিলাই ৰিহা পিন্ধে; আবুৰেৰে মূৰ ঢাকি নামাজ পঢ়িবলৈ এই সাজ অৱশ্যেই সুবিধাজনক। সাধাৰণতে, মুছলমান মহিলাসকলে ঘৰৰ বাহিৰলৈ ওলালে মূৰত চাদৰখন লৈ ওলোৱা

দেখা যায়। বৰাক উপত্যকাত বোৰ্খা পৰিহিতা মহিলা প্ৰায়ে দেখিবলৈ পোৱা যায়, ব্ৰহ্মপুত্ৰ উপত্যকাত অসমীয়া মুছলমানৰ মাজত পিছে বোৰ্খাৰ প্ৰচলন প্ৰায় নায়েই বুলিব পাৰি।

আগৰ দিনত চহৰীয়া সম্ভ্ৰান্ত মহিলাই নিৰাপত্তা আৰু সন্মান-সম্ভ্ৰমৰ বাবে বোৰ্খা পিন্ধিছিল; কিন্তু গাঁৱলীয়া তিৰোতাই খেতি পথাৰতো কাম কৰিব লাগে কাৰণে এনে পোছাক নিপিন্ধে। ব্যৱহাৰিক অসুবিধাৰ উপৰিও দাম বেছি কাৰণে বহুতে কিনিবও নোৱাৰে। কিছুদিন আগলৈকে মুছলমান পুৰুষেও, মূলতঃ থলুৱা পোছাক ধূতি পিন্ধিছিল; আজিকালি অৱশ্যে অসমীয়া হিন্দুৱেও ধূতি এৰিছেই । ইয়াত সাজপাৰত মুছলমানক অমুছলমানৰ পৰা বেলেগ বুলি ধৰিব নোৱাৰি। নামাজ পঢ়াৰ সময়ত তেওঁলোকে ধূতিখনৰ আগটো (পোন্ধটো) খহাই লয়, তেতিয়া এইখন লুঙিৰ নিচিনা হৈ ভৰিৰ সৰু গাঁঠিলৈকে শৰীৰৰ তলছোৱা ঢাক খাই পৰে।

বৰাক উপত্যকাতো মুছলমান এজনক টুপীটো নেথাকিলে বঙালী হিন্দু এজনৰ পৰা, পোছাক পিন্ধাৰ ধৰণত বেলেগ যেন নালাগে। মহিলাৰ ক্ষেত্ৰতো একেই কথা; উভয় সম্প্ৰদায়েই একেই সাজ শাৰী বঙালীৰ জাতীয় পোছাক পিন্ধে। বয়সস্থ মহিলাইহে দীঘল হাতৰ চোলা পিন্ধে আৰু মূৰটো শাৰীৰ আচলেৰে ঢাকি লয়।

দক্ষিণ ভাৰতৰ হায়দৰাবাদ আদি ঠাইত মুছলমান মহিলাই সচৰাচৰ বোৰখা পিন্ধা দেখা যায়; চকুৰ বাহিৰে শৰীৰৰ বাকী অংশ ঢাকি লোৱাৰ এই প্ৰথা অসমীয়া মুছলমানৰ মাজত বৰ বিৰল। অভিবাসী মুছলমানৰ, ব্ৰিটিছৰ দিনত আৰু পাছত অহা মধ্যবিত্ত পৰিয়ালৰ, কিছু মহিলাই বাহিৰলৈ ওলাওঁতে বোৰখা পিন্ধা দেখা যায়। পিছে, দুখীয়া আৰু আনহাতে ধনী শ্ৰেণীৰ মহিলাই এই সাজ নিপিন্ধে। দুখীয়া তিৰোতাই হাতেৰে কাম-বন কৰি জীৱিকা মোকলাব লাগে গুণে এই পোছাক পিন্ধিলে যথেষ্ট অসুবিধা হয়; আকৌ ধনী মহিলা আধুনিক সাজ-পোছাকহে পৰিধান কৰাত আগ্ৰহী আৰু সৰুৰে পৰাই অভ্যস্ত। উল্লেখনীয় যে মুছলমান মহিলাই সাধাৰণতে ইছলামীয় পৰম্পৰা মানি সথাসম্ভৱ শালীনতা ৰক্ষা কৰি পোছাক পিন্ধাহেপছন্দ কৰে, আৰু আনেও তেনে কৰাকে বিচাৰে।

## ঘৰুৱা শিল্প-উদ্যোগ আৰু কলা-কৃষ্টি

### *বয়ন ঐতিহ্য*

বয়ন কলাৰ বাবে অসমকে ধৰি সমগ্ৰ উত্তৰ-পূব ভাৰত বিখ্যাত। ঘাইকৈ অঞ্চলটোৰ মহিলা সকলেই জীৱন্ত ৰূপত ৰখা এই কলাই পৰিয়ালৰ পিন্ধা কাপোৰৰ পৰা আৰম্ভ কৰি প্ৰয়োজনীয় আন সকলো বস্ত্ৰৰ চাহিদা পূৰণ কৰাৰ লগতে বৰ্ত্তমানে এই উদ্যোগে কোনো কোনো ঠাইত ব্যৱসায়িক ভিত্তিতো আত্মপ্ৰকাশ কৰিছে। উদাহৰণস্বৰূপে শুৱালকুছি পাট-নগৰী খনলৈ আঙুলিয়াব পাৰি; কোকৰাঝাৰ জিলাতো অলপ দিনৰ পৰা বস্ত্ৰশিল্পৰ এনে বাণিজ্যকৰণ প্ৰক্ৰিয়া চকুত পৰা হৈছেগৈ।

এনে উদ্যোগৰ বাণিজ্যিক দিশ আৰম্ভ হোৱা সত্বেও এতিয়াও বিশেষকৈ গাঁও অঞ্চলত মহিলাই অব্যৱসায়িক ৰূপতেই বয়নৰ ঐতিহ্য বজাই ৰাখি নিজ-নিজ পৰিয়ালৰ চাহিদা পূৰণ কৰিছে। মুছলমান মহিলাও এই ক্ষেত্ৰত কোনো গুণেই পিছপৰা নহয়। মুছলমান বোৱাৰীসকলৰ এই ঐতিহ্য পঞ্চদশ শতিকাত স্বৰ্গদেউ চুহুংমুঙৰ ৰাজত্ব কালত অসমৰ বাহিৰৰ পৰা মুছলমান তাঁতী আৰু জৰী-বুটি কাৰিকৰ, ৰজাৰ পোছাক-পৰিচ্ছদ তৈয়াৰ কৰিবলৈ অনোৱা দিনৰে পৰা আৰম্ভ হৈছিল। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনতো আৰু তাৰ পাছতো ব্যাপক

হাৰত এনে পৃষ্ঠপোষকতা-জনিত প্ৰব্ৰজন ঘটিছিল। স্বৰ্গদেৱে বস্ত্ৰশিল্পৰ বাবে অনা জোলহা নামে খ্যাত এনে লোক বোৱা-কটাত কৌশলী আৰু নিপুণ আছিল। জোলহাসকলৰ মাজত প্ৰথমে এই কামত কেৱল পুৰুষহে নিয়োজিত আছিল, পাছলৈহে তিৰোতাই ঘৰুৱা কানি-কাপোৰৰ প্ৰয়োজনতেই বয়নত হাত দিবলৈ লয়। মুছলমান মহিলাই, বিশেষকৈ গাওঁ অঞ্চলত, গামোচা, চেলেং, বিচনা-চাদৰকে আদি কৰি ৰিহা-মেখেলা-চাদৰ পৰ্য্যন্ত সকলো ধৰণৰ কাপোৰৰেই বোৱা কটাৰ কাম নিয়াৰিকৈ জানে। পিছে, বৰাক উপত্যকাৰ মুছলমান মহিলাই বোৱা কটাৰ কাম প্ৰায় নকৰেই।

### *কাঁহ-পিতলৰ কাম*

ব্ৰহ্মপুত্ৰ উপত্যকাৰ, এক মুছলমান কাৰিকৰ গোষ্ঠী, মৰীয়া সম্প্ৰদায় কাঁহ-পিতলৰ কুটীৰ শিল্প কৰ্মৰ বাবে বিখ্যাত। এওঁলোকৰ গুৰি স্বৰ্গদেউ চুহুংমুংৰ দিনত তুৰ্বকৰ অসম আক্ৰমণৰ (১৫৩২) দিনৰ । এই গোষ্ঠীৰ বিষয়ে বেলেগ অধ্যায়ত বিতংকৈ বৰ্ণোৱা হৈছে। তেওঁলোকৰ নেতৃত্বত অহা তুৰ্কী সেনাপতিজন প্ৰথমে কিছু কৃতকাৰ্য্য হৈছিল যদিও, শেষত আহোমৰ হাতত পৰাস্ত হয় আৰু মৃত্যু মুখত পৰে। পৰাজিত সৈন্যৰ অধিকাংশই আহোমৰ হাতত বন্দী হ'ল; ৰজাই এওঁলোকক সেই অঞ্চলত থিতাপি লাগিব দিয়ে। পাছলৈ এওঁলোকে কাঁহ-পিতলৰ কামত হাত দি, মৰীয়া সম্প্ৰদায় ৰূপে খ্যাত হ'ল। এই কলাকৃতি, বৰ্ত্তমানে ৰাজ্যখনৰ বিভিন্ন স্থানত বসবাস কৰা মৰীয়া সকলৰ বাপতি-সাহোন ৰূপে চলি আছে। আগেয়ে তেওঁলোকে কাঁহ-পিতলৰ দীঘলীয়া পাত তৈয়াৰ কৰি, তাৰে নিত্য ব্যৱহাৰ্য্য সাজ-বাচন, পাত্ৰ আদিৰ গঢ় দিছিল। পিছে আজিকালি, তাৰ সলনি এনে পাত দেশৰ আন অংশৰ পৰা আমদানি কৰে, আৰু দৰকাৰ অনুসৰি জোখত কাটি থলতে সজা শালত তপতাই প্ৰয়োজনীয় সামগ্ৰী তৈয়াৰ কৰা হয়; এই কামতে আন থলুৱা সাজ-সজুলীও ব্যৱহৃত হয়।

### *আগৰ উদ্যোগ*

গোলাঘাট জিলাৰ নাহৰণি আৰু নগাঁও জিলাৰ হোজাই, এই দুই ঠাইত মুছলমান সম্প্ৰদায়ৰ লোক আগৰ শিল্পৰ সৈতে জড়িত। এই উদ্যোগত যথেষ্ট সংখ্যক বনুৱাৰ প্ৰয়োজন হয় বাবে বহুতো মুছলমান লোকৰ বাবে ই জীৱিকা উপাৰ্জনৰ ভাল উপায় হৈছে। উদ্যোগত কাম কৰা শ্ৰমিকে দিনে হাজিৰা হিচাপে ৩৫০ টকা মানকৈ পায়; আন হাজিৰা কামৰ তুলনাত ই নিঃসন্দেহে বেছ লোভনীয়।

**থূলমূলকৈ এই উদ্যোগৰ ধাৰণা এটা তলত দিয়া হৈছে।**





বাওঁফালে আগৰৰ পৰা সুগন্ধি তেল (আতৰ) আহৰণ প্ৰক্ৰিয়াৰ ছবি

সোঁফালে আতৰৰ কেঁচা তেল, যিটো উচ্চ দামত আৰব দেশবিলাকলৈ ৰপ্তানি হয়

আগৰ এবিধ চিৰসেউজ গছ; তাৰে প্ৰায়বিলাকত এবিধ ভেকুৰে বাহ লয়; ই 'ব্যাধি'ৰ ৰূপত শিপায় যদিও ইয়াৰ ফলত এক সুগন্ধি তৈল-জাতীয় পদাৰ্থৰ সৃষ্টি হয়। এইদৰে সঞ্চিত হৈ পৰা তেলখিনি আহৰণ কৰিবলৈ গা-গছ অংশটো টুকুৰা-টুকুৰিকৈ কাটি, গছৰ সংক্ৰমিত কলা-বৰণীয়া অংশ উলিয়াই, এক জটিল সময়সাপেক্ষ প্ৰক্ৰিয়াৰে (পচন, উত্তাপন আৰু চেকন-পৰিশোধন জৰিয়তে) অৱশেষত তীব্ৰ আকৰ্ষণীয় গোন্ধে আমোল-মোলোৱা সুগন্ধি এবিধ পোৱা যায়। পূৰঠ গছ এজোপাত তৈলবাহী কেবাটাও তৰপ থাকে; কলা-বৰণীয়া তেল থকা এই তৰপবোৰ প্ৰথমে ডাঙৰ টুকুৰা হিচাপে কাটি, পাছত তেল থকা অংশ নষ্ট নোহোৱাকৈ ভিন ভিন জোখেৰে কাটি উলিউৱা হয়। এই কামত বিভিন্ন আকাৰ-আকৃতিৰ বটালি ব্যৱহাৰ কৰিব লাগে। উচ্চমানৰ তৈলবাহী টুকুৰাৰ চাহিদা বৰ বেছি বাবে কিলোগ্ৰামে প্ৰতি পাঁচহেজাৰ টকাৰ পৰা বিশ




আগৰৰ কাঠৰ পৰা সুগন্ধি অংশ কাটি উলিওৱাত ব্যস্ত কৰ্ম্মী, সোঁফালে বিদেশৰ বজাৰত বিক্ৰীৰ বাবে তৈয়াৰ হোৱা আগৰৰ সুগন্ধি কাঠৰ টুকুৰা

হাজাৰলৈকে দাম পোৱা যায়। তেল থকা অথচ নষ্ট নোহোৱাকৈ সহজে কাটি উলিয়াব নোৱৰা সৰু সৰু টুকুৰাবোৰ পানীৰ তলত এমাহমানলৈ গোঁৰাই ৰখা হয় (পচন প্ৰক্ৰিয়াৰ দৰে); পাছত তাক উতলাই অলাগতিয়াল অংশৰ পৰা চেকি সুগন্ধি তেল আহৰণ কৰিব পাৰি। বিশ্বাস কৰিবলৈ টান যে উচ্চ-গুণবিশিষ্ট কেচা-তেলৰ ১০ মিলিগ্ৰামৰ দাম দহ হেজাৰমান টকা; মুম্বাইলৈ পঠিওৱা এনে তেল আৰবলৈ ৰপ্তানি হয়গৈ। উজনি অসমৰ গোলাঘাট জিলাৰ নাহৰণি গাঁওখন আগৰ শিল্পৰ প্ৰথম ঘাটি আছিল। প্ৰসঙ্গক্ৰমে এইখন গাওঁ তিনিটা কাৰণত বিখ্যাত-স্বনামধন্য সাহিত্য-ৰত্ন চৈয়দ আব্দুল মালিকৰ ওপজা ঠাই, আজান ফকীৰ বিৰচিত জিকিৰৰ এক প্ৰাণকেন্দ্ৰ, আৰু অসমত আগৰ উদ্যোগৰ উৎপত্তি স্থল।

১৯০৫ চনত পূৰ্ব বঙ্গৰ পৰা আহি গাঁওখনত থাকিবলৈ লোৱা আতৰ আলি নামৰ লোকজনে নাহৰণিত আগৰ উদ্যোগৰ পাতনি মেলে। তেওঁৰ পুতেক আবু চয়িদে, দেউতাকৰ অনুষ্ঠুপীয়া ব্যৱসায় বহলায়, গাঁৱৰ ডেকাহঁতৰ সহযোগত । এই কামত কেবাটাও পৰ্য্যায় - প্ৰথমতে বাৰী বা হাবিৰ পৰা পৈণত আগৰ গছ বাছি উলিয়াই, শাল-ভাটিলৈ আনি দৰকাৰমতে জোখত কাটি বিভিন্ন দীঘলীয়া প্ৰক্ৰিয়াৰ সহায়ত সুগন্ধি তেল উলিয়াই শেষত বিক্ৰীৰ বাবে বজাৰলৈ পঠিওৱা হয়। এই কামত নিয়োগ পোৱা বনুৱাই দৈনিক চাৰে তিনিশ টকা হাজিৰা পায়। নাহৰণি আৰু হোজাইত এই উদ্যেগৰ লগত কেইবাশ পৰিয়াল জড়িত হৈ আছে। আমাৰ দেশত আগৰৰ দুখন বজাৰ আছে - হোজাই আৰু মুম্বাই। আৰবৰ বণিকে কেঁচা সুগন্ধি তেল

আৰু ভিভিন্ন ঠাচত কটা আগৰ কাঠৰ টুকুৰা মুম্বাইৰ পৰা কিনি লৈ যায়।

আগৰ উদ্যোগ অসমৰ মুছলমানৰ এক ঐতিহ্য স্বৰূপ হৈ পৰিছে। নাহৰণিতে যদিও সূত্ৰপাত বৰ্ত্তমান হোজাইৰ পৰাহে এই ব্যৱসায় ঘাইকৈ চলে। দূৰ দেশলৈকে ৰপ্তানিযোগ্য এই সামগ্ৰীবিধৰ ব্যৱসায় নিঃসন্দেহে যথেষ্ট লাভজনক। গন্ধযুক্ত কেঁচা তেলখিনি আৰু নিষ্কাসিত কৰি কেবাবিধো উন্নত মানৰ দামী সামগ্ৰী প্ৰস্তুত কৰাটো সম্ভৱ হেতু আগৰ শিল্পৰ ভৱিষ্যৎ উজ্জ্বল, ইয়াত জড়িত নিম্ন আৰু মধ্যম শ্ৰেণীৰ উদ্যোগী সকল যথেষ্ট লাভবান হয়। নাহৰণি আৰু হোজাইৰ সাধাৰণ মানুহখিনিকে ধৰি অসমৰ মুছলমানে আগৰ ব্যৱসায় খোদাৰ দান বুলি বিবেচনা কৰে; তদুপৰি ইছলামীয় ঐতিহ্য জ্ঞান কৰি, এই শিল্প উদ্যোগৰ ভৱিষ্যৎ উত্তৰণৰ প্ৰতিও এওঁলোকে আগ্ৰহশীল।*

## টোকা আৰু প্ৰসঙ্গপুথি

১. ShehabuddinTalesh, *Tarikh-e-Asham*, translated by Mazhar Asif (Guwahati: DHAS, 2009) p. 60

ShehabuddinTalesh, *Tarikh-e-Asham*, translated by Mazhar Asif (Guwahati: DHAS, 2009) p. 60

২. এই বিষয়ে বিস্তৃত বিৱৰণ আৰু ব্যাখ্যাৰ বাবে চাওক, John L. Esposito (ed), *Oxford History of Islam* (New York: Oxford University Press, 1999)

৩. আগৰ দিনত এই চৰ্মছেদৰ কৰ্মটি উজনিত উত্তৰ ভাৰতৰ মুছলমান হাজামে কৰিছিল আৰু নামনি অসমত এই কামত পটু একোজন স্থানীয় লোকে কৰিছিল। দৰং অঞ্চলত এনে পাকৈত লোকজনক 'বদিয়া' বোলা হৈছিল।

৪. মিৰ্জা নাথন, *বাহাৰিস্তান-ই-গায়বী*, ড° এম আই বড়াৰ দ্বাৰা ফাৰ্চী ভাষাৰ পৰা ইংৰাজী ভাষালৈ অনুদিত আৰু তাৰ পৰা চৈয়দ ফাতেহুল মান্নান প্ৰমুখ্যে অসমীয়ালৈ আনুদিত ( বোকাখাত, জলিলউদ্দিন আহমদ, ২০১০)পৃ. ৭০-৭১

৫. আব্দুল ৱাহাবৰ অনুগামী আৰু আক্ষৰিক অৰ্থত ধৰ্মৰ নীতি নিৰ্দ্দেশ মানি চলা উগ্ৰ ৰক্ষণশীল মুছলমান মতাদৰ্শক ৱাহাবীবাদ বুলি কোৱা হয়। বিশদ আলোচনাৰ বাবে চাওক, Natana J. Delong - Bas, *Wahhabi Islam: From Revival to Global Jihad* (London: Oxford University Press, 2004).

৬. বিস্তৃত আলোচনাৰ বাবে চাওক, আব্দুছ ছাত্তাৰ, *সংমিশ্ৰণত অসমীয়া সংস্কৃতি* (ডিব্ৰুগড়: মেধি ব্ৰাদাৰ্চ, ১৯৭২)

৭. অনুৰুপা বিশ্বাস, *প্ৰসঙ্গ বৰাক* (শিলচৰ ঃ প্ৰাসঙ্গিক প্ৰিণ্টাৰচ, ২০০১)

## চতুৰ্থ অধ্যায়

# চুফী সন্ত আৰু ভক্তিমূলক গীত

অসমত চুফী সন্ত

আজান ফকীৰ

জিকিৰ আৰু আন্তৰ্সাম্প্ৰদায়িক সদ্ভাৱ

টোকা আৰু প্ৰসঙ্গ পুথি

চতুৰ্থ অধ্যায়

# চুফী সন্ত আৰু ভক্তিমূলক গীত

ঋষি-মুনি, সন্ত-মহন্তকে আদি কৰি সকলো ধৰ্মগুৰুৱেই, সকলো কালতেই সমস্ত পৃথিৱীতেই, কেৱল ধৰ্মজ্ঞান আৰু ক্ৰিয়া-কাৰ্য্যতেই আৱদ্ধ নেথাকি, স্থান-কাল নিৰ্বিশেষে, পাত্ৰভেদ নাৰাখি, মানৱ-প্ৰেম আৰু পৰস্পৰ বুজাবুজিৰে সহনশীলতা আৰু ভাতৃত্ববোধৰ ডোলেৰে সকলোকে বান্ধিব খুজিছিল, যাতে সংঘাত-সংকীৰ্ণতাৰ উৰ্দ্ধত এক শান্তিময় পৰিৱেশৰ পথ প্ৰশস্ত হয়। সেয়েহে তেখেতসকল এই ধৰা এৰি যোৱাৰ ইমান দিনৰ পাছতো সদা-প্ৰাসঙ্গিক হৈয়েই ৰয়। বহু সময়ত তেখেতসকলৰ সমাধিক্ষেত্ৰ একো একোখনি তীৰ্থভূমিত (মাজাৰ/দৰগাহৰ দৰে) পৰিণত হয়; তাত জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে; মানুহে বিচাৰি পায় মানসিক শান্তি, সুখ আৰু সান্ত্বনা। তেখেতসকল নিজস্ব সম্প্ৰদায়ৰ প্ৰতিভূ মাত্ৰ হৈয়েই নাথাকে; তেখেতসকলৰ বাণী আৰু মানৱ প্ৰেমৰ আহ্বান সাৰ্বজনীন।

প্ৰায় সকলো সন্তই আত্মশুদ্ধি আৰু পৰিত্ৰাণৰ মাধ্যম ৰূপে ভক্তিমূলক গীত গাইছিল, আৰু কোনো কোনো গৰাকীয়ে তেনে গীত ৰচনা কৰিছিল আৰু সুৰ দিছিল। এনে গীতত সামাজিক মূল্যবোধৰ বিশেষ আহ্বান ধ্বনিত হৈছিল; মানুহে পৱিত্ৰ জীৱন যাপন কৰাৰ নিৰ্দ্দেশ আৰু সমল বিচাৰি পাইছিল আৰু সামাজিক কু-প্ৰভাৱ, দ্বন্দ্ব-সংঘাত, ঘৃণা-অতিচাৰ পৰিত্যাগ কৰি, এক শান্তি-সুখময় জীৱনবোধৰ দিশে ধাবিত হৈছিল।

সমস্ত ভাৰতবৰ্ষ সাধু-সন্তৰ দেশ। যুগে-যুগে তেখেত সকলে সমূহীয়া ক্ৰিয়া-কলাপৰ উপৰিও নীতি-আলোচনা, ভক্তি-মূলক গীত-মাত-নৃত্য আদিৰ জৰিয়তে ভক্তসকলক আকৰ্ষণ আৰু ধন্য কৰিছিল।

এই সংক্ৰান্তত ভক্তিমূলক গীতৰ এক সুকীয়া স্থান মন কৰিবলগীয়া। চুফী সন্তসকলে এই মাধ্যমৰ জৰিয়তে ইছলামৰ বাণী আৰু শিকনি অনুগামীসকলৰ মাজত প্ৰচাৰ কৰিয়েই ক্ষান্ত থকা নাছিল, বৰঞ্চ বিভিন্ন ধৰ্ম-সম্প্ৰদায়ক শান্তি-সম্প্ৰীতিৰ এনাজৰীৰে বান্ধিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। কোৱা বাহুল্য, ওপৰঞ্চি ৰূপে ভক্তি-ৰসেৰে আপ্লুত এই গীত-মাত সমূহ স্বকীয় সাহিত্যিক প্ৰমূল্যেৰেও চহকী।

আমি জানো যে·ভাৰতত ইছলাম প্ৰসাৰৰ এক বিশেষ মাধ্যম হ'ল এই চুফীসন্তসকলৰ প্ৰচেষ্টা। চুফীসকলৰ বাণী সম্বলিত গীত-মাত আদিৰে সমৃদ্ধ ইছলামৰ ধাৰাটি চুফীবাদ নামেৰে পৰিচিত; ই যেন ইছলামৰ অতীন্দ্ৰীয় হৃৎ-কম্পন। চুফীবাদ, ইছলাম ধৰ্ম আৰু সংস্কৃতিৰ এক মনোগ্ৰাহী আৰু প্ৰাণময় দিশ; ইয়াৰ আওতাত ইছলামীয় জগতখনৰ ভালেমান দাৰ্শনিক, সামাজিক আৰু সাহিত্যিক কৰ্মৰাজিও পৰে।

চুফীবাদে ইছলামীয় ৰহস্যবাদী দৰ্শন আৰু ধৰ্মতত্বৰ কেতবোৰ ধাৰাক সূচায়; এনে ধৰণৰ আধ্যাত্মিক ধ্যান-ধাৰণা আৰু তৰিকতে (তৰিকত তুৰ্কী শব্দ, আৰবীত তৰিকা, অৰ্থাৎ পথ) ইছলামীয় সমাজ-সংস্কৃতিলৈ বিশেষ অৰদান আগবঢ়াইছে। ইয়াৰ বহিঃপ্ৰকাশ দেখিবলৈ পোৱা যায় মুছলমান জনগণৰ সহজাত ধৰ্ম-ভীৰুতা আৰু চুফী মাজাৰসমূহৰ প্ৰতি থকা শ্ৰদ্ধা-ভক্তিত বহল অৰ্থত,“ইছলামীয় বিশ্বাস আৰু ক্ৰিয়া-কলাপৰ হৃদয়ঙ্গমকৰণ আৰু সৰলীকৰণৰ প্ৰচেষ্টাত যি ৰহস্যবাদ গঢ়ি উঠিল সিয়েই হ'ল চুফীবাদ। চুফীসকল “অহৰ্নিশে পৰমসত্বাৰ উপস্থিতি সম্পৰ্কে সচেতন গুণে তেওঁলোকে কৰ্মতকৈ ধ্যানত অধিক গুৰুত্ব দি, তুচ্ছ ঠেক গণ্ডীৰ নীতি-নিয়মতকৈ আধ্যাত্মিকতাতহে মহত্ব আৰোপ কৰি, সামাজিক গতানুগতিক চিন্তা-চৰ্চ্চাতকৈ আত্ম-শুদ্ধিৰ প্ৰতিহে মনোনিবেশ কৰে”।[১] ঐশ্লামিক জগতৰ প্ৰাক-আধুনিক কালৰ আধ্যাত্মিক সৃষ্টিধৰ্মী কাব্যৰ উন্মেষ; জন-মানসত ধৰ্মভীৰুতাৰ উদ্ৰেক, ধৰ্ম-কৰ্মত নাৰী সমাজৰ স্বতঃস্ফূৰ্ত অংশ গ্ৰহণৰ সামাজিক গ্ৰাহ্যতা আৰু আফ্ৰিকা আৰু এছিয়াত ইছলাম ধৰ্মলৈ দীক্ষিতকৰণৰ কাৰ্য্যক্ষম আহিলা হ'ল চুফীবাদ। চুফী পন্থাসমূহ ধৰ্মীয় দৰ্শনৰ উপৰিও, সংগীত আৰু চাৰু-কলাৰ মাধ্যম ৰূপী শিক্ষানুষ্ঠান যেন। তদুপৰি, চুফীবাদ আছিল প্ৰচলিত গোড়া ধৰ্মান্ধতাৰ বিৰুদ্ধে সৰল কণ্ঠস্বৰ। কেৱল এতিয়াই নহয়, অতীততো ধৰ্মীয় সহিষ্ণুতা আৰু সংস্কাৰৰ বাহক ৰূপে চুফীবাদ সমাদৃত হৈছিল। পিছে, দুখৰ কথা, অনেক সময়ত এই ধাৰা ইছলামীয় গোড়া বিধি-কানুন বিচাৰ উলংঘা কৰাৰ অভিযোগৰ বাবে বিৰূপ সমালোচনাৰো সন্মুখীন হৈছিল। বৰ্তমানে জনপ্ৰিয় ভালেমান তথ্যকোষত চুফীবাদ সম্পৰ্কীয় প্ৰাসঙ্গিক শতাধিক উল্লেখ সন্নিৱিষ্ট হৈছে।

ভাৰতৰ কথা বিবেচনা কৰিলে দেখা যায় যে হানিফী আৰু ছাফিই পন্থাৰ চুফী মালাবাৰ উপকূলত ইছলামৰ পদাৰ্পণৰ পাছতেই পণ্ডিত আৰু প্ৰচাৰকসকলৰ আগমন ঘটে। এই সন্দৰ্ভত উল্লেখযোগ্য যে প্ৰথমগৰাকী প্ৰথিতযশা চুফী, ভাৰতত ইছলাম প্ৰচাৰ-প্ৰসাৰৰ সূচনা কৰোতাজন হ'ল আজমীৰৰ খাজা মইনুদ্দিন চিস্তি (১১৪১-১২৩৫)। তেখেত গৰীব-নাৱাজ (দুখীয়াৰ দুখ মোচন কৰোঁতা) নামেৰেও জনাজাত। তেখেত চিস্তিয়া পন্থাৰ ভাৰত উপমহাদেশৰ অগ্ৰণী সন্ত। তেখেতৰ প্ৰচেষ্টাতেই এই ধাৰা সমগ্ৰ দক্ষিণ এছিয়াতো বিয়পি পৰিছিল। ভাৰতৰ ইতিহাসত মহান চিস্তীয়া চুফী সন্তসকলৰ প্ৰাৰম্ভিক চিলচিলাত (আধ্যত্মিক শৃঙ্খল) মইনুদ্দিন চিস্তি, কুতুবুদ্দিন বখতিয়াৰ কাকী (১১৭৩-১২৩৫) আৰু নিজামুদ্দিন আউলিয়া (১২৩৮-১৩২৫)ৰ নাম প্ৰাতঃস্মৰণীয়। তেখেত সকলেই ভাৰতৰ চুফী সংস্কৃতি আৰু ঐতিহ্যৰ পূৰ্বসূৰী।[২]

## অসমত চুফী-সন্ত

বিভিন্ন সময়ত অহা মুছলমান সৈন্যবলৰ লগতেই, চুফী-সন্তসকলৰো অসমলৈ আগমন ঘটে। এই পীৰ আৰু ফকীৰ সকলৰ সৰহভাগেই ইয়াতে থাকি গ'ল, আৰু ৰাজ্যখনৰ বিভিন্ন ঠাইত ইছলামৰ প্ৰচাৰ-প্ৰসাৰ কাৰ্য্য চলাই গ'ল। তাৰে কিছু সংখ্যকৰ কথা পাহৰণিৰ গৰ্ভত হেৰাই গ'ল, কিন্তু ভালেকেইজন দৰগাহ আৰু প্ৰামাণ্য সাক্ষ্যৰ ভিত্তিত অমৰ হৈ ৰ'ল। আগতেই কৈ অহাৰ দৰে, গিয়াচুদ্দিন আউলিয়াই সম্ভৱতঃ প্ৰথম গৰাকী জ্ঞাত চুফী সন্ত, যিজনাই বঙ্গৰ পৰা আহি হাজোৰ গৰুড়াচল পাহাৰত থাকিবলৈ লয় আৰু ইছলাম প্ৰচাৰত ব্ৰতী হয়। এই সাধু পুৰুষ জনাৰ আপাহতে ভালেমান স্থানীয় লোক ইছলামত দীক্ষিত হয় ; সেইগুণেই হাজো অঞ্চলত যথেষ্ট সংখ্যাত ধৰ্মান্তৰকৰণ ঘটে। পিছে তেখেতৰ কোনো সাহিত্য-কৰ্ম, গীত-মাত ৰচনা আদিৰ উল্লেখ পোৱা নাযায়। তদুপৰি তেখেতৰ প্ৰকৃত পৰিচয় আৰু সময়-কাল সৰ্ম্পকেও কিছু মতানৈক্য

আছে। বিভিন্নজনৰ মতে তেখেত সেই সময়ৰ বঙ্গৰ শাসনকৰ্ত্তা হুছেইন শ্বাহৰ পুত্ৰ (হুছেইন শ্বাহে দুই দশক ধৰি (১৪৯৮-১৫১৯) কামৰূপ শাসন কৰিছিল)। অন্যান্য সকলৰ মতে গৰুড়াচলৰ মূধচত বাস কৰা তেখেত এজন ফকীৰহে আছিল। সৰহসংখ্যক টোকা অনুযায়ী গিয়াচুদ্দিন আউলিয়া ১২৫৭-৫৮ চনত ইখতিয়াৰ উদ্দিন মালিক উজবেকৰ আক্ৰমণকাৰী সৈন্য দলৰ সৈতে কামৰূপলৈ আহিছিল। তেখেতৰ উপৰিও আৰু ভালেমান চুফী পীৰ আৰু ফকীৰেও ইয়াত ইছলামৰ বাণী বিয়পাইছিল। দুখৰ বিষয় যে এতিয়ালৈকে অসমৰ চুফী সকলৰ বিষয়ে বিশদ অধ্যয়ন আৰু গৱেষণা হোৱা নাই; তথাপি কেইগৰাকীমান জনাজাত সাধকৰ বিষয়ে কিছু বিৱৰণ ইয়াত সন্নিবিষ্ট কৰা হ'ল।

অসমৰ ব্ৰহ্মপুত্ৰ আৰু বৰাক দুয়োটা উপত্যকাতে চুফী সন্তৰ আগমন ঘটাৰ কথা জনা যায়। নামনি অসমৰ ধুবুৰীৰ পৰা উজনিৰ তিনিচুকীয়ালৈকে, ভালেসংখ্যক চুফী সাধক ইছলামৰ বাণী প্ৰচাৰত ব্ৰতী হৈছিল বুলি জনা যায়। তাৰ ফলস্বৰূপে অসমত ধৰ্মান্তৰকৰণৰ জৰিয়তে ইছলামৰ প্ৰসাৰ ঘটিছিল। সমগ্ৰ অসম উপত্যকাতে সিঁচৰতি হৈ থকা চুফী দৰগাহ সমূহে আহোম ৰজাসকলৰ পৃষ্ঠপোষকতা লাভ কৰিছিল। ৰজাই তেওঁলোকলৈ বছেৰেকীয়া উপঢৌকন পঠাইছিল আৰু খা-খৰছৰ যাৱতীয় ব্যৱস্থা কৰি দিয়াইছিল।[৩] সম্ৰাট ঔৰংজেবৰ ৰাজত্ব-কালত সেনাপতি ৰাম সিংহই অসম আক্ৰমণ কৰিবলৈ আহোতে, লগতে পাঁচ গৰাকী পীৰ আৰু শিখ গুৰু তেগ বাহাদুৰকো দিল্লীৰ পৰা ধুবুৰীলৈ লৈ আহিছিল। সেইসময়ত অসমখন যাদু-মন্ত্ৰৰ দেশ বুলি খ্যাত আছিল; গতিকে সম্ভাব্য অপায়-অমঙ্গলৰ পৰা বাচিবলৈকে তেখেত সকলকো সৈনাবাহিনীৰ লগত আনিছিল।[৪] আজমীৰৰ গাজী শ্বাহ আকবৰ প্ৰমুখ্যে পীৰ পাঁচ গৰাকী ধুবুৰীৰ আশে-পাশে ব্ৰহ্মপুত্ৰৰ পাৰতে থাকিবলৈ লয়। আন কেইগৰাকী পীৰৰ নাম শ্বাহ কামাল, শ্বাহ চুফী, শ্বাহ চাৰেঙ আৰু শ্বাহ আলম বুলি জনা যায়; এখেতসকলৰ মাজাৰ ধুবুৰীত চৰকাৰী আৱৰ্ত্ত-ভৱনৰ কাষতে আজিও বৰ্ত্তমান।[৫] ইফালে গুৰু তেগ বাহাদুৰে, তাৰে ওচৰতে এটি গুৰুদ্বাৰা স্থাপন কৰে। শিখ গুৰুজনাই কিছু বছৰ ধুবুৰীত কটাই পাছত পাটনালৈ যায়গৈ, পিছে পীৰ কেইগৰাকীয়ে অসমতে ৰৈ যাবলৈ থিৰাং কৰিলে।

তেখেত সকলে ধৰ্ম কাৰ্য্যৰ উপৰিও থলুৱা লোক সকলৰ মঙ্গলৰ অৰ্থেও তৎপৰ হ'ল। গাজী শ্বাহ আকবৰকে ধৰি তেখেত সকলৰ তিনিজন ধুবুৰীত ঢুকায় আৰু তেখেতসকলক আৱাসথলীতে সমাধিস্থ কৰা হ'ল। এখেত সকলে শান্তি-সম্প্ৰীতিৰ বাণী প্ৰচাৰ কৰি মৈত্ৰীৰ আহ্বান দিছিল। জনশ্ৰুতি মতে, সৈন্য বাহিনীৰ তৎপৰতাত অংশ গ্ৰহণ কৰাতকৈ, এই পীৰ সকল জনসাধাৰণৰ সুখ-দুখৰ ভাগ লোৱাতহে অধিক আগ্ৰহী আছিল আৰু তেখেতসকলে থলুৱা ভাব-ভাষা আৰু আচাৰ-বিচাৰ গ্ৰহণ কৰিছিল আৰু অসমীয়া ভাষাও আয়ত্ব কৰি তাৰ জৰিয়তেই উদাৰপন্থী ইছলামৰ বিশ্বজনীন সাম্যৰ বাণী বিলাইছিল। সেইবাবেই হয়তো সাধাৰণ মানুহে শোক-দুখত সান্তনা বিচাৰি, ধৰ্ম-বৰ্ণ-নিৰ্বিশেষে, তেখেতসকলৰ বাহৰলৈ ঢাপলি মেলিছিল। গুৰু তেগ বাহাদুৰৰ দৰেই, পাঁচ পীৰৰ মূল মন্ত্ৰ আছিল - 'সকলোকে সহায় কৰিবা, কাৰোৱেই অন্যায় নকৰিবা' তেখেতসকলৰ দৃষ্টিত সকলো সমান, অভিন্ন মানৱকুল। নেতাই ধুবুনী ঘাটৰ বিপৰীত দিশে অৱস্থিত পাঁচ পীৰৰো দৰগাহ আজিও, ধৰ্মৰ উৰ্দ্ধত সমন্বয়ৰ প্ৰতীক যেন এক তীৰ্থক্ষেত্ৰ; তাত পীৰসকলৰ শুভ আশীষ কামনা কৰি বিভিন্ন ধৰ্মাবলম্বী লোকৰ সমাবেশ ঘটে।

জনা-নজনা সকলো পীৰ ফকীৰৰে জীৱন-বৃতান্ত বৰ্ণনা কৰাৰ অৱকাশ ইয়াত নাই যদিও, সংক্ষেপতে কবলৈ গ'লে, আটাইৰে কথামৃতৰ সাৰভাগ হ'ল, 'পৰমস্ৰষ্টা পৰমপুৰুষৰ সকলো সৃষ্টিয়েই সম'। বিভিন্ন ধৰ্মবিশ্বাসৰ বাহ্যিকতা বাদে, মূল মন্ত্ৰ একেই।

কেইগৰাকীমান পীৰ-ফকীৰৰ বিষয়ে চমু আভাস তলত সন্নিৱিষ্ট কৰা হ'ল ঃ

পাৰস্যৰ তাব্রীজৰ পৰা ১৩৪৭ চনত অহা **শেখ জালালুদ্দিন তাব্রীজী** কামৰূপ ভূ-খণ্ডত প্ৰথম পীৰ সকলৰ অন্যতম; তেখেতে গুৱাহাটীৰ পশ্চিমে নাতিদূৰত ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত গাড়ীগাঁৱত থাকিবলৈ লয়। বৰ্ত্তমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমীপৰ সেই ঠাইতে তেখেতৰ মাজাৰ বিৰাজমান।[৬] উপাধিয়ে সূচোৱা মতে পৰাস্যৰ তাব্রীজ চহৰত তেখেতৰ ঘৰ; এই সাধক গৰাকীয়ে ভাৰতলৈ অহাৰ আগেয়ে বুখাৰা চহৰত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰে। তেখেত দিল্লীতো কিছুদিন আছিল, আৰু তাৰে পৰাই কামৰূপলৈ আহে। কোনো কোনোৰ মতে, বঙ্গ ভ্ৰমণৰ সময়ত, ইবনে বটুটাই লগ পোৱা চুফী সন্ত গৰাকী, এইজনেই। ইবন বটুটাৰ লিখনীত পোৱা যায় যে তেওঁ চট্টগ্ৰাম হৈ কামৰূপলৈ আহোতে শেখ জালালুদ্দিন তাব্রিজীক লগ পাইছিল আৰু তেখেতৰ তাতে তিনিদিন কটাইছিল। ৰিচাৰ্ড ইটনৰ মতে পিছে, উক্ত সাধক গৰাকী চিলেটৰ (শ্রীহট্ট) **শ্বাহ জালালহে** আছিল "যি কি নহওক, শেখ জালালুদ্দিন তাব্রীজি আৰু চিলেটৰ ছাহ জালাল সমসাময়িক যেনেই অনুমান হয়; ইবন বটুটাই হয়তো ভূলক্রমে সন্তগৰাকীৰ নাম শেখ জালালুদ্দিন তাব্রিজী বুলি লিখি থৈ গ'ল।"[৭]

গাড়ীগাঁৱৰ চুফীগৰাকী কিম্বদন্তী মতে ভালেমান অতিলৌকিক ক্রিয়া-কলাৰ গৰাকী আছিল; তদুপৰি ভিন ভিন সম্প্ৰদায়ৰ মাজত সম্ভাৱ স্থাপন কৰাত তেখেতে সৰ্বজনস্বীকৃত প্ৰভাৱ পেলাইছিল।

তেনেকৈ আৰু এগৰাকী বিশেষ সন্মানিত চুফী সন্ত আছিল, ডিব্ৰুগড় চহৰৰ **'বগা বাবা'**। উল্লেখযোগ্য যে ডিব্ৰুগড় ৰেল ষ্টেচনৰ ওচৰৰ শিৱ-মন্দিৰৰ ওলোটা ফালেই তেখেতৰ মাজাৰ। জনশ্ৰুতি মতে মাছমৰীয়া কেইজনমানে অটব্য জঙ্গলত, সুন্দৰ চেহেৰাৰ উজ্জ্বল গৌড়-বৰ্ণৰ সাধকজনক, বন্য-প্ৰাণীৰে পৰিবেষ্টিত ধ্যানমগ্ন অৱস্থাত ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত ১৮৪০ চনত দেখা পালে। তেখেতে তাত প্ৰায় পঁচিশ বছৰ ধৰি ধ্যান-সাধনা কৰিছিল বুলি জনা যায়। তেখেতৰ আচল নাম চৈয়দ শেখ ৰৌচন আলি যদিও গাৰ সুন্দৰ উজ্জ্বল গৌড়বৰ্ণৰ বাবে বগা বাবা নামেৰেহে তেখেত বেছি পৰিচিত আছিল। তেখেত ইৰানৰ পৰা আহিছিল বুলি জনা যায়। ভাৰতলৈ আহি উত্তৰ প্ৰদেশৰ গাজিয়াবাদত কিছুদিন থাকি, উজনি অসম পায়হি আৰু সদৌশেষত ডিব্ৰুগড়তে থাকিবলৈ লয়। সেই সময়ত ব্ৰিটিছে অসমত খোপনি পুতিছিল আৰু ঠায়ে-ঠায়ে জিলা সদৰ ঠাই স্থাপন কৰি শাসনৰ ভেটি সুদৃঢ় কৰিবলৈ যত্নপৰ হৈছিল। ডিব্ৰুগড়ৰ আশে-পাশে থকা কয়লা, কাঠ, চাহপাত আৰু পাছলৈ ডিগবৈত পোৱা খাৰুৱা তেল আদি প্ৰাকৃতিক সম্পদৰ বাবে এই নগৰখন ঔপনিবেশিক শাসনকৰ্ত্তাৰ বাণিজ্যিক ঘাটিত পৰিণত হৈছিল। সেই সময়তেই বগা বাবাৰ আবিৰ্ভাৱ হৈছিল আৰু স্থানীয় লোকে তেখেতক ডিব্ৰুগড়ৰ বৰ্ত্তমান যি ঠাইত তেখেতৰ মাজাৰ আছে, তালৈকে ধ্যানৰ স্থান সলনি কৰিবলৈ সন্মত কৰাইছিল। তেখেতৰ গুণমুগ্ধই বাঁহেৰে বাহৰ এটি সজাই দিছিল; তাতেই তেখেতৰ আশীষ-প্ৰাৰ্থী শতজনক লগ কৰিছিল। থলুৱা লোকৰ সৈতে সহজ বাৰ্ত্তালাপৰ সুবিধাৰ্থে অসমীয়া ভাষাটোও তেওঁ শিকি লৈছিল।

বগা বাবা সম্পৰ্কে, মহেশ্বৰ নেওগে এইদৰে লিখিছে ঃ

> যুক্ত প্ৰদেশৰ (উত্তৰ প্ৰদেশ) পৰা বগা শ্বাহ নামে এজন ফকীৰ ডিব্ৰুগড় নগৰলৈ আহি ডিব্ৰুগড় ৰেল ষ্টেচনৰ কাষত এটি জুপুৰি ঘৰত বাস কৰে। তেওঁ এটি সৰু চৰুত ৰন্ধা-বঢ়া কৰিছিল। সেই চৰুত ৰন্ধা আহাৰেৰে তেওঁৰ ওচৰলৈ অহা সকলো অতিথিক ভোজন কৰাব পাৰিছিল। সেই

কাৰণে জাতি-বৰ্ণ-নিৰ্বিশেষে লোক তেওঁৰ ওচৰত গোট খাইছিল। আজি প্ৰায় আঢ়ৈ কুৰি বছৰৰ আগতে তেওঁৰ মৃত্যু ঘটে। তেওঁ থকা ঠাইতে তেওঁক কবৰ দিয়া হয়। ৰাইজে তেওঁৰ কবৰৰ ওপৰত মছজিদৰ নমুনাৰে এটি ধুনীয়া ঘৰ আৰু তাৰ কাষতে এটি মছজিদ নিৰ্মাণ কৰে। এয়ে বগা বাবাৰ মাজাৰ। ইয়ালৈ বহুত দূৰ ঠাইৰ পৰাও হিন্দু-মুছলমান লোক আহি নিজ অভীষ্ঠ-সিদ্ধিৰ অৰ্থে মম, তেলৰ চাকি আদি জ্বলায়হি।[৮]

বগা বাবাই ১৯০০ চনৰ ৯ এপ্ৰিল তাৰিখে অলপ অসুখত ভুগি ইহলীলা সম্বৰণ কৰে। তেখেতে যি স্থানত আধ্যাত্মিক শক্তিৰে ৰাইজৰ সেৱা কৰিছিল, সেই আৱাস স্থানতেই তেখেতক সমাধিস্থ কৰা হ'ল। তেখেতে জাত-পাতৰ কোনো ভেদাভেদ নেমানিছিল। তেখেতে গঢ় দি যোৱা মানৱীয় পৰম্পৰাতেই, প্ৰতিদিনে সকলো সম্প্ৰদায় আৰু ধৰ্মৰ লোক এই দৰগাহলৈ আহে।

তুলনামূলকভাৱে কম জনাজাত চুফী ফকীৰ **লঙ্গৰ শ্বাহ** পীৰ এগৰাকী মুক্তি যোদ্ধাও আছিল। তেখেতৰ দৰগাহ গোলাঘাট নগৰৰ সমীপতে। দৰগাহ চোৱা-চিতা কৰা খাদিম গৰাকীৰ মতে ব্ৰিটিছৰ দিনতেই ১৮৪০ ৰ দশকত তেওঁ গোলাঘাটলৈ আহে, কিন্তু ক'ৰ পৰা আহে জনা নেযায়; আচল নামটিও অজ্ঞাত। নতুনকৈ গঢ় লৈ উঠা চহৰখনতেই তেওঁৰ ধ্যানৰ থলী আছিল; নিতৌ বিভিন্ন জনে আশীৰ্বাদ বিচাৰি কাষ চাপিছিলহি। তেওঁ ব্ৰিটিছ শাসনৰ বিৰোধী আছিল আৰু ৰাইজক তাৰ বিৰুদ্ধে থিয় হ'বলৈ সকীয়াই দিছিল। স্থানীয় লোকক বিদ্ৰোহ কৰিবলৈ উচতোৱা বুলি ইংৰাজৰ চোৰাংচোৱাই দিয়া আপত্তিৰ ভিত্তিত তেওঁক গ্ৰেপ্তাৰ কৰি গোলাঘাটৰ কাৰাগাৰত শিকলিৰে বান্ধি থোৱা হ'ল। কিন্তু কিম্বদন্তী আছে যে ফকীৰে নিজৰ অতিলৌকিক ক্ষমতাৰে সেই বান্ধোনৰ পৰা সহজেই মুক্ত হ'ল, আৰু ওচৰৰে হাবি এখনলৈ গুচি গ'ল। আশ্বৰ্য্যান্বিত ব্ৰিটিছ বিষয়াসকলে তেওঁৰ ওচৰলৈ ঢাপলি মেলিলে, আৰু ক্ষমা খুজিলে আৰু মঠ-বাহৰ পাতিবলৈ ভালেমান একৰ কালিৰ গোটেই হাবিখনেই তেখেতক দি দিলে। এই ঠায়েই বৰ্ত্তমান লঙ্গৰ শ্বাহ দৰগাহ; ইয়াত এতিয়াও বিস্তৰ গছ-বিৰিখ দেখা যায়। গধুৰ দৃঢ় শিকলিৰ বান্ধোনৰ পৰা নিজকে মুকলি কৰা ঘটনাৰ বাবেই, তেখেত হজৰত লঙ্গৰ শ্বাহ পীৰ নামেৰে জনাজাত হ'ল। অন্যান্য পীৰ ফকীৰৰ দৰেই তেখেতৰ দুৱাৰ সকলোৰে বাবে সদায় খোলা আছিল। মানুহ আৰু মানুহৰ মাজত জাত-কুলৰ প্ৰভেদ নামানি সকলোকে সমান চকুৰে চোৱা এই গৰাকী মহান সাধকৰ দৰগাহ, সেয়েহে সকলো সম্প্ৰদায়ৰ লোকৰে মিলনভূমি।

বৰাক উপত্যকালৈয়ো ইছলাম প্ৰচাৰৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ আৰু লগতে মুছলমানসকলক প্ৰকৃত ধৰ্মৰ দিশত দিক-নিৰ্দ্দেশ দিবলৈ, ঘাইকৈ চিলেটৰ পৰা অনেক পীৰ ফকীৰ আহিছিল। তেওঁলোকৰ অনুগামীসকলক সমাজৰ আনৰে সৈতে কেনেকৈ শান্তিৰে সহ-অৱস্থান কৰিব লাগে, তাৰেই শিক্ষা দিছিল। তাৰোপৰি, তেওঁলোকে স্থানীয় সংস্কৃতি আৰু ঐতিহ্য, সুস্থ সামাজিক-বিচাৰ আৰু সৰ্ব্বোপৰি নিজ ভাষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। ধৰ্মৰ প্ৰতি তেওঁলোকৰ এই উদাৰনৈতিক আৰু মানৱীয় গুণ-সুলভ দৃষ্টিভঙ্গীয়ে জনসাধাৰণক বিশেষভাৱে আকৰ্ষিত কৰিছিল গুণে তেওঁলোকৰ দৰগাহসমূহ সকলোৰে বিচৰণভূমি হৈ পৰিছিল।

চতুৰ্দশ শতিকাতেই চিলেটত চুফী প্ৰভাৱৰ সূচনা কৰে, **শ্বাহ জালাল** নামৰ বঙ্গৰ বিখ্যাত সাধক গৰাকীয়ে। তুৰস্কৰ কুনিয়াত ১৩২২ চনত জন্ম গ্ৰহণ কৰা শ্বাহ জালাল, ডেকা কালতেই ভাৰতলৈ আহি

চিলেটত থাকিবলৈ লয়। জনা যায় যে ১৩৪৬ চনত পৰিব্ৰাজক ইবনে বটুটা তেখেতৰ আস্তানা (‘আশ্ৰম’)ত তিনিদিন থাকি গৈছিলহি।[৯] এই গৰাকী পীৰৰ প্ৰভাৱ, চিলেটৰ উপৰিও উত্তৰ পূৰ্ব্বাঞ্চলৰ অন্যান্য অংশলৈও বিয়পি পৰিছিল। তেখেতৰ শিষ্যসকলৰ একাণপতীয়া প্ৰচেষ্টা এই প্ৰসঙ্গত উল্লেখনীয়। ইছলাম-সেৱা কাৰ্য্যত ৰত এই সাধকসকলৰ বহুতৰে কথা মানুহে পাহৰি পেলাইছে যদিও, সেই সময়ৰ ভালেমান সন্তৰ সমাধি সংৰক্ষিত হৈ আছে, দৰগাহ-মোকাম ৰূপত। শ্বাহ জালাল পীৰৰ এজন ঘনিষ্ঠ সহযোগী, **শ্বাহ চিকন্দৰ গাজীয়ে** বৰাক উপত্যকাত ইছলাম প্ৰচাৰত বিশেষ ভাগ লৈছিল। কথিত আছে যে তেখেত বদৰপুৰত গছ এজোপাৰ তলত বহি তৌহিদ-প্ৰেমৰ সনাতন অমিয়া-সুধা বিলাইছিল। এই গছজোপাৰ চিন পোৱা গৈছে যদিও, তেখেতৰ মাজাৰৰ কোনো সম্ভেদ পোৱা হোৱা নাই। চাহ জালাল পীৰৰ প্ৰভাৱ বৰাক উপত্যকাত বিশেষ ৰূপে লক্ষণীয়। চুফী সন্ত গৰাকীৰ প্ৰশংসাত ৰচিত ভালেমান লোকগীত এতিয়াও প্ৰচলিত হৈ আছে। তাৰ এটি গীত এনে ধৰণৰ ঃ

বাবা সাহাজালাল, সিলেট তোমার দেশ,
তুমি দিল’ প্ৰথম আযান
তুমি দয়ার নদী - গুণনিধি।
কর দোয়া, দেখাও দয়া,
বাবা সাহাজালাল,
একবার সমুখে আসিয়া,
কর দোয়া, দেখাও দয়া,
বাবা সাহাজালাল, আউলিয়া।

আৰু এটি এনেধৰণৰ গীত জনসাধাৰণৰ মাজত অতি জনপ্ৰিয়।

আমি তোমার দয়ার ও কাঙ্গাল
বাবা সাহাজালাল।
তুমি ছাড়া কে আছে আমার ?
সাহাজালাল থাকি আমি রাত্ৰিদিনে,
তোমার পাব কোন সাধনে।
পোড়া কপাল জুড়াউ কেমনে,
হইলাম অতি দুঃখের দুঃখি,
এই যন্ত্ৰনা কারে বলি,
লইয়া আইলাম দুঃখের কপাল।
বাবা সাহাজালাল তুমি ছাড়া,
কে আছে আমার ?

বৰাকত এনেধৰণৰ বহুতো জনপ্ৰিয় লোক গীত শ্বাহ জালাল পীৰক লৈ ৰচিত হৈছিল আৰু আজিও বহুতো লোকে এনেকুৱা গীত ধৰ্মীয় অনুষ্ঠানত পৰিৱেশন কৰা দেখা যায়। তাৰ পৰা ধাৰণা কৰিব পাৰি যে এইগৰাকী চুফী সন্তৰ প্ৰভাৱ এই অঞ্চলত কিমান বেছি।

শ্বাহ জালাল পীৰৰ ৩৬০ গৰাকী শিষ্যৰ ভিতৰত **আদম খাকী** বৰাকৰ অন্যতম পীৰ। ধৰ্ম আৰু মানৱ-সেৱা দুয়োটাতে জীৱন পাত কৰা এই গৰাকী সাধকৰ বদৰপুৰত থকা মাজাৰলৈ সকলোৱেই যায়, কিয়নো জীৱন কালত তেখেতে সকলো ধৰ্মৰ আৰু সম্প্ৰদায়ৰ লোককেই একে চকুৰেই চাইছিল। প্ৰতি বৃহস্পতিবাৰে সন্ধিয়া মাজাৰত বিশেষ প্ৰাৰ্থনাৰ আয়োজন কৰা হয়। সকলো সম্প্ৰদায়ৰ লোকেই তাত ভাগ লয়। কিম্বদন্তী অনুযায়ী, ত্ৰাসৰ সৃষ্টি কৰা এক ভয়ঙ্কৰ দৈত্য এটাক আদম খাকীয়ে বশ কৰি সেই ঠাইৰ পৰা খেদাই পঠিয়ায়। মৃত্যুৰ পাছত তেখেতক নিজৰ বাহৰতে সমাধিস্থ কৰা হয। সেই পুণ্যভূমি 'আদম খাকী মোকাম' নামে সুপৰিচিত।

শ্বাহ জালাল পীৰৰ আন দুজন সহযোগী **চান্দ আলী** আৰু **পটা শ্বাহৰ** দৰগাহ চিলচৰ-হাইলাকান্দি পথৰ কাষত এক সন্মানিত ধাম। ইয়াৰ ওচৰতে মছজিদ এটিও আছে।

ধুবুৰীৰ দৰেই, পাঁচজন পীৰৰ উল্লেখ বৰাক উপত্যকাৰ লোক-কথাত পোৱা যায়; এই পাঁচ পীৰ সম্ভৱতঃ শ্বাহ জালাল পীৰৰেই শিষ্য, যিসকল গুৰুৰ জীৱন কালতেই চিলেটৰ পৰা আহে। বৰাকৰ আৰু এজন চিত্তাকৰ্ষক ফকীৰ হ'ল **শিতালং শ্বাহ** (১৭৯৪-১৮৮৯)[১০]; তেখেতৰ প্ৰকৃত নাম মহম্মদ চেলিম উল্লাহ। কৰিমগঞ্জ জিলাৰ চিৰাগৌৰীত তেখেতৰ জন্ম হৈছিল। তেখেতৰ দেউতাক, জাহান বক্স আলি ঢাকাৰ নৱাবৰ বিশ্বস্ত বিষয়া আছিল। আচল নামতকৈ শিতালং ফকীৰ নামটোহে বেছি পছন্দ কৰা, এই সাধক গৰাকী সৃষ্টিশীল কবিও আছিল। তেখেতে ভালেসংখ্যক ভক্তিমূলক গীত ৰচি, বঙালী লোক-গীতৰ সুৰেৰে সুৰাৰোপিতো কৰিছিল, উদাহৰণ স্বৰূপে তেখেতৰ নিজৰ বিষয়ে ৰচনা কৰা গীতকে ল'ব পাৰিঃ

শিতালং নাম মোর গুনাহ বেচুমার
কৃপা যদি কর আল্লা করিম গফ্‌ফার।
মোহাম্মদ উল্লাহ দোষগুণে মাজুর,
জঁহা বক্স আলী পিতার মাগুর।
পরগণে চাপঘাট মোর পয়দিশ সেথায়,
শ্ৰীগৌরী মৌজায়েতে হিলচর (শিলচর) কিত্তায়

তেখেতৰ দেউতাকক, নিজৰ মতৰ বিৰুদ্ধে নবাবে কাছাৰলৈ বদলি কৰে; বাটতে ঘটা এক নাও দুৰ্ঘটনাৰ পৰা কোনোমতে বাচি তেখেতে চিৰাগুৰি পালেগৈ আৰু তাতে থাকিবলৈ ঠিক কৰে। তেখেতে চুৰত বিবি নামৰ থলুৱা মহিলা এগৰাকীৰ লগত বিবাহ-পাশত আৱদ্ধ হয়। শিতালংৰ জন্ম হয় ১৭৯৪ চনত; তেখেতে শিক্ষা গ্ৰহণ কৰে চিলেটৰ সেই সময়ৰ ইছলামীয় উচ্চ শিক্ষাৰ নামী প্ৰতিষ্ঠান ফুলবাৰী মাদ্ৰাছাত। তেখেতে নিচেই কোমল বয়সতে গীত-পদ্য ৰচিবলৈ আৰম্ভ কৰিছিল; এনে এটি গীত হৈছেঃ

সাহ আব্দুল আলী মোর পীর দস্তগীর,
হাসিল মুরাদ আলী বাতিনে জাহির।

মুর্শিদ কামিল মোর শাহ আব্দুল ওহাব
তিনি প্রাসাদে হৈল ধিয়ানেতে লাভ।
দ্বিতীয় মুর্শিদ মোর আব্দুল কাদির
শিশুকালে কেৰামতি আছয়ে জাহির।
এই দুই ছাহেব মোরে রাখিয়া কৃপায়
ভেদ মর্ম শিক্ষা দিলা তওজ্জু নিঘায়।
ছিলেটে আউলিয়া বলি ছিফত তাৰিফ
হাছিল মুরাদ ওলী আল্লার তারিফ।
চেহারা মোবারক তান যে কৈল নজর
পাপনষ্ট তার খুলিল অন্তর।

আন গীতত আৰু বহুতো কথা পোৱা যায়, যেনে, মুছলমানসকলক ধার্মিক হ'বলৈ, সৎ পথত চলিবলৈ আৰু নামাজ পঢ়িবলৈ আহ্বান কৰা দেখা যায়, তেনে এটি গীত তলত দিয়া হৈছেঃ

গুণের সীমা নাই,
নামাজেতে ভাই,
মুশকিল তরিতে তররে, ও মনভাই,
নামাজে ঠাইরে।
তকবিব তহরিমা যবে করিতে স্মরণ,
অঙ্গে যত পাপ তররে, ও মনভাই,
হয়বে মোচন।
শিতালং ফকীরে মাঙ্গে কৃপা এলাহির।
নামাজেতে বিত মোর রে, ও মনভাই,
থাকিতে হাজির রে, ও মনভাই।

শিতালং ফকীৰৰ কাব্য গীত বৰাক উপত্যকাত বেছি জনপ্ৰিয়।বাংলাদেশৰ চিলেট জিলা সামৰি সমগ্ৰ সুৰমা উপত্যকাত তেখেতৰ অনুগামী আছে। কাছাৰ জিলাৰ কাটিগড়াৰ তাৰিণীপুৰত তেখেতৰ বংশোদ্ভৱ সকল এতিয়াও বসবাস কৰি আছে।

তেখেতৰ গীত-মাতৰ সুশ্ৰাব্য মাধ্যমেৰে ইছলাম আৰু ভাতৃত্ববোধৰ মূলমন্ত্ৰ সফলভাৱে প্ৰচাৰ কৰিছিল। ধ্যান-সাধনাৰে সন্ন্যাসী হোৱা সত্বেও, তেখেতে সাধাৰণ জীৱনেই কটাইছিল; চিলেটৰ জাকীগঞ্জত ১৮৮৯ চনত তেখেতৰ মৃত্যু হয়। তেখেতৰ কেতবোৰ ৰচনা প্ৰেম-ৰসেৰে পূৰ্ণ; 'প্ৰেমিক'ৰ বেদনাৰ মূৰ্ত্ত সংবেদনৰ চানেকিঃ

পীরিতের সেল বুকে যার,
কলঙ্ক তার অলঙ্কার,

কুলমানের ভয় নাইরে তার।
পীরিতের নয় নিশানী,
সদায় থাকে উদাসিনী গো,
সদায় থাকে প্রেমানন্দে নিরানন্দ নাহি তার।
ক্ষুধাতৃষ্ণা নাই তার মনে,
নিদ্রা নাই তাৰ নয়নে গো,
স্বরূপে মন মজাইয়া করে সেই রূপ নিহার।
হাসিরাশি নাই তার মনে,
সদায় থাকে ঘোর নয়নে গো,
তৃতীয় পীরিতির মাঝে রঙ্গ খুসি বেসুমার।
যার গলে প্রেমের ফাঁসি
সে হইয়াছে সকলের দাসি গো,
লোকের নিন্দন পুষ্প চন্দন গলাতে পইরাইছে হার।
শিতালং ফকিরে বলে,
প্রেমের মালা যাহার গলে গো,
কেওরর কথা নাহি শোনে,
কেবল তাহার বন্ধুসার।

শিতালং শ্বাহৰ গীতত বৈষ্ণৱীয় প্ৰভাৱৰ পৰিষ্কাৰ প্ৰতিফলন দেখিবলৈ পোৱা যায়। এই সাধকগৰাকীৰ অন্যতম মধুৰ ৰচনা তলত দিয়া হৈছেঃ

বন্ধু রসের নাগর,
দরশন দেও বন্ধু কৃপার সাগর।
জাঙ্গালেতে আইস শুনি মথুরায় হাট,
মুরলী বাজাও শুনি পঞ্চমীর ঘাট।
কদম তলে বাঁশী বাজাও শুনিতে মধুর,
বিরহিনী হইয়া ঝুরি শুনি মধুর সুর।
রসিক বন্ধুয়া তুমি গিৰি প্রেমধন,
প্রেমভাব হইয়া মোরে দেও দরশন।
অন্তর দগ্ধে প্রাণী প্রেমের অনল
প্রেমানলে অঙ্গ দহে না হয় শীতল।
তব প্রেমভাব মোর শোষিল পাঞ্জর,

যোগিনীর বেশে ফিরি দেশ দেশান্তর।
ভক্তিভাবে যে ডাকিবে বান্ধুয়া সে পায়,
প্রেমসিন্ধু মধ্যে বিরাজে সদায়।
আনি অপরাধী নারী না হইল বিহার,
কিসেতে আসিবে বন্ধু না জানি শিঙ্গার।
মোৰ হৃদয়েতে আইস বন্ধু, প্রভু কুঞ্জলাল
তোৰ প্রেমে আনন্দিত জগত সয়াল।
শিতালং ফকিরে কয় আকুলি হইয়া,
দরশন দেও মোরে শ্যাম বিনোদিয়া।

সমগ্র সুৰমা উপত্যকাতে,বাংলাদেশৰ চিলেট জিলাকো সামৰি, শিতালং ফকীৰৰ অনেক অনুগামী আছে। সেয়ে তেখেতৰ গীত আজিও লোক সংগীতত বৰ্তি আৰু চৰ্চিত হৈ আছে। তেখেতৰ গীতে সকলোৰে প্ৰাণ পৰশি যোৱাৰ অন্যতম কাৰণ হৈছে ইছলামীয় ভাৱধাৰৰ লগতে বৈষ্ণৱীয় দৰ্শন সংমিশ্ৰন কৰি বাংলা সাহিত্যলৈ দি যোৱা অনুপম অৱদান, যাৰ কাৰণে তেখেত আৰু তেখেতৰ ৰচনা বাংলাভাষী সকলো মানুহৰ মাজত আজিও জনপ্ৰিয় হৈ আছে।

শিতালং ফকীৰে হেনো বাৰ বছৰ ধৰি মিজোৰাম সীমাৰ কাষৰ ভূবন পৰ্বতৰ পাদদেশত ধ্যান-সাধনা কৰিছিল। তাৰ পাছত, তেখেত কেইবছৰমান বৰ্ত্তমান মেঘালয়ৰ জয়ন্তীয়া পাহাৰৰ ঘন হাবিত নিৰ্জনে অতিবাহিত কৰি, নিজ জন্মভূমিলৈ ইছলাম প্ৰচাৰ কৰিবলৈ উভটি আহে।

আাজি কিছু বছৰৰ পৰা বৰাক উপত্যকাত কেইগৰাকীমান পীৰ-ফকীৰৰ স্মৃতিত দৰগাহ সাজি উলিওৱা হৈছে; পিছে এই মোকামবোৰ সমসাময়িক আধুনিক আৰ্হিৰ বাবে, ঐতিহ্য স্থাপত্য ৰূপে বিবেচিত নহয়।

ইছলামীয় ভক্তিমূলক গীতৰ ভালেসংখ্যক গায়কৰ দল এই অঞ্চলত সিঁচৰতি হৈ আছে। তাৰে এটা দলে, নাচি-নাচি গীত গোৱাৰ এক অনন্য প্ৰকাশ দেখা গৈছিল। ই ব্ৰহ্মপুত্ৰ উপত্যকাৰ দেওধনি নৃত্যৰ সৈতে বহুলাংশে মিলে। গীতৰ বিষয়বস্তু ইছলামীয়, পিছে সুৰ বাংলা লোক-গীতৰ। দলটিয়ে গাওঁতে-গাওঁতে, নাচি-নাচি এক তন্ময় অৱস্থাত উপনীত হয়গৈ, আৰু মাটিত বহি পৰি অতি সঘনে মূৰ তল-ওপৰ কৰিবলৈ ধৰে ইয়াৰ ভিডিঅ' ৰেকৰ্ডিং আছে। তেওঁলোক প্ৰকৃতিস্থ হোৱাত সুধিলে ওজাজনে কয় "চূড়ান্ত পৰ্য্যায়ত, আমি খোদাৰ ইমান কাষ চাপো যে আমি সেইজনাৰ উপস্থিতি যেন অনুভৱ কৰোঁ আৰু কেই মুহূৰ্তমানৰ বাবে হ'লেও সেই মহান সত্তাত আমি যেন বিলীন হৈ পৰো"।

এনে ধৰণৰ গীত তলত দিয়া হৈছেঃ

আল্লাতে ভরসা করি,
পরিলাম নামি তার,
আল্লাতে বান্ধিলাম ইমান,

নাই নৌকা, নাই ব'ঠা,
কেমনি করি হইব পার ?
না করিলাম নামাজ রোজা,
নাদিলে ভাগৰ,
কান্ধে চয়তানের ভর
যি জন্মর অন্য ভাবত
তোমারে পিয়ার,
আমারা কি রকম হ'ব পার ?
আল্লাতে ভরসা করি,
পরিলাম নামি তার
আমারা কি রকম হ'ব পার ?

এই গীত গাই থাকোতে এনে এটা অৱস্থালৈ গায়কসকলে গতি কৰে যে তেওঁলোক প্ৰায় উন্মাদ হৈ পৰে। তেওঁলোকৰ মতে সেই ক্ষণত তেওঁলোকে নিজৰ অস্তিত্ব একেবাৰে পাহৰি যায় আৰু আল্লাৰ নিচেই কাষ চাপি যায়।

## আজান ফকীৰ

অসমৰ সাধু-সন্তৰ নাম ল'লেই তিনিগৰাকী সন্তৰ উল্লেখ নকৰাকৈ থাকিব নোৱাৰি। তেখেতসকল হ'ল মহাপুৰুষ শংকৰদেৱ (১৪৪৯-১৫৬৯), তেখেতৰ শিষ্য মহাপুৰুষ মাধৱদেৱ (১৪৮৯-১৫৯৬) আৰু চুফী সন্ত আজান ফকীৰ (১৬০৫-১৬৯০)। তেখেতসকলে শুদ্ধ ধৰ্মাচৰণৰে পৱিত্ৰ আৰু সৎ জীৱন যাপন কৰাৰ পথ দেখুওৱাৰ উপৰিও অসংখ্য ভক্তিমূলক গীত ৰচনা কৰে। বৈষ্ণৱ গুৰু দুজনাই ৰচা এনে গীত সমূহ বৰগীত নামেৰে জনা যায়; আজান ফকীৰে ৰচা গীতসমূহ জিকিৰ নামেৰে জনাজাত। বৰগীত আৰু জিকিৰ দুয়োবিধৰেই অনুপম ছন্দ, সুৰৰ মাধুৰ্য্য, সাহিত্যিক প্ৰমূল্য, আনকি কলাৰ ৰূপতো নিজস্ব বৈশিষ্ট্য আছে।

এই খণ্ডত, জিকিৰ আৰু ইয়াৰ আন্তৰ্সাম্প্ৰদায়িক সম্বন্ধৰ বাণীৰ ওপৰত কিছু আলোকপাত কৰা হ'ব। কোৱা বাহুল্য, জিকিৰৰ অন্তৰ্নিহিত ধৰ্মৰ গূঢ়-তত্বৰ ইঙ্গিত আৰু নিৰ্দ্দেশ, পৱিত্ৰ জীৱনৰ সমল; অসমৰ ইছলামীয় ঐতিহ্যৰ ই এক বিশেষ উপাদান।

আগতেই উল্লেখ কৰাৰ দৰে ছিহাবুদ্দিন তালিছে তেওঁৰ *তাৰিখে-আচামত* অসমীয়া মুছলমানসকলক নামতহে মুছলমান বুলি উল্লেখ কৰিছিল। এই সম্প্ৰদায়টো ধৰ্মত মুছলমান; কিন্তু সামাজিক আচাৰত যে স্থানীয় পৰম্পৰাই তেওঁলোকক এক সুকীয়া পৰিচয় দিছে আৰু সেয়া অসমীয়া পৰিচয়ৰে যে পৰিচিত, তাৰে আজান পীৰ চাহেবৰ জিকিৰে প্ৰমাণ ৰাখি থৈ গৈছে।

জিকিৰ শব্দটোৰ আৰবী মূল হৈছে জিক্ৰ অথাৎ স্মৰণ কৰা বা নাম লোৱা। মন কৰিবলগীয়া যে এই শব্দ, আজান ফকীৰ অহাৰ আগৰে পৰাই অসমৰ মুছলমানৰ মাজত প্ৰচলিত আছিল। কেতবোৰ জিকিৰে আনকি দেৱ-দেৱী পূজা-অৰ্চ্চনাৰ বাবে সেই সময়ৰ মুছলমানক আগতে উল্লেখ কৰাৰ দৰে ভৰ্ৎসনাও কৰিছে; যথা ঃ

আগলতি পাত পাৰি পূজা নানা দেৱ,
দোজখত পৰিবি বান্দা, নুতুলিব কেও।

আজান ফকীৰে থলুৱা মুছলমান সকলে ধৰ্মৰ নীতি-নিয়মবোৰ ঠিকমতে পালন কৰাত, আৰু বিশেষকৈ নিতৌ পাঁচবাৰ নামাজ পঢ়াৰ ওপৰত গুৰুত্ব দিছিল। এইৰূপে ধৰ্ম-বিশ্বাস দৃঢ় কৰাৰ লগতে গীত-মাতৰ মাধ্যমেৰে আল্লাহ্ আৰু তৌহিদৰ ধাৰণা দিয়া, অসমলৈ অহা প্ৰথমসকলৰ এজন সাধক হ'ল আজান ফকীৰ। সেই সময়ৰ সকলোকে সাঙুৰি গঢ় লৈ উঠা বৃহত্তৰ অসমীয়া সমাজখনৰ ভেটি নিকপকপীয়া কৰাত তেখেতৰ অৱদান সুঁৱৰিব লগীয়া।

তেখেতৰ প্ৰকৃত নাম আছিল শ্বাহ মিৰান[১১] (পাছলৈ অপভ্ৰংশ ৰূপ, মিলন); তেখেত অসমলৈ সপ্তদশ শতিকাৰ চতুৰ্থ দশকত আহিছিল বুলি জিকিৰত উল্লেখ আছেঃ

দহশ দুকুৰি নবীচন হিজিৰি
আকৌ পাঁচে বছৰ যায়,
চাহ মিৰানে এই জিকিৰ কৰিলে
কোৰান কিতাপত পায়।

এই অনুযায়ী, হিজৰি ১০৪৫, অৰ্থাৎ ইংৰাজী ১৬৩৪/৩৫ চন মানত এই জিকিৰটি ৰচনা কৰিছিল বুলি ঠাৱৰ কৰিব পাৰি। অৱশ্যে ইয়াৰ অৰ্থ এইটো নহয় যে তেখেতে আটাইবোৰ জিকিৰ একেটা বছৰতে ৰচনা কৰি শেষ কৰিছিল। খুব সম্ভৱ সেই চনটোৰ উল্লেখ এই কাৰণেই যে সেই বছৰতেই তেখেত অসম পায়হি; কামৰূপৰ হাজোত তেখেত কেইবছৰমান আছিল। সেই সময়ত তেখেতৰ বয়স আনুমানিক পঁচিশ-ত্ৰিশ মান আছিল। জনা মতে, ১৬০৫ চনত ইৰাকৰ বাগদাদ চহৰত তেখেতৰ জন্ম হৈছিল; বিছ বছৰ বয়সত তেখেত দিল্লী পায়হি আৰু তাত কিছুদিন থাকি, বঙ্গদেশত উপস্থিত হয়হি। পাছত তেখেত উজাই আহি, সেই সময়ৰ আহোম ৰাজধানী গড়গাঁও পায়হি আৰু ওচৰৰে চুণপোৰা গাঁৱত থাকিবলৈ লয়। বিভিন্ন সূত্ৰৰ পৰা থিৰাং কৰিব পাৰি যে ১৬৩০ চন মানত আজান ফকীৰ উজনি অসম পায়হি আৰু ইয়াতেই ১৬৯০চনত স্বৰ্গগামী হয়; এই কালছোৱা স্বৰ্গদেউদ্বয় প্ৰতাপ সিংহৰ পৰা গদাধৰ সিংহৰ ৰাজত্ব-কালৰ ভিতৰত পৰে। মনকৰিবলগীয়া যে মীৰজুমলাৰ অসম আক্ৰমণ (১৬৬২) আৰু আহোম-মোগলৰ ইটাখুলি যুদ্ধৰ (১৬৮২) উল্লেখ জিকিৰ গীতত পোৱা যায়। আজান ফকীৰ যে মীৰজুমলাৰ সেনাবাহিনীৰ লগত অহা নাছিল, সেয়া ধ্ৰূৰূপ, নহলে ছিহাবুদ্দিন তালিছে নিশ্চয় এই কথা লিপিবদ্ধ কৰিলেহেঁতেন। আক্ৰমণকাৰী দলৰ সৈতে নহা বাবে তেখেত সন্দেহৰ উৰ্দ্ধত আছিল, আৰু ৰাইজ-ৰজা উভয়ৰে বিশ্বাস আৰু পৃষ্ঠপোষকতাৰ পাত্ৰ হৈছিল।

আজান ফকীৰ যে বাহিৰৰ লোক আছিল, সেই কথা জিকিৰত আছে, পিছে তেখেত বাগদাদৰ পৰা আহিছিল নে নাই, তাৰ উল্লেখ পোৱা নাযায়।

তেখেত চুণ পোৰা গাঁৱত আঁঠ-দহ বছৰমান আছিল; তাৰ পাছত গড়গাঁৱলৈ উঠি যায়। শেষত, শৰাগুৰি চাপৰিত থাকিবলৈ লয়। সেই ঠাইতে দিখৌ আৰু তাৰ উপনৈ গৰীয়াজান লগ লাগিছে। তেখেতে দুগৰাকী বিয়া কৰাইছিল- এগৰাকী অসমীয়া মুছলমান, আনগৰাকী আহোম জীয়াৰী। সাধক গৰাকীৰ মৃত্যুৰ কথাৰে জিকিৰ এটিত, তেখেতে দুগৰাকী বিয়া কৰোৱাৰ বিষয়ে কৈছে, এনে দৰেঃ

কান্দিব ধৰিলে দুজনা আয়ে,
চাহেবৰ দুপাৰত ধৰি।

ক'লৈনো যোৱা গুছি,
শিৰৰে চাহেব ঐ,
আমাকে বিধৱা কৰি।

তেখেতৰ সতি-সন্ততি সংখ্যাত চাৰি গৰাকী, তিনিটি ল'ৰা আৰু ছোৱালী এজনী। শিষ্য আৰু শুভাকাঙ্খী বৰ্গই তেখেতৰ জীৱিকাৰ যোগান ধৰিছিল বুলি জনা যায়। বাগদাদৰ পৰা অহা এই গৰাকী সাধুৱে ছবছৰমানৰ ভিতৰতে, অসমীয়া ভাষা সুন্দৰকৈ আয়ত্ব কৰি গুৰু শংকৰদেৱ-মাধৱদেৱৰ বিষয়ে আৰু লগতে বৈষ্ণৱ সংস্কৃতি পৰম্পৰাৰো সম্যক জ্ঞান লাভ কৰিবলৈ সমৰ্থ হয় । তদুপৰি তেখেতে ভক্তি-ৰসেৰে আপ্লুত বৰগীত সমূহৰ উপৰিও মহাপুৰুষ দুজনাৰ ৰচনাৰ তাল, লয়, ছন্দ-সম্বলিত কলাকৃতি আৰু নৃত্যৰ সৈতেও ঘনিষ্ঠ ভাৱে পৰিচিত হয়। ইছলামীয় ঐতিহ্য বহনকাৰী ধৰ্মালোচনাৰ টোকা, মূল আৰবীৰ পৰা সলসলীয়া অসমীয়ালৈ তৰ্জমা কৰাৰ উল্লেখ, তেখেতৰ জিকিৰত আছে ঃ

গড়গাঁও নগৰ আহোম ৰজাৰ ৰাজ্যত
আৰবীৰ পৰা তৰ্জমা হ'ল অসমীয়াৰ মাতত।

ওপৰোক্ত জিকিৰৰ পৰা তেখেতৰ আৰবীৰ জ্ঞান আৰু অসমীয়ালৈ সাৰ্থক অনুবাদৰ দূৰূহ কাৰ্য্য সমাধা কৰাৰ দক্ষতাৰ উমান পোৱা যায়। কিন্তু স্বভাৱসুলভ বিনয়ভাবে কাহানিও তেখেতৰ লগ নেৰে ঃ

ভিক্ষাৰী আজানে কয় আহো পৰদেশ
বিনা গুৰুৰ মুখে কেৱে নাপায় নামৰ ভেদ।

গড়গাঁৱত থকা কালত, তেখেতে থিতাতে ধৰিব পাৰিছিল যে থলুৱা মুছলমানখিনি ইছলামৰ ভালেমান মূল কথাৰ সৈতে পৰিচিত নাছিল; নামতহে মুছলমান; এওঁলোকে আনকি নামাজলৈ আহ্বান কৰা আজান দিবলৈও নাজানিছিল। ছিহাবুদ্দিন তালিচে লিখি থৈ গৈছে "ইছলামীয় দেশৰ পৰা অহা ইয়াৰ মুছলমানসকলে নামাজ আৰু ৰোজা ৰাখিছিল, কিন্তু আজান দিয়া অথবা ডাঙৰকৈ কোৰান পঢ়াতো নিষেধ আছিল"।[১২] সেই কাৰণেই বোধকৰো ইয়াত তেতিয়া নামাজৰ আগতে আজান দিয়া নহৈছিল। শ্বাহ মিৰান ফকীৰেই ইছলাম-শিক্ষাৰ সূচনা কৰে, আজান কিদৰে দিব লাগিব তাকে শিকায়। সেয়েহে তেখেত আজান ফকীৰ নামেৰে বিখ্যাত হৈ পৰিল। ৰজা-ঘৰৰ ৰোষত নপৰাকৈ এই ফকীৰ গৰাকীয়ে ধৰ্মৰ ক্ষেত্ৰত তৎপৰতা দেখুৱাব পৰিছিল, সম্ভৱতঃ সেইসময়ত ৰাজধানীৰ অনুকূল ৰাজনৈতিক পৰিস্থিতিৰ কাৰণেই। গড়গাঁৱত তেখেতৰ ধৰ্ম-প্ৰসাৰৰ সাফল্যত উৎসাহিত হৈ শিৱসাগৰৰ মুছলমান লোকেও তেওঁলোকৰ তাতো এনে প্ৰচাৰ-কাৰ্য্য চলাবলৈ তেখেতক টানি অনুৰোধ জনালে। সেইমতে তালৈ গৈ, দিখৌৰ পাৰতে থাকিবলৈ ল'লে। ইয়াতেই তেখেতে সাম্য আৰু ভাতৃত্বৰ ভাবেৰে উদ্বুদ্ধ সংহত সমাজ গঢ়াৰ অনুপ্ৰেৰণা যোগালে, বহুতো জিকিৰৰ জৰিয়তে। শৰাগুৰি চাপৰি নামে খ্যাত ইয়াতেই স্বৰ্গদেৱে দিয়া মাটিত, মঠ সাজি এশ বিশজন শিষ্য-ভকতৰ সৈতে খোদাৰ গুণানুকীৰ্ত্তন কৰি নৈষ্ঠিক জীৱন-যাপন কৰি গ'লঃ

শৰাগুৰি চাপৰি দিখৌ নৈৰ কাষৰি,
ৰজাই বন্ধাই দিয়া মঠ।
ছকুৰি ফকীৰে লয় আল্লাৰ নাম,
এখনি মাদুৰি বনৰে কঠ।

আহোম ৰজাই মুছলমান প্ৰচাৰক এজনক মাটি-ভেটিৰে থাপি ভিন্ন ধৰ্ম এটি প্ৰসাৰৰ সুবিধা কৰি দিয়া, ৰজা-ঘৰীয়া সহনশীলতা আৰু উদাৰতাৰ এক অনন্য উদাহৰণ।

কেতবোৰ জিকিৰত সহজ সৰল গ্ৰাম্য জীৱনৰ ছবি একোখনো ফুটি উঠেঃ

মোমিনে মোমিনে চেনেহা চেনেহী
চকুৰে চকুৰে বেথা,
নপঢ়া ফকীৰে ক'বলৈ ধৰিছে
আদি কলমৰ কথা।

ধৰ্ম-চিন্তা ৰহিত জিকিৰটিত অসমত প্ৰচুৰ পৰিমাণে পোৱা বাঁহ গছজোপাৰ উপযোগিতাৰ কথা সোঁৱৰাই দিয়া হৈছে। দৈনন্দিন জীৱনৰ প্ৰয়োজনীয় চাহিদা পূৰণ কৰাৰ উপৰিও, বাঁহেৰেই সজা 'লাহাদ' (চাঙি)খনতেই মৃতকক কবৰস্থানলৈ লৈ যোৱা হয়, আৰু বাঁহেৰেই কবৰ ঢাকি, জেওৰাখনো বাঁহেৰেই দিয়া হয়। জিকিৰত আৰু আছেঃ

বাৰীৰে কাষতে জাতি বাঁহ এজোপি
সিও মোৰ সোদৰৰ ভাই,
জীয়াই থাকো মানে কৰো কাঠি-কামি,
মৰিলে লগতে যায়।

এনে সৰল চিনাকি ভাবৰ জিকিৰে সহজেই শ্ৰোতাক আকৰ্ষিত কৰি আল্লাহ-মুখী কৰি তোলে; লগতে সমাজতো ইজনে-সিজনক চিনি সদ্ভাৱ-সম্প্ৰীতি গঢ়াৰ সহায়ক হয়। এনে অৱদানেই আজান ফকীৰে জীৱন কালত দি থৈ গৈ সকলোকে ধন্য কৰিলে।

তেখেতৰ জীৱনত পিছে এটি দুখজনক কাহিনী আছে। ৰূপাই দা-ধৰা নামৰ এজন মুছলমান ৰাজ-বিষয়াৰ ষড়যন্ত্ৰৰ ফলত আহোম ৰজাই ফকীৰৰ চকু কঢ়োৱাৰ হুকুম দিয়ে। শুনা যায় যে ৰূপায়ে দিয়া ভোজত ভাগ নোলোৱাৰ কাৰণে অপমানিত বোধ কৰি, পোটক তুলিবলৈ ফকীৰ মোগলৰ গুপ্তচৰ বুলি ৰজাক জনালে (১৬৮৬ চনত উক্ত ঘটনাটো ঘটে)। প্ৰবাদ আছে যে ফকীৰে নিজেই মাটিৰ মলা আনিবলৈ দি তাতে চকু দুটাক সৰি পৰিবলৈ ক'লে। চকু কাঢ়িবলৈ কোনোৰে হাত দিবলগীয়া নহ'ল। মলা দুটা দিখৌ নৈত উটুৱাই দিবলৈ ক'লে, আৰু কথিত আছে যে সেই ঘটনাৰ পাছতেই দিখৌত অস্বাভাৱিক বানৰ সৃষ্টি হৈ স্বৰ্গদেউ গদাধৰ সিংহৰ হোলোংঘৰো কাটি হৈ পৰে; অথাই পানীত কেৱল ফকীৰৰ পজাটিহে একো আচোৰ নপৰাকৈ থাকিল। স্বৰ্গদেৱে ততাতৈয়াকৈ হাতীবৰুৱা বিষয়াক খবৰ ল'বলৈ পঠিয়ালে। হাতী বৰুৱাৰ বুজিবলৈ বাকী নাথাকিল যে এই ভয়াবহ বানপানীৰ পৰিস্থিতি ফকীৰৰ অভিশাপৰে ফল। ৰাইজক সকাহ দিবলৈ তেওঁ ফকীৰক কিবা এটা কৰিবলৈ অনুৰোধ জনালে। ৰজায়ো নিজৰ ভুল বুজি অনুতপ্ত হ'ল যে নিৰ্দোষী আজান ফকীৰক শাস্তি বিহা হৈছিল। ৰজাই ৰূপাইক মৃত্যুদণ্ডৰে দণ্ডিত কৰিলে। মনকৰিবলগীয়া যে ফকীৰৰ কোনো জিকিৰত এই ভয়ানক শাস্তিৰ বিষয়ে উল্লেখ নাই; আনে ৰচা জিকিৰতহে এই ঘটনা আৰু লগতে হাতীবৰুৱাৰ

কথা আৰু কামত সন্তোষ লভি তেওঁক কিৰূপে আশীৰ্বাদ কৰিলে, তাৰ বিৱৰণ আছে ঃ

কিনো বৰ দিম তোকে ঐ বৰুৱা,
কিনো বৰ দিম তোক,
পুৰুষে পুৰুষে বিষয় খাই যাবি,
ভাঙোতা নহ'ব তোক।

আজান ফকীৰৰ নিৰ্দোষিতা আৰু দৈৱ-গুণত মোহিত হৈ ৰজাই মাটি-ভেটি আৰু আন উপাদান দান কৰি, দিখৌৰ পাৰত মঠো সজাই দিলে।

## জিকিৰ আৰু আন্তৰ্সাম্প্ৰদায়িক সদ্ভাৱ

ইতিমধ্যে বৰ্ণোৱাৰ দৰেই আজান ফকীৰ চাহাবে ৰচা জিকিৰসমূহৰ মূল উদ্দেশ্য, ইছলামৰ সাৰ-বস্তুৰ সোঁৱৰণৰ জৰিয়তে পৱিত্ৰ জীৱন যাপন কৰিবলৈ অনুগামীক প্ৰেৰণা দিয়া। খোদাৰ নাম জপ কৰাৰ ওপৰত তেখেতে বিশেষ গুৰুত্ব দিছিল; এনে নাম-জপ যদি গীত-মাতৰ জৰিয়তে হয় সি আৰু ভাল, কিয়নো সংগীতৰ ঝংকাৰৰ তালে তালে, আৰু ছন্দে-ছন্দে হিয়া মন আন্দোলিত হৈ সৃষ্টিকৰ্তাৰ দিশে মানুহৰ হৃদয় ধাৱিত হয় ঃ

মনুৰাই মনুৰাই
নাম ল'লে নেহেৰাই,
জুয়েও নোপোৰে
পানীতো নুদুবে
পৰুৱাই নিনিয়ে পাই।

পিছে আল্লাহৰ গুণ-কীৰ্ত্তন কৰিবলৈ, প্ৰয়োজন মাথো এখন নিৰ্মল হৃদয়হে, বাহ্যিক জাক-জমকতা, চাক-চিক্য অসাৰ ঃ

ইফালে মথুৰা সিফালে মথুৰা,
মাজত তনৰ সাগৰ।
তনৰে ভিতৰত মনে খেলা কৰে,
কি আল্লাৰ বুদ্ধিৰ নগৰ।
দুনীৰ বৰ পীড়ে বেহানি বেহালে,
অমূল হৈ বেহালে হাট,
বেহাব দিলে মোক হীৰাকৈ মুকুতা,
বেহাও কণাকড়ি হাট।

জিকিৰে বাৰে-বাৰে পাৰ্থিৱ লালসাৰ বিপৰীতে সৰল জীৱনৰ প্ৰতিহে মনোযোগ আকৰ্ষণ কৰাবলৈ চেষ্টা কৰে। ধন-ধন বুলি সা-সম্পত্তিৰ প্ৰতি অধিক আগ্ৰহী আৰু বিষয়-বাসনাৰ প্ৰতি লালায়িত হৈ থাকিলে জীৱনটো শেষত দুখেৰেহে পৰিপূৰ্ণ হয়গৈ। তাৰোপৰি এই দুদিনীয়া জীৱনৰ অন্তত, বেহা শেষ হ'লে, এই

সমস্ত ইয়াতেই এৰি যাব লাগিব; সুকীৰ্ত্তি তথা ভাল কাম বা সমাজৰ প্ৰতি কোনো হিতকৰ কাৰ্য্য কৰিলে তাৰ জৰিয়তেহে এজন মানুহ মৃত্যুৰ পাছত বাচি থাকে। আচলতে এই সংসাৰত অনিত্যতা আৰু অসাৰতা বৰ প্ৰকটঃ

এইনো বৰ ঘৰ কেলেই সজালা,
কেলেই সাচিলা ধন।
জপাৰ বৰ কাপোৰ জপাতে থাকিব,
হাড়তো গজিব বন।
বৰে ঘৰ ভাগিলে সাজিম ভালে কৰি,
আগতকৈ শুৱনি কৰি।
দেহা বুঢ়া হ'লে ৰাখিম কেনে কৰি,
যাব নিজ ঘৰে চলি।
ঘৰো ভাগিব মাড়লি হালিব,
চতিত ধৰিব ঘূণে।
মৌৰতৰ টেকেলাই ধৰি লৈ যাব,
জামিন হৈ ৰাখিব কোনে?
ধনে ধনে কৰি ধনকে ঘটিলা,
পৰমে যতন কৰি।
ধনো থাকিল পৰি দেহা গ'ল চলি,
লগত গ'ল চপৰা ডলি।

আন এটি একে ভাব-ব্যঞ্জক জিকিৰত নিম্নোক্তভাৱে সকীয়নি পোৱা যায়ঃ

দুনিয়া এদিনৰ দুনীয়া দুদিনৰ,
দুনিয়া ফুলনিবাৰী,
কতক চলেবলে কৰ তই দুনিয়া
ধৰিব খেৱালি মাৰি।
খেৱালি জালৰে গুড়া বাৰে বুৰি,
পাহৰ লেখজোখ নাই,
টিকনিতে ধৰি চোচনি মাৰিব,
সবাকো একে ঠাইত পায়।

অসমীয়া লোক-গাথাৰ অবিচ্ছেদ্য অঙ্গ স্বৰূপ এই জিকিৰসমূহত হিন্দু সমাজখনত প্ৰচলিত দেহ-বিচাৰ গীতৰ প্ৰভাৱ দেখা যায়। এই গীত সমূহৰ দৰেই জিকিৰেও ক্ষন্তেকীয়া মানৱ-জীৱনৰ ক্ষণভংগুৰ দশা আৰু অনিশ্চয়তা ইহ সংসাৰৰ অসাৰতা আদি দিশ উদঙাই দিয়ে। কিন্তু, মনকৰিবলগীয়া যে জিকিৰে,

সামাজিক আৰু পাৰিবাৰিক কৰ্ত্তব্য পৰিত্যাগ কৰি সন্ন্যাস জীৱন গ্ৰহণৰ কথা নকয়, বৰঞ্চ ইছলামৰ তাগিদা অনুসৰি সাধাৰণ কিন্তু পৱিত্ৰ সাংসাৰিক জীৱন যাপন কৰাৰ কথাহে দোহাৰে।

আজান-ফকীৰে অসমীয়া সমাজখনত এক প্ৰশংসনীয় মিলা-প্ৰীতি দেখিবলৈ পাইছিল, কিয়নো ইতিমধ্যে শঙ্কৰ-মাধৱৰ শিকনিয়ে সমাজৰ বিভিন্ন জাত-বৰ্ণৰ লোকৰ মাজত যোগাত্মক সঁহাৰি লাভ কৰিছিল। চুফী সাধক গৰাকীয়েও এই দিশত অৰিহণা যোগাই সংহতিৰ ভেটি আৰু সুদৃঢ় কৰাৰ প্ৰয়াস পাইছিল। তেখেতৰ ৰচনাই একাধাৰে ইছলাম প্ৰচাৰত প্ৰাণ-শক্তি যোগাইছিল আৰু সমাজখনৰ সৌহাৰ্দ্য-সমন্বয় বৰ্ত্তাই ৰাখি আৰু নিকপ্‌কপীয়া কৰাত বিশেষ ভূমিকা পালন কৰিছিল ঃ

সন্ত মহন্ত আউলিয়াসকলে  
একেটি নামকে খাটে।  
নীতি ধৰ্ম আচৰণ প্ৰবৰ্তন,  
মনেই মহন্তৰ সং।  
সন্ত জনলৈ আশা মই কৰিছোঁ,  
আশা নকৰিবা ভঙ্গ।  
সন্ত জনৰে পিৰীতি কৰিছোঁ,  
পিৰীতি মহা ধৰম,  
সন্ত জনকে পিৰীতি কৰিছোঁ,  
আল্লাৰ পাৱলৈ চাই।  
আল্লাৰ এক নাম, পচোৱা বতাহ,  
আল্লাই দিলেহে পায়।

ধৰ্মৰ প্ৰকৃত বিচাৰেৰে যে মানুহৰ মাজত কোনো প্ৰভেদ নাই, সেই কথা এই জিকিৰৰ উপৰিও আন ভালেমানতো সোঁৱৰাই দিয়া লক্ষ্য কৰা যায়। ধৰ্ম-নিৰপেক্ষ উদাৰ দৃষ্টিভঙ্গীৰ পীৰজনা সেয়েহে হিন্দু, মুছলমান উভয়ৰে, আনকি ৰজা-ঘৰৰো শ্ৰদ্ধা-ভক্তিৰ পাত্ৰৰূপে বিবেচিত হৈছিল। আজান পীৰ চাহেবে বৈষ্ণৱ নৃত্য-কলা বিশেষ মনোযোগেৰে অনুধাৱন কৰিছিল আৰু বৰগীতৰো মৰ্ম উপলব্ধি কৰি এই সমস্তৰ সম্যক ৰূপ দিছিল জিকিৰৰ যোগেদি।

গীত আৰু নৃত্যৰ ধৰণত জিকিৰ আৰু হুচৰিৰ সাদৃশ্য সততে চকুত পৰে। অসমীয়াৰ বাপতিসাহোন বসন্ত-উৎসৱ বিহুৰ হুচৰিত ভক্তিমূলক ধাৰা এটিও আছে। গাঁও অঞ্চলত, বিশেষকৈ উজনি অসমত খেতি চপোৱাৰ পাছত মাঘত আৰু বিয়া সবাহ আদিৰ সময়ত জিকিৰ গোৱা হয়। জিকিৰ দলবদ্ধ ভাৱে গোৱা হয়; দলটোৰ মুখিয়াল ওজাজনে প্ৰথম ফাঁকি গাবলৈ আৰম্ভ কৰে, আৰু বাকীসকলেও গীতত ধৰে; হুঁচৰি গাওঁতে নচাৰ দৰেই, জিকিৰৰ বেলিকাত মুছলমান সকলে বৃত্তাকাৰে ঘূৰি-ঘূৰি গানৰ তালে-তালে হুবহু নাচি যায়।

জিকিৰৰ ওপৰত বৈষ্ণৱ প্ৰভাৱ মনকৰিবলগীয়া। আজান ফকীৰে, তেখেতৰ ৰচনাত ব্ৰহ্মা, ব্ৰহ্মাণ্ড, গংগা, যমুনা, গঙ্গাজল, সন্ত, মহন্ত, বেদ, ভকত, পণ্ডিত, গগন, মন্দিৰ আদি শব্দৰ সততে প্ৰাসঙ্গিক প্ৰয়োগ

কৰিছিল; ইয়ে তেখেতক অসমীয়া সমাজৰ আৰু ওচৰ চপাই আনিছিল। তেখেতে আৰবী ভাষাৰ শব্দ আৰু পদৰ ভালেমান প্ৰয়োগ কৰিছিল যদিও, অসমীয়াৰ সৈতে মিলাই সেইবোৰৰ ইমান যথাৰ্থ আৰু সুন্দৰ ভাৱে প্ৰয়োগ কৰিছিল যে যিকোনো লোকেই, মুছলমানেই কিম্বা হিন্দুৱেই হওক, সহজেই বুজিব পাৰিছিল আৰু মূল ভাবটোৰ সৈতে পৰিচিত হৈ শুদ্ধ জীৱন যাপন কৰাৰ সমল বিচাৰি লৈছিল।

আৰবী আৰু সংস্কৃত শব্দৰ অপূৰ্ব্ব মিলন ঘটা তলৰ জিকিৰটো প্ৰণিধানযোগ্য ঃ

আচমানত চন্দ্ৰ সূৰ্য জ্বলে মধ্যত ত্ৰিপানী
থমকি থমকি উঠে নাম, মধুৰসৰ বাণী।
ত্ৰিপানী সাগৰৰ মাজে ব্ৰহ্ম নামৰ নলা
জ্বলি জ্বলি উটে নূৰৰে তজল্লা।
সাগৰতে পৰি পাখী কাঢ়ে দীৰ্ঘ ৰাও
মধুলোভী ভোমোৰাই নেছাৰে উৰাও।
অমল কমল কলি নানা ফুলৰ ধাৰি
পুষ্প লোভে ভোমোৰা পৰি হ'ল বন্দী।
অধকা পুখুৰীৰ মাজে ব্ৰহ্ম নামৰ ধ্বনি
তাতে বহি খেলা কৰে শিৱ মহামুনি।
আচমানতে চন্দ্ৰ সূৰ্য বৃক্ষৰ পৰিল ছায়া
সকল বৃক্ষত ফুল আছে ইকি আল্লাৰ দয়া।
নামৰ ডালি মূলে ফুলি আছে আল্লাৰ যত দয়া
বুজিব নোৱাৰা বান্দা ইসব আল্লাৰ মায়া।
অমূল্য কমলৰ জান বৈছে হিয়া নদী
মৎস্যক লাগি বগলি পৰি ৰ'ল বন্দী।

তেখেতৰ কেতবোৰ অতীব উপাদেয় জিকিৰত হিন্দু আৰু মুছলমান উভয়ৰে সাধু-সন্তক সমপৰ্য্যায়তে বিচাৰ কৰা দেখা যায়। সমাজ জীৱনত যিদৰে তেখেতে কোন মুছলমান কোন হিন্দু, সেই লৈ বিশেষ বৈষম্য নকৰিছিল, ঠিক তেনেদৰেই কোনো একোজন সাধু-প্ৰচাৰকৰ ধৰ্মনো কি সেই লৈ কোনো ভেদা-ভেদ নাৰাখিছিল। সম্প্ৰীতিৰ ডোলেৰে বান্ধ খাব পৰা লোক-সমষ্টিৰ ধাৰণাৰে তেখেতে ৰচনা কৰিছিলঃ

মোৰ মনত ভেদ ভাব নাই অ' আল্লা
মোৰ মনত আন ভাব নাই অ' আল্লা,
হিন্দু কি মুছলমান এক আল্লাৰ ফৰমান
আখেৰত একে আল্লাৰ নাম।
হিন্দুকে জ্বলাব মুছলমানক গাঢ়িব
খাকৰ তন খাকত মিলাব।

কেইটামান জিকিৰত আজান ফকীৰে আৰু পোনপটীয়াকৈ সকলো ধৰ্মৰে শাস্ত্ৰৰ সাৰ আৰু মূলমন্ত্ৰ যে একেই সেই কথা দোহাৰিছিল। কোৰান শ্বৰীফত ভালেমান ঠাইত সকলো ধৰ্মৰ প্ৰতি সদ্‌ভাব ৰাখিবলৈ কোৱা হৈছে। তেনেকুৱা এটি অনুপম উদাহৰণ তলত দিয়া হৈছে।

কোৱা "আমি আল্লাহত বিশ্বাস আনিছো
আৰু আমাক দিয়া তেওঁৰ বাণীত, আৰু
ইব্ৰাহিম, ইছমাইল, ইচহাক; য়াকুব আৰু সকলো জাতিত,
মুছা ইছা আৰু সকলো পয়গম্বৰলৈ
প্ৰভূৰ পৰা নাজিল হৈ অহা
সকলো কিতাপত :
আমি কোনো বিভেদ নাৰাখো
এগৰাকী (পয়গম্বৰ) আৰু আনগৰাকীৰ মাজত।'   (২:১৩৬)

ধৰ্মৰ ভিত্তিত ভেদাভেদ নেৰাখিবলৈ নিৰ্দ্দেশ দিয়া অনুপম এনে ধৰণৰ পংক্তিয়ে আজান ফকীৰক বাৰুকৈয়ে প্ৰভাৱান্বিত কৰিছিল বুলি সহজেই ধাৰণা কৰিব পাৰি। সেয়েহে তেখেতে নিজেও এই সাম্য-বাণীকেই মনত ৰাখি নিজাববীয়াকৈ জিকিৰত কৈছিল ঃ

সন্ত মহন্ত আউলিয়া সকলে
একেটি নামকে খাটে।

একেসুৰীয়া আন এটি জিকিৰে দোহাৰে ঃ

ইঞ্জিল, জবুৰ, তৌৰাত তিনি যুগ,
ফোৰকানত নামিল কোৰান।
মোমিনৰ কাৰণে নামিল অজু গোচল,
আলিমলৈ নামিল কোৰান।

আৰু এটা মন কৰিব লগীয়া জিকিৰ ঃ

কোৰানে পুৰাণে একেকে কৈছে
বুজিবা মহন্ত লোক।
এই দুনীয়াত আছে দুই বেশ
মুৰ্চিদে বুজাব তোক।

সকলো মহান সন্ত আৰু ধৰ্ম প্ৰচাৰকৰ দৰেই তেখেতেও পুণ্যৰ বাহক সাত্বিক জীৱন-ধাৰাৰ ওপৰত অৱশ্যে গুৰুত্ব আৰোপ কৰিছিল। সকলো কথাত আল্লাহৰ নাম লোৱা আৰু মনক চম্ভালা; তাকে কৰিবলৈকে তেখেতে আওৰাইছিল ঃ

জীৱৰ সাৰথি নাম অ' আল্লা,
জীৱৰ সাৰথি নাম,

সত গুৰুক ভেটিবা আত্মাক চিনিবা,
মিলিব দীনৰে কাম।
অমনক পমনক চম্ভালি ৰাখিবা,
কোনোবাই ধৰিব বান্ধি,
মনৰ পাঁচ হাতীক থিৰকৈ বান্ধিবা,
কলিমা লাহৰে জৰি।
মনকে বান্ধিবা মনকে চাটিবা,
মনকে নিদিবা লাই ।

মন কৰিবলগীয়া যে সেই কালছোৱাত দেশৰ সাৰ্বভৌমত্বৰ ক্ষেত্ৰত কিন্তু আহোম আৰু মোগলৰ তীব্ৰ সংঘাত চলি আছিল; পিছে আজান ফকীৰৰ ধৰ্মপ্ৰচাৰৰ ক্ষেত্ৰত ই বিশেষ বাধাৰ সৃষ্টি কৰা নাছিল। কেইটামান জিকিৰত তেখেত কিছুদিন হাজোত থকাৰ উল্লেখ আছে, পিছে তাৰৈ ৰজাৰ ৰোষৰ পৰা হাত সাৰিবলৈ গৈছিল বুলি ভবাৰ বিশেষ থল নাই। তাৰোপৰি যুদ্ধ হেতু কোনো সামাজিক দ্বন্দ্বৰ উমানো জিকিৰত পোৱা নাযায়; উল্লেখ আছে কেৱল সৰু-সুৰা কাজিয়া-পেছালৰহে আৰু এইবোৰ ৰাইজে নিজৰ মাজতে মিট-মাট কৰেঃ

হিন্দু মুছলমানৰ কাজিয়া লাগিলে
জামাতে আমিন ধৰে।

থোৰতে কবলৈ হ'লে, আহোম স্বৰ্গদেউৰ ধৰ্ম নিৰপেক্ষ নীতিৰ বাবে মূলতঃ ইছলাম প্ৰচাৰৰ ক্ষেত্ৰত আজান ফকীৰে বিশেষ অসুবিধাৰ সন্মুখীন হোৱা নাছিল। তাৰোপৰি, ফকীৰেও শান্তি-সম্প্ৰীতিৰ অসমীয়া সমাজখনৰ গণ্ডীতে কোনো আঘাত-আহুকাল নিদিয়াকৈ, দোষ ধৰাৰ বাট নাৰাখি, ধৰ্ম-কৰ্ম্ম কৰি গৈছিল। তেখেতে ৰজা-ঘৰীয়া কথাত নোসোমাইছিল গুণে সেই সময়ৰ ৰাজকীয় বুৰঞ্জীমূলক টোকা আদিতো তেখেতৰ নাম নাছিল; ৰজা-বিষয়াই কৰিব লগীয়া যুদ্ধ-সংক্ৰান্তীয় ক্ৰিয়া-কাণ্ডৰ পৰাও তেখেত দূৰত আছিল। উল্লেখযোগ্য যে আক্ৰমণকাৰী মোগল সৈন্যৰ বিৰুদ্ধে থলুৱা মুছলমানেও যুদ্ধত অংশ গ্ৰহণ কৰিছিল।

এই প্ৰসঙ্গত বিশেষভাবে উল্লেখযোগ্য যে আজান ফকীৰৰ কোনোটো জিকিৰতে তেখেতক বিহা অন্যায় শাস্তিৰ বিষয়ে পোৱা নেযায়। ইয়েই প্ৰমাণ কৰে যে তেখেতক কষ্ট দিয়া শাসকজনৰ প্ৰতি তেখেতৰ কোনো বেয়া ভাব নাছিল ঃ

ৰজা হওক চিৰ জীৱী প্ৰজাৰ হওক দখল
শিল নোপঙে মানে, লাও নাযায় মানে তল।

হয়তো মাটি-ভেটি দান কৰি মঠো সজাই দিয়াৰ ৰাজ-বদান্যতাৰ স্বীকৃতিহে এইয়া।

আমি ইতিমধ্যে কেবাবাৰো পাইছোৱেই যে আজান-ফকীৰৰ দৃষ্টিত হিন্দু আৰু মুছলমানৰ, মানুহ হিচাপে কোনো প্ৰভেদ নাছিল; সকলোৰে জন্ম, মৰণ-দশা একেই, পাৰ্থক্য মাত্ৰ শ-সৎকাৰত। মুছলমানৰ মৃতজনক কবৰত সমাধিস্থ কৰে আৰু হিন্দু মৃতকক চিতাত পঞ্চভূতত মিলিত কৰোৱায়। 'হিন্দু কি মুছলমান

এক আল্লাৰ ফৰমান' বুলি ৰচনা কৰা জিকিৰ আগতে উল্লেখ কৰা হৈছে। এই জিকিৰ ফাঁকি কেইবাবাৰো তেখেতে উল্লেখ কৰি যোৱাৰ কথাটোৱে দুয়োটা সম্প্ৰদায়ৰ মিলা-প্ৰীতিৰ অপৰিসীম প্ৰয়োজনীয়তাৰ কথাকে বুজায়।

কি সুন্দৰ প্ৰকাশভঙ্গী সাম্য-সদ্ভাৱৰ চিৰন্তন বাণীৰ।

ব্যক্তিগত জীৱনত, আজান-ফকীৰ বৰ বিনয়ী আছিল; দীন-হীন, আনে জীৱিকাৰ দিহা কৰা লোক এজন হিচাপেহে নিজৰ পৰিচয় দিবলৈ তেখেতে ভাল পাইছিল। জিকিৰ এটি এনে ধৰণৰঃ

ভিক্ষাৰী আজানে কয় আহো পৰদেশ
বিনা গুৰুৰ মুখে কেৱে নাপায় নামৰ ভেদ।

জ্ঞানৰ কথা অৱতাৰণা কৰিলেই তেখেতে, সমস্ত কালৰ বিশাল জ্ঞান-ভঁৰাল চাৰি বেদৰ কথা নোকোৱাকৈ নাথাকে। ইছলাম আৰু আৰবী-সংস্কৃত সংহতিৰ উল্লেখো সেই সন্দৰ্ভত পোৱা যায়।

জীৱন-বৃত্তান্ত অনুযায়ী, ১৬৯০ চনত, এসপ্তাহ অসুখত ভূগি তেখেতে মহাপ্ৰয়াণ কৰে। জাতি-বৰ্ণ নিৰ্বিশেষে সকলো লোকেই তেখেতৰ বিয়োগত মৰ্মাহত হয়; শেষ যাত্ৰাত সকলোৱেই ভাগ লয়, আনকি সমাধিস্থ কৰাৰ বেলিকাও সকলো উপস্থিত আছিল। দহাৰ দিনাখন সমূহীয়া সকামত সকলোৱে নিজে নিজৰ ভাগে ভাগ লোৱাৰ দৃশ্য কেনে অনুপম ঃ

চাহেব যায় আগতে, ভকত যায় পাছতে
হায় হায় ঐ সোণাই নৈৰ কাষতে ঘৰ।
ফুলাম বৰ কাপোৰ গাতে মেলি দিলে
কাললৈ জেউতি চৰিল
মছজিদত তুলি লৈ বয়ত লগালে।
হিন্দুৱে বিলালে মাহে পৰসাদে
মুছলমানে বিলালে ৰুটি।



তেখেতৰ অনামী ভক্তই ৰচনা কৰা এই জিকিৰত তেখেতৰ মৃত্যু-বৰ্ণনা আৰু আনুষঙ্গিক ক্ৰিয়া-কৰ্মৰ উপৰিও অসমীয়া সমাজৰ মিলা-প্ৰীতিৰ উমৈহতীয়া জীৱনধাৰাৰ চিত্ৰ এখনো ফুটি উঠিছে।

জীৱন কালত আজান ফকীৰে ভালে কেইখন কোৰান হাতে লিখি উলিয়ায়। তাৰে বেছিভাগেই সেই সময়তেই আৰু পাছত মানৰ আক্ৰমণৰ দিনত (১৮২০-১৮২৬) হেৰাল। বৰ্তমান শিৱসাগৰ জিলাৰ নামতি চাৰিআলিত তেখেতৰ বংশধৰ এজনৰ ঘৰত আটোমটোকাৰিকৈ ৰখা একপি পোৱা গৈছে। সোঁফালে তাৰে ছবি ওপৰত তুলি দিয়া হৈছে।



শিৱসাগৰৰ জেঙণিকটিয়াত জিকিৰ গাই থকা বিখ্যাত জিকিৰ গায়ক কেৰিমুদ্দিন আহমদ আৰু তেওঁৰ সংগীসকল

আজান ফকীৰ স্বৰ্গগামী হোৱাৰ আজি তিনিটা শতিকাৰো অধিক কাল অতিবাহিত হ'ল। পিছে জিকিৰৰ স্থান, অসমৰ সংস্কৃতিৰ অবিচ্ছেদ্য অঙ্গৰূপে আজিও সমাদৃত; তদুপৰি ৰাজ্যৰ দুই মুখ্য সম্প্ৰদায়ৰ, ধাৰ্মিক, অসূয়া-বৰ্জিত মিলা-প্ৰীতিৰ অনবদ্য চানেকিও এই জিকিৰেই।

অসমৰ ইছলামীয় ঐতিহ্যৰ এই বাহক-ধাৰা বহু-সংস্কৃতি বিশিষ্ট আদৰ্শ সমাজ-ব্যৱস্থাৰ স্তম্ভস্বৰূপ আৰু সাম্প্ৰদায়িকতা আৰু সংকীৰ্ণতাৰ বিৰুদ্ধে এক উদাত্ত কণ্ঠ।

সাহিত্যাচাৰ্য্য চৈয়দ আব্দুল মালিকৰ জিকিৰ আৰু জাৰীৰ অনবদ্য পুথি অসমীয়া সাহিত্যলৈ এক বিশেষ অৱদান। দেৰগাঁৱ বালিবাটৰ শিক্ষক ৰেকিবুদ্দিন আহমদৰ সুৰীয়া কণ্ঠৰ জিকিৰেও অনেকক মোহিত কৰিছিল। আজিও অসমৰ বিভিন্ন প্ৰান্তত, হিন্দু-মুছলমান নিৰ্ব্বিশেষে জিকিৰ অনুষ্ঠান পৰিৱেশণত অংশ গ্ৰহণ কৰে।



গোলাঘাট জিলাৰ নাহৰণিত পৰিবেশন কৰা জিকিৰ; ওজাই গুৰি ধৰি নাম লগাই দিয়ে, বাকীসকলে বৃত্তাকাৰে নাচি-নাচি গীত জুৰে।

স্মৰ্তব্য যে আজান ফকীৰক দান দিয়া গোটেই মাটিডৰা কালক্ৰমত হিন্দু পৰিয়াল এটিৰ হাতলৈ আহে যদিও, তেওঁলোকে পাছত সেই সম্পত্তি দৰগাহ কমিটিৰ হাতত অৰ্পণ কৰে। কাষৰ গাওঁকেইখন প্ৰধানতঃ হিন্দু প্ৰধান, পিছে তেওঁলোকে এই পৱিত্ৰ ধামৰ সমীপত থাকিবলৈ পাই ধন্য বোধ কৰে আৰু দৰগাহৰ ৰক্ষণাবেক্ষণত পাৰ্য্যমানে সহায় কৰে।*

## টোকা আৰু প্ৰসঙ্গপুথি ঃ


১. John L. Esposito, *The Oxford Dictionary of Islam* (New York: Oxford University Press, 2003) p. 302.

২. Neeti M. Sadarangani, *Bhakti Poetry in Medieval India: Its Inception, Cultural Encounter and Impact* (New Delhi: Swarup and Sons, 2004). p. 40.

৩. S.K. Bhuyan, *Annals of the Delhi Badshahate* (Guwahati: DHAS, 1947) p. 16.

৪. ibid, p. 10.

৫. চাহজাহান আহমদ, "*ধুবুৰীৰ পাঁচ পীৰ দৰগাহ*", *অনুভূতি*, অক্টোবৰ ১৪, ২০০৭, পৃ. ১৮

৬. মহম্মদ তাহেৰ, "*গাড়ীগাঁও: ঐতিহ্য আৰু ইতিহাস*", মুস্তাক আহমেদ (সম্পাদনাত), *আৰাফ্*, হজৰত শ্বেইখ জালাল্উদ্দিন তাব্ৰিজী (ৰঃ)ৰ দৰগাহ শ্বৰিফ উৰুচ উদ্‌যাপন, ১৬ আৰু ১৭ ফেব্ৰুৱাৰী, ২০০৮, পৃ. ১৯-২২.

৭. Richard M. Eaton, *The Rise of Islam and the Bengal Frontier, 1204-1760* (Berkeley: University of California, 1993), আৰু, *Banglapedia, Vol. 9* (Dhaka: Asiatic Society of Bangladesh, 2003) pp. 196-197

৮. মহেশ্বৰ নেওগ, *পবিত্ৰ অসম* (গুৱাহাটী: লয়াৰ্চ, ১৯৯১) পৃ ৩৫-৩৬

৯. শ্বাহ জালাল পীৰৰ বিষয়ে চাওক *Banglapedia, Vol. 9. pp. 196-198* আৰু মোহাম্মদ আব্দুল শুকুৰ বড়ভুঁইয়া, *বরাকের পীর ফকির* (শিলচর: আরশি প্রকাশনী, ২০০৮)পৃ ১৭-২৬ ; অচ্যুতচরণ চৌধুরী তত্ত্বনিধি, *শ্রীহট্টের ইতিবৃত্ত*, পূর্বাংশ (কলকতা: কথা, ২০১০) দ্বিতীয় অধ্যায়

১০. মোহাম্মদ আব্দুর রহিম (জকি), *সুফী সাধক শিতালংশাহ* (সিলেট: নিউ এমদাদিয়া লাইব্রেরী, ১৯৯১)

১১. আজান পীৰ চাহেব আৰু তেখেতৰ জিকিৰৰ ওপৰত ভালেমান কিতাপ ইতিমধ্যে প্ৰকাশ পাইছে। তাৰ ভিতৰত উল্লেখযোগ্য হৈছে চৈয়দ আব্দুল মালিক, *অসমীয়া জিকিৰ আৰু জাৰী* (গুৱাহাটী বিশ্ববিদ্যালয়, ১৯৫৮)

১২. Shehabuddin Talesh, *Tarikh-e-Asham*, 2nd Edition, Translated by Mazhar Asif (Guwahati, DHAS, 2012) p:60

## পঞ্চম অধ্যায়

# উপসম্প্ৰদায়

চৈয়দ

মৰিয়া

ছেখ (সেখ)

জোলহা

টোকা আৰু প্ৰসঙ্গ পুথি

## পঞ্চম অধ্যায়

## উপ-সম্প্ৰদায়

ইছলামত সামাজিক ভেদা-ভেদৰ স্থান নাই। চুৰা নাছ (মানৱজাতি)ত মানুহক 'মানৱ জাতিৰ প্ৰতিপালক' খোদাৰহে আশ্ৰয় বিচাৰিববৈলে সকীয়াই দিছে ; এই কথাই সমগ্ৰ মানৱ কুল যে এক তাকেই প্ৰতিপন্ন কৰিছে।পৱিত্ৰ কোৰানত এনে ধৰণৰ আৰু উক্তি পোৱা যায়, যি বিলাকে নিঃসন্দেহে সূচায় যে সেই মহান সত্বাই মানৱক পৰস্পৰ কোনো পাৰ্থক্য নৰখাকৈয়ে সৃষ্টি কৰিছে, যদিও বিশ্ব চৰাচৰত সৃষ্টিৰ বিভিন্ন ৰূপ পোনচাটেই চকুত পৰে। পৱিত্ৰ কোৰান সমগ্ৰ মানৱ জাতিৰ বাবেই। ইছলামৰ মূল পাঁচটা অৱশ্য-কৰণীয় বিষয়ে; ধৰ্মটিৰ ভেটি স্বৰূপে, ভাষা, বৰ্ণ, লিঙ্গ নিৰ্বিশেষে অনুগামী সকলক অনুপ্ৰাণিত কৰে। তদুপৰি কোৱা বাহুল্য যে পৱিত্ৰ কোৰানৰ আদেশ-নিষেধ সকলো মুছলমানৰ বাবে একেই। তথাপিও , ভাষা, সংস্কৃতি, অঞ্চল, গাওঁ-চহৰ আদি ভেদে অবাঞ্চনীয় ভেদ-বৈষম্য দেখিববৈলে পোৱা যায়; ই নিতান্ত আক্ষেপৰ বিষয়। আটাইতকৈ গুৰুতৰ প্ৰসংগ হ'ল ছিয়া-চুন্নী সংঘাত; ই বিশ্ব-মুছলমানৰ ধৰ্মীয় আৰু ৰাজনৈতিক স্থিতিৰ প্ৰতি ভয়ানক ভাবুকি।[১]

এইখিনিতে এটা কথা উনুকিয়াই থোৱা ভাল হ'ব যে অসমীয়া মুছলমানসকলৰ প্ৰব্ৰজন তেৰ শতিকাত বখটিয়াৰ খিলজীৰ অসম অভিযানৰ পৰা আৰম্ভ হৈছিল আৰু এই প্ৰব্ৰজন ঘাইকৈ বংগৰ গৌড় অঞ্চলৰ পৰা হৈছিল। সেই সূত্ৰে অসমীয়া মুছলমানসকল গৰীয়া বুলি পৰিচিত হ'ল বুলি কোৱা হয়। কোনো কোনোৱে এই বুলিও কয় যে যিসকল অসমীয়া হিন্দু মানুহ ধৰ্মান্তৰিত হৈছিল তেওঁলোকক এঘৰীয়া কৰি গৰীয়া বুলি কোৱা হৈছিল।[২] যদিও সকলো অসমীয়া মুছলমানকে আন ধৰ্মৰ লোকসকলে গৰীয়া বুলি কয়, কিন্তু অসমীয়া মুছলমানসকলে নিজৰ মাজত ইয়াৰ সুকীয়া অৰ্থ কৰে। এই ভাব মতে, গৰীয়াসকলৰ ভিতৰত চৈয়দসকল নপৰে, সেইদৰে নপৰে মৰিয়া আৰু ন-অসমীয়া মুছলমানসকলো। মুঠতে ক'ব পাৰি যে যিসকল মুছলমান তেৰ শতিকাৰ পাছৰ পৰা সোতৰ শতিকালৈকে প্ৰধানকৈ পশ্চিম আৰু বংগৰ পৰা অসমলৈ আহিছিল, তেওঁলোককে গৰীয়া বুলি জনা হয়।

ভাৰতত, প্ৰব্ৰজন আৰু ধৰ্মান্তৰকৰণৰ জৰিয়তে মুছলমান সম্প্ৰদায়টি গঢ় লৈ উঠাৰ লগতেই সামাজিক ভেদাভেদেও দেখা দিয়ে। আৰব দেশ, চিৰিয়া, পাৰস্য আৰু বিশেষকৈ বাগদাদ আৰু কেতবোৰ ইৰানীয় চহৰৰ পৰা, ধৰ্ম প্ৰচাৰৰ লক্ষ্যেৰে অনেক ইছলামীয় পণ্ডিত আৰু প্ৰচাৰকৰ ভাৰতলৈ আগমন

ঘটিছিল। তেওঁবিলাকৰ বহুতেই ৰছুল হজৰত মহম্মদ (দঃ) ৰ বংশধৰ ৰূপে পৰিচিত।[৩] চৈয়দ নামেৰেও খ্যাত এওঁবিলাকক সেয়েহে বিশেষ সামাজিক মৰ্য্যাদা দিয়া হৈছিল, আৰু পুৰোহিত শ্ৰেণীৰ বুলি সন্মানৰ পাত্ৰও হৈছিল। তেওঁবিলাকৰ উত্তৰ পুৰুষৰ অনেকে সেই সন্মান অক্ষুন্ন ৰখাৰ প্ৰয়াস কৰিছিল, আৰু ইছলামীয় জগতৰ বিভিন্ন প্ৰান্তত সিঁচৰতি হৈ থকা সত্বেও চিলচিলা (বংশাৱলী) লিখি উলিয়াইছিল। যি কি নহওক অচৈয়দ সংখ্যাগৰিষ্ঠ বাকী মুছলমানৰ তুলনাত চৈয়দ সকল সংখ্যাত তাকৰ। ধৰ্মই সমৰ্থন নকৰা সত্বেও চৈয়দ অচৈয়দ 'ভিন্ন' পৰিচয় প্ৰসঙ্গ ভাৰতকে ধৰি দক্ষিণ আৰু দক্ষিণ পূব এছিয়াৰ প্ৰায়বোৰ দেশতেই লক্ষণীয়; অৱশ্যে এই বিভেদ ছিয়া-চুন্নি সংঘাতৰ পৰ্য্যায়ত উপনীত নহয়গৈ। অৱশ্যে, সুখৰ বিষয় যে বৰ্ত্তমান কালত এনে ভেদ ভাৱ বহুখিনি কমিবলৈ ধৰিছে; বিভিন্ন দিশত মুছলমান সমাজ আগবাঢ়িবলৈ ধৰাৰ লগতে পুৰোহিত জাতীয় শ্ৰেণী এটাৰ প্ৰয়োজনো হ্ৰাস পোৱাই ইয়াৰ মূল কাৰণ। তদুপৰি,আজিকালি চৈয়দ-অচৈয়দৰ বৈবাহিক সম্পৰ্কও লাহে লাহে বাঢ়িবলৈ লৈছে। সাধাৰণ ভাৱে, মুছলমান সকল আজিকালি ইছলামৰ মূল-তত্ব আৰু আচাৰ-অনুষ্ঠান আদিৰ ক্ষেত্ৰত আগতকৈ অধিক সজাগ হ'বলৈ ধৰা কাৰণে, ইছলামৰ ৰক্ষক বা নীতি-দ্ৰষ্টা ৰূপত 'ধৰ্মগুৰু'ৰ প্ৰয়োজন নোহোৱা হৈ পৰিছে। অসমৰ ক্ষেত্ৰত সংখ্যালঘু চৈয়দ সকলৰ বিশেষ অৱদানৰ উল্লেখ যথাস্থানত কৰা হ'ব।

এই সংক্ৰান্তত কৈ থোৱা উচিত যে অসমত ছিয়া আৰু চুন্নীৰ বৈৰিতাৰ কোনো আভাস পোৱা নাযায়। ইয়াৰ ছিয়ালোকৰ সম্বন্ধে কোনো জনসংখ্যাভিত্তিক তথ্য নাই যদিও, মোটামুটি ভাৱে ক'ব পাৰি যে প্ৰায় দহ নিযুত অসমৰ মুছলমানৰ ভিতৰত, এওঁবিলাক এক শতাংশতকৈ কম। কেইখনমান চহৰতহে এওঁলোকৰ বসতি; বহু পূৰ্ব্বেই উত্তৰ ভাৰতৰ পৰা অহা পূৰ্বপুৰুষৰ বংশধৰ এইসকল ছিয়াৰ উপস্থিতি সাধাৰণতে ধৰা পৰে। মহৰমৰ আছুৰাৰ দিনা তাজিয়া শোভাযাত্ৰা উলিওৱাৰ সময়ত তাজিয়াত তেওঁলোকে আগভাগ লয় আৰু তেতিয়া তেওঁলোকৰ উপস্থিতিৰ কিছু আভাস পোৱা যায়। অৱশ্যে আনৰ লগতে চুন্নী সকলৰ অনেকেও তাজিয়াত যোগ দিয়ে। এই দুই 'ফৈদ'ৰ সুকীয়াকৈ কোনো মছজিদ নাই, আৰু বৈবাহিক আদি সামাজিক আদান-প্ৰদানৰ বেলিকাও কোনো বাধা-নিষেধ নাই। এনেবোৰ কাৰণত অসমত এওঁলোকৰ মাজত দ্বন্দ্ব-খৰিয়ালৰ সম্ভাৱনা তেনেই নগণ্য। উত্তৰ ভাৰতৰ কেতবোৰ ঠাইৰ সচৰাচৰ ছিয়া-চুন্নীৰ মাজত তীব্ৰ 'শত্ৰুতা' আৰু অনেক সময়ত হিংসাত্মক সংঘাতৰ বিপৰীতে, পূৰ্বোত্তৰ ভাৰতত এই সমিলমিলৰ ছবিখনি অত্যন্ত প্ৰশংসনীয়।

## চৈয়দ

দক্ষিণ আৰু দক্ষিণ-পূব, এছিয়াৰ বৃহৎ ভূ-খণ্ডত ইছলামৰ প্ৰচাৰ আৰু প্ৰসাৰ কাৰ্য্যত অগ্ৰণী ভূমিকা গ্ৰহণকাৰী বহুতো পীৰ আৰু ফকীৰ চৈয়দ 'গোষ্ঠী'ৰ বুলি জনা যায়। অসমলৈ অহা প্ৰথম গৰাকী মুছলমান গুৰু হৈছে হানিফী পন্থী চুফী শ্বাহ চৈয়দ খুছবুল। বৰ্ত্তমান চিৰিয়াৰ এক বুৰঞ্জীখ্যাত নগৰ হিলালৰ পৰা তেখেত আহিছিল বুলি ধাৰণা কৰা হয়। পিছে কোনো কোনোৰ মতে তেখেত বিখ্যাত মদিনা চহৰৰহে। তেখেতৰ প্ৰকৃত নাম সম্পৰ্কে কিছু মতানৈক্য আছে; আকৌ কাৰোবাৰ মতে চৈয়দ বদিউদ্দিন শ্বাহ মাদাৰহে অসমলৈ অহা প্ৰথমগৰাকী চৈয়দ সন্ত, যিজনাক মাদাৰী পীৰ নামেও জনা যায়। আকৌ তেখেতেই বালিকটীয়া বা বালিগতী পীৰ শ্বাহ চৈয়দ খুছবুল বুলি তেখেতৰ উত্তৰ-পুৰুষে, সযতনে ৰখা বংশাৱলীৰ ভিত্তিত কʼব খোজে ।

১৪৯৭ চনত আহোম স্বৰ্গদেউ চুহুংমুঙ (১৪৯৭-১৫৩৯) ৰ ৰাজত্ব কালত অহা এই পীৰজনাৰ বংশধৰ হ'ল বালিকটীয়া চৈয়দ সকল। তেওঁলোক অসমৰ সকলো ঠাইতে সিঁচৰতি হৈ আছে।

সেইখিনি সময়তেই বঙ্গৰ শাসনকৰ্ত্তা হুছেইন শ্বাহে ১৪৯৮ খ্ৰীষ্টাব্দত অসম আক্ৰমণ কৰি কমতাপুৰ আৰু হাজোলৈকে নামনি অসমৰ কেতবোৰ ঠাই অধিকাৰ কৰে। ইয়াৰ পাছত ১৫২৭ আৰু ১৫৩২ চনত পাঠান সেনাপতি তুৰ্বকেও আহোম ৰাজ্য দখলৰ অভিপ্ৰায়েৰে দুবাৰো চেষ্টা চলায়। পিছে শেষোক্ত বছৰতেই আহোম সৈন্যই হুছেইন শ্বাহৰ আৰু কলিয়াবৰৰ ওচৰত তুৰ্বকৰ সৈন্যকো পৰাস্ত কৰে। এই আক্ৰমণত যথেষ্ট সংখ্যক মুছলমান সৈন্য আহোমৰ হাতত বন্দী হ'ল। পিছে যুদ্ধ-বন্দীহঁত অনভিজ্ঞতা হেতু খেতি-বাতিৰ কামৰ বাবে সম্পূৰ্ণ অযোগ্য প্ৰতিপন্ন হ'ল। ৰজাই তেতিয়া শ্বাহ চৈয়দ খুছবুলক বন্দীহঁতৰ শিক্ষাৰ দায়িত্ব অৰ্পণ কৰিলে। পাছলৈ স্বৰ্গদেৱে এইসকল যুদ্ধবন্দীক নগাওঁ আৰু গোলাঘাট জিলাৰ ঠায়ে ঠায়ে থাপিলে; এওঁলোক কালক্ৰমত কাহঁ-পিতলৰ সাজ-বাচন তৈয়াৰ কৰাত পাৰ্গত হৈ মৰিয়া নামে জনাজাত হয়। সেই গুণেই গুৰু খুছবুলক মৰিয়া-পীৰ নামেও জনা যায়।

চৈয়দসকলৰ ভিতৰত আটাইতকৈ খ্যাতিসম্পন্ন আজান ফকীৰৰ সম্পৰ্কে আগৰ অধ্যায়ত বিস্তৃত আলোচনা কৰা হৈছে। আমোদজনক কথা যে এটা সময়ত চৈয়দসকলে কেৱল সগোত্ৰীয় (নিজৰ ভিতৰতে) বিবাহৰ জৰিয়তে গোত্ৰ 'পৱিত্ৰতা' ৰক্ষা কৰাৰ চেষ্টা চলাইছিল। কিন্তু তেওঁলোকৰেই আদি পুৰুষসকলৰ এজন আজান ফকীৰে নিজে এগৰাকী অচৈয়দ আৰু পাছত এগৰাকী আহোম কন্যা পত্নীৰূপে গ্ৰহণ কৰিছিল।

অনস্বীকাৰ্য যে আন ঠাইৰ দৰে অসমতো বিগত কালত ধৰ্ম বিষয়ক সকলো কথাৰ জ্ঞান শিক্ষা দিয়াত চৈয়দসকলেই মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। কাৰণ, এই বিষয়ত তেওঁলোকে পৰম্পৰাগতভাৱে জ্ঞান চৰ্চা কৰিছিল। আগৰ দিনত অসমৰ ভালেমান ঠাইত মুছলমান গাঁওত স্থায়ীভাবে বসবাস কৰিবলৈ চৈয়দসকলক মাতি আনিছিল বুলি জনা যায়। মছজিদ-মকতবৰ দায়িত্ব গ্ৰহণ কৰি তেওঁলোকে সমূহীয়া নামাজত ইমামতি কৰিছিল আৰু স্থানীয় ল'ৰা-ছোৱালীক ধৰ্মীয় শিক্ষা-দীক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল। প্ৰায়বোৰ জামাততে, ইমামৰ ভাৰ বহন কৰিছিল কাৰণে চৈয়দসকলক নিকাহ, তালাক, উত্তৰাধিকাৰ আৰু আনকি সৰু-সুৰা কাজিয়া-পেচাল সংক্ৰান্তত মতামত দিবলৈয়ো দিয়া হৈছিল। সেইবিলাক ফটোৱা ৰূপে গণ্য নহলেও তেওঁবিলাকৰ চিন্তা-বিচাৰ সচৰাচৰ গ্ৰহণীয় হৈছিল। এইদৰে বিগত কালত ঘাইকৈ ব্ৰহ্মপুত্ৰ উপত্যকাত চৈয়দ সকলে খিলঞ্জীয়া অসমীয়া মুছলমান সমাজলৈ এক উল্লেখযোগ্য অৱদান আগবঢ়াইছিল।

এইখিনিতে আৰু এটা কথা প্ৰণিধানযোগ্য। চৈয়দ সম্প্ৰদায়ৰ মহিলাসকল বোৱা-কটাত বৰ পাকৈত। পাট আৰু কপাহী সূতাৰে বোৱা ৰিহা, মেখেলা, চাদৰ, গামোচা, বিশেষকৈ মহিলাৰ বাবে বৈ উলিওৱা অতিকৈ আটক-ধুনীয়া কিংখাপ সাজ-পাৰত নানা ধৰণৰ চালে চকুৰোৱা ফুল বচা কামত চৈয়দ মহিলা শিপিনী অতি পাৰ্গত আছিল। নানা বিধ কাপোৰত তেওঁলোকৰ সূক্ষ্ম কাম মুছলমান ঐতিহ্যৰ অন্য এক স্বৰূপ। তেওঁলোক ধোৱা পাটৰ কাপোৰ বোৱাত বৰ নিপুণ আছিল। অৱশ্যে সময়ৰ লগে লগে চৈয়দ মহিলাসকলৰ মাজত চিৰ পৰিচিত এই বয়ন কলা-কুশলী কমি আহিবলৈ ধৰিলেও গাঁও অঞ্চলত বাস কৰা চৈয়দ বোৱনী-শিপিনীৰ মনোমোহা আৰু নিপুণ কাম এতিয়াও দেখিবলৈ পোৱা যায়। তেওঁলোকে কেপিয়া (কেপেয়া) বাটি কৰাৰ পদ্ধতিৰে কাপোৰ বোৱাৰ পৰম্পৰা এতিয়াও জীয়াই ৰাখিছে।

## মৰিয়া

দ্বিতীয় অধ্যায়ত পাই অহা, আহোম ৰজা চুহুংমুঙৰ দিনৰ শেষৰটো তুৰ্কী আক্ৰমণৰ (এপ্ৰিল ১৫৩২) সেনাপতি তুৰ্বক নগাওঁৰ কলিয়াবৰ পৰ্য্যন্ত আগুৱাই আহি তাতে কেইমাহমান বাহৰ পাতি পুনৰ আহোমক আক্ৰমণ কৰিবলৈ যো-জা কৰোঁতেই পৰাস্ত হ'বলগীয়া হয়। প্ৰায় নশ মান সৈন্য যুদ্ধ-বন্দী হয়; পাছলৈ স্বৰ্গদেৱে এওঁলোকক থিতাপি লগোৱাত কলিয়াবৰৰ আশে-পাশে নতুন মুছলমান বসতিৰ সূচনা হয়।

ৰজাই এওঁলোকক ধানৰ খেতিত নিয়োজিত কৰিবলৈ বিচাৰিছিল। কিন্তু এই ক্ষেত্ৰত সম্পূৰ্ণ অনভিজ্ঞ বুলি প্ৰমাণিত হ'লত তেওঁলোকক ৰজাৰ-হাতী শালৰ কামত লগোৱা হ'ল; পিছে অভিজ্ঞতাৰ অভাৱত তাতো তেওঁলোকে একো সুফল দেখুৱাব নোৱাৰিলে। বুৰঞ্জীবিদ এডৱাৰ্ড গেইটৰ মতে, শেষত তেওঁলোকৰ নিজৰ ওপৰতে জীৱিকাৰ দায়িত্ব এৰি দিয়া হ'লত তেওঁলোকে পাছলৈ কাঁহ-পিতলৰ কামত লাগিল, আৰু এতিয়াও তেওঁলোকৰ বংশধৰসকলে কিছু পৰিমাণে সেই বৃত্তিৰেই জীৱিকা নিৰ্ব্বাহ কৰে।[৪]

আদিতে তেওঁলোকৰ ভালেমানক কলিয়াবৰৰ আশে-পাশে খেতিৰ বাবে মাটি দিয়া হ'ল, সেই ঠাই তুৰ্বক বা তুৰ্কীৰ নামেৰে, তুৰুক-হাটী বুলি জনাজাত হ'লগৈ। কিছুমানক আকৌ গোলাঘাটৰ মৰঙ্গি মৌজালৈও পঠিয়াই দিয়া হ'ল।

 

হাজোৰ ফকীৰপাৰাত কাঁহ-পিতলৰ শিল্পত ব্যস্ত মৰিয়াসকল

মৰিয়াসকলে কিন্তু থলুৱা কমাৰ-শালত কাঁহ-পিতলৰ পাতেৰে, বেলেগ বেলেগ আকাৰ আৰু জোখৰ সাজ-বাচন তৈয়াৰ কৰাৰ দক্ষতাৰ বাবেহে গৌৰৱ কৰিব খোজে; পাছলৈ বন্দুক বৰতোপ সজাতো পাৰদৰ্শিতা লাভ কৰেগৈ। এইবোৰ কাৰ্য্যত গধূৰ হাতুৰীৰে ধাতুৰ পাতত কোব মাৰিব লগীয়া হয় বাবে, কাৰিকৰবোৰে মৰিয়া নাম পালে বুলি কোৱা হয়। পিছে, কোনোৱে ক'ব খোজে যে, এই গোষ্ঠীৰ বড়োসকলৰ সৈতে গাঢ় সম্পৰ্ক থকা বাবে, এওঁলোকেও বড়ো-মূলজনিত মাৰৈ পূজা কৰিছিল হেতু, মৰিয়া নামেৰে জনাজাত হ'ল। সি যি কি নহওক, এইটো ধুৰূপ যে মৰিয়াসকলৰ হৃষ্ট-পুষ্ট তুৰ্কীমূলক সৈন্য কিছুমানক আহোম সেনাবাহিনীত ভৰ্ত্তি কৰোৱা হৈছিল; তেওঁলোকৰ সাহ-পিত আৰু যুঁজাৰু কৌশলৰ বাবে। বিখ্যাত শৰাইঘাট যুদ্ধত (মাৰ্চ ১৬৭১) মোগল সেনাপতি ৰাজা ৰাম সিংহক পৰাভূত কৰা কিম্বদন্তী-পুৰুষ লাচিত

বৰফুকনৰ ঘনিষ্ঠ সহযোগী লাইধন খাঁ, এনে এক যোদ্ধাই আছিল। জনপ্ৰিয় লোক গীতত উল্লেখ আছেঃ

লাইধন বোপাটি মুৰতে কিৰিটী
বঙালক বধিলি ৰণত,
বাছুৰৈ ফৈদৰ নামে তই ৰাখিলি
স্বৰ্গদেউ খুচি হ'ল মনত।

মানৰ অসম আক্ৰমণৰ কালছোৱাত (১৮১৭-২৬) অসমীয়া প্ৰজাই নিৰাপদ স্থানৰ সন্ধানত যেনি-তেনি পলাই যাবলৈ ধৰে। মৰিয়া ৰাইজৰ অনেকেই ৰজাই দিয়া মাটি-ভেটি এৰিবলৈ বাধ্য হৈ অসমৰ বিভিন্ন ঠাইত থিতাপি লৈছিলগৈ। তেওঁবিলাকৰ সতি-সন্ততিৰ উত্তৰ পুৰুষ এতিয়াও বিভিন্ন ঠাইত বাস কৰা দেখিবলৈ পোৱা যায়। এনে প্ৰব্ৰজন সত্বেও তেওঁলোকে কিন্তু নিজা বৃত্তি পৰিত্যাগ নকৰিলে। ভিন ভিন এলেকাত অৱস্থিত তিনিখন মৰিয়া গাওঁ, কলিয়াবৰৰ অতি পুৰণি জয়ন্তীপুৰ, হাজোৰ ইছলাম পট্টি আৰু উত্তৰ গুৱাহাটীৰ পূবৰ মান্দাকাটা, এই আটাইকেইখনতে কাঁহ-পিতলৰ শিল্প-উদ্যোগ কৰ্ম এতিয়াও পুৰুষানুক্ৰমে চলি আছে। পূৰ্বাপৰ ঐতিহ্য বজাই ৰখাৰ এই নিদৰ্শন নিঃসন্দেহে উৎকৃষ্ট।

মৰিয়া সম্প্ৰাদয়ৰ এক সংস্থাৰ মতে তিনিচুকীয়া, ডিব্ৰুগড়, যোৰহাট, গোলাঘাট, লক্ষীমপুৰ, শোণিতপুৰ, দৰঙ আৰু নগাওঁ জিলাৰ মুঠতে ৫৫খন মান গাঁৱত এওঁলোকৰ বসতি বিয়পি আছে। অন্যান্য-পিছপৰা সম্প্ৰদায়ৰ সূচীত অন্তৰ্ভুক্ত মৰিয়া গোষ্ঠী চৰকাৰৰ ইতিবাচক উন্নয়ন আঁচনিসমূহৰ সুবিধা পোৱাৰ যোগ্য। তুৰ্কী যোদ্ধাৰ বংশধৰ এইসকল লোক বৰ্ত্তমান বিভিন্ন কাৰণত তেওঁলোকৰ পৰম্পৰাগত বৃত্তি বিফলকাম হোৱাৰ বাবে আৰ্থিকভাৱে বা শিক্ষাগত দিশত পিছ পৰি গৈছে। সেইটো হলেও, তেওঁলোকৰ মূল আৰু বিশেষ বৃত্তিক লৈ গৌৰৱ কৰাৰ প্ৰয়াস পায়।

এটা কথা কিছু মনকৰিবলগীয়া যে যদিও মৰিয়াসকলৰ মাতৃভাষা অসমীয়া, তেওঁলোকৰ কিছুমানৰ এটা সুকীয়া দোৱান আজিও প্ৰচলিত হৈ আছে। এই দোৱানৰ বড়ো ভাষাৰ লগত কিছু মিল আছে বুলি কোৱা হয়। যি কি নহওক, মৰিয়াসকলে নিজৰ সম্পৰ্কে অসমীয়া বুলি সদায়ে পৰিচয় দি আহিছে আৰু এই পৰিচয়ৰে গৌৰৱ অনুভৱ কৰে, যিদৰে তেওঁলোকে তুৰ্কী মূল আৰু যুজাৰু-সুলভ মনোবৃত্তিৰ বাবেও গৌৰৱ কৰে। জয়ন্তীপুৰৰ বাসিন্দা স্কুল শিক্ষক ইনতাজ আলিৰ মতেঃ

> আমি তুৰ্বকৰ বন্দী সেনাৰ বংশধৰ। যুদ্ধ-বন্দীসকলৰ সৰহভাগেই তুৰ্কী আছিল। যোদ্ধা ফৈদ হিচাপে তেওঁবিলাকৰ নাম আছিল। আমাৰ এতিয়াও সেই যুঁজাৰু মনটো আছে, আৰু তাৰ বাবে আমি গৌৰৱ বোধ কৰো। আমাৰ মাজৰে কিছু লোক ৰাজ্যৰ শৃঙ্খলা বজাই ৰখা কামত আৰক্ষী বিভাগত আছে। থোৰতে ক'বলৈ গ'লে আমি অতীতক লৈ গৌৰবান্বিত, আৰু লগতে বৰ্ত্তমানেও আমি অতীতৰ ঐতিহ্য, কাঁহ-পিতলৰ শিল্প-কৰ্ম যে জীয়াই ৰাখিব পাৰিছো সেই কাৰণেও গৌৰৱ কৰো। মৰিয়া সম্প্ৰদায় হিচাপে পৰিচয়ত আমি গৌৰৱান্বিত।

সুকীয়া পৰিচিতিৰ এনে ভাব আৱেগে অৱশ্যে বৃহত্তৰ সমাজখনত তেওঁলোকৰ বৃত্তি আৰু সংস্কৃতিজনিত পৰিচয় লাঘৱ কৰা নাই। সদৌ অসম মৰিয়া সমাজ নামৰ তেওঁলোকৰ সন্থা, অসমীয়া মুছলমান সংস্কৃতিৰ অঙ্গ হিচাপেই মৰিয়া-ঐতিহ্য সংৰক্ষণত আগ্ৰহী।

## ছেখ (সেখ)

খিলঞ্জীয়া অসমীয়া মুছলমানসকলৰ যি সকলক সামাজিকভাৱে চৈয়দ বা মৰিয়া বুলি চিনাক্ত কৰা নহয় তেওঁলোক অসমত ছেখ (সেখ) নামেৰে পৰিচিত। অসমীয়া মুছলমানসকলৰ এই গোটটোৱেই সংখ্যাগুৰু। এওঁলোক আগৰ যুদ্ধবন্দী ধৰ্মান্তৰিত, স্বইচ্ছাই আগত বা ৰাজ-সৌজন্যত অহা মুছলমানসকলৰ বংশধৰ।

## জোলহা

উজনি অসমৰ কেতবোৰ অঞ্চলত দেখা পোৱা কম সংখ্যাৰ এক সৰু সম্প্ৰদায় জোলহা লোক। এওঁলোক দুটা পৰ্য্যায়ত অসমলৈ আহে। প্ৰথমে, আহোম ৰজাৰ দিনত, যেতিয়া তেওঁলোকক কাপোৰ বোৱা-সিয়া কামত নিযুক্তি দিয়া হৈছিল আৰু দ্বিতীয়তে, উনবিংশ শতিকাৰ শেষৰ ফালে, চাহ-বাগিচাত কাম কৰিবলৈ ব্ৰিটিছ চাহ-খেতিয়কে যেতিয়া বহুতো বনুৱা আনে তেতিয়া। এই গোষ্ঠীৰ, প্ৰথমে অহাৰ তাঁতীয়ে তাঁতশাল প্ৰায় এৰাৰ দৰে হৈছেগৈ; সেইদৰে পিছৰ খেপৰ পৰিচয় এতিয়া প্ৰাক্তন চাহ-শ্ৰমিকহে।




বাওঁফালৰ ছবিত বালিবাট জোলহা গাঁও; তাৰে বাসিন্দা তুফান আলী

আহোমৰ দিনত অহা জোলহাৰ বসতি ঘাইকৈ মৰাণ, নাজিৰা আৰু ডিমৌ অঞ্চলত; আনহাতে ইংৰাজে অনা জোলহা যোৰহাট জিলাৰ তিতাবৰ, গোলাঘাট জিলাৰ দেৰগাওঁৰ ওচৰৰ বালিবাট আৰু মিছামৰা, আৰু শোণিতপুৰ জিলাৰ ঠায়ে ঠায়ে দেখা যায়। দেৰগাওঁৰ আৰক্ষী প্ৰশিক্ষণ মহাবিদ্যালয়ৰ পৰা চাৰি কিলোমিটাৰ মান দূৰৰ বালিবাটৰ আশী বছৰীয়া তুফান আলীয়ে কয় ঃ

> ব্ৰিটিছ চাহ খেতিয়কে আমাক ইয়ালৈ, বৰ্ত্তমান ঝৰখণ্ডৰ হাজাৰীবাগ জিলাৰ পৰা ১৯০০ চন মানত আনিছিল। চাহ বাগিচাত কাম কৰিবলৈ আমি কেবাশও মানুহ আহিছিলো। আমাৰ ককা আৰু কুটুমখিনিক বাগিচাৰ কাম দি নেঘেৰীটিঙত ৰাখিলে; মই তাতেই জন্ম হৈ ডাঙৰ-দীঘল হ'লোঁ। পাছত, ব্ৰিটিছ কোম্পানী গুচি যোৱাৰ আগতে আমাক বালিবাটত থাকিবলৈ দিলে; এতিয়া আমাৰ ইয়াত ষাঠিটামান পৰিয়াল আছে। আমাৰ বোপা-ককাহঁতে ভোজপুৰী ভাষা কৈছিল যদিও আমি সেই ভাষা নাজানো। আমি অসমীয়া সমাজতে জাহ গ'লোঁ, আৰু এতিয়া অসমীয়া বুলি চিনাকি দিয়েই গৌৰৱ কৰোঁ।

সেই একে এলেকাৰে, প্ৰায় পয়সত্তৰ বছৰীয়া আয়েছা বিবিয়ে ইছলামলৈ দীক্ষিত হোৱাৰ কথা কয় ঃ

> আমি ইছলাম গ্ৰহণ কৰাৰ আগত, পোনতে নিম্ন জাতিৰ হিন্দু আছিলোঁ। হাজাৰীবাগ জিলাত আমাৰ ককাহঁতৰ ঘৰ সেইখনেই আমাৰ পুৰণা 'দেশ'। এই কথা আমি সৰু থাকোঁতে ককা-আইতাই কৈছিল। তেওঁলোকে ভোজপুৰী কৈছিল আৰু ভোজপুৰীতেই বিয়াৰ নাম আৰু আন গান গাইছিল, পাছলৈ তেওঁলোকে ভঙা-ভঙা অসমীয়াও কৈছিল। আমাৰ আই-বোপায়ে আমাক অসমীয়া শিকোৱাত জোৰ-দিলে আৰু আমিও অসমীয়া নিম্ন-প্ৰাইমেৰী বুনিয়াদী স্কুলত পঢ়ি আৰু অসমীয়া লৰা-ছোৱালীৰে সৈতে খেলা-ধূলা কৰি ভাষাটো ভালকৈ শিকিলো। এতিয়া মই আমাৰ পুৰণি ভাষটো ক'ব নোৱাৰো।



আয়েছা বিবি

আয়েছা বিবি আৰু তুফান আলীয়ে বসবাস কৰা বালিবাটৰ পৰা ১৫ কিলোমিটাৰ দূৰৈৰ মিছামৰা এলেকাত সৰু জোলহা-বসতিএটা আছে বুলি কৈছিল। তাত তেওঁলোকৰ আপোন-পৰিয়াল বহুত মানুহ স্থায়ীভাবে বাস কৰে। সেইদৰে, শিৱসাগৰ জিলাৰ মৰাণৰ আশে-পাশেও ভালেমান জোলহা সম্প্ৰদায়ৰ লোকে বসবাস কৰি আহিছে। অৱশ্যে, তেওঁলোক স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনতে আহিছিল বুলি কোনো কোনোৱে ক'বলৈ বিচাৰে। এই দিশত অধিক গৱেষণা কৰিলে হয়তো বহুতো কথা জানিবলৈ পোৱা যাব।

দেৰগাঁও-বালিবাটৰ ওচৰৰ জোলহা এলেকাৰ ঘৰৰ আগফালে বাসিন্দাসকলে পাঁচ ফুটমান ওখ বাঁহৰ বেৰা দিয়ে; ই বাৰীখনৰ ৰক্ষণা-বেক্ষণ আৰু মহিলাসকলৰ পৰ্দাৰো কাম কৰে, বাহিৰৰ আলিবাটৰ মানুহৰ চকু যাতে ঘৰৰ মহিলাৰ ওপৰত নপৰে। যদিও ইয়াত পৰ্দা প্ৰথাৰ প্ৰচলন নাই আৰু তিৰোতাৰ চাল-চলনত বাধা নাই। মুখীয়ালসকলৰ মতে ঘৰৰ ভিতৰলৈ আলিবাটৰ পৰা নেদেখাই ভাল।

বালিবাটৰ জোলহা-পাৰাৰ বাসিন্দাসকল কথা-বতৰা, সাজ-পোছাক আৰু আচৰণত আন যিকোনো অসমীয়াৰ সৈতে প্ৰায় একেই। মন কৰিবলগীয়া সাধাৰণ অসমীয়া মুছলমান মহিলাৰ দৰে জোলহা মহিলায়ো নিয়মীয়া পোছাক হিচাপে মেখেলা-চাদৰেই পিন্ধে।

উজনি অসমৰ যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড় আৰু শোণিতপুৰ জিলাত, বৰ বেছি সংখ্যাত ন'হলেও জোলহা লোক দেখা যায়।

আন মুছলমানৰ সৈতে বিয়া-বাৰুৰ ফলত এতিয়া গোষ্ঠীটোৰ আগৰ বান্ধোন শিথিল হৈছে; লগতে আন ঠাইলৈ মানুহবোৰ গুচি-গুচি যোৱাৰ ফলতো এনে হবলৈ পাইছে। জোলহা-সন্থা এটা গোলাঘাটত গঢ় লৈ উঠিছে; এই জনগোষ্ঠীটোৰ সৰ্ব্বাঙ্গীন উন্নতি আৰু তাৰ লগতে ভিন ভিন এলেকাত অৱশেষ বৈ যোৱা সকলেৰে মিলি তেওঁলোকৰ পৰম্পৰা ৰক্ষা কৰিবলৈ এই সংগঠনটোৱে প্ৰচেষ্টা চলাই আহিছে। মনত ৰাখিবলগীয়া যে মৰিয়া গোষ্ঠীৰ দৰেই জোলহা লোককো, নিজে নজনালে সুকীয়া সামাজিক গোট হিচাপে চিহ্নিত কৰিব নোৱাৰি। ইছলামীয় পৰিচয় অসমীয়া সামাজিক পৰিচিতিৰ সৈতে ওতপ্ৰোতভাৱে সাঙোৰ খাই পৰা গুণে, বিশেষ কোনো পাৰ্থক্য-সীমাৰেখাৰ অবৰ্ত্তমানত, তেওঁলোক অসমীয়া মুছলমান হোৱাৰ চিন ফুটি উঠে। ✶

## টোকা আৰু প্ৰসঙ্গপুথি

১. ছিয়া আৰু চুন্নী সম্প্ৰদায়ৰ জনসংখ্যা সম্পৰ্কত বহুতো নিৰ্ভৰযোগ্য তথ্য প্ৰকাশ পাইছে এইখন গ্ৰন্থত, Tracy Miller (ed), *Mapping of the Global Muslim Population: A Report on the Size and Disrtibution of the World Muslim Population* (Washington DC: Pew Research Centre, 2009)। এই দুটি ফৈদৰ লগত সৃষ্টি হোৱা সংঘাত আৰু তাৰ বৰ্তমান স্বৰূপৰ বিষয়ে কিছু বছৰ আগতে প্ৰকাশ পোৱা তথ্যগধুৰ মূল্যবান গ্ৰন্থ এখন হৈছে Lesley Hazleton, *After the Prophet: The Story of the Shia - Sunni Split* (NewYork: Anchor Books, 2009)

২. নগেন শইকীয়া, *অসমীয়া মানুহৰ ইতিহাস* (গুৱাহাটী: কথা প্ৰকাশন, ২০১৩) পৃ ৩৫৭-৩৫৮

৩. চৈয়দ সকলৰ ওপৰত অধিক তথ্যৰ বাবে চাওক *(Banglapaedia,National Encyclopedia of Bangladesh, Vol. 9 (Dhaka: Asiatic Society of Bangladesh, 2003)* চৈয়দ চৈয়িদুৰ ৰহমানে অসমৰ চৈয়দসকলৰ ওপৰত এখন চিলচিলা প্ৰস্তুত কৰিছিল। ইয়াৰ উপৰিও www.syedsofassam.com ৰ পৰা কিছু কথা জানিব পৰা যায়।

৪. Edward Gait, *A History of Assam* (Calcutta: Thacker Spink, 1967) p. 96. লগতে চাওক see B.N. Bordoloi *et.al.*, *Tribes of Asam*, Vol. 2 (Guwahati: Tribal Research Institute, 1991).

## ষষ্ঠ অধ্যায়

# সৃজনীমূলক ঐতিহ্য আৰু লোকগীত

লোকগীত

সৃষ্টিধৰ্মী ঐতিহ্য

টোকা আৰু প্ৰসঙ্গ পুথি

## ষষ্ঠ অধ্যায়

# সৃজনীমূলক ঐতিহ্য আৰু লোক গীত

### লোক গীত

তৃতীয় অধ্যায়ত পোৱাৰ দৰে বিয়া খটনা আদিত মুছলমান মহিলাই গোৱা গীত লোক সংস্কৃতি আৰু পৰম্পৰাৰ অঙ্গ; ইয়াৰ  কেতবোৰ জনপ্ৰিয় কিম্বদন্তী, কেতবোৰ খেল-ধেমালিক লৈ আৰু আন কিছুমান বনৰীয়া হাতী ধৰা আৰু বশ কৰা আদিক লৈ গোৱা হয়। বিশেষকৈ গোৱালপাৰা জিলাত হাতীক কেন্দ্ৰ কৰি গোৱা লোক গীত অতিকৈ জনপ্ৰিয়। প্ৰতিমা পাণ্ডে বৰুৱাৰ  নাম এই সুবিখ্যাত লোক গীতৰ সৈতে ওত-প্ৰোতভাবে জড়িত। গায়ক বা গায়িকা যি ধৰ্মৰে নহওক, তেওঁ গোৱা হাতী-কেন্দ্ৰিক ভালেমান গীতত ইছলামীয় ভাবৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। তেনেকুৱা অলেখ গীতৰ মাজৰ পৰা এটি গীত তলত দিয়া হৈছেঃ

আল্লা ৰছুল, হায় আল্লা ৰছুল,<br>
গৌৰীপুৰৰ মহলৰ হাতী,<br>
আল্লা ৰছুল, হায় আল্লা ৰছুল।<br>
হাতীত উঠি গুৱাহাটী দেখবি,<br>
আল্লা ৰছুল, হায় আল্লা ৰছুল,<br>
মন ফান্দী হাতী ধৰা,<br>
আল্লা ৰছুল, হায় আল্লা ৰছুল,<br>
লালকি বাবাৰ হাতীৰে ভাই,<br>
আল্লা ৰছুল, হায় আল্লা ৰছুল,<br>
শাল গছৰ মইনাৰে<br>
আল্লা ৰছুল, হায় আল্লা ৰছুল,<br>
গৌৰীপুৰেৰ ফকীৰৰে ভাই,<br>
আল্লা ৰছুল, হায় আল্লা ৰছুল।<br>
আল্লা ৰছুল কৰ, আল্লা ৰছুল কৰ<br>
আল্লা ৰছুল, হায় আল্লা ৰছুল।

বহুতো অসমীয়া মুছলমান গাঁৱত বসন্ত ওলালে গঁএঞা মহিলাই বৰ, মাজু আৰু সৰু আই 'গোসানী'ক সন্তুষ্ট কৰিবলৈ আই নাম গায়। এই ধৰণৰ লোকাচাৰ বাংলাদেশৰ গ্ৰাম্য অঞ্চলতো দেখিবলৈ পোৱা যায়। তাত তেওঁলোকে শীতলা আই বুলি মানে।[১] ব্ৰহ্মপুত্ৰ উপত্যকাত হিন্দু সম্প্ৰদায়ৰ দৰেই গাঁও অঞ্চলত কাৰোবাৰ শৰীৰত আই ওলালে বয়োজ্যেষ্ঠা মুছলমান মহিলাসকলে 'আই গোসানী'ক সন্তুষ্ট কৰিবলৈ বুলি আই নাম গোৱা এতিয়াও দেখিবলৈ পোৱা যায়। যিগৰাকী ব্যক্তিৰ আই ওলাইছে তেওঁৰ ঘৰৰ আগচোতালত ঢাৰি পাৰি বহি আগত তামোল-পাণ, জবা ফুল আৰু কল ৰাখি লৈ মহিলাসকলে আই নাম গায়, যাতে আই ওলোৱা ব্যক্তিগৰাকীৰ কোনো অঙ্গতে খুঁত নাৰাখি আই সোনকালে তাৰ পৰা গুচি যায়। তেওঁলোকে নাম গাই পাত্ৰ এটাৰ ৰাখি থোৱা পানীত আটাই কেইগৰাকী নাম গোৱা মহিলাই ফুঁকিয়াই দিয়ে আৰু সেই পানী মিহলাই স্নান কৰিলে ৰোগী সোনকালে আৰোগ্য হয় বুলি জন বিশ্বাস থকা দেখা যায়। এতিয়া অৱশ্যে বসন্ত ৰোগ সম্পূৰ্ণভাবে নিৰ্মূল হৈছেই; মাজে-সময়ে নুতি আই (measles) ওলোৱাৰ বাতৰি পোৱা যায়। আজি কালিও এইবিধ আই ওলালে ৰোগীক কলপাতৰ ওপৰত শুৱলৈ দিয়া হয়, জানোচা ৰোগীয়ে জ্বৰৰ পৰা অলপ সকাহ পায়। গাখীৰত চাউল সিজাই কৰা পায়স, নাৰিকল আৰু মিঠাই আদিৰে চুবুৰীয়া ল'ৰা-ছোৱালীক আপ্যায়ন কৰা হয়।

জনবিশ্বাস মতে কাৰোবাৰ গাত আয়ে দেখা দিলে জ্বৰ আৰু শৰীৰত হোৱা পীড়াৰ পৰা সকাহ পাবলৈ আৰু ৰোগীৰ কোনো অপায়-অমঙ্গল হোৱাৰ পৰা পৰিত্ৰাণ পাবলৈ 'আই গোসাঁনী'ক তুষ্ট কৰিব লাগিব; নহ'লে ৰোগীৰ শ্ৰৱণ শক্তি কমি যোৱা, চকুৰ দুৰ্বলতা, মানসিক বিকাৰ, আনকি দৃষ্টি শক্তি একেবাৰে বিলুপ্ত হ'বও পাৰে। এইবিলাক নহ'বলৈকে আইক সন্তুষ্ট কৰিবলৈ আই নাম গোৱা হয়।

ভগৱতী আয়েই 'আই গোসাঁনী' বুলি মানি লোৱা লোক অসমৰ মুছলমান সমাজৰ কিছুমান ঠাইত, বিশেষকৈ নামনি অসমত, দেখিবলৈ পোৱা যায়। কিন্তু মন কৰিব লগীয়া কথা যে ক'তো আইৰ ছবি বা মূৰ্তি থাপনাত ৰাখি পূজা কৰাৰ উদাহৰণ পোৱা নাযায়। কেৱল মহিলাসকলে নাম গাই আৰু যিটো পৰিয়ালত আই দেখা দিছে বুলি কয় সেই পৰিয়ালটিয়ে চুবুৰীয়া সৰু ল'ৰা-ছোৱালীক পায়স, ফল-মূল আৰু মিঠাই খুৱাই আইক সন্তুষ্ট কৰিবলৈ চেষ্টা কৰে।


আই নাম গোৱা বয়োজ্যেষ্ঠা মহিলাসকলে পাত্ৰত থকা পানীত ফুকিয়াই দিছে। এইখিনি পানীৰে ৰোগীক গা ধুওৱা হয়।

নামনি অসমৰ কিছু মুছলমানে 'ভোগ'ৰ সলনি, বিভিন্ন ৰঙৰ বেলেগ বেলেগ ফুল যাচে; তাৰ পাছত চুবুৰীৰে বয়োজ্যেষ্ঠ আইতাই খোদালৈ মোনাজাত কৰে, ৰোগীৰ আশু-আৰোগ্য সম্ভৱ হবলৈ। মঙলদৈৰ ওচৰৰ বাহঘৰা গাঁৱত ৰোগীৰ ঘৰৰ আগফালৰ চোতালত বয়সস্থ মহিলাৰ দল এটিয়ে আই নাম গাই, ৰঙ-বিৰঙৰ

ফুল, কল আৰু অন্যান্য ফল-মূল পানী এচৰু আদিৰে নৈবদ্য দিয়াৰ সুদৃশ্য ভিডিঅ'ও আছে। এনে নামৰ চানেকি ঃ

বহু দূৰ বাটকুৰি বাই,
আহি ৰৈ আছে সৰু আই,
জবা ফুলৰ মালা লৈ,
আদৰি আনো আমাৰ আই।

আই নাম গোৱা মহিলাসকলে নাম গাই এটা পাত্ৰত থকা পানীত ফুৰাই দিয়ে। তাৰ পাছত সেই পানীখিনি আন এটা ডাঙৰ পাত্ৰত থকা পানীৰে মিহলি কৰি ৰোগীক গা-ধুবলৈ দিয়া হয়। জনবিশ্বাস মতে তেনে কৰিলে ৰোগী সোনকালে আৰোগ্য হৈ উঠে। আই গোসাঁনীক প্ৰসন্ন কৰিব পাৰিলে আই গুচি যায় আৰু তাৰ লগে লগে ৰোগে সহজে এৰা দিয়ে। তেনেকুৱা কথাৰে আন এটি গীত এনেধৰণৰ ঃ

লাহে লাহে গুচি যোৱা অ' আই,
সাপৰে দেশৰ পৰা আহিছা তুমি।
গুচি যোৱা এৰি আমাৰ ভূমি,
নেৰিবা কোনো মুখতে দাগ
আমিযে পাওঁ তাত লাজ।
লাহে লাহে যোৱা গুচি,
আমাৰ দেশ ৰূপালী কৰি।

অসমৰ মুছলমান সকলৰ মাজত লোক-কথাৰ সৈতে জড়িত আন কেতবোৰ মনোগ্ৰাহী লোকগীতৰো চলন্তি আছে।

বেউলা-লখীন্দৰৰ গীত এই বিধৰে। বিষাক্ত সাপৰ দংশনত ফুলশয্যাৰ নিশাই লখীন্দৰৰ মৃত্যুত মৰ্মাহত স্ত্ৰী বেউলাই মৃতদেহটি ডিঙাত তুলি ভটিয়াই গ'ল, সৰ্পদেৱীক তুষ্ট কৰি স্বামীৰ পুনৰ্জীৱন প্ৰাপ্তিৰ আশাৰে। এই কাহিনী সম্বলিত ভালেমান লোকগীত ব্ৰহ্মপুত্ৰ উপত্যকাৰ নামনিৰ হিন্দু আৰু মুছলমান উভয়ৰে মাজত বেচ জনপ্ৰিয়। মুছলমানৰ মাজত এই জনপ্ৰিয়তাৰ কথা, কিম্বদন্তিটিৰ কেবাটাও প্ৰচলিত ৰূপে আৰু কাব্যিক আৰু সাঙ্গিতিক ধাৰাৰ পৰা বুজিব পাৰি। নামনি অসমৰ মুছলমানৰ মাজত এনে এটি কৰুণ গীত ওজা পালি সুৰত গোৱা শুনিবলৈ পোৱা যায় ঃ


গায়ক জামচেৰ আলী

হায় উঠা কইনা লগ গন্তি,
অ'তৰে চামাই ৰূপে কান্তি হে।
আৰু উঠা কইনা কাৱা ৰাও,
দাক দিয়া কাউলে নিৰ্মল।

অ' ঠয়ি দাদা মাৰি গেছে।
অ' মকে চায়া মাৰো পাহাৰিছি,
অ' মৰা নাই মানে মৰা নাই।
ঐ এঙাৰ খোৰা মই দুখ পাক খাওঁ হে
মৰিছে দয়াৰ পুত চাও চন্দৰ মুখেহে।
ও বাচা বেঙলানিও
ঔ সুধা কৰিলি তই
চামবানৰ আৰেও।
আই ভাই পাৰিয়া নাপাৰিবা গালি,
ঔ প্ৰভু পুতেক খালু মই
ছয় পুতেক খালে কুনি ?
ছয় পুত্ৰ মৰিব আজি ওঠৰে বছৰে,
ঐ খবৰ আই তই জানিলি কেমনে ?
এটা দিন গধূল বেলা শহুৰ আৰু আপুনি,
চতাল বহি বিলাপ কৰিছিল ছয় পুতেক লেগি,
তেতিয়াতু গৈছিলু মই ইন্দ্ৰপীতে নাটৰ গান গাবা,
আপুনাসৰৰ এই কথা মোৰ কাণত পৰিলা।
তেতিয়াতু মই আল্লাকে আৰাধনা জনালু,
আল্লা খুচী হৈ দিলা মোক সাকো ৰাজাৰ ঘৰে।
লখীন্দাৰক জন্ম দিলা চান্দ ৰাজাৰ ঘৰে।
দুয়োকে দিলা জন্ম জাতি চুৰ কৰিয়া,
চান্দ আৰু সাকো লগ লাগি আমাক
কৰাই দিলা বিয়া।

আন কোনো কোনোৱে বেউলা আৰু লখীন্দৰৰ নাম নোলোৱাকৈয়ে গায়।

বেউলা-লখীন্দৰৰ গীতৰ আগশাৰীৰ গায়ক কামৰূপ জিলাৰ দামপুৰৰ জামচেৰ আলীৰ কেইবাটাও গীত বাণীবদ্ধ কৰাৰ পাছতে ২০১১ চনৰ পিছতে তেওঁৰ মৃত্যু হয়। তেওঁৰ মৃত্যুত দামপুৰে এজন শ্ৰদ্ধাভাজন গায়কক হেৰুৱালে। তেওঁৰ গীতৰ সুৰ দেহবিচাৰ-গীতৰ দৰেই।

ওজাপালি সুৰীয়া এনে গীত নামনি অসমৰ মুছলমানৰ বৰ প্ৰিয়; উজনি অসমৰ গাওঁ অঞ্চলতো, বয়সীয়াল মহিলাৰ মাজত এই গীত, দেহ-বিচাৰ গীতৰ কৰুণ সুৰ-লয় সম্বলিত এই গীত বৰ প্ৰিয়।

আন এটি জনপ্ৰিয় লোকগীত কমলা-কুঁৱৰীৰ গীত। জনবিশ্বাস মতে, বহুদিনৰ আগতে, এবাৰ খৰাং বতৰত পানীৰ অভাৱত ৰাইজে জীয়াতু ভোগাত, ৰজাই মাটিৰ তলৰ বিস্তৰ পানীৰ আশাত ডাঙৰ পুখুৰী খন্দোৱাৰ আদেশ দিলে। কিন্তু দিনে-ৰাতিয়ে খন্দাৰ পাছতো পানী নোলাল ; ইফালে ৰজাক সপোনত সাধু এজনে পুখুৰী খন্দা ঠাইতে ৰাণীক উৎসৰ্গা কৰাৰ নিৰ্দ্দেশ দিলে। ৰজাই বৰ দুখেৰে কথাযাৰ ৰাণীক জনালে। সকলোকে আচৰিত কৰি ৰাণী থিতাতে সন্মত হ'ল আৰু পুখুৰী খান্দি থকা ঠাইলৈ যাত্ৰা কৰিলে। ৰাণীয়ে হেনো খান্দি থকা পুখুৰীটোত ভৰি দিয়াৰ লগে লগে তলৰ পৰা পানী ওলাই আহিবলৈ ধৰিলে। ৰাণীয়ে ৰজাক তাৰ পৰা গুছি যাবলৈ অনুৰোধ কৰিলে, কাৰণ তেওঁ জানিছিল যে পানী উঠি অহা দেখি ৰজা শোকত বিহুল হৈ পৰিব। ৰজা আঁতৰি গ'ল আৰু পুখুৰী পানীৰে ভৰি পৰিল; ৰাইজৰ দুখ মোচন হ'ল। ৰজাই সেই ঠাইলৈ কটকী পঠিয়াই ক্ষণে ক্ষণে পৰিস্থিতিৰ বুজ লবলৈ ধৰিলে। লোকগীতত এই কাহিনীটোৰ বৰ্ণনা এনে ধৰণৰ ঃ

কমলা কুঁৱৰী মোৰে প্ৰাণেশ্বৰী
পানীনো কিমানে হ'ল ?
শুনাচোন শুনা মোৰ বঙহৰ দেউ
পানী মোৰ একাঠু হ'ল।

এই দৰে ৰজাই কটকীৰ যোগে ৰাণীক সুধি পঠিয়াই আৰু ৰাণীয়ে তেতিয়াৰ পৰিস্থিতিৰ কথা কটকীৰ যোগে ৰজাক জনাই থাকে। এটা সময়ত অৰ্থাৎ পানী আহি ৰাণীৰ মুখ পালেহিঃ

কমলা কুঁৱৰী মোৰে প্ৰাণেশ্বৰী
পানীনো কিমানে হ'ল ?

ইতিমধ্যে ৰাণীক পুখুৰীৰ পানীয়ে নিজৰ কৰি ল'লে আৰু তেওঁ ৰাইজৰ কল্যাণৰ হকে নিজৰ জীৱন দান কৰি থৈ গ'ল। আৰু এইদৰে তেওঁ লোক আচাৰ, সংস্কৃতি আৰু গীতৰ যোগেদি চিৰ যুগমীয়া হৈ ৰ'ল। উজনি অসমত হিন্দু আৰু মুছলমান সম্প্ৰদায়ৰ মহিলাৰ মাজত চিৰ পৰিচিত এই গীত গাব জনা শিল্পী লাহে লাহে কমি আহিবলৈ ধৰিছে। নামনি অসমতো সেই একে অৱস্থা। কামৰূপ জিলাৰ দামপুৰ গাঁৱত মুছলমান মহিলাসকলে এনেদৰে কমলা কুঁৱৰী গীত গায় ঃ

সাত দিন সাত ৰাতি পুখুৰী খান্দিলা,
তেৱে ৰাজা পুখুৰীত পানী নুঠিলা।
পুখুৰী পাৰত ৰাজা খান্দা চাচিলায়ে,
খান্দা চাচি ৰাজা কল পুলি পুতিলা।
কল পুলি পুতি ৰাজা মৰিখাট পাৰিলা,
খাট পাৰি ৰাজা বিচনা পাৰিলা।
বিচনা পাৰি ৰাজা মহুৰ টানি শুই থাকিলা।
কোৱা বৰদাকে ৰাজা ৰাজুবলি খাব।
ইচক-বিচক কৰি ৰাজা ঘুমতিৰ পৰা উঠে,

সপানাত ৰাণীক পুখুৰীত নমাবা।
দৈব্য বাণী আহি ৰাজাক কলাক।
চাৰাতে ৰাণী তুমি পুখুৰীত নামি,
ভৰি তলা সমান পানী।

এইদৰে পানী উঠিবলৈ ধৰিলে। ৰজাই খবৰ লৈ থাকিল আৰু ৰাণীয়ে খবৰ দি গ'ল। ৰাণী একেবাৰে ডুব যোৱাৰ আগতে ক'লেঃ

যোৱা যোৱা ৰাজা তুমি
ঘৰত যাৰা ৰাজা তুমি।
উভতি চাই ৰাজা কান্দে ফেকুৰি।
পৰৰ তিৰি চাই ৰাজা
হুমুনিয়াহ কাঢ়ে।


দামপুৰৰ মহিলাই কমলা-কুঁৱৰী গীত গাইছে

নামনি অসমত গোৱা গীতত ৰাণীৰ নাম মধুৰা বুলি উল্লেখ আছে আৰু সেয়ে এই দীঘলীয়া গীতটিত 'এ গুৱালে মধুৰা' বুলি বাৰে বাৰে উল্লেখ কৰা হয়। গীতধৰ্মী কাহিনীত এই ঘটনাৰ বিস্তৃত বৰ্ণনা পোৱা যায়; কিদৰে ৰজাই হাতী, ম'হ আদি জল দেৱতাৰ সন্তুষ্টিৰ অৰ্থে বলি দিলে, কিন্তু সদৌ শেষত ৰাণী মধুৰাক উৎসৰ্গা কৰাৰ পাছতহে পুখুৰী পানীৰে ভৰি পৰিল।

আগতে উল্লেখ কৰা হৈছে যে উক্ত মালিতা উজনি অসমত হিন্দু আৰু মুছলমান মহিলাৰ মাজত বৰ জনপ্ৰিয় যদিও লাহে লাহে এই অঞ্চলত এই লোক গীত গাব জনা মানুহৰ সংখ্যা কমি আহিবলৈ ধৰিছে। কিন্তু নামনিত মুছলমান উত্তৰ-পুৰুষৰ এতিয়াও বৰ বেছি প্ৰিয়। তেওঁলোকে বংশানুক্ৰমে বেউলা-লখীন্দৰৰ গীতৰ দৰেই কমলা-কুঁৱৰীৰ গান সাৰটি ধৰি ৰাখিছে।

এই প্ৰসঙ্গতে উল্লেখযোগ্য যে অসমৰ গ্ৰামাঞ্চলৰ মুছলমানৰ কেতবোৰ ভক্তিমূলক গীত আছে। অসমীয়াত ৰচিত এই গীতসমূহ দেহবিচাৰ গীতৰ দৰে লোকগীত সুৰীয়া। এসময়তএইবিধ গীত-মাত পুৰুষ-মহিলা উভয় কণ্ঠতে বহুলভাৱে প্ৰচলিত আছিল ; পিছে এতিয়াই সংৰক্ষণ নকৰিলে, উদগ্নিৰ অভাৱত, দুই এক দশকৰ ভিতৰতে এইবোৰ হেৰাই যাব পাৰে।

এনে গীতৰ চানেকি ঃ

ল' আল্লাৰ নাম,
ধৰ গুৰুৰ নাম,
অ' মছজিদৰ ভাবে ধৰি

ল'ৰে আল্লাৰ নাম,
জীউৰে কাৰাম।
পাৰতে ৰলু ধৰমান,
বৰমানে জাগে,
হায়, হায় বৰমানে জাগে। ফুয়ামতে ৰুলু ধৰমান
থাকো খালা কুনে
অ' মছজিদৰ ভাবে ধৰি
ল'ৰে আল্লাৰ নাম,
জীউৰে কাৰাম।

অসমীয়া গজলৰ উপৰিও উৰ্দুত ৰচা গজলো অসমৰ গাঁৱে-চহৰে জনপ্ৰিয়। কিন্তু উৰ্দুত ৰচিত গজল বা কাশিদাৰ উৎপত্তি উত্তৰ ভাৰতত। সেয়ে আমাৰ লিখনীত অসমীয়া গজলৰহে এটা উদাহৰণ স্বৰূপে ইয়াত উল্লেখ কৰা হৈছে।

ফজৰৰ নামাজৰ আগে আগে
দয়াৰ নবীক দেখবি অ,
অজু কৰি নামাজ পঢ়ি
দয়াৰ নবীক দেখবি অ'।
অ' নবীৰ উম্মাত গুণাহগাৰি,
জান্নাতে ৰাখবি অ',
জহুৰ নামাজৰ আগে আগে,
অজু বনাবি অ'।
অজু কৰি নামাজ পঢ়ি
দয়াৰ নবীক দেখবি অ'।
নবীৰ উম্মাত গুনাহগাৰি
জান্নাত ৰাখবি অ'।
লা ইলাহা ইল্লাল লাহু
মুহাম্মাদুৰ ৰছুল।
নবীৰ উম্মাত গুনাহগাৰি
জান্নাত ৰাখবি অ'।

এনেদৰে ইছা নামাজ আদায় কৰালৈকে গজলৰে মুছলমানসকলক নামাজলৈ আহ্বান কৰা হয়। গজলবিলাক সাধাৰণতে উৰ্দু ভাষাত ৰচিত হয়, যিবিলাক সাধাৰণ লোকৰ বাবে দুৰ্বোধ্য হৈ থাকে। সেই

কাৰণে, অসমীয়াতে বহুতো গজল ৰচনা কৰা হৈছিল। এই গজলবিলাক কোনে ৰচনা কৰিছিল, তাৰ কোনো সম্ভেদ পোৱা নায়ায়।

বৰাক উপত্যকাও লোক-সঙ্গীতত চহকী আৰু তাত কেতবোৰ ইছলামীয় শিক্ষা আৰু জীৱন-ধাৰা সম্পৰ্কীয় আদৰ্শ পোৱা যায়। মুকলি পথাৰত থলুৱা বাদ্য সঙ্গত কৰি পুৰুষ কণ্ঠত পৰিৱেশন কৰা এনে সঙ্গীতৰ শৈলী বাউল গীতৰে সৈতে বেছ মিলে। হিন্দু-মুছলমান সমন্বয় সম্পৰ্কৰ কথা ভালেমান এনেকুৱা গীত আছে। তাৰে এটি তলত দিয়া হৈছেঃ

গ্ৰামের নযোৱান
হিন্দু-মুছলমান,
গারে বাউল গান।
আবার গা মুৰ্ছিদি।
আগে ছিল ভাল দিন,
বৰ্ষা রিতু হয়ত যখন,
লড়াই সেনা আছত' যখন
আমরা করেছিলাম অনেক গান।
বাউল গান, ঘাটু গান
অনেক সুখের গান,
গাইছিলাম সমস্ত গান।
হিন্দুৰ বারিতে সুৰু করি
উনিদের আমন্ত্রণ
করেছিলাম অনেক গান।
সবাই ছিল সাধারণ লোক
সেখানে ছিল ধৰ্ম শক্তি।
আজকে কোথাই ভক্তি
বড় বনার সবাই পাগল।
জামানা হ'ল অকেন খারাব
জানি না এখন যাব কোথাই।

কোৱা বাহুল্য দুই বা তাতোধিক সংস্কৃতি আৰু জীৱন ধাৰাৰ সাৰ্থক সমিল-মিলৰ ক্ষেত্ৰত, ধৰ্মীয় আধাৰত লোক-পৰম্পৰাৰ পাৰ্থক্য সূচিত কৰিব নোৱাৰি।

## সৃষ্টিধৰ্মী ঐতিহ্য

অসমৰ ইছলামীয় ঐতিহ্যৰ বিশেষ ভাৱে মন কৰিব লগীয়া দিশ হ'ল - চাৰু আৰু কাৰু শিল্পৰ চৰ্চা তলত ইয়াৰ এটি চমু আলোচনা দাঙি ধৰা হ'ল ঃ

আখৰকটীয়া পৰিয়ালৰ লোক ৰজাঘৰীয়া চনদ, দান-ফলি, মুদ্ৰা আদিত খোদাই-কাৰ্য্য আৰু কলাসুলভ সাঁচ বহুৱাত, বিশেষ পাৰ্গত আছিল। বস্ত্ৰ-শিল্প কৰ্মত গুণাকটীয়া কাৰিকৰৰ বিশেষ দক্ষতা লক্ষণীয় হৈছিল। তদুপৰি সাঁচিপাতৰ চিত্ৰাঙ্কণত ভালেমান মুছলমান শিল্পীৰ স্বীকৃত দখল আছিল। সত্ৰসমূহত সংৰক্ষিত কেতবোৰ পুথিত এনে পট-চিত্ৰ দেখিবলৈ পোৱা যায়। যিবিলাক মোগল সূক্ষ্ম চিত্ৰ-শৈলী চাৰু কলাৰ এক উৎকৃষ্ট চিত্তাকৰ্ষক উদাহৰণ। হস্তীবিদ্যাৰ্ণব পুথিখনিত দিলবৰ আৰু দোসাইৰ অসমীয়া সমাজ-জীৱনৰ হস্তী-কেন্দ্ৰিক চিত্ৰসমূহত তেনে চিত্ৰ-কলাৰ অপূৰ্ব্ব সমাহাৰ বিদ্যমান।





দিলবৰ আৰু দোসাইৰ অপূৰ্ব সৃষ্টি হস্তিবিদ্যাৰ্ণব

মহাপুৰুষ শংকৰদেৱৰ এজন ঘাই শিষ্য চান্দখাঁ ওৰফে চান্দসাই, ধৰ্মত মুছলমান যদিও বৈষ্ণৱ-পন্থাৰ একান্ত ভক্ত আছিল, আৰু শংকৰ-মাধৱ ৰচিত বৰগীত সুললিত সুৰে গাব পাৰিছিল। তেওঁ নিজে ৰচনা কৰা ভক্তিমূলক আৰু দাৰ্শনিক লোকগীতসমূহো আজিকোপতি বিশেষ আদৰৰ হৈ আছে। সাঁচিপাতত লিপিবদ্ধ তেওঁৰ ৰচনা-সম্ভাৰ,সূক্ষ্ম গূঢ়াৰ্থ আৰু অভাৱনীয় ধৰণৰ তাৎপৰ্য্য-বিচাৰ চিন্তাৰ সুন্দৰ নিদৰ্শন। পেছাত দৰ্জি চান্দসাই বা চান্দ খাঁৰ ৰচনাৱলীৰ পৰা এটা কথা ঠাৱৰ কৰিব পাৰি যে আজান ফকীৰ অসমলৈ অহাৰ আগতেও মুছলমানসকলৰ মাজৰ পৰা সৃজনীমুলক গীত-মাত ৰচনা হৈছিল। চান্দ সাইৰ সমসাময়িক তিনি গৰাকী ফকীৰৰ নাম শুনিবলৈ পোৱা যায়। তেওঁলোক হ'ল মজনুদিল ফকীৰ, বান্দৰ ফকীৰ আৰু মুনিয়া দেৱান। এই তিনিওগৰাকীয়ে গীত-মাত ৰচনা কৰিছিল বুলি বয়োজ্যেষ্ঠ সকলৰ মুখত শুনিবলৈ পোৱা গৈছিল যদিও কেৱল বান্দৰ ফকীৰৰ গীততহে তেওঁৰ নিজা নাম উল্লেখ কৰা হৈছে। মুনিয়া দেৱানৰ গীতৰ কথা মৌখিক ৰূপত পোৱা গৈছে যদিও, তেওঁৰ বিষয়ে কোনো দেৱান (চৈয়দ) পৰিয়ালৰ মুখত শুনা নাই বা চৈয়দসকলৰ বংশাৱলীত (চিলচিলা) পোৱা নাযায়। বান্দৰ ফকীৰৰ দুটি গীত তলত দিয়া হৈছে ঃ

ভয় পাই জীৱৰ পৰিলে মনত
নভজিলে এৰণ নাই,
পাঁচ নৈৰ পৰা আগ কিনি আনি
থ'লে বাৰী চুকত পেলায়।

ভৰেকৈ দুপৰত ঘিটিঙাই মাৰিলে
মেঘে দিয়ে গ'লে পানী,
হাতত কোৰে লৈয়ে হালোৱা পিতেকে
গাঁতকো পেলালে খানি।

বান্দৰ ফকীৰৰ গীতত কৃষিজীৱী সমাজৰ পৰিষ্কাৰ ছবি এখন দেখা যায়। এই দীঘল গীতটিৰ শেহৰ পিনে তেওঁ নিজৰ পৰিচয় দিছে।

তেওঁৰ আন এটি গীতঃ

ভৰে বতৰত কিৰিষি নকৰ
খুজিলে কেনেকৈ পাৰ,
দিলে হাতে হাতে খালে মুখে মুখে
যেনে বান্দৰৰে ভাও।

তেওঁৰে আৰু এটি গীত প্ৰণিধানযোগ্য ঃ

কি লৈ যা কি লৈ যা মনুৰাই ঐ,
জীউ চিনি লৈ যাবি।
গঙ্গা যমুনাই আল্লাৰ কলিমা
নামৰ নকৰে খটি।
বান্দৰ ফকীৰে গায় হকিকতৰ গীত
কেৰে ক'তো নুশুনিলে তাৰ সঙ্গীত।
বান্দৰৰ জোলা, ফকীৰৰ জোলা,
থাকে একে থানে।
মুৰচিদ ভেটিলে তৰণি নহ'ব
নীতিক নধৰে মানে।
বান্দৰৰ জোলা, ফকীৰৰ জোলা
দুয়োৰে একেটি নাও।
মাজ সাগৰত ঘোঁৰাৰ ঠক্‌ঠকি,
চৰত বুৰাব নাও।
মাকে বাপেকে, বিহিস্তি দোজখে
তাতে লুকালুকি কৰে।
মাজ সাগৰত পছোৱা বলিলে
বৈঠাই এৰিলে থৰ।

দহো দুৱৰীয়ে দুৱাৰক এৰিলে
পৰীয়াই এৰিলে পৰ।

এই কিটা গীতৰ ওপৰিও নিশ্চয় বান্দৰ ফকীৰে আৰু গীত ৰচনা কৰিছিল। কিন্তু তেওঁৰ নাম সিবিলাকত নথকাৰ হেতুকে তেওঁযে সেই গীতৰ ৰচক তাক খাটাংকৈ কোৱা নাযায়।

চান্দসাইৰ ভালেমান গীতত তেওঁৰ নিজৰ নাম উল্লেখ আছে বাবে সেই গীতৰ যোগেদি তেওঁৰ সৃষ্টি ধৰ্মী ৰচনাৰ পৰিচয় পোৱা যায়। যথা ঃ

কিনো গীত গাইলি চান্দ ৰে বৰাই
কিনো গীত গাইলি চান্দ,
গঁতুৱা এন্দুৰৰ পাৰত পৰিয়া
বোন্দা মেকুৰীয়ে কান্দে।
বাঁহৰে আগত বেলি চিকেমিকে
চিলনী কি খাই জীয়ে,
বেলিৰে আগত ৰান্ধন বাঢ়ন
উধানে কি কাপোৰ সীয়ে।
আমৰ আগত তামোল নাৰিকল
কঁঠাল গছত বেল,
কৰীৰাৰ চাৰি ভাই ৰজাৰ হাতী দাঁত
এন্দুৰৰ গাঁতত মেল।
গায়ে গোহালি গিলিলে বৰাই
পঘাই গিলিলে গৰু,
হাতত টাৰু লৈ ৰান্ধনী পলাই গ'ল
খেদি লৈ গ'ল চৰু।
বেৰে বাৰী গিলিলে বৰাই
দুৱাৰে গিলিলে ঘৰ,
হাতত জপা লৈ চোৰে খেদি নিলে
গিৰিহঁত মাৰিলে লৰ।
চাউলে খুবলি গিলিলে বৰাই
তুঁহে উৰুৱালে কুলা,
ৰজাৰ হাতী-দাঁত চিকুটি ছিঙিলে
কুঠাৰে কাটিলে মূলা।

সাগৰৰ মাজৰ ঘোঁৰৰ ঠক্‌ঠকি
নগৰত বুৰালে নাও,
কহতু চান্দসাই এই গীত ৰচিলে
বুজা ভকতি ভাও।

আন এটি চান্দ সাইৰ গীত ঃ

অ' গুৰু মই বৰ অনাথ ভৈলোঁ,
নাজানোঁ ইটো দেহা পৰে কোন দিন।
গুৰু মোক দয়া নাচাৰিবা,
মই বৰ পাতকী পাপী চৰণে ৰাখিবা।
বিষয় মায়াক লাগি জীৱ ভৈল বন্দী,
মনুৰাই মই কিয় আহিলোঁ ভৱে।
ভাই এইনো নৰ তনু ভাল,
সুন্দৰ দেহাৰ খনেকো ভৰষা নাই।
কিনো গীত গাইলি চান্দৰে বৰাই
আতমাৰ পৰিচয় নাই।

চান্দসাইৰ গীত কিছুমানত ঘোষাৰ "মনুৰাই দুৰ কৰা মনৰে বৰাই" বা "হেলাতে মানবী গ'লে ভোলামন" প্ৰয়োগ দেখা যায়। আজান ফকীৰে জিকিৰত তাকে অনুসৰণ কৰা দেখা যায়। আজান ফকীৰৰ সকলো জিকিৰত ঘোষা আছেই; তাৰে বহুত জিকিৰত "মনুৰাই" ব্যৱহাৰ কৰা দেখা যায়। যেনে - "মনুৰাই পাৰ কৰা মোক", "মনুৰাই, মনুৰাই, নাম ল'লে নেহেৰাই, জুয়েও নোপোৰে, পানীতো নুডুবে, চোৰেও নিনিয়ে পায়"।

অসমৰ মুছলমান বসতিপূৰ্ণ বিভিন্ন ঠাইত ইছলামীয় গীত, গজল সুপৰিচিত। তাৰে সৰহভাগ উৰ্দু ভাষাত ৰচিত এই বাবে যে সেইবিলাক গীত-মাত বৰ্তমানৰ উত্তৰ প্ৰদেশ আৰু দিল্লীৰ পৰা অহা মুছলমানসকলৰ লগতে আহিছিল। কিন্তু তাৰ সমান্তৰালভাৱে নিজ মাতৃভাষাত ইছলামীয় গীত মাত ৰচনা আৰু বিয়া, মিলাদ আৰু সভা-সমিতিত পৰিৱেশন কৰাৰ পৰম্পৰা গঢ়লৈ উঠিবলৈ ধৰিলে আৰু ব্ৰহ্মপুত্ৰ উপত্যকাত অসমীয়া আৰু বৰাক উপত্যকাত বাংলা ভাষাত সৃষ্টি হ'ল বহুতো ইছলামীয় গীত-মাত। তাৰ প্ৰধান কাৰণটো হ'ল, সৰ্বসাধাৰণ মানুহে উৰ্দু ভাষা ভালদৰে বুজি নাপাইছিল আৰু নিজ মাতৃভাষাত ৰচিত গীত-মাতে সহজতে মানুহৰ হৃদয় পৰশিব পাৰিছিল। তাৰোপৰি, এই ধৰণৰ গীতবিলাক দেহ বিচাৰৰ গীতৰ সুৰত গোৱা হয় কাৰণে সিবিলাক স্থানীয় মুছলমানসকলৰ মাজত জনপ্ৰিয় হৈ পৰিল।

ব্ৰহ্মপুত্ৰ উপত্যকাত মুছলমান জনবসতি বিস্তাৰ হোৱাৰ লগে লগে, ধৰ্মৰ প্ৰকৃত জ্ঞান আহৰণ আৰু ধৰ্মৰ গণ্ডীত ভিন্ ভিন্ প্ৰাত্যহিক ক্ৰিয়া-কলাপ সম্পৰ্কে জানিবলৈ, আন নহলেও অন্ততঃ ইছলামীয় মৌখিক-সাহিত্যৰ প্ৰয়োজন অৱশ্যেই আহি পৰিল। চুফী সন্ত সকলে ইছলামীয় ইতিহাস আদৰ্শ আৰু

আচাৰৰ শিক্ষা প্ৰদান কৰে; মৌখিক ভাৱে এক আল্লাহৰ ইবাদত শিক্ষাৰ এই ধাৰা গিয়াচুদ্দিন আউলিয়াৰ দিনৰে পৰা আৰম্ভ কৰি নামী পীৰ, ফকীৰসকলৰ শিকনিৰ মাজতো বৰ্ত্তি থাকিল। তেখেতসকলৰ অন্যতম আজান ফকীৰে, ইতিপূৰ্ব্বে বৰ্ণোৱাৰ দৰে, অনুগামী সকলক শুদ্ধপথ অৰ্থাৎ চিৰাতুল মুস্তাকিম লৈ আনিবলৈ, ভক্তিমূলক জিকিৰ ৰচিলে। এনে গীত প্ৰবচন আদি বংশানুক্ৰমে, মুখে-মুখে বাগৰি আহি থাকিল।

সম্ভৱ ১৮৩০ দশকত আব্দুল জালাল জিলকদে উৰ্দু লিপিৰে,কিন্তু অসমীয়া ভাষাত কিতাপ এখন লিখি উলিয়ালে। ইয়াৰ নাম দিলে 'তাৰিকুল হক ফি বয়ানে নুৰুল হক'; এইখনেই অসমীয়াত লিখিত প্ৰথম ইছলামীয় পাণ্ডুলিপি। পাছত ১৯৬৭ চনত তেখেতৰেই নাতিয়েক চালেহ কাজিমে 'সত্যৰ পথ' নাম দি পুথিখনি অসমীয়া লিপিত ছপাইছিল। অন্য এক সৃষ্টিধৰ্মী সাহিত্য ৰচনাৰ কৃতিত্বৰ অধিকাৰী হ'ল উনবিংশ শতিকাৰ মফিজুদ্দিন আহমদ হাজৰিকা। ১৮৯৬ চনত প্ৰকাশিত তেওঁৰ 'জ্ঞান মালিনী'ৰ গভীৰ চুফী দাৰ্শনিক ভাব-ভাষা আৰু কাব্যিক বৰ্ণনা অতুলনীয় বুলি স্বীকৃত হৈছিল। ১৯৩০ চনৰ অসম সাহিত্য সভাৰ এইজনা সভাপতি, শৰাইঘাটখ্যাত হিলৈ-বিদ্যাৰ পাৰদৰ্শী বাঘ হাজৰিকা পৰিয়ালৰ।



বাওঁফালে কবি মফিজুদ্দিন আহমদ হাজৰিকা, মাজত ড° ময়িদুল ইছলাম বড়া, সোঁফালে চৈয়দ আব্দুল মালিক

বিংশ শতিকাৰ দুগৰাকী স্বনামধন্য অসমীয়া মুছলমান ব্যক্তি হৈছে ড° ময়িদুল ইছলাম বড়া আৰু চৈয়দ আব্দুল মালিক। লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰা ড° বড়া ঢাকা বিশ্ববিদ্যালয়ৰ ফাৰ্চী বিভাগৰ অধ্যাপক আছিল। তেখেতে মিৰ্জা নাথনৰ *বাহাৰিস্তান-ই-গায়বী*ৰ ইংৰাজী ভাষাত কৰা অনুবাদ বিশেষভাৱে সমাদৃত। অসমীয়া ভাষা সাহিত্যলৈ বিশেষ অৱদান দিয়া এই গৰাকী ব্যক্তি অসম সাহিত্য সভাৰ সভাপতি আছিল। ত্ৰিশৰ দশকৰ মাজভাগৰ পৰা আৰম্ভ কৰি অসমীয়া ভাষা আৰু সাহিত্য জগতলৈ অশেষ অৱদান আগবঢ়াই যোৱা কেইবাগৰাকীও লেখকৰ অন্যতম হৈছে চৈয়দ আব্দুল মালিক (১৯১৯-২০০০)।

চৈয়দ আব্দুল মালিক যোৰহাটৰ জগন্নাথ বৰুৱা কলেজৰ অসমীয়াৰ অধ্যাপক আছিল। অসমীয়া সাহিত্য-জগতৰ এইগৰাকী পুৰোধা ব্যক্তি ৭২ খন উপন্যাস, দুহেজাৰতকৈও অধিক চুটিগল্প, ১১ খন নাটক, ৮ খন গৱেষণা পুথি, ১৫ খন অনুবাদ গ্ৰন্থ, ৫ খন কাব্য- সংকলন আৰু এখন গীত-পুস্তিকা সৃষ্টিৰ গৌৰৱেৰে মহীয়ান।

পদ্মভূষণ, সাহিত্য একাডেমী পুৰস্কাৰ, অসম উপত্যকা পুৰস্কাৰ, আৰু শঙ্কৰদেৱ বঁটাৰে সন্মানিত, মালিকে ১৯৭৭ চনত অসম সাহিত্য সভাৰ সভাপতি পদো অলংকৃত কৰিছিল। ১৯৭৬-১৯৮২ কালছোৱাত তেওঁ ৰাজ্য-সভাৰ সদস্যও আছিল। তেখেতৰ গীত আৰু কাব্যই মানৱীয় প্ৰমূল্য আৰু চুফীভাৱৰ স্বাক্ষৰ বহন কৰে।

বিলাতৰ গ্লাছগো বিশ্ববিদ্যায়ত চিকিৎসা বিজ্ঞান পঢ়িবলৈ গৈ অকালতে মৃত্যু বৰণ কৰা ডিব্ৰুগড়ৰ ঔৰংশ্বাহ (১৮৫৭-১৮৮৭) ভালেমান কবিতা ৰচনা কৰিছিল। তাৰে এটি বাঘ হাজৰিকাৰ বীৰত্বক সুঁৱৰি ৰচনা কৰিছিলঃ

বৰনৈ পাৰত মহাবীৰ লাচিতে
উঠিলে যুঁজাৰু নাৱত,
নৰীয়া নেওচি ৰণলৈ ওলাল
ৰণুৱা যে দুয়ো পাৰত।
ৰখীয়া-পৰীয়া-কাড়ী ধনুৱা
এফালে হিলৈধাৰী,
তাৰেই মাজত বাঘবৰ চিদিক
যুঁজৰে ধৰিলে গুৰি।
আহোম, কছাৰী, চুতীয়া, পাহাৰী,
কোঁচ-গৰিয়া-পাঠান,
ৰজা স্বৰ্গদেউৰ এহেন ৰণুৱা
শকতি পৰবত পৰমান।
চল চাই ৰাতি বাঘবৰ চিদিকে
কামনত ঢালিলে পানী,
শতৰুৰ কামন বিকল কৰিলে
সলালে ৰণৰে গতি।
ভাৰতেশ্বৰৰ বৰসেনাপতি
ৰাজপুত ৰামসিংহ,
নিৰাশ মনেৰে উভতিলে দেশ
ৰণৰো পৰিলে ইতি।
ৰণৰ শেষত ৰংপুৰ উভতি
লভিলে স্বৰ্গদেউৰ আশীষ,
গড়গঞা জীয়ৰী চেংফ ৰূপহী

বৰিলে আপোন কৰি।
দিচাং-দিখৌ মাটি সাৱটিলে
কৰিলে আপোন ভূমি,
বাঘবৰ চিদিকে খ্যাতিকো এৰিলে
মই অসমীয়া বুলি।

এইখিনিতে চমুকৈ উল্লেখ কৰিব পাৰি যে আব্দুছ ছাত্তাৰ আৰু এম ইব্ৰাহিম আলীয়ে নিজৰ সৃষ্টিশীল প্ৰতিভাৰে অসমীয়া ভাষা-সাহিত্যলৈ অনবদ্য অৱদান দি থৈ গৈছে। তেখেতসকলৰ উপৰিও আৰু ভালেকেইগৰাকী সাহিত্যিকে অসমীয়া সাহিত্য-সংস্কৃতিৰ ভঁৰাল চহকী কৰি গৈছে। সেই বিষয়ে আল-আমিন জন কল্যাণ সমাজৰ দ্বাৰা প্ৰকাশিত দুখনি গ্ৰন্থত (স্মৃতিৰ জিলিঙনিত কেইগৰাকীমান অসমৰ মুছলমান আৰু অসমৰ মুছলমান, দ্বিতীয় খণ্ড) আলোচনা কৰা হৈছে।[২]

মুছলমান সাহিত্যিকৰ আন সৃষ্টিশীল লিখনীৰ উপৰিও, কুৰি শতিকাৰ প্ৰাৰম্ভতে প্ৰকাশ পোৱা, ইছলাম ধৰ্ম আৰু আনুষঙ্গিক বিষয়ৰ পুথি-পাঁজি উল্লেখযোগ্য। যোৰহাটৰ মুন্সি নজিৰউদ্দিন আহমদৰ মৌলুদ সংকলন 'অসমিয়া মৌলুদ শৰিফ' এই ধাৰাৰ জনক।

এইখন অসমীয়া ভাষাত ৰচিত ৰছুল(দঃ)ৰ প্ৰশংসা-সূচক ভক্তিমূলক বৰ্ণনাৰ একমাত্ৰ পুথি। সচৰাচৰ মৌলুদসমূহ উৰ্দু ভাষাৰ হোৱা বাবে, সাধাৰণতে অসমীয়া মানুহৰ অৰ্থ বুজাত অসুবিধা হয়। ১৯০৯ চনতে প্ৰকাশিত এই পুথিখনিৰ মৌলুদ সমূহৰ সোৱাদ সুকীয়া; ২০১১ চনত ইয়াৰ পূৰ্বৰ পাঠ অক্ষত ৰাখি পুনৰ্মুদ্ৰণ কৰা হৈছে।



যোৰহাটৰ গড় আলি মছজিদৰ জামাতে ইমামৰ নেতৃত্বত মৌলুদ গোৱাৰ দৃশ্য।

দেশৰ অন্যান্য অংশৰ দৰেই অসমৰ মুছলমানেও ঈদে-মিলাদুন-নবী অথবা ফাতেহা-ই-দোৱাজদহম (নবীগৰাকীৰ জন্ম আৰু মৃত্যু তিথি) যথাযোগ্য মৰ্য্যাদা সহকাৰে পালন কৰে। এনে অনুষ্ঠানত কোৰান শ্বৰীফ পাঠ, উৰ্দু ভাষাত মৌলুদ, নাটে-নবী, গজল আদি পৰিবেশন কৰা হয়।

মৌলুদৰ লগত কেতিয়াবা ধৰ্ম-তত্ব আলোচনা সভা, ইত্যাদিৰো আয়োজন কৰা হয়। ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভালেমান ঠাইত মুছলমান সকলৰ মাজত অসমীয়াতে মৌলুদ-পাঠৰ প্ৰচলন আছে; অৱশ্যে এনে অসমীয়া মৌলুদ কোনে বা কেতিয়া প্ৰথম আৰম্ভ কৰিছিল, সঠিককৈ জনা নাযায়। মুন্সী নজিৰউদ্দিন আহমদৰ সংকলনটি অসমীয়াত মৌলুদ গোৱাৰ ৰীতি অক্ষুন্ন ৰখাৰ দিশত উল্লেখযোগ্য প্ৰচেষ্টা। অসমীয়া মৌলুদৰ সুৰ

আৰু ধ্বনি মূল ঘোষা উৰ্দুৰ দৰেই; পাৰ্থক্য কেৱল ভাষাৰ। তাৰে এটি মৌলুদ তলত দিয়া হৈছেঃ

য়া নবী চালাম আলেইকা
য়া ৰচুল চালাম আলেইকা
য়া হবিব চালাম আলেইকা
চালাৱাতুলা আলেইকা।
তুমি বৰ আল্লাৰ মৰমৰ
হ'লা নুৰ খোদাৰ হুকুমৰ
মখলুকৰ তুমি হ'লা ডাঙৰ,
চালাৱা তুলা আলেইকা..
হোৱা নাই এনে আদৰৰ
কোনো জন তোমাতকৈ আল্লাৰ,
হ'বলৈও নাই কোনো আৰু
চালাৱা তুলা আলেইকা...
মৰমত মহম্মদ নাম থৈ,
মাতিলে আল্লাই আৰছলৈ
দিলে ভেদ খুলি তোমাক কৈ
চালাৱা তুলা আলেইকা...

শ্ৰদ্ধা-ভক্তি সহকাৰে মৌলুদ শ্বৰীফৰ সমৱেত গীতত সু-কণ্ঠৰ এজনে আগ-ভাগ লয়; একো একোটা পংক্তি শেষ হ'লে, বাকীসকলে প্ৰিয়তম নবীৰ প্ৰশংসা কৰি প্ৰথম চাৰিটা শাৰী আওৰায়। মুছলমানৰ সকলোবিলাক ধৰ্মীয় আৰু আন সামাজিক অনুষ্ঠানৰ, মৌলুদ পাঠ-অবিচ্ছেদ্য অঙ্গ স্বৰূপে পৰিগণিত হৈ আহিছে। অৱশ্যে আজিকালি, তবলিগী জামাতৰ প্ৰভাৱত পৰি, কিছুলোকে এই প্ৰথা অনা-ইছলামীয় বুলি ক'ব খোজে। পিছে অসমৰ মুছলমানসকলে মহম্মদৰ (দঃ) প্ৰতি শ্ৰদ্ধা-ভক্তি জনাবলৈ মৌলুদ পাঠ কৰেই।



অসমীয়াত মৌলুদ গোৱা দৃশ্য

মৌলুদত যিদৰে হজৰত মহম্মদৰ গুণানুকীৰ্তন কৰা হয়, সেইদৰে কাশিদাও নবীগৰাকীৰ জন্মৰ পৰা ইন্তেকাল বা মৃত্যুলৈকে বিস্তৃত সৰু ডাঙৰ কথা বা ঘটনাক কেন্দ্ৰ কৰি ৰচনা কৰা হৈছিল। তাৰ বেছি ভাগ উৰ্দু ভাষাত ৰচিত হৈছিল। অসমত মৌলুদৰ দৰে কাশিদাও অসমীয়াত ৰচিত হ'বলৈ ধৰিলে। তেনেকুৰা এটি কাশিদা তলত দিয়া হৈছেঃ

সকলোৰে আশা, ভৰষা মহাম্মদ,
তোমাৰো মহাম্মদ আমাৰো মহাম্মদ।
হজৰতকে লাগি কৰে আমাক পয়দা,
আমাৰেই কাৰণত পঠালে মহাম্মদ।
হজৰতৰ উম্মতৰ এয়ে ডাঙৰ নচিব,
খোদাৰো তেৱেঁই দোস্ত, আমাৰো মহাম্মদ।
খোদায়ে নৰখালকে তেওঁৰ উম্মতক,
বেহেস্তলৈ অকলে নাযাব মহাম্মদ।
উম্মতৰ ওপৰত যেনে তেওঁৰ মোহাব্বত,
আমাৰো তেনে তেওঁ মৰমৰ মহাম্মদ।
দোজখৰনো কি ভয় দেখুৱাব জাহেদ,
বেহেস্তৰ যে মালিক আমাৰ মহাম্মদ।
মদিনাত মাতি মোক লোৱা খোদালৈ চাই,
কিমান উধাতু খাই ফুৰিম মই মহাম্মদ?
মৰোতেও নুভুলো মোবাৰক তোমাৰ নাম,
টেটুত জান মুখত মোৰ মৰমৰ মহাম্মদ।
মৰণৰ কালৰ দুখ একোকে নাথাকে,
যেতিয়া তোমাৰ নাম ল'ম মই মহাম্মদ।

যুগ যুগ ধৰি অসমীয়া মুছলমানে গাই অহা এই ধৰণৰ বহুতো অসমীয়া মৌলুদ আৰু কাশিদা মুঞ্চি নজিৰ উদ্দিন আহমদে সংগ্ৰহ কৰি *অসমিয়া মৌলুদ শৰিফ* প্ৰকাশ কৰিছিল। সেইখনকে কোনো সাল-সলনি নকৰাকৈ ২০১১ চনত কমৰুজ্জামান আৰু দেবিৰা চুলতানাই প্ৰকাশ কৰি উলিয়াইছে।

সম্ৰাট জাহাঙ্গীৰৰ সেনাপতি মিৰ্জা নাথনে, নামনি অসম আক্ৰমণৰ সময়ত যুদ্ধ অভিযান, আনুযঙ্গিক ঘটনা, অঞ্চলটোৰ জনগোষ্ঠী আৰু ইয়াৰ ঠাইবোৰৰ সম্বন্ধে ফাৰ্চী ভাষাত এক টোকা লিখি গৈছিল। এই লেখাখিনি *বাহাৰিস্তানে গাইবী*নামৰ এখন বুৰঞ্জীমূলক নথি-গ্ৰন্থ ৰূপত তেওঁ লিপিবদ্ধ কৰিছিল। এই পুথি খনি ইংৰাজীলৈ পণ্ডিত ড° ময়িদুল ইছলাম বড়াই ১৯৩৩ চনত অনুবাদ কৰে। সাহিত্য কৰ্মত ব্ৰতী ড° বড়া ১৯৪০ চনত অসম সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত হৈছিল। চৈয়দ ফাতেহুল মান্নান প্ৰমুখ্যে কেইগৰাকীমানে এই পুথিখনি যুটীয়া প্ৰচেষ্টাৰে অসমীয়ালৈ অনুবাদ কৰি ২০১০ চনত প্ৰকাশ কৰে।

মীৰজুমলাৰ অসম আক্ৰমণৰ (১৬৬১-৬২) সময়ত লগত অহা বুৰঞ্জীবিদ ছিহাবুদ্দিন তালিচৰ গ্ৰন্থ, মূল ফাৰ্চী ভাষাৰ পৰা ইংৰাজীলৈ অনুবাদ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ফাৰ্চীৰ অধ্যাপক মজহৰ আচিফে; (২০০৯)। প্ৰকাশক বুৰঞ্জী আৰু পুৰাতত্ব বিভাগ, অসম চৰকাৰ। আহোম মোগল সংঘাতৰ হুবহু প্ৰতিচ্ছবিৰ লগতে সেই সময়ৰ অসমৰ সামাজিক আৰু অৰ্থনৈতিক জীৱনধাৰাৰ বিস্তৃত বিৱৰণৰ সমল হিচাপে এডৱাৰ্ড গেইটকে আদি কৰি অসম বুৰঞ্জী প্ৰণেতাসকলে এই দুখন গুৰুত্বপূৰ্ণ নথি-গ্ৰন্থৰ বিস্তাৰিত ব্যৱহাৰ কৰিছে।

যোৱা শতিকাৰ প্ৰথমাৰ্দ্ধৰে পৰা, কেইবাগৰাকী বিদ্বৎ মুছলিম গ্ৰন্থকাৰে পবিত্ৰ কোৰানখনি অসমীয়ালৈ অনুবাদত হাত দিয়ে। দুটি তৰ্জুমা, ১৯৪০ চনত ওলায়, এটি আটাউৰ ৰহমানৰ, আৰু আনটি চাহ চৈয়দ মুহিবুল হকৰ (আংশিক)। তেতিয়াৰ পৰা ২০০২ চনলৈকে, আৰবীৰে সুপৰিচিত কেবাগৰাকীয়েও অসমীয়ালৈ কোৰান-ভাঙনি কৰে। বৰ্ত্তমানে অসমীয়া ভাষাত কোৰান শ্বৰীফৰ ছখন সম্পূৰ্ণ ভাঙনি আছে; অসমীয়া ইছলামীয় সাহিত্যৰ ই এটি টনকিয়াল ভঁৰাল।[৩] ✶

## টোকা আৰু প্ৰসঙ্গপুথি


১. Dinesh Chandra Sen, *The Folk Literature of Bengal* (Calcutta: University of Calcutta, 1920) pp. 86-94, Mohammad Enamul Haq, *A History of Sufism in Bengal* (Dhaka: Asiatic Society of Bangladesh, 1975)pp 349-350

২. কমৰুজ্জামান আহমদ (সম্পাদক আৰু সংকলক) আৰু মহম্মদ তাহেৰ (উপদেষ্টা) *স্মৃতিৰ জিলিঙনিত কেইগৰাকীমান অসমৰ মুছলমান* (গুৱাহাটী: আল-আমিন জন কল্যাণ সমাজ, ২০০৯) আৰু আলি আকবৰ হুছেইন (মহম্মদ তাহেৰ মুখ্য সম্পাদক) *অসমৰ মুছলমান*, দ্বিতীয় খণ্ড, (গুৱাহাটী: আল-আমিন জন কল্যাণ সমাজ, ২০১৪)

৩. মহম্মদ তাহেৰ, 'কোৰান: অসমীয়া' *অসমীয়া বিশ্বকোষ*, চতুৰ্থ খণ্ড, ভাৰতীয় সাহিত্য (গুৱাহাটী: অসম সাহিত্য সভা, ২০০৩)

## সপ্তম অধ্যায়

# পৰম্পৰাগত অনুষ্ঠান-প্ৰতিষ্ঠান

মছজিদ

অসমত মছজিদ

মাদ্ৰাছা

মাদ্ৰাছাৰ ইতিহাস

দৰগাহ

খানকাহ

এতিমখানা

টোকা আৰু প্ৰসঙ্গ পুথি

# সপ্তম অধ্যায়

# পৰম্পৰাগত অনুষ্ঠান

সপ্তম শতিকাৰ আদি ছোৱাত আৰবদেশত ইছলামৰ অভ্যুত্থানৰ লগে লগেই মুছলমান সকলে তেওঁলোকৰ 'নতুন' ধৰ্মটিক সুন্দৰ আনুষ্ঠানিক ৰূপ দিয়াৰ আগতেই মছজিদ আৰু মাদ্ৰাছা, আৰু পাছলৈ খানকাহসমূহ সংখ্যাত বাঢ়িবলৈ ধৰে। মুছলমান সকল য'লৈকে গৈছিল আৰু য'তে বসতি স্থাপন কৰিছিল, তাতেই এই সমূহ গঢ় লৈ উঠিছিল। ক্ৰমান্বয়ে, ৰজা আৰু পাৰিষদবৰ্গৰ পৃষ্ঠপোষকতাও লাভ কৰি এই অনুষ্ঠানসমূহে মুছলমানৰ উপস্থিতি আৰু আনকি স্বাচ্ছল্যৰো প্ৰতীক ৰূপেই স্বীকৃতি পালে। শিক্ষা-দীক্ষাৰ অনুষ্ঠান আৰু জ্ঞান বিকাশৰ কেন্দ্ৰ হোৱাৰ উপৰিও, এই সমূহ কলা, স্থাপত্য, সংস্কৃতি, কৃষ্টি আৰু পৰম্পৰাৰ বিশেষ কেন্দ্ৰ হিচাপেও চিহ্নিত হ'ল।

## মছজিদ

বিশ্বৰ সকলো ঠাইৰে মুছলমানৰ পোনতেই চকুত পৰা অনুষ্ঠান হ'ল মছজিদ। হজৰত মহম্মদ (দঃ) মক্কাৰ পৰা মদিনালৈ প্ৰব্ৰজনৰ বাটত তেখেতে কুবা নামৰ ঠাইত এটি মছজিদ সজায়। এইটো মক্কাৰ বাহিৰত প্ৰথম মছজিদ বুলি খ্যাত হৈ পৰে। এই মছজিদ স্থাপনেই ইছলামক আনুষ্ঠানিক ৰূপ প্ৰদান কৰে।



মছজিদ -ই-কুবা

তাৰ পাছত মদিনাত ৬২২ খ্ৰীষ্টাব্দত মছজিদ-উন-নৱী প্ৰতিষ্ঠিত হয়। মছজিদ শব্দটিৰ অৰ্থ হ'ল সাষ্টাঙ্গে প্ৰণিপাত কৰা ক্ৰিয়াৰ স্থল; সেইগুণে এই ঠাই নৈমিত্তিক শুকুৰবাৰৰ জুম্মা নামাজ সামৰি দৈনিক সকলো নামাজৰ বাবে পৱিত্ৰ অনুষ্ঠান হিচাপে পৰিগণিত আৰু সমাদৃত হৈ আহিছে। ৰমজান মাহৰ বিশেষ 'তাৰাবিহ' নামাজো ইয়াতে পঢ়া হয়। তাৰোপৰি, ঈদুল ফিতৰ আৰু ঈদুজ্জোহাৰ সমূহীয়া নামাজো মছজিদতেই পঢ়িব পাৰি।[১]

মছজিদ প্ৰাঙ্গণ আগৰ দিনত, আৰু আনকি এতিয়াও, চুবুৰীৰ লৰা-ছোৱালীক ইছলামৰ বুনিয়াদী শিক্ষা দিবলৈ বুলি মকতব (পাঠশালা) ৰূপেও ব্যৱহৃত হয়। এই ধৰণৰ মকতব বিলাকত দুই ধৰণৰ ধৰ্মীয় শিক্ষাৰ ব্যৱস্থা থাকে, যথা,

(ক) তালিম, অৰ্থাৎ পৱিত্ৰ কোৰানৰ শিক্ষা, সচৰাচৰ প্ৰয়োজনীয় কেতবোৰ চুৰা মুখস্থ কৰা, হাদীচ (ঐশ্লামিক বিধি-বিধান)ৰ বিষয়ে প্ৰাথমিক ধাৰণা লাভ কৰা আদি; লগতে অজু, নামাজ, ৰমজানৰ ৰোজা, জাকাত আৰু ফিতৰা, হজ, ইত্যাদি ইছলামীয় ক্ৰিয়া সম্বন্ধে যাবতীয় জ্ঞানো আহৰণ কৰা; আৰু (খ) তৰবিয়াহ, অৰ্থাৎ সৎ আৰু নৈতিক চৰিত্ৰবান ৰূপে গঢ়াৰ প্ৰচেষ্টা।

এইখিনিতে উল্লেখযোগ্য যে মহানবী হজৰত মহম্মদ (দঃ) এ ৬২২ খ্ৰীষ্টাব্দত মদিনাত (সেই সময়ত মদিনাৰ নাম আছিল য়াৎ ৰিব) সজা মছজিদটো জগতৰ দ্বিতীয়টো মছজিদ, এতিয়া মছজিদ-উন-নবী, (তলত বাওঁফালে দিয়া ইয়াৰ উনবিংশ শতিকাৰ পেঞ্চিল ড্ৰয়িং John L. Esposito (ed), *The Oxford History of Islam* (New York: Oxford University Press, 1999) p. 9 পৰা লোৱা হৈছে) নামে খ্যাত এই পৱিত্ৰ স্থানত হজৰ সময়ত মুমিন (মুছলমান ভক্ত)সকলৰ ব্যাপক ধৰণেৰে ভিৰ হয়। ইছলামীয় জগতৰ অতি পৱিত্ৰ ধামসমূহৰ অন্যতম এই ঠাই ৰছুল (দঃ)ৰ জীৱন কালত তেখেতৰ আবাস হিচাপে ব্যৱহৃত হৈছিল। তেখেতৰ মৃত্যুৰ পাছত এই মছজিদৰ ভিতৰতে নবী গৰাকীক সমাধিস্থ কৰা হৈছিল।পৰবৰ্ত্তী কালত সজা আন কিছুমান মছজিদো বিশ্ব মুছলমানৰ বাবে বিশেষ পৱিত্ৰ। এইবোৰৰ ভিতৰত মক্কাৰ সুবৃহৎ মছজিদ আৰু তাৰ পাছতেই জেৰুজালেমৰ আল-আক্ছা মছজিদ প্ৰধান। এই আল-আক্ছা মছজিদৰ প্ৰাঙ্গণতে প্ৰিয় নবীৰ মেৰাজ শ্বৰীফ (আল্লাৰ ওচৰলৈ যাত্ৰা) আৰম্ভ হৈছিল। যদিও সকলো মছজিদেই উপাসনা স্থল হিচাপে পৱিত্ৰ বুলি গণ্য, এই দুই ধামৰ মৰ্য্যাদা শীৰ্ষস্থানৰ।



মদিনাস্থ মছজিদ-উন-নৱীৰ
উনবিংশ শতিকাৰ পেঞ্চিল ড্ৰয়িং।



মক্কাৰ হাৰাম আৰু কাবা শ্বৰীফৰ পুৰণি আলোকচিত্ৰ

মছজিদৰ কেতবোৰ সুকীয়া বৈশিষ্ট্য থিতাতে ধৰিব পাৰি, যথা, মছজিদৰ গাতে লাগি বাহিৰত মিনাৰ (য'ৰ পৰা নামাজলৈ কৰা আহ্বান বা আজান দিয়া হয়) আৰু মিম্বৰ (মছজিদৰ ভিতৰত ভাষণৰ বাবে সামান্য ওখ আসন বিশেষ)। ইয়াৰ পৰা খোত্‌বা (শুক্ৰবৰীয়া জুম্মাৰ সদুপদেশ সম্বলিত ভাষণ) প্ৰদান কৰা হয়। ৰছুল (দঃ) এ ভাষণৰ বাবে আৰোহণ কৰা শিলৰ খটখটিৰ আৰ্হিতে মিম্বৰ সজা হয়। ইয়াৰ কাষতে মিহৰাব কাৰুকাৰ্য্য খচিত ধেনুভীৰিয়া তোৰণ সহ খোৰোঙৰ দৰে কিবলা-মুখীয়া (অৰ্থাৎ পৱিত্ৰ কাবাৰ দিশ সূচোৱা) ইটা বা পকাৰ দেৱাল।

এছিয়া মহাদেশৰ মছজিদ সমূহ সচৰাচৰ ইৰানীয় আৰু ভাৰতীয় আৰ্হিৰ। পিছে প্ৰায়ভাগতে স্থানীয় সংস্কৃতি আৰু নিৰ্মাণশৈলীৰ প্ৰভাৱ বাৰুকৈয়ে পৰে।কোনো ঠাইত বুজন সংখ্যাৰে বসতি স্থাপন কৰিব পাৰিলে মুছলমানসকলে সমূহীয়া নামাজৰ বাবে মছজিদ সাজিবলৈ লয়; সেই গুণে ঠাই এডোখৰত মুছলমানৰ উপস্থিতি মছজিদেই যেন প্ৰতীক হিচাপে সূচায়।

অতীজৰ প্ৰায়বোৰ বৃহদাকাৰ গাম্ভীৰ্য্যপূৰ্ণ মছজিদ মুছলমান ৰজা-সম্ৰাটসকলে তেওঁবিলাকৰ ক্ষমতা আৰু প্ৰতিপত্তিৰ প্ৰতীক ৰূপে নিৰ্মাণ কৰিছিল। আজিকালিও, মুছলমান-প্ৰধান দেশসমূহত মছজিদ সজাত চৰকাৰেই আগ-ভাগ লয়।



সু-উচ্চ মিনাৰৰ সৈতে দিল্লীৰ জুম্মা মছজিদ

আনহাতে, আমাৰ দেশত সমূহীয়া উদ্যোগত, চান্দা-বৰঙণি গোটাই বা কেতিয়াবা ব্যক্তিগত উদ্যোগত, কিন্তু সকলোৰে সহযোগিতাৰে মছজিদ সজা হয়। কোনো কোনো দানশীল লোকে এই উদ্দেশ্যে মাটি দান দিয়াও দেখা যায়, নতুবা ধন বিতেৰে সহায় কৰে। কিন্তু তাৰ বাবে তেওঁলোকে মছজিদত কোনো ধৰণৰ বিশেষ স্থান বা মৰ্য্যাদা নিবিচাৰে। পৃথিৱীৰ বিভিন্ন ঠাইত পুৰণি মছজিদ কিছুমান অতীতৰ স্থাপত্য-কলাৰ সফল চানেকি ৰূপে এতিয়াও দেখা যায়। ইফালে নতুনকৈ সজা মছজিদবোৰত আধুনিক স্থাপত্যৰ প্ৰভাৱ পৰিলক্ষিত হয়। ওখ-ওখ মিনাৰ সম্বলিত এই মছজিদসমূহত আৰবৰ ইছলামীয় আৰু লগতে স্থানীয় স্থাপত্য আৰ্হিৰ সুদৃশ্য সংমিশ্ৰণ দেখা যায়। অৱশ্যে পুৰণি মছজিদ কিছুমানতো থলুৱাৰ লগতে আৰব্য-পাৰ্চীয় কলাকৃতিৰ আৰু নিৰ্মাণশৈলীৰ মিলন লক্ষণীয়।

প্ৰথম অধ্যায়ত উনুকিওৱাৰ দৰে, আৰবৰ বণিকে মালাবাৰ উপকূললৈ ইছলামৰ বাণী-বহন কৰি অনাত ভাৰতৰ ইছলামীয় ঐতিহ্যৰ প্ৰাৰম্ভ হয়। ৬২৭-২৮ চনতেই, অৰ্থাৎ ৰছুল (দঃ)ৰ জীৱন কালতে, কেৰালাৰ কোচিনৰ পৰা ৩৫ কিলোমিটাৰ নিলগৰ কডুনগাল্লোৰত ভাৰতৰ প্ৰথম আৰু পৃথিৱীৰ সম্ভৱত চতুৰ্থ মছজিদটি সজা হৈছিল বুলি অনুমান কৰা হয়। ৰজা পেৰুমল চেৰামনে পয়গম্বৰ হজৰত মহম্মদ (দঃ)ৰ সাক্ষাৎ লাভ কৰি ইছলাম গ্ৰহণ কৰিছিল আৰু তাৰ পাছতেই তেওঁ ইয়াত এটা মছজিদ সজাৰ নিৰ্দ্দেশ দিছিল। এই মছজিদটি ৬২৭-২৮ চনত সম্পূৰ্ণ কৰা



ছবিত দেখা চেৰামন মছজিদটি ১৯০৩ চনত সজা হৈছিল।

হয়। কোচিনৰ পৰা ৩৫ কিলোমিটাৰ মান দূৰৈৰ থ্ৰিচুৰ জিলাৰ কড়ুনগাল্লোৰত অৱস্থিত বৰ্ত্তমান চেৰামন মছজিদ হিচাপে জনাজাত এই মছজিদটি ৰজা চেৰামনৰ পেৰুমলৰ নিৰ্দ্দেশত সজা হৈছিল যদিও দুৰ্ভাগ্যবশত মছজিদ নিৰ্মাণ সমাপ্ত নৌ হওঁতেই, ওমানৰ ধুফাৰত তেওঁ স্বৰ্গী হয়। উল্লেখযোগ্য, মালিক-বিন-দিনাৰৰ তত্বাবধানত সজা মছজিদটিৰ গাজী হিচাপে নিযুক্ত হৈছিল তেওঁৰ আত্মীয় হবিব বিন মালিক।



১৯৭৪ চনত সজা এতিয়াৰ মছজিদৰ ছবি। বৰ্ত্তমান কৰ্তৃপক্ষই জুম্মা আৰু ঈদৰ নামাজত ৩০০০ মান লোক অটাকৈ নতুনকৈ সজাৰ আঁচনি হাতত লৈছে।





চেৰামন মছজিদৰ অন্তৰ্ভাগৰ এটি পুৰণি পৰম্পৰাগত চাকি আৰু মিহৰাব।

মছজিদটিৰ বহিঃ আৰু অন্তৰ্ভাগ উভয়তে মালাবাৰ উপকূলৰ গৃহ নিৰ্মাণৰ লোক-পৰম্পৰাৰ চাপ বিদ্যমান। এই আৰম্ভণিৰে মুছলমান সম্প্ৰদায়ে ভাৰতৰ ভিন-ভিন ঠাইত মছজিদ সজা কাৰ্য্য চলাই গ'ল; বিশেষকৈ উত্তৰ ভাৰততো মুছলমান শাসন প্ৰৱৰ্ত্তিত হোৱাত মছজিদ নিৰ্মাণ সজোৰে বিয়পি পৰিল। দক্ষিণ এছিয়াৰ অন্যান্য অংশতো মুছলমান বসতিৰ আৰু মছজিদ নিৰ্মাণৰ অনুৰূপ প্ৰসাৰ ঘটিল।

## অসমত মছজিদ

জুম্মা আৰু আন সমূহীয়া নামাজৰ বাবে প্ৰয়োজনীয় মছজিদ অসমত প্ৰথমে ক'ত স্থাপিত হৈছিল, সঠিককৈ জনা নাযায়। সম্ভবতঃ এই কৃতিত্বৰ দাবী ১২৫৭-৫৮ চনত কামৰূপ আক্ৰমণ কৰা ইখতিয়াৰ উদ্দিন মালিক উজবেকৰ। তেওঁ গৰুড়াচল পাহাৰৰ টিঙত মছজিদ এটা সজাইছিল বুলি জনা যায়। তাতে গিয়াচুদ্দিন আউলিয়াৰ 'আশ্ৰম' খনো আছিল। আনহাতে বহুতে ক'ব খোজে ১২০৬ চনৰ যুদ্ধ বন্দীসকলে সংস্থাপন লাভ কৰি কামৰূপ জিলাৰ মান্দাকাটাতে প্ৰথমটো মছজিদ সাজি উলিয়ায়; অৱশ্যে এই বিষয়ে কোনো ইতিহাস-সন্মত সাক্ষ্য পোৱা নাযায়। সি যি কি নহওক, গৰুড়াচলৰ মছজিদটি ত্ৰয়োদশ শতিকাৰে; ইয়াক অসমৰ পুৰণি মছজিদসমূহৰ অন্যতম এটি বুলি গণ্য কৰা হয়। প্ৰথমে সজা খেৰ-বাঁহৰ ঘৰটি স্বাভাৱিকতেই দীৰ্ঘস্থায়ী ন'হল। তাৰ পাছত শ্বাহজাদা চুজাৰ ফৰমান মৰ্মে লুটফুল্লাহ ছিৰাজী আৰু নিয়ামত উল্লাই সজা মছজিদ-গৃহও এতিয়া নাই। তাত থকা বৰ্ত্তমানৰ ধুনীয়া মছজিদটি বেছি দিনৰ নহয়।



হাজোৰ মছজিদটি নতুনকৈ সাজিবলৈ দিয়া সম্রাট চাহজাহানৰ (১৫৯২-১৬৬৬) পুত্র শ্বাহজাদা চুজাৰ আৰবী আৰু ফাৰ্চী ভাষাত লিখিত ফৰমান



বৰ্তমানৰ পোৱা মক্কা মছজিদৰ অন্তৰ্ভাগ

অসমৰ পুৰণি দিনৰ এটি বিখ্যাত মছজিদ হ'ল বংগৰ চুলতান হুছেইন শ্বাহে ১৪৯৮ চনত সজা পাণ্বাৰীৰ ৰঙামাটি শ্বাহী মছজিদ। তিনিটা গম্বুজ বিশিষ্ট সুন্দৰ মছজিদটি, ইৰানীয় স্থাপত্য কলাৰ চানেকিৰে এতিয়াও সগৌৰৱে বিদ্যমান। বৰ্ত্তমানৰ ধুবুৰী জিলাৰ অন্তৰ্গত এই অঞ্চল ৰাজনৈতিক আৰু সামাজিক দিশত গুৰুত্বপূৰ্ণ আছিল বাবে, পাছলৈ ইয়াত মোগলৰ সৈতে আহোমৰ অবিৰত সংঘাত চলিছিল; সেই কাৰণে, তাত আগৰে পৰা বসবাস কৰি থকা মানুহ সেই ঠাই এৰি গুচি গ'ল। ফলত মছজিদটো চোৰা-চিতা কৰিবলৈ কোনো নোহোৱাত, ওখ-ওখ গছ-বিৰিখে ঠাইডোখৰ ছানি পেলালে। ভাগ্যক্রমে, পঁচাশী বছৰ মান আগতে আলমগঞ্জৰ আজাদ আলী মুন্সী নামৰ এজনে ঘন হাবিৰে ঢাক খাই পৰা মছজিদ-গৃহ দেখিবলৈ পায়। ঠাই ডোখৰ অটাই-পিটাই পেলোৱাত, ওচৰৰে মুছলমান ৰাইজ মছজিদটোলৈ নিয়মীয়াকৈ নামাজলৈ আহিবলৈ ধৰিলে।





বাওঁফালে পাণবাৰী ৰঙামাটি শ্বাহী মছজিদ; সোঁফালে বৰ্ত্তমান ধ্বংস প্ৰাপ্ত বাবৰি মছজিদ

পাণবাৰীৰ মছজিদ আৰু বাবৰি মছজিদৰ মিল অনেক। দুয়োটা মছজিদতে ইৰানীয় স্থাপত্যৰ চানেকী থকা গম্বুজে মছজিদৰ শোভা বৃদ্ধি কৰিছিল। সততে দৃষ্টিগোচৰ হোৱা এইটো দক্ষিণ এছিয়াৰ বহুতো মছজিদৰ সাধাৰণ বৈশিষ্ট্য।

ঐতিহাসিক আৰু পূৰাতাত্বিক সাক্ষ্য-প্ৰমাণৰ অভাৱ হেতু অসমৰ মছজিদসমূহৰ ধাৰাবাহিক ইতিহাস কিছু ধূসৰ। অৱশ্যে এই কথা স্বীকাৰ্য্য যে য'তেই মুছলমান বসতিৰ সূচনা ঘটে, তাত প্ৰায়েই মছজিদ আৰু মাদ্ৰাছা, এই দুই 'অনুষ্ঠান' গঢ় লৈ উঠে।

অসমৰ অতি পুৰণি মছজিদৰে এটা জয়ন্তীপুৰ জামে মছজিদ; চাৰিশ চল্লিশ বছৰ আগতে সেই তাহানিৰ তুৰ্বকৰ সৈন্যদলৰ, আহোমৰ হাতত যুদ্ধ-বন্দীৰ বংশধৰসকলে সাজি উলিয়াইছিল এই মছজিদটি। সেই সময়ৰ অসমৰ আন যি কোনো সাধাৰণ ঘৰ এটিৰ দৰে, বাঁহ আৰু খেৰেৰেই প্ৰথম মছজিদ ঘৰটোও সজা হৈছিল। পাছত শিল, চেপেটা ইটা, কণী মিহলোৱা চাউলৰ গুৰি আৰু চূণ-চুৰুকীৰে আকৌ সাজি উলিউৱা মছজিদটোৰ নিৰ্মাণ কাল খাটাংকৈ জনা নেযায়; তথাপিতো ইয়াৰ মজবুত শালকাঠৰ খুটা আৰু বৰ্ত্তমানে অপ্ৰচলিত আগৰ থলুৱা সামগ্ৰীৰে নিৰ্মিত বেৰ আদিলৈ চালে ইয়াৰ বয়স দুশ বছৰতকৈও অধিক বুলি ধাৰণা কৰিব পাৰি।




জয়ন্তীপুৰৰ বৰ মছজিদৰ বাহিৰ আৰু ভিতৰৰ ছবি

তুৰ্বকৰ তুৰ্কী সৈন্যদলৰ পৰাজয়ৰ ৩৭ বছৰ পাছত ১৫৭০ খ্ৰীষ্টাব্দত সজা জয়ন্তীপুৰ বৰ-মছজিদটি দেখাত নামঘৰৰ দৰে। মূধচৰ কলডিলৰ লেখীয়া কলচী আৰ্হি আজিকালি প্ৰায়েই দেখা নাযায়; এয়া অসমৰ অন্যান্য স্থাপত্য ঐতিহ্য আৰু মুছলমানে থলুৱা কৃষ্টি বাপতিসাহোন ৰূপে গ্ৰহণ কৰাৰ এক মনোমুগ্ধকৰ উদাহৰণ। জয়ন্তীপুৰৰ ৰাইজৰ মতে, উক্ত দুষ্প্ৰাপ্য কলচী আৰ্হি হৈছে বড়োজনগোষ্ঠীৰ সমৃদ্ধি আৰু শ্ৰীবৃদ্ধিৰ প্ৰতীক। বিস্তৃত কাৰুকাৰ্য্যৰে জয়ন্তীপুৰ বৰ মছজিদৰ ভিতৰ চৰা মন কৰিবলগীয়া; বেৰত খোদিত জবা ফুলৰ নক্সা আৰু তোৰণাকৃতি নিৰ্মাণ, থলুৱা কৃষ্টি-পৰম্পৰাৰ উৎকৃষ্ট নিদৰ্শন ৰূপে তাত দেখিবলৈ পোৱা যায়।

ওচৰতে আৰু এটি মছজিদ আছে, জয়ন্তীপুৰ সৰু মছজিদ, ৰাইজৰ সংখ্যা বেছি হোৱাত নিৰ্মিত এইটি মছজিদত একেই আৰ্হিৰ নমুনা চকুত পৰে। দুয়োটা মছজিদতে জবাফুল খোদাই-কাৰ্য্য চকুত লগা ধৰণৰ।

অসমৰ মছজিদসমূহৰ খতিয়ানৰ সঠিক নথি-তথ্যৰ অভাৱ যদিও, জনামতে মীৰজুমলাৰ অসম আক্ৰমণৰ সময়ছোৱাত ঠায়ে ঠায়ে ভালেসংখ্যক মছজিদে গঢ় লৈ উঠিছিল। তেওঁৰ কৌশলগত নীতি আছিল যে য'তে তেওঁ বাহৰ পাতে, তাতেই ভালে সংখ্যক সৈন্য মোতায়েন কৰিহে অগ্ৰসৰ হয়, যাতে অধিকৃত এলেকা হস্তচ্যুত নহয়। তেনে সৈন্য-বসতিৰ ঠাইতে প্ৰয়োজনমতে সমূহীয়া নামাজৰ বাবে মছজিদ সজাই দিয়া হৈছিল। এনে এটা মছজিদ হ'ল, গোলাঘাট জিলাৰ দেৰগাঁৰৰ দক্ষিণ-পূবে, দহ কিলোমিটাৰ নিলগৰ নাহৰণি গাঁৰৰ বুঢ়া মছজিদ; মীৰজুমলাই অসম এৰি যোৱাৰ পাছত ১৬৬২ চনত এই মছজিদ নিৰ্মিত হৈছিল বুলি জনা যায়।[২]

তলৰ সোঁফালৰ ছবিত নাহৰণি বুঢ়া মছজিদ, গাঁওখনৰ ওঠৰটিৰ এটি। এইখন গাঁৱৰ মুছলমান জনসংখ্যা বেছ সৰহ, প্ৰায় ২৫ হেজাৰ। মীৰজুমলাই গড়গাঁও অভিমুখে যাত্ৰা কৰাৰ আগেয়ে দেৰগাঁৱত কিছুদিন বাহৰ পাতি আছিল; তাৰ আশে-পাশে ৰাখি থৈ যোৱা তেওঁৰ সৈন্যবলৰ বৃহৎ দলটিৰ পৰাই গাঁওখনৰ মুছলমান সম্প্ৰদায়টোৰ উদ্ভৱ হৈছিল। তাৰ লগে লগে নেঘেৰিটিং, বালিবাট, ক'লাহাবি, বাতিপৰীয়া, ঢেকীয়াল, গোলাঘাট, কছাৰিহাট আদিকৈ এক বিস্তৃত এলেকালৈ মুছলমান সম্প্ৰদায়ৰ বসতি বৃহৎ সংখ্যাত স্থাপিত হৈছিল আৰু তাৰ লগে লগে প্ৰতিটো চুবুৰীত একোটাকৈ মছজিদ সজা হৈছিল। যদিও অসমৰ গাঁওবিলাক হিন্দু-মুছলমান সম্প্ৰদায়ৰ ভিত্তিত পৰিচিত নহয়, মছজিদৰ অৱস্থিতি মুছলমানসকলৰ বসতিৰ পৰিচায়ক হিচাপে ওলাই পৰে।



সৰল পৰিবেশৰ সৌন্দৰ্য্য ভূষিত, ক্ষেত্ৰ বিশেষে গাম্ভীৰ্য্যৰেও গৰীয়ান কিছুমান মছজিদ অসমত আছে। ঐতিহ্যৰ গুৰুপৰ্য্যায়লৈ উন্নীত তেনে এটি হ'ল ডিব্ৰুগড় চহৰৰ মিৰ্জাবাগ মছজিদ। এই মছজিদটি ১৮৩৮ চনত প্ৰথমতে হৈছিল; এশ বছৰৰ পাছত মছজিদটি আটক-ধুনীয়াকৈ পুনৰ নিৰ্মাণ কৰা হয়।




ডিব্ৰুগড় চহৰৰ মিৰ্জাবাগ মছজিদ।

ডিব্ৰুগড় মিৰ্জাবাগ মছজিদত তিনি-গম্বুজীয়া স্থাপত্যৰে ইৰানীয় নিৰ্মাণশৈলীৰ প্ৰতিফলন হৈছে। ইপিনে, তলৰ সোঁফালে থকা ডিব্ৰুগড়ৰ বজাৰ মছজিদৰ অন্তৰ্ভাগ, বঙ্গীয় আৰু ইৰানীয় কলা স্থাপত্যৰ একক সংযুক্তি, ডিব্ৰুগড় চহৰৰ মাজ-মজিয়াত মূল বজাৰখনৰ ওচৰত ১৯৬২ চনত নিৰ্মিত ডিব্ৰুগড় বজাৰ মছজিদ যেন হিন্দু-মুছলিম ঐক্যৰ এক সুপ্ৰতিভ প্ৰতীক। মছজিদ সাজিবলৈ মাটিখিনি দান দিছিল অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা স্বাধীনতা সংগ্ৰামত অংশগ্ৰহণকাৰী আৰু সকলোৰে চিৰ-পৰিচিত কবি ককা নীলমণি ফুকনে। সেই সময়ত সাহিত্য জগতৰ এইজনা অশীতিপৰ পুৰোধাৰ



ছপাশাল এটা সেই ঠাইত আছিল; পিছে বজাৰত ব্যৱসায় কৰা মুছলমান সকলে নামাজৰ বাবে দূৰৰ মছজিদলৈ যাবলগীয়া হোৱাৰ অসুবিধাৰ কথা উপলব্ধি কৰি এই মাটিখিনি মছজিদ সাজিবলৈ তেওঁ আগ্ৰহেৰে দান দিলে। সেই অতি মূল্যবান মাটি ডোখৰত এতিয়া কেবাশও মানুহে শুকুৰবৰীয়া জুম্মা নামাজ পঢ়িব পৰাকৈ দুমহলীয়া মছজিদ এটি গঢ়ি উঠিল।




নাহৰণি দেৱান গাঁৱৰ মছজিদৰ বেৰত উত্তম ৰয়ৰ কোৰানৰ কেলিগ্ৰাফী

কোৱা বাহুল্য, কোনো ঐতিহ্যই অকলশৰীয়াকৈ গঢ় লোৱা অসম্ভৱ। আগতে দোহৰাৰ দৰে, অসমত ইছলামীয় আৰু হিন্দু ঐতিহ্যৰ এক নিবিড় সম্বন্ধ আছে। ইয়াৰেই ফলশ্ৰুতি ৰূপে, ৰাজ্যখনৰ বিভিন্ন এলেকাত প্ৰত্যক্ষ আন্তৰ্ধৰ্মীয় সম্পৰ্ক গঢ়ি উঠিছে। ওপৰোক্ত উদাহৰণটি তাৰেই চাক্ষুস প্ৰমাণ। সমন্বয়ৰ আৰু এটি সুন্দৰ উদাহৰণ হৈছে গোলাঘাট জিলাৰ নাহৰণি দেৱান গাওঁ মছজিদৰ বেৰত খোদিত কৰা পৱিত্ৰ কোৰানৰ আয়াত কেইটি ; আলঙ্কাৰিক ৰূপত ইয়াক খোদিত কৰিছে, হিন্দু কাৰিকৰ উত্তম ৰয়ে।




নগাওঁ জিলাৰ পুৰণিগুদাম মছজিদ, কাষতে ইৰানীয় কলাৰ মিনাৰ

গ্ৰাম্য অসমৰ বিগত দিনৰ মছজিদে, নামঘৰৰ নিৰ্মাণশৈলীকে অনুকৰণ কৰিছিল। বৰ্ত্তমানে অসম-আৰ্হি নামে জনা এনে নিৰ্মাণত আগতে মূধচ খেৰৰ আছিল, আজিকালি টিনপাতৰ। সচৰাচৰ নামঘৰৰ চাৰিওকাষ খোলা, কিন্তু মছজিদত থাকে বেৰ, বাঁহ-কাঠ নতুবা ইটাৰ। স্থাপত্য কলাৰ দৃষ্টিৰে, গাঁৱৰ মছজিদ আৰু নামঘৰৰ বিশেষ পাৰ্থক্য নাই। গতিকে সহজেই বুজিব পাৰি যে অসমৰ গ্ৰামাঞ্চলৰ মছজিদ-ঘৰ নিৰ্মাণত বৈষ্ণৱ পৰম্পৰাৰ পোনপটীয়া প্ৰভাৱ পৰিছিল।



অসম-আৰ্হিৰে সজা মঙলদৈৰ নগৰ-মছজিদ, বাহিৰৰ পৰা মছজিদৰ মিহৰাব দৃষ্টিগোচৰ হৈছে

১৫৭৭ চনত সজা, জয়ন্তীপুৰৰ আন এটি মছজিদ, একেটা ঠাঁচতে সজা। ইয়াতো থলুৱা কৃষ্টিৰ আভাস পোৱা যায় চ'ৰাঘৰটিত; ধৰ্মীয় নহয়, সামাজিক সবাহৰ বাবেহে ইয়াতে ৰাইজ গোটখাই সমজুৱা কথাৰ আলোচনা কৰে, আৰু মাজে মাজে ভোজ-ভাতো খায়। তদুপৰি উল্লেখযোগ্য যে ই মকতবৰো কাম কৰে চুবুৰীৰ কণমানিহতঁৰ নামাজ-কোৰান শিকাৰ থ'ল।





জয়ন্তীপুৰৰ আন এটা মছজিদৰ লগতে থকা চ'ৰাঘৰ। সোঁফালে গ্ৰাম্য অসমৰ এটি নামঘৰ, দুয়োটিতে সাদৃশ্য আছে।

পিছে আজিকালিৰ পুৰণিৰ ঠাইত নতুন মছজিদ সাজিবলৈ লওঁতে বহুক্ষেত্ৰত, পকা গাঁথনি ব্যৱহাৰ কৰা হয়। নগৰ এলেকাতে পোনতে এই পৰিবৰ্ত্তন আৰম্ভ হয়। নতুন মছজিদবোৰত উচ্চ মিনাৰ, মছজিদৰ ভিতৰত বেচ কাৰুকাৰ্য্য খচিত মিম্বৰ আৰু তোৰণাকৃতি নিৰ্মাণ (মেহৰাব সহ) সাধাৰণতে চকুত পৰা বিধৰ। নগৰীয়া অঞ্চলৰ এই প্ৰভাৱে ক্ৰমান্বয়ে গাঁওবিলাকো চুইছেগৈ। ঐতিহ্যৰে বিশিষ্ট ভালেমান মছজিদৰ বেলিকা অঞ্চল বিশেষে গঞা ৰাইজে, এনে আধুনিকীকৰণৰ বিৰোধিতা কৰে। দৃষ্টান্ত ৰূপে, পাণবাৰী-ৰঙামটি শ্বাহী মছজিদ এতিয়াও ইয়াৰ স্থাপত্য চানেকি আৰু স্বকীয় সৌন্দৰ্য্যৰ কোনো বিকৃতি নঘটাকৈ পূৰ্বৰ ৰূপতে অক্ষত হৈ আছে। জয়ন্তীপুৰৰ পুৰণি মছজিদ দুটিও ঐতিহ্যৰ চিনাকি হিচাপে ৰৈ গৈছে; পিছে এতিয়া তাৰে আটাইতকৈ পুৰণি বৰ-মছজিদৰ কাষত নতুন নিৰ্মাণ চলিছে। পৰিতাপৰ বিষয়, দৰং জিলাৰ মঙলদৈ চহৰৰ ১৫ কিলোমিটাৰ নিলগৰ বৃহৎ জয়পাল পুখুৰীৰ পাৰৰ, ষোড়শ শতিকাতে জয়পাল ৰজাই সজোৱা ইতিহাসে গৰকা সেই পুৰাতন জয়পাল মছজিদ, নতুন পকীঘৰ নিৰ্মাণ কৰিবলৈ সম্পূৰ্ণকৈ ভাঙি পেলোৱা হৈছে।





বাওঁফালে জয়পাল পুখুৰী; কাষত পুৰণি মছজিদ ভাঙি নতুনকৈ সজাৰ ছবি

বৰাক উপত্যকাৰ, ১৬৩০ চনত সজা ফকীৰটিলা মছজিদৰ দৰে কেতবোৰে পুৰণি মছজিদৰ নিৰ্মাণ-আৰ্হি বেচ বিৰল। দুটা মিনাৰ আৰু এক-গম্বুজ বিশিষ্ট পুৰণি মছজিদ প্ৰথমে পঞ্চাছ জন মান মানুহে নামাজ পঢ়িব পৰা এটা সৰু মছজিদেই আছিল। পাছত সমূহীয়া নামাজত অধিক সংখ্যক লোকে নামাজ পঢ়িব পৰাকৈ পুৰণি ঘৰটি দেখাত এলাগী নকৰাকৈ, সোঁ আৰু বাওঁফালে মছজিদৰ পৰিসৰ বঢ়োৱা হ'ল।



ফকীৰটিলা মছজিদ

কিছুদিনৰ ভিতৰত সজা বেচ আধুনিক আৰ্হিৰ মছজিদৰ ভিতৰত হোজাই জামে-মছজিদ উল্লেখযোগ্য। নগৰখনৰ বৰ্দ্ধিত জনসংখ্যালৈ দৃষ্টি ৰাখি ৰাইজৰ দান বৰঙণিৰে, সমূহীয়া প্ৰচেষ্টাৰে এই মছজিদ নতুনকৈ সাজি উলিওৱা হ'ল; মৌলানা বদৰুদ্দিন আজমল আৰু লাওচত ব্যৱসায় থকা হবিবুৰ চৌধুৰীয়ে খৰছৰ বুজন অংশ বহন কৰে বুলি জনা যায়।

হোজাইৰ মুছলমান জনসংখ্যা তাকৰ হৈ থাকোতেই, ১৯২৫ চনত সজা পুৰণি মছজিদ, টিনপাতৰ মূধচৰে, ইটাৰে নিৰ্মিত ঘৰটি দেখাত গ্ৰাম্য অসমৰ আন যিকোনো মছজিদৰ দৰেই আছিল।





হোজাই চহৰৰ জামে মছজিদ

দুই এক ব্যতিক্ৰম বাদ দি অসমৰ প্ৰায়বোৰ মছজিদৰ এটা বৈশিষ্ট্য বৰ লক্ষণীয়। সেইটো হ'ল, থলুৱা সংস্কৃতি আৰু ৰীতিয়ে মছজিদ নিৰ্মাণশৈলীত পেলোৱা বিশেষ প্ৰভাৱ।





১৯০১ চনত শ্বিলঙৰ লাবানত সজা মছজিদত গীৰ্জা-স্থাপত্যৰ নিদৰ্শন

মছজিদ সমূহত নিয়মীয়া নামাজৰ ওপৰিও প্ৰায়ে কোৰান তিলাৱত, আৰু মিলাদ-উন-নবীৰ দৰে বিশেষ পৱিত্ৰ উপলক্ষ্যত ধৰ্মীয় আলোচনাৰ আয়োজন কৰা হয়; দুখীয়া-নিচলাৰ সাহায্যাৰ্থে, কবৰস্থান ব্যৱস্থাপনা, আত্মীয়-কুটুম নোহোৱা লোকৰ মৃত্যু হ'লে তেওঁৰ সমাধিস্থ কৰাৰ খৰচৰ কাৰণে পুঁজি সংগ্ৰহ, আৰু ধন আৰু অন্যান্য সামগ্ৰী বিতৰণৰ ব্যৱস্থাও কৰা হয়।

আগৰ এক খণ্ডত উনুকিওৱাৰ দৰে কোনো কোনো ক্ষেত্ৰত মুছলমান ৰাইজে মছজিদৰ চ'ৰাঘৰত সামাজিক আলোচনাও কৰে। আলোচনাৰ বিষয় ভিন্ন ধৰণৰ হ'ব পাৰে, যেনে, দুখীয়া কন্যাৰ বিবাহ প্ৰসঙ্গ আৰু বিবাহৰ আয়োজন, শুভ তিথিত ভোজৰ ব্যৱস্থা, অৰাজনৈতিক সাধাৰণ সমস্যা আৰু চিন্তা চৰ্চ্চা। মছজিদেই ইয়াৰ জামাতৰ কেন্দ্ৰ বিন্দু; ইয়েই জামাতক একতাৰ ডোলেৰে বান্ধি ৰাখে। মছজিদ নামৰ এই অনুষ্ঠানটিৰ জৰিয়তেই গোটেই সম্প্ৰদায়টিয়েই সামাজিক বান্ধোনেৰে একত্ৰিত হৈ থাকে। জামাতে, মছজিদ আৰু লগৰ কবৰস্থান চোৱা চিতা, আনকি প্ৰয়োজন সাপেক্ষে নিঃস্ব নতুবা দায়িত্ব লবলৈ আত্মীয় নথকা অকলশৰীয়া জনৰ কফন-দফনৰো ব্যৱস্থা কৰে।

মুছলমান সমাজৰ প্ৰায় সকলো পৰিয়াল নিজৰ স্থানীয় মছজিদৰ সদস্য হয়। এই সদস্যসকলে নিজ নিজ মছজিদৰ কাম-কাজ নিয়াৰিকৈ পৰিচালনা কৰিবলৈ মছজিদত এগৰাকী সভাপতি, এগৰাকী সম্পাদক, এগৰাকী কোষাধ্যক্ষ আৰু কেইগৰাকীমান ব্যক্তিৰে এখন মছজিদ কমিটি এক নিৰ্দ্দিষ্ট সময়ৰ বাবে পাতি দিয়ে । এই কমিটিয়ে মছজিদৰ প্ৰয়োজনীয় সকলো কাম, যেনে - চৌহদৰ চৌপাশ আৰু ভিতৰ পৰিষ্কাৰ কৰি ৰখা, মাহিলি চান্দা তোলা, মছজিদ-গৃহ মেৰামতি কৰা, ইত্যাদি কাম চোৱা-চিতা কৰে। তাৰোপৰি, অনেক সময়ত মছজিদৰ জামাতে সৰু-সুৰা গোচৰ, পৰিয়ালৰ ভিতৰুৱা কাজিয়া-পেচাল, তালাক-নিকাহ বিবাদ আদিৰ বিচাৰো কৰি গ্ৰহণযোগ্য সমাধানৰ জৰিয়তে দ্বন্দ্বৰ সুমীমাংসা কৰে, প্ৰয়োজন অনুযায়ী নৈতিক স্খলনৰ বিচাৰো কৰে। জামাতে, সাধাৰণতে, জুম্মা নামাজৰ পাছত, চৰাঘৰত বহি গোচৰৰ শুনানি লয় আৰু উচিত সিদ্ধান্ত গ্ৰহণ কৰে। জামাতৰে এজনৰ মৃত্যুৰ বাতৰি পালে, মছজিদ সমিতিয়ে সেই পৰিয়ালটিক সৎকাৰ, দফন আৰু বিদেহী আত্মাৰ চিৰশান্তিৰ কামনাৰে প্ৰাৰ্থনা-মোনাজাত কৰিবৰ বাবেও দিহা পৰামৰ্শ দিয়ে, আৰু হাতে কামে লাগি যায়। মুঠ কথাত সকলো সামাজিক আৰু ধৰ্মীয় ক্ৰিয়া-কাৰ্য্যত মছজিদে যোগসূত্ৰৰ নিৰ্ণায়ক ভূমিকা পালন কৰে।

## মাদ্ৰাছা

মাদ্ৰাছা মানে শিক্ষানুষ্ঠান। তিনি পৰ্য্যায়ৰ 'মাদ্ৰাছা' সাধাৰণতে দেখা যায়ঃ

**ক) মাদ্ৰাছা** ঃ প্ৰথমৰ পৰা দশম শ্ৰেণীলৈকে,

**খ) দাৰুল উলুম** ঃ উচ্চ মাধ্যমিক অৰ্থাৎ একাদশ আৰু দ্বাদশ শ্ৰেণী, আৰু

**গ) জামিয়া** ঃ অৰ্থাৎ বিশ্ববিদ্যালয়

হজৰত মহম্মদ (দঃ)ৰ দিনৰে পৰা ইছলামীয় পৰম্পৰাত, জ্ঞান-শিক্ষা আৰু মানসিক উৎকৰ্ষ আৰু বিকাশ সাধনৰ ওপৰত বিশেষ গুৰুত্ব দিয়া লক্ষণীয়। তেখেতলৈ প্ৰথমটি ঐশী বাণী আছিলঃ ইক্ৰা (পঢ়া); মুছলমানসকলৰ বিশ্বাসমতে, ৰছুল (দঃ)ৰ জৰিয়তে আল্লাহ সম্পৰ্কীয় আধ্যাত্মিক জ্ঞান-প্ৰাপ্তিৰ সূচনা ইয়েই। তেতিয়াৰে পৰা অৱতীৰ্ণ সকলো বাণীয়েই লিপিবদ্ধ হৈছে পৱিত্ৰ কোৰানত। আধ্যাত্মিক জ্ঞানৰ মূৰ্ত প্ৰকাশ

পৱিত্ৰ কোৰানত অনুগামীসকলক প্ৰাৰ্থনা জনাবলৈ নিৰ্দ্দেশ দিয়া হৈছে- “হে প্ৰভূ, মোৰ জ্ঞান বৃদ্ধি কৰক”; মন কৰিবলগীয়া যে এই পৱিত্ৰ শাস্ত্ৰৰ আদিতেই জ্ঞান শিক্ষা আহৰণৰ আহ্বান আছে। তদুপৰি পুথিখনিয়ে মাজতো বাৰে বাৰে সোঁৱৰাই দিছে, জ্ঞান অন্বেষণৰ অবিৰত প্ৰচেষ্টাৰ প্ৰয়োজনীয়তা; ‘বিশ্ববাসীসকলৰ’ বাবে জ্ঞান আৰু বিদ্যা আৰ্জনৰ সকলো চেষ্টা-সাধনাতেই পুণ্য নিহিত আছে। ৰছুল (দঃ)এ অনুগামী ভক্তগণক নিৰ্দ্দেশ দিছিলঃ ‘জন্মৰে পৰা মৃত্যুলৈকে জ্ঞান আহৰণত তৎপৰ হোৱা”।[৩]

প্ৰত্যেক মুছলমানৰ প্ৰতি ইছলাম ধৰ্মৰ স্পষ্ট নিৰ্দ্দেশ যে জ্ঞান অৰ্জনৰ বাবে জীৱনজোৰা চেষ্টা-সাধনাত ব্ৰতী হোৱা উচিত। জ্ঞান বোলোতে কেৱল ধৰ্মীয় শিক্ষাৰ কথাকে সূচোৱা নাই; সকলো যুক্তি-পৰিমেয় বিদ্যা চৰ্চাও ইয়াৰ অন্তৰ্গত। সেইবাবেই ইছলামীয় পৰম্পৰাই লাগতিয়াল যাবতীয় সকলো জ্ঞান বিদ্যাৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়ে। যিহেতু এনে জ্ঞান মানুহে নিজৰ চেষ্টা-প্ৰচেষ্টাৰ জৰিয়তেই অৰ্জন কৰিব লাগিব, সেয়েহে ইয়াৰ বাবে প্ৰয়োজন আনুষ্ঠানিক সংগঠনৰ। ইছলাম গঢ় লৈ উঠাৰ প্ৰাৰম্ভিক কালছোৱাত, মছজিদেই আছিল নামাজ পঢ়া, হাদীচ চৰ্চা কৰা, আৰু যাবতীয় সাংসাৰিক জ্ঞান আহৰণৰ কেন্দ্ৰ। পৃথিৱীৰ দ্বিতীয় মছজিদ, মদিনাৰ মছজিদ-উন-নবীয়েই উপাসনা গৃহৰ উপৰিও ধৰ্মীয় আৰু যাবতীয় জ্ঞান-বিদ্যা আহৰণৰ থলীও আছিল বুলি বুৰঞ্জীৰ সাক্ষ্য সুস্পষ্ট। আনকথাত কবলৈ হ’লে ‘মাদ্ৰাছা’ৰ উৎপত্তি মছজিদৰ লগতেই। মাদ্ৰাছাই ‘পঢ়াশালি’ আৰু ‘প্ৰাৰ্থনা থলী’ ৰূপে দ্বৈত ভূমিকা পালন কৰে।[৪]

মহম্মদৰ (দঃ) জীৱদ্দশাৰ পাছত দূৰ-দূৰণিলৈও ইছলামৰ প্ৰসাৰ ঘটাত’ ধৰ্মতত্ব আৰু আনুষঙ্গিক ক্ৰিয়া-কাণ্ডৰ সঠিক ধাৰণা আৰু তফচীৰ আৰু ফিক্‌হ ব্যাখ্যা বিশেষ জৰুৰী হৈ পৰিল; ইয়াৰ সমান্তৰালকৈ আৰবীয় জগতত সাহিত্য, বুৰঞ্জী, ভূগোল, জ্যোতিৰ্বিদ্যা, দৰ্শন, অঙ্কশাস্ত্ৰ আৰু আনকি স্থাপত্য কলা আদিৰো নতুন বিকাশৰ সূচনা হয়। এনে চিন্তা-চৰ্চাৰ মাধ্যমতে অনিবাৰ্য্যৰূপে গঢ় লৈ উঠিল উচ্চ মানৰ ইছলামীয় সভ্যতাই। সেই প্ৰাৰম্ভণিৰ দিনৰে পৰা বিদ্যা-শিক্ষাৰ দায়িত্ব বহন কৰি অহা মছজিদৰ পৰিসৰ, পৰিবৰ্ত্তিত পৰিস্থিতিত তুলনামূলক ভাৱে ঠেক যেন অনুভূত হ’বলৈ ধৰাত, মছজিদৰ গণ্ডীৰ বাহিৰত সুকীয়া অনুষ্ঠান সৃষ্টিৰ প্ৰয়োজন হ’লগৈ। উচ্চ শিক্ষাৰ কেন্দ্ৰ ৰূপে ইছলামীয় পৰম্পৰা ৰক্ষাৰ্থে, আৰু প্ৰয়োজনীয় জ্ঞানৰ অগ্ৰগতি অব্যাহত ৰাখিবলৈ শিক্ষাৰ এক সুকীয়া আনুষ্ঠানিক ব্যৱস্থা ‘মাদ্ৰাছা’ ঠন ধৰি উঠাৰ পটভূমি এয়াই। মছজিদ এতিয়া কেৱল নামাজৰ স্থান হিচাপে, আৰু মাদ্ৰাছা জ্ঞান আহৰণৰ কেন্দ্ৰ হিচাপে পৰিগণিত হ’বলৈ ধৰিলে।

মাদ্ৰাছা শব্দটো আৰবী মূলৰ পৰা উদ্ভূত (আৰবী ‘দাৰাচা’ শব্দৰ অৰ্থ, শিকোৱা); তাৰে পৰাই মাদ্ৰাছা শব্দটিৰ উৎপত্তি। গতিকে আক্ষৰিক অৰ্থত, ই শিক্ষা দান আৰু গ্ৰহণৰ স্থান, ইংৰাজী স্কুল শব্দৰ দৰেই। বহুতেই মাদ্ৰাছা কেৱল মুছলমান শিকাৰুৰ বাবে বুলি ভুলকৈ ভাবে; অনা-মুছলমানো ইয়াত ভৰ্ত্তি হোৱাৰ নজিৰ নথকা নহয়। ভাৰতৰ প্ৰথমগৰাকী ৰাষ্ট্ৰপতি ড° ৰাজেন্দ্ৰ প্ৰসাদে মাদ্ৰাছাতে জীৱনৰ প্ৰাৰম্ভিক শিক্ষা লাভ কৰিছিল। যোৱা ২০১৪ চনৰ মে’ মাহত ঘোষিত পশ্চিম বংগৰ মাদ্ৰাছা বৰ্ডৰ শেহান্ত পৰীক্ষাত মৌ হালদাৰ নামৰ এগৰাকী ছাত্ৰীয়ে ষষ্ঠ স্থান অধিকাৰ কৰি সকলোকে চমকিত কৰিলে। সি যি কি নহওক, মাদ্ৰাছাত সহশিক্ষাৰ ব্যৱস্থা নাই; সেয়েহে ল’ৰা আৰু ছোৱালীৰ বাবে সুকীয়া মাদ্ৰাছা প্ৰতিষ্ঠা কৰা হয়।

মাদ্রাছাৰ এক মূখ্য উদ্দেশ্য, ইছলামীয় জীৱন ধাৰা আৰু বিশ্ববীক্ষণৰ ধাৰণাৰে উদ্বুদ্ধ আলিম সৃষ্টি; সেইবাবে পৱিত্ৰ কোৰান হাদীচৰ বস্তুনিষ্ঠ সঠিক জ্ঞান আৰু লগতে তফচীৰ, ফিক্‌হ্ আদিৰ আৰু উচুলৰো সম্যক শিক্ষা দিয়াত গুৰুত্ব দিয়া হয়। যদিও ইছলামীয় সভ্যতাৰ আদি ছোৱাত, অঙ্ক শাস্ত্ৰকে ধৰি সকলো বিজ্ঞান, কলা আৰু সমাজবিদ্যা সমানেই লাগতিয়াল বুলি বিবেচিত হৈছিল, পাছলৈ এই সমূহৰ গুৰুত্ব কম হৈ পৰিল।

## মাদ্ৰাছাৰ ইতিহাস

মাদ্ৰাছা প্ৰথম ক'ত সজা হৈছিল, সঠিককৈ জনা নাযায়। বহুতেই ক'ব খোজে উমায়া বংশৰ খলিফা আব্দুল মালিকে ৭৫০ খ্ৰীষ্টাব্দত ডামাস্কাচত প্ৰথমটো মাদ্ৰাছা সজোৱায়।[৫] আনহাতে কোনো কোনোৰ মতে, মৰক্কোৰ ফাচ চহৰৰ জমিয়তুল কাৰাবিঈন হ'ল পৃথিৱীৰ ভিতৰতে আটাইতকৈ পুৰণি মাদ্ৰাছা। ৮৫৯ চনত এই মাদ্ৰাছাখন ধনী সদাগৰ মহম্মদ আলফিহৰিৰ কন্যা ফাতিমা আলফিহৰিয়ে স্থাপন কৰিছিল। পাছলৈ আব্বাচীয়[৬] খলিফা সকলৰ দিনত মাদ্ৰাছা সমূহে শিক্ষা-দীক্ষাৰ কেন্দ্ৰ ৰূপে বিশেষ অগ্ৰগতি লাভ কৰে। ইছলামীয় ধৰ্ম, ইতিহাস আৰু দৰ্শনৰ উপৰিও অঙ্কশাস্ত্ৰ, জ্যোতিৰ্বিদ্যা, ৰসায়নকে আদি কৰি বিভিন্ন বিজ্ঞানৰ যথেষ্ট গভীৰ চৰ্চ্চা এই মাদ্ৰাছাবোৰত ঘটা পৰিলক্ষিত হৈছিল।

ফাতিমীয় বংশৰ শাসন [৭] কালত আৰু পাছৰ মধ্যযুগীয় মধ্য-প্ৰাচ্যৰ ৰাজ্যসমূহত, শাসক গোষ্ঠীৰ বদান্যতাত ৱাকফৰ জৰিয়তে বহু মাদ্ৰাছাৰ সৃষ্টি হৈছিল; ইজিপ্তৰ ফাতিমীয় সকলে প্ৰথমটো মাদ্ৰাছা খুলিছিল ১০০৫ চনত। তাৰ পাছত ৰাজ্যজয়, প্ৰব্ৰজন আৰু ধৰ্মান্তৰকৰণ হেতু মুছলমান বসতিৰ প্ৰসাৰ ঘটাৰ ফলত, পৃথিৱীৰ বিভিন্ন প্ৰান্তত ভালেমান মাদ্ৰাছাই গা কৰি উঠিল। অৱশ্যে, বেছি ভাগ মাদ্ৰাছা স্থাপন কৰিছিল ভিন্ ভিন্ পন্থাৰ চুফী প্ৰচাৰক সকলে। তেওঁবিলাকে ইছলামৰ বাণী বিলোৱাৰ উপৰিও মানৱ-জীৱনৰ অপৰিহাৰ্য্য জ্ঞানৰ দিগন্ত বিস্তৃত কৰাতো সচেষ্ট হৈছিল। কালক্ৰমত মাদ্ৰাছাৰ শিক্ষা দুটা ধাৰাত বিভক্ত হৈ পৰিছিল, যথা, আধ্যাত্মিক দিশত অগ্ৰগণ্য এচাম ব্যক্তি গঢ়ি তুলিবলৈ অৰ্থাৎ পণ্ডিতীয় ধৰ্মতত্ত্বৰ দিশত, আৰু দ্বিতীয়তে, লাগতিয়াল যাৱতীয় জ্ঞানৰ প্ৰয়োগেৰে, বিজ্ঞান, দৰ্শন, সমাজতত্ব আদিৰ উৎকৰ্ষ সাধনত ব্ৰতী পণ্ডিত, আৰু লগতে শাসন কাৰ্য্যত জড়িত ৰাজ-বিষয়া আদিৰ সৃষ্টি কৰিবলৈ। মহম্মদ বিন কাচিমে ৭১২ চনত সিন্ধুদেশ আক্ৰমণ কৰাৰ পাছত, ভাৰতীয় উপমহাদেশত ইছলাম প্ৰসাৰৰ সূচনা হয়। ভাৰতৰ উত্তৰ আৰু পশ্চিম খণ্ডৰ কেতবোৰ অঞ্চলত মুছলমান বসতি গঢ়ি উঠিল; ইয়াৰ লগে লগে ধৰ্মগুৰু সকলৰ প্ৰচেষ্টাত মছজিদ আৰু মাদ্ৰাছাও স্থাপিত হ'ল। প্ৰায় সমান্তৰালভাবেই, এই উদ্যমত ৰাজ-পৃষ্ঠপোষকতায়ো উদগনি যোগায়। দিল্লীৰ চুলতান আমোলৰ প্ৰাৰম্ভতেই কুতুবুদ্দিন আইবাকে তেওঁৰ চমু শাসন কালতেই (১২০৬-১২১০), ৰাজধানী খনৰ আশে-পাশে আৰব দেশৰ বিভিন্ন প্ৰান্তৰ মুছলমান ৰজাৰ পৰম্পৰা অনুসৰণ কৰি মছজিদ আৰু মাদ্ৰাছা সজাবলৈ লয়। তেওঁৰ আকস্মিক মৃত্যুত তলতীয়া সমূহ প্ৰাদেশিক শাসকে স্বাধীনতা ঘোষণা কৰি ৰাজকীয় উপাধি গ্ৰহণ কৰিলে, আৰু নিজ-নিজ এলেকাত চহৰ পাতি মছজিদ আৰু মাদ্ৰাছা সাজিলে। বিহাৰ আৰু বঙ্গৰ শাসনকৰ্ত্তায়ো তাকে কৰিলে। ফলস্বৰূপে, ভাৰতত মুছলমান উপস্থিতি বেচ টনকিয়াল হ'ল; লগতে মছজিদ আৰু মাদ্ৰাছাৰ সংখ্যাও যথেষ্ট বাঢ়িল। মহম্মদ বিন টোগলকৰ ৰাজত্ব কালত (১৩২৫ -১৩৫১) কেৱল দিল্লী আশে-পাশে বিস্তৃত পাঠ্যসূচীৰে শিক্ষা দান কৰা মাদ্ৰাছাৰ সংখ্যা এহেজাৰমান আছিল।[৮] সহজেই বুজিব পাৰি

যে, ভাৰতত সিন্ধুৰ পৰা বঙ্গলৈকে মাদ্ৰাছাৰ ইতিহাস সাঙোৰ খাই আছে বহিৰ্আক্ৰমণ, চুলতানী শাসন আৰু মুছলমান-বসতি স্থাপনৰ সৈতে। মহান মোগলসকলকে ধৰি একাদিক্ৰমে বিভিন্ন বংশানুক্ৰমিক শাসকবৰ্গৰ দিনত চহৰ বিলাকত আৰু গ্ৰাম্য অঞ্চলতো, ধৰ্ম আৰু বিধি বিষয়ক যাবতীয় জ্ঞান বিলাবলৈ বহুতো মাদ্ৰাছা কেৱল ৰাজকীয় পৃষ্টপোষকতাতেই নহয়, ব্যক্তিগত উদ্যোগতো স্থাপিত হৈছিল।

সৰহসংখ্যক এনে মাদ্ৰাছাৰ সৈতে জড়িত হৈ আছিল হানিফী পন্থাৰ চুফী পণ্ডিত আৰু শিক্ষক; এওঁবিলাক 'ইজটিহাদ'ত (অৰ্থাৎ যুক্তিবাদ) বিশ্বাসী গুণে 'তকলীদ' (পৰম্পৰাৰ অন্ধ অনুসৰণ) বিৰোধী। এনে শিক্ষানুষ্ঠানত ছাত্ৰই সেইকাৰণে ধৰ্মতত্বৰ উপৰিও আৰবী, ফাৰ্চী আৰু উৰ্দু এই তিনিওটা ভাষা, সাহিত্য, বিজ্ঞান, অঙ্কশাস্ত্ৰ, ইতিহাস, দৰ্শন, তৰ্কবিদ্যা আদিৰ জ্ঞানো লাভ কৰে। কিন্তু পাছলৈ, মোগল সাম্ৰাজ্যৰ অৱনতিৰ কালত মাদ্ৰাছালৈ ৰাজ-সাহায্য হ্ৰাস পায়, আৰু ৰক্ষণশীল উলেমাই ব্যৱস্থাপনাত আগ ভাগ লবলৈ ধৰি, পাঠ্যসূচী ক্ৰমান্বয়ে সাল-সলনি কৰোৱাৰ ফলত মাদ্ৰাছা মাত্ৰ ধৰ্মতত্বৰ পাঠশালাহে হৈ পৰিল। মোহম্মেদান এংলো অৰিয়েণ্টেল কলেজৰ প্ৰতিষ্ঠাপক চৈয়দ আহমদ খানে, মহচিন-উল-মুলকৰ সৈতে বাৰ্ত্তালাপত (১১ ফেব্ৰুৱাৰী, ১৮৭২) তেওঁৰ তেতিয়াৰ দিনত চলি থকা মাদ্ৰাছা আৰু উলেমাৰ বিৰুদ্ধে তীব্ৰ উষ্মা প্ৰকাশ কৰিছিল, কাৰণ তেওঁলোকে "সম্পূৰ্ণ অলাগতিয়াল" পাঠ্যসূচীৰে ছাত্ৰক প্ৰতাৰণা কৰিছিল। তেওঁৰ মতে, "ভ্ৰান্তিমূলক আৰু অপ্ৰসাঙ্গিক ধাৰণাৰে... ইতিহাস আৰু অতীতক অনিশ্চিত আৰু সংশয়যুক্ত কৰি, সত্য ঘটনাক সাধু গল্পৰ দৰে বৰ্ণাই বিভ্ৰান্ত কৰে। এইবিলক সমস্ত বৰ্ত্তমান যুগ আৰু কালৰ উদ্যমৰ পৰিপন্থী, আৰু সেয়েহে মুছলমানৰ হিত সাধন কৰাৰ পৰিবৰ্ত্তে মাদ্ৰাছা শিক্ষাই অন্যায়হে কৰিব"।[৯] এইবিলাক কাৰণতে ছাৰ চৈয়দে পশ্চিমীয়া শিক্ষাৰ সাৰ গ্ৰহণ কৰি উক্ত কলেজ খন স্থাপন কৰিলে, আৰু শেষান্তত ই বিখ্যাত আলিগড় মুছলিম বিশ্ববিদ্যালয়ত পৰিণত হ'ল।

১৭৫৭ চনৰ পলাচী যুদ্ধত নবাব ছিৰাজুদ্দৌলাৰ পৰাজয় হোৱাত, বঙ্গ ব্ৰিটিছৰ অধীনলৈ গ'ল। দুটা দশকৰ পাছত ইষ্ট-ইণ্ডিয়া কোম্পানীৰ গৱৰ্ণৰ জেনেৰেল ৱাৰেণ হেষ্টিংচে, ১৭৮১ ত কলিকতা মাদ্ৰাছা (মাদ্ৰাছা আলিয়া) স্থাপন কৰিলে। উল্লেখযোগ্য যে মৌলানা মজিদৰ নেতৃত্বত কলিকতা নগৰৰ একাংশ মুছলমান লোকে দ্বীনিয়াত (ধৰ্মতত্ব) আৰু অন্যান্য বিষয় শিক্ষাৰ বাবে পঢ়াশালি পাতি দিবলৈ আবেদন জনাইছিল। তাৰে সঁহাৰিত মাদ্ৰাছাখন সেই বছৰৰ অক্টোবৰ মাহত আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হ'ল; হেষ্টিংচে মাহে প্ৰতি ২২৫ টকাৰ অনুদানৰ ব্যৱস্থাও কৰিলে।[১০] এই প্ৰসঙ্গত উল্লেখযোগ্য যে আৰবী আৰু ফাৰ্চী উভয় ভাষাতেই পাৰদৰ্শী ব্ৰিটিছ সামৰিক বিষয়া এজনক মাদ্ৰাছাৰ অধ্যক্ষ ৰূপে নিযুক্তি দিয়া হ'ল। দ্বীনিয়াত (ধৰ্ম সম্পৰ্কীয়) আৰু ফিক্‌হ্ (নীতি নিয়মৰ শিক্ষা দান)ৰ জৰিয়তে ব্ৰিটিছ কাছাৰীত গোচৰ চলোৱাৰ সুবিধাৰ্থে মুছলমান আইন-বিষয়া এচাম যাতে ওলায়, সেইবাবে এই মাদ্ৰাছা পতা হৈছিল। কলিকতা মাদ্ৰাছাৰ পৰা ভালেমানে আইন পাচ কৰি ওলাইছিল; তেওঁলোকে ব্ৰিটিছ কোম্পানীৰ হৈ ওকালতি কৰাৰ উপৰিও ইছলামীয় বৌদ্ধিক পৰম্পৰাৰ উত্তৰণ সধাতো মনোনিবেশ কৰিলে।[১১] ইছলামীয় আৰু ইউৰোপীয় শিক্ষাৰ সমন্বয়েৰে সমাজখন আধুনিক ৰূপত গঢ়িবলৈ ইচ্ছুক সচেতন মধ্যবিত্ত শ্ৰেণী এটাৰো এইদৰে সৃষ্টি হ'ল। ইতিমধ্যে, ১৮৫৮ চনত চিপাহী-বিদ্ৰোহৰ নিৰ্মম দমনে ভাৰতৰ মাদ্ৰাছাসমূহত বিশেষ প্ৰভাৱ পেলালে। মুছলমানৰ মনত বিদেশী শাসনৰ বিৰুদ্ধে তীব্ৰ ঘৃণা-বিদ্বেষৰ উদ্ভৱ হ'ল। ইতিহাসবিদ তাৰা চান্দে লিখিছে

"ৰাজ্যত তেওঁলোকৰ (মুছলমান সকলৰ) প্ৰতিপত্তিৰ সমাপ্তি ঘটোৱা বিদেশী শাসনৰ প্ৰতি ঘৃণা ভাৱে স্বাভাৱিকতে তেওঁলোকৰ মন বিদেশী শিক্ষা আৰু সংস্কৃতিৰ প্ৰতি সম্পূৰ্ণ বীতশ্ৰদ্ধ কৰি তুলিলে। তেওঁলোকে উপলব্ধি কৰিলে যে ইংৰাজী শিক্ষাই ইছলামৰ প্ৰতি মুছলমান সকলৰ বিশ্বাস সোলোক-ঢোলোক কৰি মানুহখিনিক ধৰ্মত্যাগী কৰোৱাব"।[১২] এনে পৰিপ্ৰেক্ষিতত মুছলমান সমাজৰ বৌদ্ধিক নেতৃত্ব ৰক্ষণশীল লোকৰ হাতলৈ গ'ল; তেওঁবিলাকে বিশ্বাস কৰিছিল যে মুছলমানে পাৰম্পৰিক গোড়া ইছলাম মানি চলা হ'লে, আল্লাহে তেওঁলোকক বিদেশী অধৰ্মীৰ হাতোৰাত পচিবলৈ নিদিলেহেঁতেন।

উলেমাসকলে প্ৰচাৰ কৰিবলৈ ধৰিলে যে বিজ্ঞান, অঙ্কশাস্ত্ৰ, সমাজতত্ব আৰু সাহিত্য য়ুৰোপীয় খ্ৰীষ্টীয় প্ৰভাৱৰ কবলত, গতিকে সেইবিলাক বিদ্যায়তনিক বিষয় ইছলাম বিৰোধী। উল্লেখনীয় যে, সেই সময়তেই মধ্যপ্ৰাচ্যত মৌলবাদী ৱাহাবী আন্দোলনৰ প্ৰভাৱত তেনে ভাবধাৰাই গা কৰি উঠিছিল।[১৩] থূল-মূলকৈ ক'বলৈ হ'লে এনেবোৰ কাৰণতেই, ভাৰতৰ মাদ্ৰাছাসমূহ ধৰ্মতত্ব আৰু সংকীৰ্ণ গণ্ডীৰ পাঠ্যক্ৰমতেই সন্তুষ্ট থাকিল। কলিকতা মাদ্ৰাছাৰ যোগেদি গঢ়ি উঠা পৰম্পৰা গোড়া ইছলামৰ ধ্বজাবাহকৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগীয়া হ'ল।

১৮৬৭ চনত উত্তৰ প্ৰদেশৰ দেওবন্দত দাৰুল-উলুম (জ্ঞান গৃহ) নামে স্থাপিত ইছলামীয় শিক্ষানুষ্ঠানখন, ধৰ্মীয় শিক্ষা আৰু চিন্তাৰ দিশত এক বিশেষ পদক্ষেপ। ইয়াৰ আৰম্ভণি হয় পুৰণি ছাত্তাহ মছজিদৰ কাষত থকা বিশাল ডালপাতেৰে ভৰা ডালিম গছ এজোপাৰ ছাঁত (গছজোপা এতিয়াও সাক্ষ্য ৰূপে বৰ্তমান)। দাৰুল-উলুমখন, অন্যান্য মাদ্ৰাছাৰ দৰে কোনো মছজিদ নতুবা ব্যক্তিগত গৃহৰ প্ৰসাৰণ কিন্তু নহয়, যদিওবা এটা মছজিদ প্ৰাঙ্গণতেই ইয়াৰ সূচনা হৈছিল। অতি কম সময়ৰ ভিতৰতেই, প্ৰতিষ্ঠাপকসকলে শ্ৰেণীকোঠা, শিক্ষকৰ সমূহীয়া-কোঠা, পুথিভঁৰাল আদিৰ স্থায়ী ঘৰ সাজি উলিয়াই, যোগ্য শিক্ষক-কৰ্মচাৰী নিযুক্ত কৰি, বিস্তৃত পাঠ্যক্ৰমেৰে পাঠদান আৰম্ভ কৰিব পাৰিলে। পৰীক্ষা আদিও নিয়াৰিকৈ পাতি বছেৰেকীয়া সমাবৰ্ত্তনত আনুষ্ঠানিক ভাৱে 'ডিগ্ৰী', আৰু শীৰ্ষ স্থান প্ৰাপ্ত ছাত্ৰ বৰ্গক বঁটা-প্ৰদান কৰি তেওঁলোকে সাংগঠনিক সাফল্যৰ পৰিচয় দিয়ে। উল্লেখযোগ্য যে এই সমস্ত কাম একমাত্ৰ ৰাজহুৱা বৰঙণিৰ জৰিয়তেই সমাধা কৰা হৈছিল। দেওবন্দত এই প্ৰথা এতিয়াও চলি আছে; দাৰুল-উলুমে চৰকাৰী অনুদান সদায়েই সানুনয়ে প্ৰত্যাখ্যান কৰি আহিছে। বৰ্ত্তমানৰ উপ-কুলপতি আৰু আন কৰ্মকৰ্ত্তাসকলৰ পৰা জনা মতে, অনুষ্ঠানখনৰ পুঁজিলৈ বছেৰেকীয়া ৰাজহুৱা বৰঙণিৰ পৰিমাণ ২৮ কোটি মান টকা হয়। সংশ্লিষ্ট কৰ্ত্তৃপক্ষ চৰকাৰী অনুদান গ্ৰহণ কৰাত অনিচ্ছুক কিয়নো এনে কৰিলে অনুষ্ঠানৰ স্বায়ত্ব-কৰ্তৃত্ব বিঘ্নিত হোৱাৰ সম্ভাৱনা প্ৰকট, আৰু লগতে আনুষঙ্গিক ভাৱে মাদ্ৰাছা ব্যৱস্থাত চৰকাৰী হস্তক্ষেপ ঘটিব। দেশৰ অন্যান্য ব্যক্তিগত মাদ্ৰাছাৰো সাধাৰণ মতামত অনুৰূপ।[১৪]

দাৰুল-উলুমত ৫০০০ মান ছাত্ৰ আছে; তাৰে দুশজনমান অসম, মণিপুৰ আৰু ত্ৰিপুৰাকে ধৰি পূৰ্ব্বোত্তৰ ভাৰতৰ। ইয়াৰ প্ৰায়ভাগ ছাত্ৰই শিক্ষাৰ সমাপ্তিত, নিজ নিজ ৰাজ্যলৈ ঘুৰি আহি মাদ্ৰাছা, মছজিদ আদি ধৰ্মানুষ্ঠানত কৰ্মৰত হয়হি। সেইবাবেই এই মূল শিক্ষানুষ্ঠানৰ সৈতে অসমৰ ইছলামীয় শিক্ষাক্ষেত্ৰৰ ঘনিষ্ঠ সম্পৰ্ক; ভালেমান আগশাৰীৰ মাদ্ৰাছাত দাৰুল-উলুমৰ অনুমোদিত পাঠ্যক্ৰমৰেই প্ৰচলন দেখা যায়।




দেওবন্দস্থ দাৰুল উলুমৰ ভিতৰত থকা মছজিদ; সোঁফালে তাৰে এটি ছাত্ৰাবাস

## অসমৰ মাদ্ৰাছাৰ ইতিহাস

ত্ৰয়োদশ শতিকাৰে পৰা আৰম্ভ কৰি অসমত মুছলমান বসতিয়ে গঢ় লৈ উঠাৰ সমান্তৰাল ভাৱেই মছজিদ আৰু মাদ্ৰাছা স্থাপনৰো আৰম্ভণি হয়; অৱশ্যে ইয়াৰ সঠিক ঐতিহাসিক বিৱৰণ পোৱা নাযায়।[১৫]

মছজিদৰ প্ৰয়োজন হয় জুম্মা নামাজকে আদি কৰি বিভিন্ন সমূহীয়া নামাজৰ বাবে। চুবুৰীৰ লৰা-ছোৱালীক ইছলামৰ মূল কথা বিলাক, নামাজ পঢ়াৰ নিয়ম, কোৰান-পাঠ আদিৰ শিক্ষা দিবলৈ, মছজিদৰ লগতে কোঠা বা ঠাই এডোখৰৰ ব্যৱস্থা কৰা হয়। ইয়েই মকতব; কণমানিহঁতে অন্ততঃ নামাজ, কোৰান পঢ়াৰ শিক্ষা, আৰু ৰমজানৰ ৰোজা আৰু আন ইছলামীয় ক্ৰিয়া-কলাপৰ আভাস পোৱাত বৰ সহায়ক হয়। ব্ৰিটিছ অহাৰ সময়লৈকে সম্ভৱ এনে মকতবৰ মাধ্যমেৰেই ইছলামীয় ধৰ্ম-শিক্ষা দিয়া হৈছিল।

পিছে মকতব যোগে ওপৰৰ খলপৰ শিক্ষা প্ৰদান সম্ভৱ নহয় বাবে, ব্ৰিটিছ অহাৰ পাছত যাতায়তৰ সুবিধা হোৱাত, ৰাইজে নিজ নিজ ঠাইত মাদ্ৰাছা স্থাপন কৰিবলৈ লয়। কলিকতাৰ আলিয়া মাদ্ৰাছাৰ ঠাঁচত গঢ় লৈ উঠা এনেবোৰ মাদ্ৰাছাত মাধ্যমিক পৰ্য্যায়ৰ পৰম্পৰাগত আৰু গোড়া ইছলামীয় শিক্ষা প্ৰদানত মনোনিৱেশ কৰা হয়।

উনবিংশ শতিকাৰ শেষৰ দশকত, অসমত ব্যক্তিগত খণ্ডৰ কেতবোৰ মাদ্ৰাছা গঢ় লৈ উঠিল; ৰাজ্যৰ এনে ধৰণৰ প্ৰথমটো অনুষ্ঠান হ'ল কাছাৰৰ বাঁশকান্দিৰ দাৰুল-উলুম মাদ্ৰাছা। দেওবন্দৰ বিখ্যাত মাদ্ৰাছাটি




বাঁশকান্দি মাদ্ৰাছাৰ কাৰ্য্যালয় আৰু পাঠদান গৃহ; সোঁ ফালে ছাত্ৰাবাসৰ এটি গৃহৰ ছবি

স্থাপনৰ ত্ৰিশ বছৰ পাছত ১৮৯৭ চনত এই মাদ্ৰাছা স্থাপিত হৈছিল। নেনা মিঞা নামৰ এজন মণিপুৰী মুছলমান লোকে শিলচৰ চহৰৰ পৰা ১১ কিলোমিটাৰ দূৰৈৰ বাঁশকান্দিত ২০ বিঘাৰ মাটি এডোখৰত এই মাদ্ৰাছাখনি পাতে। পাছত ১৯৫৫ চনত জামিয়া ৰূপে স্বীকৃত শিক্ষানুষ্ঠানখনত বৰ্তমান ২৫০০ জন ছাত্ৰই পাঠ গ্ৰহণ আৰু ৪১ গৰাকী শিক্ষকে পাঠদান কৰি আছে। ইয়াত বিভাগ পাঁচটা যথা, তফচিৰে কোৰান ( কোৰান ব্যাখ্যা), ইফটা, মৌলানা (গৰিষ্ঠ সংখ্যক ১৫০০ ছাত্ৰৰে), কেৰাত আৰু হিফ্জ। অসমৰ বৃহত্তম মাদ্ৰাছা এই আবাসিক অনুষ্ঠানত ছাত্ৰৰ শিক্ষা, থকা-মেলা আৰু খোৱা-বোৱা সম্পূৰ্ণ বিনামূলীয়া। দক্ষিণ এছিয়াৰ গোড়া পৰম্পৰা অনুসাৰেই ইয়াত অৱশ্যে সহশিক্ষা নচলে। অসমত ছোৱালীৰ বাবে কোনো কোনো ঠাইত সুকীয়া মাদ্ৰাছা আছে। এইখিনিতে উল্লেখ অপ্ৰাসঙ্গিক ন'হব যে ইণ্ডোনেছিয়াত মাদ্ৰাছাত সহশিক্ষাৰ ব্যৱস্থা আছে। মালয়েছিয়াত মাদ্ৰাছা প্ৰায় নায়েই; কেতবোৰ স্কুলতহে বিশেষ পাঠদানৰ ব্যৱস্থা কৰি মুছলমান ছাত্ৰক ইছলামীয় শিক্ষা প্ৰদান কৰা হয়।

শিৱসাগৰ, যোৰহাট, নগাঁও আদি জিলাত কেইখনমান লেখত লবলগীয়া মাদ্ৰাছা আছে; তাৰে কেইখনমানৰ চমু পৰিচয় তলত দিয়া হ'ল,

ডিব্ৰুগড় চহৰৰ মাজ-মজিয়াৰ দাৰুল-উলুম মাদ্ৰাছাখন ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভিতৰতে আটাইতকৈ পুৰণি। চহৰৰ কেইজনমান মুখীয়াল মুছলমান ব্যক্তিয়ে ১৯০২ চনত সমূহীয়া সভা এখন পাতি ৰাইজৰ সহায় সহযোগিতাৰে, চৰকাৰী অনুদান নিবিচাৰি ইছলামীয় শিক্ষাৰ বাবে এখন মাদ্ৰাছা স্থাপন কৰাৰ সিদ্ধান্ত লয়। দেওবন্দৰ অনুকৰণেৰে ইয়াৰ আৰম্ভণিৰ 'মাদ্ৰাছা ফাইজে-আম' নামটো সলাই 'দাৰুল-উলুম মাদ্ৰাছা, ডিব্ৰুগড়' দিয়া হয়। বৰ্ত্তমানে ইয়াত ১২৭ জন ছাত্ৰ আৰু ১৪ জন শিক্ষক। ইয়াত দহ-বছৰীয়া মৌলানা পাঠ্যক্ৰম চলে; এতিয়া বিজ্ঞান, অঙ্ক আৰু ইংৰাজীৰ প্ৰাথমিক জ্ঞান দিয়াৰ ব্যৱস্থাও কৰা হৈছে। ইয়াৰ মুহতামিমে (অধ্যক্ষ) অনুষ্ঠানৰ খাৰিজীয়া স্থিতি সন্দৰ্ভত এইদৰে কয়ঃ




> সমগ্ৰ দেশতে,ব্যক্তিগত বা ৰাজহুৱা খণ্ডৰ মাদ্ৰাছাবোৰ খাৰিজিয়া, তথা চৰকাৰৰ নিয়মীয়া অনুদানৰ অধীনলৈ আহিবলৈ নিবিচৰা আৰ্হিৰ। কাৰণ, চৰকাৰী অনুদান ললে ব্যৱস্থাপনা, পাঠ্যক্ৰম আৰু স্বায়ত্ব-শাসনত অৱশ্যম্ভাৱী হস্তক্ষেপৰ আশঙ্কা আছে। অৱশ্যে ইয়াৰ কৰ্মকৰ্ত্তাসকল, ঘৰ সাজিবলৈ বা আন সা-সুবিধাৰ্থে এককালীন সাহায্য গ্ৰহণ কৰাত অনিচ্ছুক নহয়; কিয়নো তেনে ক্ষেত্ৰত মাদ্ৰাছাৰ ভিতৰুৱা প্ৰশাসনত চৰকাৰ সোমাই নপৰে। আমি ৰাইজৰ দান-বৰঙণি আৰু সহায়েৰেই ইছলামীয় শিক্ষা প্ৰদান কৰি আহিব পাৰিছোঁ গুণেই তাতেই সন্তুষ্ট।

গতিকে বুজিবই পাৰি যে শুভাকাঙ্খীৰ আৰ্থিক সাহায্য আৰু আঢ্যৱন্ত লোকৰ দেয় জাকাত সম্বলিত পুঁজিৰেই, এই মাদ্ৰাছা অন্যান্য প্ৰায়বোৰ এনে শিক্ষানুষ্ঠানৰ দৰেই চলি থাকে ।

ডিব্ৰুগড়ৰ এইখন মাদ্ৰাছাত আধুনিকীকৰণৰ প্ৰচেষ্টাৰে এতিয়া কম্পিউটাৰ শিক্ষা আঁচনিও লোৱা হৈছে, যাতে ছাত্ৰসকলে বহিৰ্জগতৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি চলিব পাৰে।

১৯৫৬ চনত স্থাপিত হোজাইৰ জালালিয়া মাদ্ৰাছা ব্ৰহ্মপুত্ৰ উপত্যকাৰ আটাইতকৈ ডাঙৰ মাদ্ৰাছা। চহৰখনৰ ৫৭ জন আগশাৰীৰ মুছলমান লোকে, চিকন্দৰ আলি নামৰ এজনৰ ঘৰত মিলিত হৈ সেই অঞ্চলৰ ল'ৰাক ইছলামীয় শিক্ষা, আৰু লগতে আন যাৱতীয় জ্ঞান দিউওৱাৰ উদ্দেশ্যেৰে মাদ্ৰাছা এখন স্থাপন কৰাৰ সিদ্ধান্ত লয়। মনকৰিবলগীয়া যে মাদ্ৰাছখনৰ নাম চিলেটৰ চুফী সন্ত শ্বাহ জালালৰ নামেৰে দিয়া হৈছিল। প্ৰথমতে ইয়াৰ নাম আছিল 'মিচবাহুল উলুম জালালিয়া মাদ্ৰাছা'। পাছত নামটো সলোৱা হ'ল 'জামিয়া-ইছলামীয়া জালালিয়া, হোজাই'। ইয়াত ১৭০০ ছাত্ৰ আৰু ৬১ জন শিক্ষক আছে। আন মাদ্ৰাছাৰ দৰেই




জামিয়া-ইছলামীয়া জালালিয়া মাদ্ৰাছা, হোজাই

এইখনো সম্পূৰ্ণৰূপে আবাসিক; শিক্ষা, থকা-খোৱা সকলো বিনামূলীয়া। ইছলামীয় শিক্ষাৰ সংগত উপাদানৰ উপৰিও মাদ্ৰাছা খনত অসমীয়া, ইংৰাজী, অঙ্ক, সমাজ-বিদ্যা, আৰু আজি অলপ দিনৰ পৰা কম্পিউটাৰ-বিজ্ঞান আদিৰো পাঠদান চলে।

অসমৰ বুজন সংখ্যক মুছলমান বসতিৰ কেতবোৰ ঠাইত আজি কিছুদিনৰ ভিতৰত কেইখনমান ছোৱালীৰ মাদ্ৰাছাও পতা হৈছে। অৱশ্যে এইবোৰৰ বেছি ভাগৰে অৱস্থা শোচনীয়।

এইখিনিতে উল্লেখ কৰাটো অপ্ৰাসঙ্গিক ন'হ'ব যে হোজাইতেই ছোৱালীৰ বাবে গুণমান-বিশিষ্ট শিক্ষা দানৰ বাবে দুটি অনুষ্ঠান প্ৰতিষ্ঠা হৈছে। তাৰে এটা হাজী মোফচল আলিয়ে ১৯৯৩ স্থাপন কৰিছিল। আনটো প্ৰতিষ্ঠান বৰ্ত্তমানে ধৰ্মীয় বেচৰকাৰী সংস্থা, মৰকজুল মাৰিফৰ দ্বাৰা পৰিচালিত ।

হোজাইস্থ মৰকজ ছোৱালী মাদ্ৰাছাখনি সচৰাচৰ ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ শিক্ষানুষ্ঠানৰ সাঁচতে গঢ় দিয়া হৈছে। সম্পূৰ্ণ আৱাসিক এই মাদ্ৰাছাত ৩৭০ গৰাকী ছাত্ৰী আৰু ২৫ গৰাকী শিক্ষক আছে। ইছলামীয় শিক্ষা দানৰ লগতে, ইয়াত অসম মাধ্যমিক শিক্ষা পৰিষদৰ পাঠ্যক্ৰম প্ৰবৰ্ত্তন কৰা হৈছে, যাতে শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত শিকাৰু যিকোনো ধাৰাৰ উচ্চতৰ পাঠ্যশ্ৰেণীত ভৰ্ত্তি হ'ব পাৰে আৰু লগতে, ছাত্ৰীয়ে ইছলামীয় আদৰ্শ আৰু আচাৰৰ সম্যক জ্ঞানো লাভ কৰে। শিক্ষাৰ মাধ্যম ইংৰাজী; সেই ভাষাত সলসলীয়া কথোপকথনৰো প্ৰশিক্ষণ দিয়া হয়। লগতে সাহিত্য-সংস্কৃতি জড়িত অনুশীলনো চলে, প্ৰাচীৰ পত্ৰিকা এখনৰ জৰিয়তে; ইয়াতে সৃষ্টিশীল মেধাৰ পৰিচয় পোৱা যায়।





মৰকজ ছোৱালী মাদ্ৰাছাৰ ছাত্ৰী আৰু সোঁফালে শিক্ষয়িত্ৰী

মাদ্ৰাছাখনৰ ছাত্ৰীৰ দৰেই, শিক্ষয়িত্ৰীয়েও সংৰক্ষণশীল বিধৰ পাৰম্পৰিক সাজ-পাৰ পিন্ধিব লাগে। সেইদৰে তাত পাঠদান কৰা পুৰুষ শিক্ষক দুজন দাড়ি ৰাখিছে আৰু টুপী পিন্ধি থাকে। সকলোৰে পোছাক একে বিধৰ পৰম্পৰাসন্মত।

ছোৱালীৰ বাবে এখন প্ৰামাণ্য শিক্ষানুষ্ঠান হ'ল ২০০৬ চনত স্থাপিত হোজাইৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ কন্যা মহাবিদ্যালয়। বৰ্ত্তমানে ছাত্ৰী আৰু শিক্ষকৰ সংখ্যা যথাক্ৰমে ১৩৬ আৰু ১৪ গৰাকী। সম্পূৰ্ণ আবাসিক এই অনুষ্ঠানত সকলো ছোৱালীৰে থকাৰ ব্যৱস্থাৰে সুন্দৰ ছাত্ৰীবাস আছে। কলেজ খনত বিজ্ঞানগাৰৰ (লেবৰেটৰী) প্ৰয়োজনীয় সুব্যৱস্থা আৰু ভালেসংখ্যক পুথিৰে লাগতিয়াল পুথিভঁৰাল চকুত লগা। মুছলমান সম্প্ৰদায়ৰ ব্যক্তিগত-খণ্ডৰ শিক্ষা আৰু সংস্কৃতিৰ সুস্থ বাতাবৰণ সৃষ্টি কৰিবলৈ লোৱা এই উল্লেখনীয় পদক্ষেপ, তেওঁলোকৰ নিজৰ লগতে ৰাজ্যখনৰ বাবেও মঙ্গলজনক।





হোজাইৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ মৰিয়ম কন্যা মহাবিদ্যালয়, সোঁ ফালে অধ্যয়নৰত ছাত্ৰীসকল

মনকৰিবলগীয়া যে ব্যক্তিগত-খণ্ডৰ মাদ্ৰাছাত শিক্ষাদানৰ ধৰণ-প্ৰণালী, পাঠ্যক্ৰম আৰু গাঁথনিৰ বিশেষ পৰিবৰ্ত্তন ঘটা নাই। মাত্ৰ অসম মাধ্যমিক শিক্ষা পৰিষদৰ পাঠ্যক্ৰম অনুসৰি চলা আৰু অসম মাদ্ৰাছা শিক্ষা পৰিষদৰ অধীনৰ মাদ্ৰাছাৰ ক্ষেত্ৰতহে সাল-সলনিৰ কেতবোৰ পৰীক্ষা-নিৰীক্ষা চলিছে।

একাংশ ৰক্ষণশীল মুছলমান পুৰাতন সাধাৰণ মাদ্ৰাছা ব্যৱস্থাৰ সমৰ্থক। ইছলামীয় পৰম্পৰা আৰু ক্ৰিয়া-কলাপৰ ৰক্ষক আৰু বাহক ৰূপে ইয়াৰে পৰাই ইমাম আৰু আলিম ওলায়। মছজিদ-মাদ্ৰাছা-মকতব

আদিৰ যোগে সম্প্ৰদায়টিলৈ এইদৰেই ধৰ্মীয় সেৱা আগবঢ়োৱাৰ দিশত মাদ্ৰাছাবোৰ অপৰিহাৰ্য্য বুলি ৰক্ষণশীল সকলে ভাবে।

## দৰগাহ

ফাৰ্চী মূলৰ শব্দ দৰগাহৰ এক অৰ্থ হৈছে দুৱাৰডলি। পিছে সচৰাচৰ, শব্দটি চুফী সন্তসকলৰ সমাধিক্ষেত্ৰত নিৰ্মিত, সমাধিৰ ওপৰৰ সৌধ বুজাবলৈহে ব্যৱহাৰ হয়। আন দুটা শব্দ, মাজাৰ আৰু মোকাম একেই অৰ্থতে ব্যৱহৃত হয়। মুছলমানৰ সাধাৰণ বিশ্বাস যে দৰগাহত প্ৰাৰ্থনাৰ জৰিয়তে বিদেহী সন্ত গৰাকীৰ আশীষ আৰু আল্লাহৰ ওচৰত চুপাৰিশ আশা কৰিব পাৰি। আন বহুতে আকৌ সন্তগৰাকীক বিশেষ শ্ৰদ্ধা জনাবলৈ বুলি দৰগাহলৈ যায়; লগতে মানুহে এনে ভাবো ৰাখে যে সেই পৱিত্ৰ ঠাইৰ পৰা মোনাজাত কৰিলে আল্লাহে মনোকামনা পূৰণ কৰে। সেইবাবে, সাধাৰণতে জিয়াৰত নামে জনা দৰগাহ-দৰ্শন আৰু তাত প্ৰাৰ্থনা তীৰ্থ-ভ্ৰমণৰ দৰেই।

আন ধৰ্মৰ লোকেও মঙ্গলৰ আশাত দৰগাহত উপস্থিত হয়; কেৱল ভাৰততেই নহয়, অন্যান্য ভালেমান দেশতো এনে সামাজিক আচৰণ দেখা যায়। চতুৰ্থ অধ্যায়ত আলোচনা কৰাৰ দৰেই, চুফী সন্তসকলে মানৱতা, ভ্ৰাতৃত্ববোধ, আৰু শান্তিৰ অমিয়া-বাণীৰে বিভিন্ন সম্প্ৰদায়ৰ মাজত সমন্বয়ৰ মধুৰ সম্পৰ্ক গঢ়ি তুলিছিল। তাৰ উপৰিও কাষ চপা যিকোনো জনকে আশীষ-ধন্য কৰিছিল কাৰণে আজিও দৰগাহবিলাক জন সমাগমৰ থলী হৈ আছে।

মৰক্কো, আলজেৰিয়াৰ পৰা ইণ্ডোনেছিয়ালৈকে সমগ্ৰ মুছলমান বিশ্বতে চুফী দৰগাহ বিৰাজমান। সাধাৰণতে যিবিলাক দেশত ইৰানীয় ধ্যান-ধাৰণাৰ বিশেষ প্ৰভাৱ পৰিছিল, যথা ভাৰত, বাংলাদেশ, পাকিস্তান ইত্যাদি দেশবিলাকত দৰগাহ সততে দেখা যায়। দক্ষিণ-এছীয় লোকৰ বুজন-বসতিৰ দক্ষিণ আফ্ৰিকাত, 'কেৰামতি' শব্দটি দৰগাহ অৰ্থে ব্যৱহৃত হয়; চীন দেশতো এই অৰ্থত 'গঙবেই' শব্দৰ ব্যৱহাৰ কৰা হয়।

সাধাৰণতে চুফী দৰগাহসমূহ সন্তসকলৰ চিৰ-নিদ্ৰাস্থান ৰূপে পৰিগণিত যদিও, ইছলাম জগতৰ বহুতো ঠাইত দৰগাহ পৰিসৰত মছজিদ, মাদ্ৰাছা আৰু ছাত্ৰ-শিক্ষক-খাদিম আদিৰো আবাস দেখা যায়। আনকি কোনো কোনো ক্ষেত্ৰত দৰগাহত চিকিৎসালয় আদিও দেখা যায়। দৰগাহত বাৎসৰিক ওৰুচৰ সময়ত ভক্তগণৰ যথেষ্ট ভিৰ হয়। তাৰ কৰ্তৃপক্ষই আৰু লগতে আঢ্যবন্ত জনে ওৰুচৰ সময়ত চিন্নী(চিৰণি) বিতৰণ কৰে। কিছুমান দৰগাহৰ প্ৰাঙ্গণ এই উপলক্ষে সঙ্গীত পৰিবেশনে চৌদিশ মুখৰিত কৰি ৰাখে। কেবা শতিকা জোৰা সুদীৰ্ঘ পৰম্পৰা-বিশিষ্ট ভালেমান চুফী দৰগাহ কাৱালী আৰু কাফী পৰিৱেশন, আৰু দৰবেশ-গীতৰ বাবে বিশেষৰূপে খ্যাত। স্থানীয় আৰু আমন্ত্ৰিত শিল্পীৰ এনে পৰিৱেশন বৃহস্পতিবাৰৰ নিশা আৰু ওৰুচ, ঈদে-মিলাদ-উন-নবী, আনকি লায়লাতুল-বাৰাত আদি শুভ উপলক্ষ্যতো পৰিলক্ষিত হয়। বিশেষ উল্লেখনীয় যে, এই পৰম্পৰাই চুফী কাব্য আৰু সঙ্গীত ধাৰা সৃষ্টিত বিশেষ অৰিহণা যোগায়।

ভাৰতৰ দৰগাহৰ সংখ্যা সঠিককৈ জনা নেযায়, কিয়নো তেনে কোনো নথি-পিয়ল পোৱা নেযায়। থুল-মূলকৈ এনে অনুষ্ঠান আঢ়ৈ হেজাৰ মান আছে বুলিব পাৰি। অসমত এই সংখ্যা শতাধিক; দুই পাৰ্ব্বত্য জিলা, কাৰ্বি-আংলং আৰু ডিমা হাচাও বাদ দি আন সকলো জিলাতে দৰগাহ সিঁচৰতি হৈ আছে। কামৰূপ জিলাৰ হাজোৰ গৰুড়াচল পাহাৰৰ ওপৰত অৱস্থিত এয়োদশ শতিকাৰে পোৱা-মক্কা দৰগাহেই খুব সম্ভৱ

অসমৰ প্ৰথম খনি দৰগাহ; সেই ঠাইতেই আছিল গিয়াছুদ্দিন আউলিয়াৰ বাহৰ, আৰু তাতেই তেখেতক সমাধিস্থও কৰা হৈছিল। পৱিত্ৰ মক্কাৰ পৰা অনা এপোৱা মাটি এই ঠাইত দিয়া হৈছিল বাবে পোৱা-মক্কা নামে জনা যায়। বিখ্যাত এই পৱিত্ৰ ধামত ভিন ভিন সম্প্ৰদায়ৰ লোকৰ সমাগম ঘটে। ধৰ্ম নিৰ্বিশেষে সমাজৰ বিভিন্ন বৰ্গৰ লোকে ইয়ালৈ ঢাপলি মেলে, প্ৰাৰ্থনা কৰিবলৈ আৰু আশীষ বিচাৰি। আউলিয়া গৰাকীৰ জীৱনত তেখেতক বিচাৰি বহুলোকেই আহিছিল। তীৰ্থ ৰূপে গণ্য এই দৰগাহ দৰ্শনৰ পৰম্পৰা উৎসাহজনভাৱে আজিও চলি আছে। দৰগাহ চৌহদত এটা অতিথিশালা আৰু এটা মাদ্ৰাছাও আছে।




গিয়াছুদ্দিন আউলিয়াৰ দৰগাহ, সোঁফালে লুৎফুল্লা ছিৰাজী আৰু নিয়ামতউল্লাৰ কবৰ

দৰগাহৰ লগতেই আছে পোৱা-মক্কা মছজিদটি। ওচৰতে মছজিদ সাজোতা দুই স্থপতি লুৎফুল্লা ছিৰাজী আৰু নিয়ামতউল্লাৰ কবৰ দেখা যায়। ইয়াৰ পৰা কেইটামান চিৰি নামি গ'লে, আউলিয়া গৰাকীৰ এজন শিষ্য কালু দেৱানৰো সমাধি পোৱা যায়। দৰগাহ সমিতিয়ে প্ৰতি বছৰে জানুৱাৰী মাহৰ শেষৰ ফালে, ওৰুচৰ এমাহ-জোৰা উদ্‌যাপনৰ আয়োজন কৰে। সমগ্ৰ অসমৰে হাজাৰ জন ধৰ্মপ্ৰাণ মুছলমান আহি ইয়াত উপস্থিত হয়হি ;লগতে সমবেত হয় বহু অমুছলমান। তেওঁলোকে প্ৰাৰ্থনা কৰি আউলিয়া জনাৰ আশীষ বিচাৰে।



কালু দেৱানৰ কবৰ



নেতাই ধুবুনী ঘাটৰ সন্মুখত পাঁচ পীৰৰ দৰগাহ

চুফী সন্ত সকলৰ দৰগাহ অসমৰ সকলো ঠাইতে দেখা যায়। ধুবুৰী চহৰৰ মাজ-মজিয়াত পাঁচ পীৰৰ দৰগাহ আছে। এই সন্দৰ্ভত উল্লেখনীয় যে ইয়াত ওচৰা-ওচৰিকৈ তিনিটাহে কবৰ আছে; তাৰে এটা আজমীৰৰ গাজী শ্বাহ আকবৰৰ। তেখেতেই চাৰিজন ঘনিষ্ঠ সহযোগীক অসমলৈ লৈ আহিছিল। এই দৰগাহ পোৱা মক্কা অনুৰূপ নহয়, অসম-আৰ্হিৰ ঘৰ এটিৰে সৰু চৌহদ এটাহে; তথাপিও পশ্চিম অসমত এই ঠাই পৱিত্ৰ ধাম সমূহৰ অন্যতম। নিতৌ বিভিন্ন ধৰ্মাৱলম্বী শতাধিক লোকৰ সমাগম ঘটে। ওচৰৰে গুৰু তেগ বাহাদুৰ গুৰুদ্বাৰলৈ অহা অনেক শিখ ভক্ত ইয়ালৈও প্ৰাৰ্থনা জনাবলৈ আহে।

উল্লেখ্য যে ধুবুৰীত আন ধৰ্মৰ লোকৰ বাবেও পৱিত্ৰ ৰূপে গণ্য ভালেকেইখন থান আছে, যথা অষ্টম শিখ-গুৰু তেগ বাহাদুৰ গুৰুদ্বাৰ, বৃহৎ জৈন মন্দিৰ আৰু বেপ্টিষ্ট গীৰ্জ্জা; বেউলা-লক্ষ্মীন্দৰ খ্যাত নেতাই ধুবুনী ঘাটো ইয়াতেই। গুৰু তেগ বাহাদুৰ সপ্তদশ শতিকাত মোগল সৈন্যদলৰ সৈতে ধুবুৰীলৈ আহে আৰু ইয়াত অলপ দিন থকা কালছোৱাতে গুৰুদ্বাৰটো সজোৱায়।






পাঁচপীৰৰ দৰগাহ, সোঁফালে শিখ-গুৰু তেগ বাহাদুৰ গুৰুদ্বাৰ

গুৱাহাটীৰ পশ্চিমে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ওচৰতেই অৱস্থিত অসমৰ বিখ্যাত গাড়ীগাওঁ দৰগাহ; ইয়াতেই পাৰস্যৰ তাব্ৰীজ চহৰৰ পৰা অহা শেখ জালালুদ্দিন তাব্ৰীজি চিৰনিদ্ৰাত নিমগ্ন বুলি বিশ্বাস কৰা হয়। প্ৰতি বছৰে, ফেব্ৰুৱাৰী মাহৰ দ্বিতীয় সপ্তাহত, দৰগাহ সমিতিয়ে দুদিনীয়া ওৰুচ-উদ্‌যাপনৰ ব্যৱস্থা কৰে। হাজাৰৰ সংখ্যাত বিভিন্ন ধৰ্মৰ আশীষ-প্ৰাৰ্থী ইয়াত সমবেত হয়হি। সেই দুদিনত পৱিত্ৰ কোৰান পাঠ, গজল, কাৱালী আৰু জিকিৰ পৰিৱেশন, ৰচনা প্ৰতিযোগিতা আদিৰো আয়োজন কৰা হয়।




গুৱাহাটী গাড়ীগাঁৱত থকা শেখ জালালুদ্দিন তাব্ৰীজিৰ দৰগাহ

ডিব্ৰুগড় চহৰৰ মাজ মজিয়াত অৱস্থিত বগা বাবাৰ দৰগাহ উজনি অসমৰ পৱিত্ৰ মাজাৰ সমূহৰ অন্যতম; ইয়ালৈও নিতৌ শতাধিক ভক্ত আহে আশীষ প্ৰাৰ্থনাৰে। ইছলামীয় জগতৰ অন্যান্য মোকামৰ দৰেই ইয়াতেই আছিল স্থানীয় ৰাইজৰ সহযোগত সজা, বগা বাবাৰ বাহৰ; তেখেতৰ মৃত্যুৰ (৯ এপ্ৰিল, ১৯০০) পাছত ই দৰগাহলৈ ৰূপান্তৰিত হ'ল।





ডিব্রুগড়স্থ বগাবাবাৰ দৰগাহ; সোঁহাতে তিনিটা গম্বুজৰে মূধচ অংশৰ দৃশ্য।

বৰ্ত্তমানে, সন্মুখৰ ফালে নিৰ্মিত ব্যৱসায়িক অংশটোত আছে ইছলামীয়-সাহিত্যৰ কিতাপৰ আৰু হেকিমী দৰবৰ দোকান আৰু লগতে আছে এজন আলিম; তেওঁ বিচৰাজনক ৰোগ উপশমৰ বাবে, আৰু বিভিন্ন সমস্যাৰ সমাধানৰ কাৰণে তাবিজ আদি দিয়ে।

গোলাঘাট চহৰৰ সমীপবৰ্ত্তী লঙ্গৰ শ্বাহ দৰগাহৰ চৌহদ বৰ বিশাল, ৩০০ বিঘাতকৈও অধিক ঠাই জুৰি আছে। জনশ্ৰুতি মতে, এই পীৰজনাই ব্ৰিটিছ বন্দীশালৰ পৰা সহজেই শিকলিৰ বান্ধোন চিঙি নিজকে মোকলাই ওলাই আহিব পৰাত আচৰিত আৰু সচকিত হৈ চৰকাৰে তেখেতক মঠ-বাহৰ সাজিবলৈ এই সুবৃহৎ মাটি ডৰা দিলে। তাতেই পীৰগৰাকীয়ে ওচৰৰ মুছলমান ৰাইজক নৈতিক মূল্যবোধ, আৰু ইছলামীয় জীৱন-ধাৰাৰ আভাসেৰে সাম্য-মৈত্ৰীৰ বাণী শুনালে। তেখেতৰ দিনত সজোৱা মছজিদ এটাও দৰগাহৰ কাষতে আছে। তদুপৰি দৰগাহৰ গোটেই ঠাইখিনি বিবিধ সৰু-বৰ গছেৰে ভৰা হাবি এখন যেনেই লাগে। কোৱা বাহুল্য, অন্যান্য দৰগাহৰ দৰেই ইয়ালৈও হিন্দু-মুছলমান সকলো ধৰ্মৰে লোক আহি বিদেহী লঙ্গৰ শ্বাহ ফকীৰৰ আশীৰ্বাদ বিচাৰে। আকৌ আন কোনো কোনো প্ৰকৃতি আৰু পৰিৱেশ প্ৰেমীৰ ৰূপত আহে, মাজাৰৰ বিশাল চৌহদৰ হাবি বননিত বিচৰণ কৰিবলৈ!





লঙ্গৰ শ্বাহৰ দৰগাহ, সোঁফালে ফকীৰ গৰাকীক বান্ধি থোৱা শিকলি

বৰাক উপত্যকাৰ কাছাৰ, হাইলাকান্দি আৰু কৰিমগঞ্জ জিলাত ৪০ খন মান দৰগাহ আছে। তাৰ ভিতৰত অন্যতম আদম খাকীৰ দৰগাহ; তেখেত আছিল শ্বাহ জালাল পীৰৰ ৩৬০ জন শিষ্যৰ এজন। বৰাকলৈ



আদম খাকীৰ দৰগাহ

আহি ইছলাম প্ৰসাৰ আৰু মানৱ-কল্যাণ কামত ব্ৰতী হৈ পৰা এখেতৰ দৰগাহ বদৰপুৰত। সকলো ধৰ্মৰ লোককেই ইয়াত দেখা যায়, কিয়নো তেখেতে সকলোকে সমদৃষ্টিৰে চাইছিল, আৰু ধৰ্ম, গোষ্ঠী আদি বিবেচনাৰ সম্পূৰ্ণ উৰ্দ্ধত আছিল। প্ৰতি বৃহস্পতিবাৰে সন্ধিয়া দৰগাহ চৌহদত বিশেষ প্ৰাৰ্থনা অনুষ্ঠিত হয়; বিভিন্ন ধৰ্মৰ লোকে তাত ভাগ লয়। মাজাৰৰ ওচৰতে থকা মছজিদত শুকুৰবাৰৰ সমূহীয়া নামাজত সেই এলেকাৰ বহু মুছলমানেই অংশ গ্ৰহণ কৰে।




এইখিনিতে উল্লেখ কৰিব পাৰি যে কৰিমগঞ্জৰ পৰা ১৮ কিলোমিটাৰ মান আঁতৰত অৱস্থিত, ধুবুৰীৰ দৰেই, পাঁচ-পীৰ দৰগাহ নামে জনাজাত এটা মোকাম আছে। এই মোকাম বোলে পাঁচ গৰাকী অনামী চুফী সন্তৰ স্মৃতি সুৱঁৰি প্ৰতিষ্ঠিত হৈছিল। পীৰকেইজনাৰ নাম যদিও জনা নেযায়, তেখেতসকল শ্বাহ-জালাল পীৰৰ দিনতেই বৰাকলৈ আহিছিল যেন অনুমান হয়। তেওঁলোকে ইয়াতে থাকিবলৈ লৈছিল, আৰু এজন এজনকৈ ঢুকোৱাৰ পাছত তেওঁলোকক এই একেখন ঠাইতে সমাধিস্থ কৰাত এই মাজাৰৰ উৎপত্তি হ'ল।

এতিয়া প্ৰসঙ্গ, দিখৌ আৰু গৰীয়াজান উপনৈৰ সঙ্গম-স্থলৰ শৰাগুৰি চাপৰিত অৱস্থিত আজান ফকীৰৰ দৰগাহৰ। চতুৰ্থ অধ্যায়ত ইতিপূৰ্বে বৰ্ণোৱা হৈছেই যে ফকীৰজনাৰ ইন্তেকাল হয় ১৬৯০ চনৰ মাঘ মাহত। তেখেতে সজা মছজিদৰ কাষতেই তেখেতক সমাধিস্থ কৰা হ'ল। পিছে, মোৱামৰীয়া বিদ্ৰোহ (১৭৬৯-১৭৯৪) আৰু মানৰ আক্ৰমণ (১৮১৭-১৮২৬) কালত, সেই চাপৰিৰ আশে-পাশে থকা লোক পলাবলৈ বাধ্য হ'ল। খানকাহ আৰু দৰগাহ জনশূণ্য হৈ পৰিল ; তদুপৰি কালক্ৰমত ঠাইখন বাৰে বাৰে হোৱা বানপানীৰ গৰাহতো পৰিল। ইফালে ব্ৰহ্মপুত্ৰ আৰু দিখৌৱেও সুঁতি সলালে। মুঠতে সেই এলেকাত কেইবা দশকো জুৰি কোনো বসতিয়েই নাথাকিল। শৰাগুৰিৰ স্মৃতিও যেন মচ খাই পৰিল। শেষান্তৰত অৱশ্যে কিছুসংখ্যক লোক তেওঁলোকৰ পুৰণি ঠাইখনলৈ উভটি আহিল। কথিত যে, ১৯৪৯ চনত ধৰ্মপৰায়ণ মুছলমান লোক এজনে, সপোনত আজান ফকীৰৰ পৰা তেখেতৰ সমাধিৰ সঠিক স্থানৰ বিষয়ে নিৰ্দ্দেশ পালে। বিচাৰি বিচাৰি, দহ বছৰৰ মূৰকত কবৰটি পোৱা গ'ল। তাৰ চাৰিও দিশ ঘেৰি সৰু কোঠা ঘৰ এটাৰ দৰে কৰা হ'ল; এয়াই 'আজান-ফকীৰ দৰগাহ'ৰ সূচনাৰ বিৱৰণ। বৰ্ত্তমানে এই কবৰক কেন্দ্ৰ কৰি এটি দৰগাহ আহল-বহল ঠাই জুৰি গঢ়ি উঠিছে। ইয়াত এটি মছজিদ আৰু এটি মাদ্ৰাছাৰ উপৰিও আছে এটি অতিথিশালা, আৰু খাদিম আৰু আন পৰিচাৰক বৰ্গৰ বাবে বাসগৃহ। দৰগাহ সমিতিয়ে মাঘ মাহত বছেৰেকীয়া ওৰুচ পাতি আজান ফকীৰৰ পৱিত্ৰ স্মৃতি সোঁৱৰে। সেই দিনা পৰম শ্ৰদ্ধাৰ এই দৰগাহৰ চৌহদত আশীষ-প্ৰাৰ্থী তথা সমাজৰ সকলো বৰ্গৰ লোকৰ

সমাগমত বিৰ-দি-বাট নোপোৱা অৱস্থা হয়। ওৰুচ উপলক্ষে উদ্‌যাপনৰ অংশ হিচাপে কেৰাত, গজল আৰু ৰচনা লিখাৰ প্ৰতিযোগিতা পতা হয়। সবাতোকৈ আকষৰ্ণীয় হ'ল, দিনটো জোৰা জিকিৰ-পৰিবেশন; ভালেসংখ্যক দলে ইয়াত যোগদান কৰে। এইটো দিনতেই দৰগাহ কমিটিয়েও 'আজান-ফকীৰ বঁটা' পাওঁতাৰ নামো ঘোষণা কৰে।

"আজান-ফকীৰ দৰগাহ', ওপৰফালে ঢাক খোৱা নহয়। ফকীৰগৰাকীৰ ইচ্ছাৰ প্ৰতি শ্ৰদ্ধা জনাই তেখেতৰ সমাধিৰ ওপৰত উন্মুক্ত আকাশৰ তলত তেখেতৰ কবৰটি ৰখা হৈছিল। পাছলৈ অৱশ্যে দৰগাহ সমিতিয়ে চাদৰ এখন কবৰৰ ওপৰত ওলোমাই ৰাখিছে যাতে, কোনো অপৱিত্ৰ বস্তু আদি তাত নপৰে।





আজান ফকীৰৰ দৰগাহৰ প্ৰবেশদ্বাৰ, সোঁফালে ফকীৰগৰাকীৰ দৰগাহ

প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে, অসমৰ দৰগাহ সমূহ আন্তৰ্ধৰ্মীয় সমন্বয় সম্প্ৰীতিৰ অনন্য উদাহৰণ এইবোৰ বিভিন্ন ধৰ্মাৱলম্বী লোক সমবেত হোৱাৰ পুণ্য থলী। দৰগাহ, চুফী সম্পৰ্কেৰে চহকী ইছলামীয় ঐতিহ্য বহনকাৰী অনুষ্ঠান যদিও, সকলোৰে বাবে উন্মুক্ত ইয়াৰ দুৱাৰ, আৰু ই সকলোৰে আদৰ ভক্তিৰ।

## খানকাহ্

ফাৰ্চী শব্দ খানকাহ্‌ৰ আক্ষৰিক অৰ্থ খোৱাৰ বাবে কাপোৰ পাৰি লোৱা ঠাই যদিও, সাধাৰণতে 'চুফী সকলৰ গোট খোৱা থল' অৰ্থতহে এই শব্দ ব্যৱহৃত হয়। মহম্মদ বিন কাৰৰামৰ (মৃত্যু ৮৩৯) দ্বাৰা প্ৰথম খানকাহ প্ৰতিষ্ঠা হৈছিল বুলি জনা যায়, নৱম শতিকাৰ ইৰানত, "সৰ্বশক্তিমান খোদাৰ উপাসনা নামতহে সমৰ্পিত"।[১৬] আবু চৈয়দ বিন আবুল খায়ৰে (মৃত্যু ১০৪৯), খানকাহত নৱ দীক্ষিত চুফীৰ মানি চলিবলগীয়া নীতি-নিয়ম নিৰ্দ্ধাৰিত কৰিছিল বুলি জনা যায়। চুফীসকলে নিজে তেওঁবিলাকৰ পন্থাৰ মূল হজৰত মহম্মদ (দঃ) বুলি দাবী কৰে। আনহাতে বহু ইতিহাসবিদে চুফীবাদৰ উৎপত্তি কিছুকাল পাছৰ বুলিহে ভাবে। জনাথান বাৰ্কেৰ মতে "খানকাহ মধ্যযুগীয়া চুফীবাদৰ এটি বৈশিষ্ট্য ; খানকাহ্ বা ৰিবাত অনুষ্ঠানৰ উদ্দেশ্য হ'ল চুফী ৰহস্যবাদীসকলৰ ক্ৰিয়া-কাৰ্য্যলৈ সাহায্য আগবঢ়োৱা। এই পৰম্পৰাৰ মূল কিছু অস্পষ্ট। সম্ভৱতঃ ইৰানত নৱম অথবা দশম শতিকাত ইয়াৰ উন্মেষ ঘটিছিল।"[১৭]

প্ৰাৰম্ভিক চুফীসকলে খানকাহৰ বাবে পাঁচটা ভিন্ ভিন্ শব্দ ব্যৱহাৰ কৰা দেখা যায়, যথা খানকাহ, ৰিবাত, চূমা, টেক্কে আৰু জাবিয়াহ; বস্তুতঃ এই পাঁচটা শব্দৰ অৰ্থ একেটাই, অৰ্থাৎ চুফী ভাতৃসংঘৰ বাবে

স্থাপিত সাক্ষাৎ-আলয়। এই অনুষ্ঠানটিৰ উদ্দেশ্য হৈছে আধ্যাত্মিক উৎকৰ্ষ সাধন আৰু চৰিত্ৰ সংশোধনৰ যোগে মানসিক উত্তৰণ। আগৰ দিনত, আৰু কমকৈ হলেও এতিয়াও এইসমূহে চালিক (চুফী ভ্ৰমণকাৰী) আৰু তালিব (ইছলামীয় ছাত্ৰ), আৰু লগতে আন ভ্ৰমণৰত যাত্ৰীৰ বিশ্ৰাম, খাদ্য আৰু আশ্ৰয়ৰ সাময়িক প্ৰয়োজন পূৰণ কৰে। ইৰানৰ উপৰিও, ইৰানীয় ধ্যান-ধাৰণাৰে প্ৰভাৱান্বিত ইছলাম-জগতৰ আন আন ঠাইত যেনে, ইৰাক, মধ্য আৰু দক্ষিণ এছিয়া, আগৰ ওছমানীয়(অটোমান) সাম্ৰাজ্যৰ কেতবোৰ অংশ আদিত খানকাহ সচৰাচৰ দেখা যায়।

সাধাৰণতে মছজিদ, মাদ্ৰাছা আৰু দৰগাহৰ সৈতে সংলগ্ন খানকাহ বৰ্ত্তমানে ইছলামীয় বিশ্বৰ সৰ্বত্ৰ দেখা যায়।

অসমত কেইখন মাত্ৰ খানকাহ্হে আছে, তাৰো বেছিভাগ স্থাপন হোৱা বৰ বেছিদিন হোৱা নাই কাৰণে এইসমূহ ঐতিহ্য বিচাৰৰ গণ্ডীত নপৰে।

অসমত খানকাহৰ বিষয়ে কোনো ইতিহাস পোৱা নাযায়। কেইবছৰমানৰ ভিতৰত গুৱাহাটীৰ সিজুবাৰীত আৰু দামপুৰত নতুনকৈ স্থাপিত হোৱা খানকাহ্ সংশ্লিষ্ট ঠাইৰ কেইজনমান ধৰ্মপৰায়ণ ব্যক্তিৰ উদ্যোগতে হোৱা বুলি বুজিব পাৰি। এইবোৰত কোনো চুফী পীৰ বা ফকীৰৰ সম্পৰ্ক থকাৰ কথা জনা নেযায়। খানকাহ্বিলাকত সচৰাচৰ কোৰান পাঠ, ধৰ্মীয় উপদেশ আৰু বক্তৃতা আদি দিনটো চলি থাকে। স্থানীয় ৰাইজে পুণ্যৰ আশাৰে সমবেত লোকৰ বাবে চাহ-জলপান আনকি মধ্যাহ্ন আৰু নিশাৰ আহাৰৰ ব্যৱস্থা কৰে। খানকাহ চৌহদত নিতৌ মছজিদৰ দৰে পাঁচবাৰকৈ নামাজ পঢ়া হয়। ৰমজান মাহত, তাত ইছা আৰু তাৰাবিহ নামাজৰ পাছত, লগ হৈ ভালেমান পৰ ধৰি জিকিৰ চলে। এনে ক্ৰিয়াৰ জৰিয়তে তেওঁলোকৰ মতে পাপ মৰিষণ আৰু আত্মিক উত্তৰণ সম্ভৱ।

গুৱাহাটীৰ সিজুবাৰীৰ খানকাহ ১৯৮০ চনৰ আগভাগত পতা। স্থানীয় মুছলমান ৰাইজে সৰুকৈ অসম আৰ্হিৰ-ঘৰ এটা প্ৰথমে সাজে; ৰমজান মাহত গোট খোৱা লোকৰ সংখ্যা বাঢ়িবলৈ ধৰাত, ডাঙৰকৈ পকাৰ ঘৰ এটা সজাবলৈ আৰম্ভ কৰে। এইখনেই মহানগৰখনৰ একমাত্ৰ খানকাহ।





দামপুৰ খানকাহৰ টিলাৰ ওপৰৰ পুৰণি ঘৰ, সোঁফালে গুৱাহাটী সিজুবাৰী খানকাহ

## এতিমখানা

মুছলমান এতিমখানাবোৰ (অনাথালয়বোৰ) ঐতিহ্য অনুষ্ঠানসমূহৰ অন্যতম। পৱিত্ৰ কোৰানত মাউৰা ল'ৰা-ছোৱালীৰ যত্ন ল'বলৈ মুছলমানসকলক একাধিক বাৰ আদেশ দিয়া হৈছে। ইয়াৰে চুৰা মাউনত "মাউৰাক ককৰ্থনাৰে আঁতৰাই পথোৱা" লোকৰ নামাজ যে নিষ্ফল, সেই কথা কোৱা হৈছে। সেইদৰে চুৰা

আদ-দোহাত নির্দ্দেশ দিয়া হৈছে যে "মাউৰাৰে কঠোৰ আচৰণ নকৰিবা"। সাবালক নোহোৱালৈকে পিতৃ-মাতৃহাৰা শিশুৰ কল্যাণৰ প্ৰতি দৃষ্টি ৰাখি যত্ন লোৱা সকলো মুছলমানৰে কৰ্তব্য। এনে আদেশ-নিৰ্দ্দেশৰ পৰিপ্ৰেক্ষিততেই ব্যক্তিগত উদ্যোগত, জাকাতৰ সাহায্যৰে ঘাইকৈ চলা, অনাথালয় গঢ় লৈ উঠিছিল।

এই পৰম্পৰাতেই অসমতো কেইখনমান এতিমখানা স্থাপিত হৈছে। ব্যক্তিগত উদ্যমৰ ফল এনে আশ্ৰয়স্থলৰ প্ৰায়ভাগেই মছজিদ সংলগ্ন। ইয়াত বিনামূলীয়াকৈ থকা খোৱাৰ উপৰিও শিক্ষাৰো ব্যৱস্থা থাকে; নগাওঁ জিলাৰ ওডালিৰ দাৰুল-য়াতামা এনে এখন অনাথালয়, প্ৰায় ৪০০ ল'ৰাৰে সম্পূৰ্ণ আবাসিক আৰু ইছলামীয় পৰম্পৰাৰ।



নগাঁও জিলাৰ ওদালিত থকা এতিমখানাৰ দৃশ্য

ইয়াত ধৰ্মশিক্ষা (তনজিম)ৰ পাঠ্যসূচীৰে প্ৰাথমিক শিক্ষা, আৰু ষষ্ঠ শ্ৰেণীৰ পৰা অসম মাধ্যমিক শিক্ষা পৰিষদ (SEBA), পাঠ্যক্ৰমেৰে শিক্ষা প্ৰদান কৰা হয়, যাতে ছাত্ৰই আন সাধাৰণ স্কুলৰ ছাত্ৰৰ সৈতে ফেৰ মাৰিব পাৰে। গোৱালপাৰাত মৰকজ দাৰুল য়াতামা নামৰ ল'ৰা আৰু ছোৱালীৰ সুকীয়াকৈ ৰখা ব্যৱস্থা থকা এখন এতিমখানা আছে। তাত ৪০০ জন ল'ৰা আৰু ২০০ গৰাকী ছোৱালীয়ে শিক্ষা গ্ৰহণ কৰি আছে। পিছে অনুতাপৰ বিষয় যে প্ৰধানতঃ জাকাতৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হোৱা বাবে সাধাৰণতে এতিমখানাবোৰৰ অৱস্থা সিমান সুবিধাৰ নহয়। ✶

## টোকা আৰু প্ৰসঙ্গপুথি ঃ

১. আৰবী শব্দ 'মছজিদ'ৰ অৰ্থ হ'ল আঠু কাঢ়ি মাটিত ছিজদা দি নামাজ পঢ়া নিৰ্দ্ধাৰিত ঠাই। এই শব্দৰ সংজ্ঞা সম্পৰ্কত চাওক, John L. Esposito, *The Oxford Dictionary of Islam* (New York: Oxford University Press, 2003) p. 207.

২. নাহৰণি বুঢ়া মছজিদৰ ভিতৰত থকা শাল কাঠৰ মাৰলিত অসমীয়া আৰু আৰবীত হিজৰি ১০৪০ খোদিত কৰা আছিল। তাৰ পৰা অনুমান কৰা হৈছিল যে এই মছজিদটি ১৬৬২ চনত সজা হৈছিল। এই মাৰলি ১৯৫৬ চনত মছজিদটিৰ খেৰৰ চালিৰ ঠাইত টিনপাত লগাবলৈ লোৱাৰ সময়ত আঁতৰাই পেলোৱা হয়।

৩. S.M. Azizuddin Husain (ed), *Madrasa Education in India*: *Eleventh to Twenty First Century* (New Delh: Kaniska Publishers, 2005) Introduction Chapter

৪. M.F. Quraishi, *History of the Dar al-Ulum, Deoband, Vol. I* (Deoband: Maulana Abdul Haq, 1980) p. 49.

৫. Muhammad Khalili Qasimi, *Madrasa Education: Its Strength and Weaknesses* (New Delhi: Makan, 2005) p.10

৬. হজৰত মহম্মদৰ (দঃ) কনিষ্ঠ খুড়া আব্বাছ ইব্‌ন আব্দুল মুতালিবৰ সতি-সন্ততিসকলে ৭৫০ চনত বৰ্তমানৰ ইৰাকত আব্বাচীয় খলিফাৎ শাসন প্ৰতিষ্ঠা কৰি ৭৬২ চনত ৰাজধানী ছিৰিয়াৰ দামাস্কাচৰ পৰা বাগদাদলৈ স্থানান্তৰিত কৰিলে। ১২৫৮ চনত মঙ্গোল শাসক হুলাগু খানে বাগদাদ আক্ৰমণ কৰি ধ্বংসলীলা চলোৱাত আব্বাছীয় শাসন তিনি বছৰলৈ বিকলহৈ আছিল। ১২৬১ চনত ইজিপ্তত এই বংশীয় শাসন আৰম্ভ হৈ ১৫১৯ চনলৈকে বৰ্তি থাকে। তাৰ পাচত সমগ্ৰ পশ্চিম এছিয়া অটোমান সাম্ৰাজ্যৰ অধীনৰ যোৱাৰ লগে লগে আব্বাছীয় শাসনৰো অন্ত পৰে। কিছু বিতং ইতিহাসৰ বাবে চাওঁক, John L. Esposito, *The Oxford History of Islam* (New York: Oxford University Press, 1999, Chapter 1

৭. ৯০৯ চনত টিউনিছিয়াৰ চহৰ মাহদিয়াত ফাতিমিয় বংশৰ শাসন আৰম্ভ হৈছিল। পাছত ৯৬৯ চনত ইজিপ্ত দখল কৰাৰ পাছত তেওঁলোকে কাইৰোলৈ ৰাজধানী স্থানান্তৰ কৰিলে। ছিয়া সম্প্ৰদায়ৰ এই শাসন উদাৰবাদী ধৰণৰ আছিল। সেই কাৰণে, ইজিপ্তত তেতিয়া এক ধৰণৰ ধৰ্ম-নিৰপেক্ষ চৰকাৰ চলি আছিল, যাৰ কাৰণে কপ্তিক খ্ৰীষ্টান, ইহুদি, মুছলমান আৰু আন সৰু সৰু পাগান গোটবিলাকে তেওঁলোকৰ ৰাজত্বত সমান অধিকাৰ লাভ কৰিছিল। এই বংশৰ শাসন ১১৭১ চনত ছালাহ উদ্দিনে আক্ৰমণ কৰি দখল কৰাৰ লগে লগে অন্ত পৰে। বিতং তথ্যৰ বাবে চাওক Austin Wintle, *History of Islam* (London: Rough Guides, 2003)

৮. Iqtidar Husain Siddiqui, "*Madrasa Education in Medieval India*" in S.M. Azizuddin (ed), *Madrasa Education in India*, n. 2, pp. 7-24. অৱশ্যে সেই সময়ত দিল্লীৰ আশে-পাশে হাজাৰখন মাদ্ৰাছা গঢ়লৈ উঠিছিল বুলি নিৰ্ভৰযোগ্য তথ্য পোৱা নাযায়। পিছে, শিক্ষাৰ প্ৰসাৰৰ উদ্দেশ্যেৰে বহুতো মাদ্ৰাছা চৰকাৰী পৃষ্ঠপোষকতা আৰু ব্যক্তিগত উদ্যোগত প্ৰতিষ্ঠিত হোৱাটো সত্য। এই সন্দৰ্ভত আৰু কিছুমান মূল্যবান তথ্য পোৱা যায় Henry Steward Reid, *Report on Indigenous Education and Vernacular Schools* (Agra: Printed at teh Secundra Orphan Press, 1852) Oxford University Press এ এই পুথিখনি ডিজিটেলাইজ কৰিছে আৰু সেয়ে ইন্টাৰনেটত চাব পৰা যায়।

৯. Shan Muhammad, *Sir Syed Ahmad Khan* (Meerat: Meenakshi Prakashan, 1969) p. 59

১০. Peter Hardy, *Muslims of British India* (London: Cambridge University Press, 1971) p. 36.

১১. B.B. Misra, *The Indian Middle Class* (London: Oxford University Press, 1961) pp. 168-170

১২. Tara Chand, *History of the Freedom Movement in India*, Vol. II (New Delhi: Publication Division, 2005) p. 278.

১৩. ৱাহাবী আন্দোলনৰ ওপৰত ৰচিত দুখন পুথি প্ৰণিধানযোগ্য, Natana J. Delong-Bas, *Wahhabi Islam: From Revival and Reform to Global Jihad* (New York: I.B. Tauris, 2004) আৰু Stephen Schwartz, *The Two Faces of Islam: The House of Sa'ud from Tradition to Terror* (New York: Doubleday, 2002)

১৪. উত্তৰ প্ৰদেশৰ দেওবন্দত থকা দাৰুল উলুমৰ বিস্তৃত তথ্যৰ বাবে চাওক, Sayyied Mahboob Rizvi, *History of the Dar al-Ulum, Deoband*, Vol. I and II (Deoband: Maulana Abdul Haq, 1980 and 1981); also, Barbara Daly Metcalf, *Islamic Revival in British India: Deoband, 1860-1900* (New York: Oxford University Press, 2004) Chapter III.

১৫. শেহতীয়াকৈ প্ৰকাশিত গৱেষণা গ্ৰন্থত অসমৰ মাদ্ৰাছা সমূহৰ বিশেষকৈ কৌমী মাদ্ৰাছাৰ বিষয়ে বিশদ আলোচনা আছে- Abu Nasar Saied Ahmed, *Madrasas in Assam* (New Delhi:Akansha, 2015)

১৬. John L. Esposito, *The Oxford Dictionary of Islam,* n.1, p.170.

১৭. Jonathan Berkey, *The Formation of Islam* (Cambridge University Press, 2003) p. 157.

# সামৰণি

# সামৰণি

ঐতিহ্য আৰু তাৰ লগত জড়িত সকলো বিষয়েই অতিকৈ ৰোমাঞ্চকৰ বিষয়। অতীতৰ পৰা চলি থকা ধৰ্মীয় আৰু সাংস্কৃতিকভাৱে পৰিচিত পৰম্পৰাগত  আচাৰ, ৰীতি-নীতি, গীত-মাত, উৎসৱ, অনুষ্ঠান-প্ৰতিষ্ঠানকলৈ সকলো দেশ, জাতি আৰু সম্প্ৰদায়ে গৌৰৱবোধ কৰে। সেয়ে, সময় বাগৰি যোৱাৰ লগে লগে ঐতিহ্য হিচাপে প্ৰচলিত হৈ থকা এই সকলোবিলাক কথা সংৰক্ষিত হৈ থাকে। তাৰে কিছুমানত কিছু মাত্ৰাত আধুনিকতাৰ প্ৰভাৱ পৰিলেও সামগ্ৰিকভাৱে শত বছৰ আগৰে পৰা বৰ্তি থকা ঐতিহ্যক নানা ধৰণেৰে, যেনে, সামাজিক প্ৰথাৰ পৰা আৰম্ভ কৰি ছবি, ভাস্কৰ্য, স্থাপত্য কলা, সাহিত্য, মৌখিক ইতিহাস, ৰূপ কথা, লোক সংগীতৰ যোগেদি জীৱিত কৰি ৰখা হয়।

কোনো ঐতিহ্য অকলশৰীয়া বা বিচ্ছিন্ন ধৰণেৰে সৃষ্টি নহয়। যুগে যুগে মানুহৰ এঠাইৰ পৰা আন ঠাইলৈ প্ৰব্ৰজন, বেপাৰ-বাণিজ্য আৰু যোগাযোগৰ যোগেদি নানা সংস্কৃতি, ভাষা, ৰীতি-নীতি, কলা-কৃষ্টিৰ আদান-প্ৰদান হৈ আহিছে। সেয়ে, নানা সভ্যতা-সংস্কৃতিৰ সংমিশ্ৰণৰ ফলত যুগে যুগে ঐতিহ্য সৃষ্টি হয়। এই সাৰ্বজনীন ধাৰাৰ পৰা, বিশ্বৰ আন সকলো ঠাইৰ নিচিনাকৈ ভাৰত তথা উত্তৰ-পূব অঞ্চলৰ ইছলামীয় ঐতিহ্য বিচ্ছিন্ন নহয়। অসমৰ  বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাত গঢ় লোৱা ইছলামীয় ঐতিহ্যত সেই ধাৰা অতিশয় আকৰ্ষণীয় ৰূপত দেখিবলৈ পোৱা যায়, আৰু সেই কথা ইতিমধ্যে এই গ্ৰন্থৰ বিভিন্ন অধ্যায়ত পৰিষ্কাৰ ধৰণেৰে ব্যাখ্যা কৰা হৈছে। লগতে এই কথাও মন কৰিব লগীয়া যে এই ঐতিহ্যৰ আধাৰশিলা অৰ্থাৎ ইছলামৰ তৌহিদ (একেশ্বৰবাদ) আৰু পঞ্চস্তম্ভ, যাৰ সৈতে কোনো ধৰণৰ আপোচ কৰা নহয়। থলুৱা আৰু লোক সংস্কৃতিৰ সৈতে ইছলামীয় নিয়ম আৰু প্ৰথা সংমিশ্ৰণ হোৱাৰ কাৰণে অসমৰ মুছলমানসকলৰ ঐতিহ্য ভাৰতৰ আন বহুতো ঠাইত গঢ় লোৱা ইছলামীয় ঐতিহ্যতকৈ ভালেমান দিশত, যেনে, ভাষা, লোক আচাৰ, ভক্তিমূলক গীত-মাত, জীৱন পৰিক্ৰমাত অনুষ্ঠিত হোৱা বিবিধ সামাজিক নীতি-নিয়ম, কাম-কাজ, ধৰ্মীয় প্ৰতিষ্ঠান আদি, সুকীয়া আৰু চমকলগা বিধৰ হৈ পৰিল। ইয়াৰ কাৰণবিলাক  চালি জাৰি চাওতে আমি দেখিবলৈ পাওঁ যে ১২০৫-০৬ চনতে আহি যুদ্ধ-বন্দী হিচাপে থাকি আৰু তাৰ পাছত নিগাজিকৈ থিতাপি পোৱা মুছলমানসকলৰ ধৰ্মীয় ৰীতি-নীতি অক্ষুন্নভাৱে পালন কৰি অহা এইসকল মানুহৰ স্থানীয় মহিলাৰ সৈতে হোৱা বৈবাহিক সম্পৰ্ক হৈছিল, যাৰ কাৰণে তেওঁলোকৰ সামাজিক আচাৰ-বিচাৰত স্থানীয় লোক-সংস্কৃতিয়ে বাৰুকৈ প্ৰভাৱ

পেলালে। ধৰ্মত তেওঁলোক নিশ্চিতভাবে মুছলমান; কিন্তু ভাষা, সংস্কৃতি আৰু সামজিক আচৰণত তেওঁলোক পৰিচিত হ'ল স্থানীয় লোক আচাৰৰ যোগেদি। এই আন্তঃমিশ্ৰণ বা মিলনত ধৰ্ম আৰু সংস্কৃতিৰ অনন্য-সুন্দৰ উদাহৰণ প্ৰতিষ্ঠিত হ'ল। তাৰে সৃষ্টিত কোনো দ্বন্দ্বৰো উদ্ভৱ নহ'ল। তাৰোপৰি, চুফী সন্তসকলে ইছলাম ধৰ্ম প্ৰচাৰ কৰাৰ কাৰণে বহুতো ঠাইত স্থানীয় বহুতো লোক ইছলাম ধৰ্মলৈ ধৰ্মান্তৰিত হৈছিল। তাকে কৰোঁতে নতুনকৈ দীক্ষিত মুছলমানসকলে ধৰ্ম-বিশ্বাস সলনি কৰাৰ বাহিৰে বাকী সামাজিক আচাৰ-বিচাৰ সলনি কৰা নাছিল। আৰু মন কৰিবলগীয়া দিশ আছিল, বংগৰ শাসনকৰ্তা হুছেইন শ্বাহে অলপ সময়ৰ বাবে (১৪৯৮-১৫০২) নামনি অসমত শাসন কৰাৰ বাহিৰে অসমত কোনো মুছলমান ৰজাই ৰাজত্ব কৰা নাছিল। আনহাতে, বিভিন্ন সময়ত শাসন কৰা অ-মুছলমান ৰজাসকলে ভাৰতৰ বিভিন্ন ঠাইৰ পৰা মাতি অনা মুছলমানসকলে ইয়াতে থাকি ইয়াৰে ভাষা-সাংস্কৃতি গ্ৰহণ কৰি স্থানীয় জনসাধাৰণৰ লগত মিলি গৈছিল।

অসমীয়া মুছলমানসকলৰ ঐতিহ্যত বৈঞ্চৱীয় প্ৰভাৱ নানা ক্ষেত্ৰত পৰাৰ কথা আগতে উনুকিয়াই অহা হৈছে। তাৰ এটা প্ৰধান কাৰণ হৈছে ইছলাম আৰু বৈঞ্চৱীয় ধৰ্মত থকা একেশ্বৰবাদ, যিটো কথাই দুয়োটি ধৰ্মৰ মানুহৰ মাজত কোনো ধৰণৰ সংঘাতৰ স্থল দিয়া নাছিল। তাৰোপৰি, ব্ৰহ্মপুত্ৰ উপত্যকাত আজান ফকীৰৰ দৰে চুফী সন্তৰ জিকিৰ আৰু বৰাক উপত্যকাত শিতালং ফকীৰৰ দৰে আন এগৰাকী ফকীৰৰ লোক গীতত বৈঞ্চৱীয় উপাদানে হিন্দু আৰু মুছলমানসকলক ওচৰ চপাই অনাৰ লগতে এক স্বকীয় বৈশিষ্ট্য থকা ইছলামীয় ঐতিহ্য সৃষ্টি কৰিলে। এনেকুৱা স্বকীয় বৈশিষ্ট্য মণিপুৰৰ ইম্ফল উপত্যকাত থকা পাংগাল মুছলমানসকলৰ ক্ষেত্ৰতো খাটে। John L. Esposito আৰু Dalia Mogahedৰ *Who Speaks for Islam? What a Billion Muslims Really Think,* নামৰ গৱেষণাপুষ্ট গ্ৰন্থত উল্লেখ কৰাৰ নিচিনাকৈ আন সকলো প্ৰান্তত বসবাস কৰা মুছলমানৰ দৰেই অসমৰ মুছলমানসকল এহাতে নিতান্ত ধাৰ্মিক লোক, লগতে কিন্তু তেওঁলোকে নিজ নিজ ঠাইত গঢ় লোৱা স্থানীয় বৈশিষ্ট্যপূৰ্ণ ইতিহাস আৰু ঐতিহ্য সুৰক্ষিত কৰি ৰখাটো আন্তৰিকতাৰে বিচাৰে। সেই কাৰণে, সময়ে সময়ে ৱাহাবী চিন্তাধাৰাত বিশ্বাস কৰা আৰু দেশৰ আন ঠাইৰ পৰা আহি সংৰক্ষণবাদী চিন্তাধাৰা ইয়াতো প্ৰবৰ্তন কৰিবলৈ চেষ্টা কৰা লোকসকলৰ বিপৰীতে ইয়াত এক উদাৰপন্থী ইছলামীয় ঐতিহ্য আজিও বিদ্যমান। এনেধৰণৰ উদাৰতাবাদৰ হেতুকেই ভাৰত তথা বিশ্বৰ আন ঠাইত যিদৰে ছিয়া-চুন্নীৰ মাজত যেনে সংঘাত হয় তেনেকুৱা দুৰ্ভাগ্যজনক ঘটনা অসমত কেতিয়াও হোৱা নাই।

বিশ্বৰ বিভিন্ন প্ৰান্তত বসবাস কৰা মুছলমানসকল এক গোষ্ঠীয় (monolithic) নহয়। সেই কথা ইণ্ডোনেছিয়াৰ দৰে সৰ্ব-বৃহৎ সংখ্যাৰ মুছলমানসকললৈকে আঙুলিয়াই ক'ব পাৰি। বিখ্যাত পণ্ডিত ক্লিফৰ্ড গীট্‌জৰ (*Religion in Java*) মতে ইণ্ডোনেছিয়াত তিনি ধৰণৰ মুছলমান দেখিবলৈ পোৱা যায়; উদাৰপন্থী (আবাগন), কঠোৰ আৰু সংৰক্ষণশীল (ছন্ট্ৰী) আৰু অভিজাত (পীয়ায়ী)। প্ৰতিটোৰেই জীৱন পৰিক্ৰমা সুকীয়া ধৰণৰ। কিন্তু আবাগনসকল সংখ্যাগত দিশত সৰ্ব-বৃহৎ হোৱাৰ কাৰণে তেওঁলোকৰ উপস্থিতি সকলো দিশতে দেখিবলৈ পোৱা যায়; লগতে দেখা দেখা যায় তেওঁলোকৰ সাংস্কৃতিক দিশৰ ভিন্নতাও। আন ঠাইতো

এই বিভিন্নতাৰে জাতিস্কাৰ ঐতিহ্য বিদ্যমান। কিন্তু সকলো এটা বিশেষ দিশত একেক আৰু সেইটো হৈছে, তৌহিদক কেন্দ্ৰ কৰি পঞ্চস্তম্ভক সাৰটি পালন কৰা ধৰ্মীয় ৰীতি-নীতি। এই কথা ভালদৰে ফঁহিয়াই বিশিষ্ট ইছলামীয় পণ্ডিত আকবৰ আহমদে তেওঁৰ খ্যাতনামা গ্ৰন্থ *Journey into Islam: The Crisis of Globalization* ত লিখিছে যে যি সময়ত ইছলাম-বিৰোধী মানসিকতা পোষণ কৰি পশ্চিমীয়া দেশবিলাকে মুছলমানসকলক একক সংজ্ঞাৰে প্ৰক্ষেপ কৰিবলৈ অহৰহ চেষ্টা কৰি আহিছে, সেই সময়ত মৰক্কো আৰু আলজেৰিয়াৰ পৰা ইণ্ডোনেছিয়ালৈকে বিস্তৃত মুছলমান সমাজ ভাষা, সংস্কৃতি আৰু সামাজিক আচাৰত কিন্তু একে নহয়; তেওঁলোকৰ গৌৰৱোজ্জল বিবিধতা আছে। এই বিবিধতাৰ আধাৰশিলা স্থানীয় লোকাচাৰ। সেই ধৰণৰ কথা মৰক্কোত জন্ম লাভ কৰা পণ্ডিত আৰু প্ৰব্ৰজক ইব্‌নে বাটুটাই চতুৰ্দশ শতিকাতে এইবুলি কৈছিল যে ধৰ্মৰ মৌলিক কথাকেইটাত মুছলমানসকল একক; লগতে সামাজিক জীৱনত তেওঁলোক বিবিধ, আৰু সেই বিবিধতাৰ ছবিখন পয়গম্বৰগৰাকীৰ দিনতে দেখিবলৈ পোৱা গৈছিল। নগৰীয়া মুছলমানসকল গাঁও অঞ্চলত থকাসকলতকৈ বেলেগ। আৰবৰ মুছলমানসকল ঐতিহ্যৰ দিশত আন ঠাইৰ লগত নিমিলে। ইয়াৰ কাৰণ হ'ল, বিভিন্ন ঠাইত ধৰ্মান্তৰকৰণ, মানুহৰ মাজত আদান-প্ৰদান আৰু প্ৰব্ৰজনৰ হেতুকে হ'বলৈ পালে ভিন্নতাৰ পয়োভৰৰে ইছলামীয় ঐতিহ্য। সেয়ে, পশ্চিম আফ্ৰিকাৰ পৰা ইণ্ডোনেছিয়া-মালয়ছিয়ালৈকে ভালেমান মুছলমান সমাজৰ সামাজিক উৎসৱত গোৱা ভক্তিমূলক গীতৰ লগত ঢোল আৰু অন্যান্য বাদ্য যন্ত্ৰ আৰু সংগীত সংযোগ কৰা হয়, ইৰানত প্ৰাক-ইছলামীয় কেলেণ্ডাৰ আজিও ব্যৱহৃত হয়, মধ্য এছিয়াত ভক্তি-গীতত নৃত্য সংযোগ কৰা হয়, অসমত জিকিৰত ঠাই-বিশেষে নৃত্য আৰু আৰু বাদ্য যন্ত্ৰত প্ৰাধান্য দিয়া হয়, বাংলাদেশ, ইন্দোনেছিয়া আৰু উত্তৰ-পূব ভাৰতত জাতি-বিভেদৰ নিচিনা সামাজিক বিভাজনৰ কম-বেছি পৰিমাণৰ প্ৰভাৱ দৃষ্টিগোচৰ হয়। আন নালাগে, ব্ৰহ্মপুত্ৰ উপত্যকাৰ নিচিনা তুলনামূলকভাৱে সৰু অঞ্চলতে মুছলমান সমাজত ৰীতি-নীতিৰ তাৰতম্য দেখিবলৈ পোৱা যায়।

আগতে উল্লেখ কৰাৰ দৰে অসমৰ বেলিকা নানা সামাজিক প্ৰক্ৰিয়াৰ যোগেদি ইছলামীয় ঐতিহ্য সৃষ্টি হৈছিল। এই ঐতিহ্যত স্থানীয় ভাষা, পৰম্পৰা, উত্তৰাধিকাৰ হিচাপে আহৰণ কৰা নৃগোষ্ঠীয় আচাৰ, আন সম্প্ৰদায়ৰ সৈতে হোৱা দৈনন্দিন, সহজাত, স্বাভাৱিক যোগাযোগ আৰু ভাৱৰ আদান-প্ৰদানৰ প্ৰভাৱ আছে, লগতে আছে ঐতিহাসিক ঘটনাৱলীৰ ভূমিকা। সেই কাৰণে, এই ভিন্নমুখী ঐতিহ্যৰ ৰঙীণ ছবি এখন আজিও অটুট হৈ আছে। এনে এক বৰ্ণাঢ্য পৰিৱেশত বাহিৰৰ পৰা আগ্ৰাসন কৰিবলৈ বিচৰা ৱাহাবী প্ৰভাৱ আৰু তকলিদে (আৰব্য-কেন্দ্ৰিক ধৰ্মীয় পৰম্পৰাৰ অন্ধ অনুকৰণ) অসমৰ ইছলামীয় ঐতিহ্যক বিনষ্ট কৰিব পৰা নাই। ইয়াৰ প্ৰধান কাৰণ সমুহৰ ভিতৰত আছে, ইছলামীয় ঐতিহ্যৰ লগত উদাৰতাবাদ আৰু ইজতিহাদ, (যুক্তিবাদী চিন্তা-চৰ্চা আৰু অৰ্থ-নিৰ্ণয়), আৰু লগতে আছে চুফী দৰ্শনৰ প্ৰভাৱ।

এই ক্ষেত্ৰত সবাতোকৈ গুৰুত্বপূৰ্ণ দিশটো হ'ল অসমৰ ইছলামীয় ঐতিহ্যই আন্তৰ্ধৰ্মীয় মধুৰ সম্পৰ্ক সুন্দৰ আৰু পাৰষ্পাৰিক সন্মান আৰু সহনশীলতাক সজীৱ কৰি ৰাখি আহিছে। সৰ্ব-ধৰ্ম সমভাৱৰ চুফী

দৰ্শন আজান ফকীৰে সকলো মুছলমানৰ বাবে এটি হৃদয় স্পৰ্শ কৰা জিকিৰৰ যোগেদি ৰাখি থৈ গৈছেঃ

মোৰ মনত ভেদ ভাব নাই অ' আল্লা
মোৰ মনত আন ভাব নাই অ' আল্লা
হিন্দু কি মুছলমান এক আল্লাৰ ফৰমান
আখেৰত একে আল্লাৰ নাম।
হিন্দুকে জ্বলাব মুছলমানক গাড়িব
খাকৰ তন খাকত মিলাব।

অসমলৈ অহা বা অসমতে জন্ম লাভ কৰা শতাধিক চুফী পীৰ-ফকীৰে প্ৰায় একেটি বাণীকে প্ৰচাৰ কৰিছিল। সেই কাৰণে, ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত থকা তেখেতসকলৰ দৰগাহলৈ আজিও নিতৌ আশিস বিচাৰি সকলো ধৰ্মৰ পুৰুষ-মহিলা-শিশু আহি থাকে। এনে ঐতিহ্য-মণ্ডিত পৱিত্ৰ ঠাইসমূহ সম্প্ৰীতিৰ অতীব-সুন্দৰ নিদৰ্শন হিচাপে চিহ্নিত হৈ আহিছে। তাৰ লগতে আজান ফকীৰ আৰু শিতালং ফকীৰে ৰচনা কৰি যোৱা মানৱীয় আৱেদনময় প্ৰাণ-পুলকিত কৰা গীত-মাত আজিও চৰ্চিত আৰু সমাদৃত হৈ আহিছে। তাৰ লগতে মন কৰিব লগীয়া, এই দৰগাহবিলাকৰ স্থাপত্যত থলুৱা ঐতিহ্য বিৰাজমান হৈ থকা কথাটো।

অৱশ্যে, দিন বাগৰাৰ লগতে পুৰণি দৰগাহ আৰু মছজিদবিলাকৰ তাহানিৰ বৈষ্ণৱীয় স্থাপত্য প্ৰভাৱ লাহে লাহে কমি আহিবলৈ ধৰিছে। পুৰণি অসম-আৰ্হিৰ মছজিদ বা দৰগাহৰ স্থায়ীত্ব দীৰ্ঘ-দিনীয়া নহয়; তাৰোপৰি, এইবিলাক মেৰামতি কৰি ৰখাটো এক ব্যয়বহুল সমস্যা। তথাপিতো, কলিয়াবৰৰ জয়ন্তীপুৰৰ ঐতিহ্যময়ী বৰ মছজিদটি স্থানীয় জামাতে ভালদৰে ৰাখি তাৰ কাযতে এটি নতুন আৰ্হিত মছজিদ সাজিবলৈ দিহা কৰিছে। এইটো অতি প্ৰশংসনীয় কথা। তেনেকুৱা ভালেমান উদাহৰণ ঠায়ে ঠায়ে দেখিবলৈ পোৱা যায়। কিন্তু, স্থায়ীত্বৰ খাতিৰত নতুন মছজিদ-দৰগাহবিলাক আৰব্য-পাৰস্য আৰ্হিৰ স্থাপত্যৰ নমুনাত সাজিবলৈ লোৱা হৈছে। তাত আধুনিক কলা-কুশলীৰ চানেকি পৰিস্ফুট হ'বলৈ ধৰিছে।

অসম, মণিপুৰ আৰু ত্ৰিপুৰাৰ মুছলমানসকলে আন্তঃধৰ্মীয় মিলা-মিচাৰ ভিত্তিত স্থানীয় লোক পৰম্পৰা আৰু আচাৰ-বিচাৰ হেৰাই যাবলৈ নিদি নিজ ধৰ্মৰ সকলো বাধ্যতামূলক কাম-কাজ কৰি আহিছে। তেওঁলোকে প্ৰমাণ কৰি দিছে যে লোক-আচাৰ মানি, আন ধৰ্মৰ প্ৰতি সন্মান দেখুৱাই আৰু থলুৱা সাঁচত গঢ়ি উঠা ইছলামীয় ঐতিহ্য অটুট ৰাখিও নিজকে ধৰ্মপ্ৰাণ আৰু নিষ্ঠাবান মুছলমান হিচাপে সু-প্ৰতিষ্ঠিত কৰিব পাৰি। বহল অৰ্থত, ভাৰতৰ বহুত্ববাদী দৰ্শনৰ আধাৰত গঢ় লোৱা ইছলামীয় ঐতিহ্য সুৰক্ষিত কৰি ৰখাৰ নিতান্ত প্ৰয়োজন। তাকে কৰোঁতে মুছলমানসকলৰ নিজৰ ববীয়া প্ৰচেষ্টাৰ লগতে চৰকাৰে এক সুকীয়া ইছলামীয় ঐতিহ্য নীতি প্ৰণয়ন আৰু কাৰ্যত তাক ৰূপায়ণ কৰাৰো প্ৰয়োজন আছে। যি সময়ত সমগ্ৰ বিশ্বতে ঐতিহ্য সংৰক্ষণৰ হকে প্ৰৱল জনমত গঢ়ি উঠিছে, তেনে এটা সময়ত অসম তথা উত্তৰ-পূব অঞ্চলৰ ইছলামীয় ঐতিহ্যৰ বেলিকা এক সুচিন্তিত নীতিৰ আৱশ্যক; লগতে আৱশ্যক তাৰ নিষ্ঠাবান বাস্তৱ ৰূপায়ণৰ; কাৰণ ঐতিহ্যক পাহৰি সভ্যতা আগবাঢ়ি যাব নোৱাৰে ।*

# গ্রন্থপঞ্জী

# গ্ৰন্থপঞ্জী


Ahmed, Abu Nasar Saied — *Madrasas in Assam* (New Delhi:Akansha,2015)

Ahmed, Ali Karim — *The Muslims of Assam* (Guwahati : EBH Publication, 2010)

আহমদ, মঃ আবিদুদ্দিন — *সম্প্ৰীতিৰ সাধক আজান ফকীৰ* (অসম প্ৰকাশন পৰিষদ, ২০১০)

আহমদ, কমৰুজ্জামান (সম্পাদিত), — *স্মৃতিৰ জিলিঙনিত কেইগৰাকীমান অসমৰ মুছলমান* (আল-আমিন জনকল্যাণ সমাজ, ২০০৯)

আহমদ, মহিউদ্দিন, — *পাঁচ চুৰাৰ ভাঙনি* (নেচাৰ আহমদ, গুৱাহাটী, ১৯৮৮)

আহমদ, মহিউদ্দিন, — *অসমলৈ মুছলমানৰ আগমন আৰু সাংস্কৃতিক সংমিশ্ৰণ* (বেগম আলিনা আখতৰ, নগাওঁ, ২০০০)

আহমদ, মহিউদ্দিন — *অসমৰ খিলঞ্জীয়া মুছলমান ঃ অতীত, বৰ্ত্তমান, ভৱিষ্যৎ* (মাহমুদা বেগম , নগাওঁ, ২০০৭)

আহমদ, মহিউদ্দিন — *জিকিৰ সম্ৰাট ৰেকিবুদ্দিন আহমদ* (বেগম এলিনা আহমদ, নগাওঁ, ২০০১)

আহমদ, নেচাৰ, — *কোৰাণ মজিদৰ অসমীয়া ভাঙণি*; খণ্ড ১-৪ (নেচাৰ আহমদ, গুৱাহাটী, ১৯৯০-৯৫)

Ali, A.N.M. Irshad — "*Marriage Among the Assamese Muslims*" in S.M. Dubuy, *North East India: A Sociological Study* (New Delhi: Concept, 1978).pp 112-123

Ali, A.N.M. Irshad and A.C. Bhagabati, — "*Kinship and Marriage in a Rural Assamese Muslim Community*", *The Journal of Assam Science Society*, Vol XIV 1971, pp. 27-32

Ali, A.N.M. Irshad, — "*Influence of Indigenous Folk Traditions on the Assanese Muslims*" in Birendramath Datta (ed) *The Assam Academy Review Special Volume* (Guwahati: Assam Acadamy for cultural Relation, 1984-85) pp.17-27

আলী, কেৰামত, — *পৱিত্ৰ কোৰানঃ আমপাৰা* (গুৱাহাটীঃ দাৰুল হিকমত, ১৯৯৯)

আলি, এমঃ আবিদ, *পথৰুঘাট*, দ্বিতীয় সংস্কৰণ (মঙলদৈ ঃপ্ৰেমানন্দ চিকদাৰ, ২০০৫)

আলি, মঃ নজৰ পণ্ডিত, *মোৰ জীৱনৰ কিছু কথা* (New Delhi: Sahitya Acadamy, 2004)

আলী, মঃ চাদেৰ, *পৱিত্ৰ কোৰান* (গুৱাহাটীঃ লয়াৰ্চ বুক ষ্টল, ১৯৭০)

আলী, শেখ চমছেৰ, *চুফী দৰ্শন আৰু আজান পীৰ* ( গুৱাহাটীঃ নন্দন প্ৰকাশন, ২০০১)

Allen, B.C., *Assam District Gazetteers, Kamrup*, Vol.4 (Calcutta Baptist Mission Press , 1906)

Ansari, Amir, *A Handbook of Islamic Architecture* (New Delhi: Cyber Tech Publication, 2011)

Barpujari, H.K.(ed) (সম্পাদিত), *The Comprehensive History of Assam*, Vol- I-V ( Guwahati: Publication Board, Assam, 1999)

বৰুৱা, গোপাল চন্দ্ৰ; *আহোম বুৰঞ্জী* (গুৱাহাটী, স্পেক্ট্ৰাম, ১৯৮৫)

বৰুৱা, ৰফিউল হুছেইন; *ইছলামীয় ঐতিহ্য আৰু অসমঃ প্ৰথম খণ্ড, ১৬১৫ চনলৈকে* ( যোৰহাট, লুইত পাব্লিকেশ্বনচ, ১৯৮৯)

বৰুৱা, ৰফিউল হুছেইন; *ইছলামীয় ঐতিহ্য আৰু অসম ঃ ৬১৬ ৰ পৰা ৯৫৮ চনলৈকে* (নলবাৰী ঃ সমন্বয় গ্ৰন্থালয়, ১৯৯৬)

বৰুৱা, ৰফিউল হুছেইন; *বিপৰ্য্যস্ত খিলঞ্জীয়া অসমীয়া মুছলমানঃ বিপন্ন অসম* (নলবাৰীঃ গ্ৰন্থকাৰ, ২০০৫)

Baruah, S.L., *A comprehension History of Assam* (New Delhi : Mushiram Manoharalal, 2009)

Bhuyan, Arun Chandra (ed) *Political History of Assam*, Vol III 1940-1947 (Guwahati: Publication Board Assam, 1999)

Bhuyan, S.K., *Delhi Badshahate* (Guwahati: DHAS, 1947)

ভূঞা, সূৰ্য্য কুমাৰ, *মীৰজুমলাৰ অসম আক্ৰমণ* (গুৱাহাটীঃ লয়াৰ্চ বুক ষ্টল, ১৯৫৬)

Bhuyan, S.K., *Aton Buragohain and His times* (Guwahati: Lawyers Book Stall, 1957)

Bhuyan, S.K. *Lachit Barphukan and His Times* (Guwahati: DHAS, 1947)

বুলবুল, ইমাদুদ্দিন (সম্পাদিত), *বরাকের রস সাহিত্য* (শিলচরঃ আজমল হোসেন মজুমদার, ২০০৮)

বিশ্বাস, অনুৰূপ, *প্ৰসঙ্গ বৰাক* (শিলচৰঃ প্ৰাসঙ্গিক প্ৰিৰ্ণ্টাচ এণ্ড পাবলিকেশ্বনচ, ২০০১)

Cantlle, Audrey, *The Assamese* (London: Curzon Press, 1964)

চৌধুৰী, মেদিনী, *লুইত,বৰাক আৰু ইছলাম* (গু ৱাহাটীঃ নন্দন প্ৰকাশন ২০০২)

Choudhury, Pratap Chandra, *History of civilization of the People of Assan to the Twelfth Century AD* (Guwahati: Spectrum , 1987)

চৌধুরী, উজিত, *শ্রীহট্ট কাচারের প্রাচীন ইতিহাস* (শিলচর, দিনকাল প্রেস , ২০০৬)

Currie, P.M., *The Shrine and cult of Mui'n al-din Chiste of Ajmer* (New Delhi: Oxford University, 1989)

Das, B.M., and Ali,A.N.M. Irshad "Assamese" in Richard V. Weeks, *Muslim peoples: A World Ethnographic Survey* (Westport : Greenwood Press, 1984) pp. 58-63.

Das, B.M. *The People of Assam: Origin and composition* (Guwahati: Gyan Publication, 2003)

Das , B.M and D.K. Lahiri, *Assam Muslim Politics and Cohesion* (Delhi: Mittal, 1985)

Dutt, K.N. *Landmarks of the Freedom Struggle in Assam* (Guwahati: Lawyers Book Stall., 1969)

Gait, Edward, *A History of Assam* (Calcutta : Thacker Spink 1933)

Gait, Edward, *Report on Census of Assam*, 1891 (Calcutta: Government of India, 1893)

গগৈ, লীলা, *অসমৰ সংস্কৃতি* (গুৱাহাটী, বনলতা, ১৯৯৪)

Geertz, Clifford, *Religion of Java* (Chicago: University of Chicago Press, 1971)

Geertz, Clifford *Islam Observed: Religious Development in Morocco and Indonesia* (Chicago:University of Chicago Press, 1976)

Goswami, Bhrigu Mohan, *A Study of the Ojapali Art Form of Assam* (Guwahati: Charu Prakash, 1997)

হক, আব্দুল, *তফচীৰুল কোৰান* (হোজাইঃ মৰকজুল মাআৰিফ, ১৯৮৮)

হক, আব্দুল, *ছশ বছৰীয়া আহোম ৰাজত্বত মুছলমানসকল* (ডিব্ৰুগড়, আব্দুল হক, ২০০৮)

হাজৰিকা, ডিউক আহমদ *বাঘ হাজৰিকা* (গুৱাহাটীঃ আচিফ আহমদ হাজৰিকা **২০১২**)

Hazleton, Lesley, *After the Prophet: The Story of the Shia-Sunni Split* (New York: Anchor Books,2009)

Hazleton, Lesley, *The First Muslim: The Story of Muhammad* (London: Atlantic Books, 2013)

Holt, Peter Malcolm *et al*, *The Cambridge History of India*, Vol III (London: Cambridge University Press, 1977)

Hunter, W. W., *A Statistical Account of Assam* Vol-I & II (Guwahati: Spectrum 1998)

হুছেইন, আনোৱাৰ *চৰ চাপৰিৰ সমাজ দৰ্পন* (অভ্যৰ্থনা সমিতি, অসম সাহিত্য সভা, ২০০৯)

Hussain, Ashfaque, *The Spirit of Islam* (Bombay: Asia, 1958)

হুছেইন, আনোৱাৰ আৰু ভীমকান্ত কোঁৱৰ, (সম্পাদিত), *বাঘ হাজৰিকা* (ডিব্ৰুগড়, মুজিবুৰ ৰহমান, ২০০৪)

হোছেইন, ইছমাইল, *অসমৰ জাতীয় জীৱন আৰু অভিবাসী অসমীয়া মুছলমান* (নলবাৰীঃ অনামিকা গ্ৰন্থালয়, ১৯৯৭)

হোছেইন, ইছমাইল, *অসমৰ মিঞা জনগোষ্ঠী সমাজ আৰু লোকে সংস্কৃতি* (কলগাছিয়াঃ অভ্যৰ্থনা সমিতি , অসম সাহিত্য সভা ২০০২)

হুছেইন, মুহিবুল, *হজৰত আজান পীৰ* (শিৱসাগৰ; মুহিবুল হুছেইন, ১৯৫৪)

Hussain, S.M Azizuddin (Ed), *Madrasa Education in India: Eleventh to Twenty First Century* (New Delhi: Kanishka Publishers, 2005)

Hussain, Wasbir and Bhaskarjyoti Mahanta, *Chord of Harmony: Sattras and Dargahs Assam* (Guwahati: Wordweaves, 2010 )

Ismail, Mahammad, *Hagiology of Sufi Saints and the Spread of Islam in South Asia* (New Delhi: Jnanada Prakashan, 2010)

কবীৰ, আলহজ চৈয়দ, *চুৰা য়াচিন শ্বৰীফঃ অসমীয়া অনুবাদ আৰু চমু তফচীৰ* (শিৱসাগৰ, আবিদ প্ৰিন্টাৰ্চ, ১৯৮৯)

Kar, M., *Muslims in Assam Politics* (Delhi: Omson, 1990)

Khan, Masood Ali and S. Ram, *Great Sufi Saints* (New Delhi: Anmol Publications, 2008)

খান, মোহাম্মদ চুলেইমান, *কবিতা পুথি*, প্ৰথম প্ৰকাশ ১৯০২, ইমৰান হুচেইন সম্পাদিত (গুৱাহাটী ঃ আকদাচ আলী মিৰ, ২০১০)

খান, চাহজালাল, *কোৰাণঃ অনুবাদ, প্ৰতিলিপি, তফচীৰ*, খণ্ড ১-৭ (গুৱাহাটী ঃ চাহজালাল খান, ২০০১-০২)

Levisohn, Leoard, *The Heritage of Sufism*, Vol I-III (Loudon: One World Publication, 2003)

মালিক, চৈয়দ আব্দুল, *অসমীয়া জিকিৰ আৰু জাৰী* [Guwahati: Gauhati University Press, 1958]

মালিক, চৈয়দ আব্দুল, *আজান ফকীৰ আৰু সুৰীয়া জিকিৰ* (গুৱাহাটী ঃ ষ্টুডেন্ট ষ্ট'ৰচ, ১৯৮৮)

M'Cosh, John, *Topography of Assam* (Loudon : G.H. Huttmann, 1837)

মেধি, প্ৰমোদ চন্দ্ৰ, *হাজোৰ সাহিত্য সাধক* (হাজোঃ প্ৰকাশন উপসমিতি, ১৯৯৯)

মেধি, প্ৰমোদ চন্দ্ৰ (সম্পাঃ), *হাজোৰ ইতিবৃত্ত* (হাজোঃ প্ৰকাশন উপ-সমিতি,১৯৯৯)

Mullan,C.S., *Assam: Census of India*, in 3 Volumes, (Shillong: Government of India, 1932)

নাথ, প্ৰসন্ন কুমাৰ *পথৰুঘাট* (চিপাঝাৰঃ উদাস, ১৯৯৪)

নাথন, মিৰ্জা, *বাহাৰিস্তানে গায়বী*; ফাৰ্চীৰ পৰা ইংৰাজীলৈ অনুবাদ, ড০ এম, আই, বড়া, তাৰ পৰা অসমীয়ালৈ অনুবাদ, চৈয়দ ফাতেহুল মান্নান প্ৰমুখ্যে (বোকাখাত ঃ জেলিলুদ্দিন আহমদ, ২০১০)

নেওগ, হৰিপ্ৰসাদ আৰু লীলা গগৈ, *অসমীয়া সংস্কৃতি* (গুৱাহাটীঃ অসম সাহিত্য সভা, ২০০৩)

Muhammed, Sajid, *Madrasa Education Framework* (New Delhi: Manak, 2005)

ৰহমান, আতাউৰ, *কোৰান শ্বৰীফ*, খণ্ড ১ আৰু ২ (শিলং ঃ আতাউৰ ৰহমান, ১৯৮০)

Rizvi, Saiyid Ather Abbas, *A History of Sufism in India*, Vol I-II (New Delhi: Munshiram Manoharlal, 1978-1983)

Saikia, Mohini Kumar, *Assam-Muslim Relation and its Cultural Significance* (গোলাঘাটঃ লুইত প্রিন্টাৰ্চ, ১৯৭৮)

শইকীয়া, নগেন, *অসমীয়া মানুহৰ ইতিহাস* (গুৱাহাটীঃ কথা প্ৰকাশন, ২০১৩)

Samal, J.K., *The Barak Valley* (New Delhi; Mittal, 2006)

Sarma, Pradip *Holy Shrines of Assam* (Delhi: B.R. Publishing, 2002)

ছাত্তাৰ, আব্দুছ, *সম্প্ৰীতিৰ চানেকি* (ডিব্ৰুগড়ঃ মেধি ব্ৰাদাৰ্চ, ১৯৭০)

ছাত্তাৰ, আব্দুছ, *সংমিশ্ৰণত অসমীয়া সংস্কৃতি* (ডিব্ৰুগড়ঃ মেধি ব্ৰাদাৰ্চ, ১৯৭২)

ছাত্তাৰ, আব্দুছ, *বাহাদুৰ গাঁওবুঢ়া* (যোৰহাটঃৰিয়াজুদ্দিন আহমদ, ১৯৪৯)

সেন, প্যারীমোহন, *নোৱাখালির ইতিহাস* (কলকাতাঃ কথা, ২০১০)

ছফৰী, ইৰফান, *চিন্তাঃ নিৰ্বাচিত প্ৰবন্ধ* (গুৱাহাটীঃ চোফিয়া পাব্লিচাৰ্চ, ২০০১)

শ্বাহ, ইমৰান, *অসমীয়া সংস্কৃতিলৈ মুছলমানৰ অৱদান* (ডিব্ৰুগড়ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়, ২০০৫)

Sharma, Gautam and Julie Borooah, *Textile Tradition of Assam,* (New Delhi : Indian Museum)

চিদ্দিকি, মুফটি আজহারুদ্দিন আহমদ, *শ্ৰীহট্ট ইছলাম জ্যোতি* (কলকাতাঃ কথা, ২০১০)

Taher, Mohamed (ed), *Educational Developments in Muslim World* (New Delhi: Anmol Publications, 2003)

Taher,Muhamed, *Sufi Saints* (New Delhi: Anmol, 2009)

Talish, Shehabuddin, *Tarikh-e-Asham*, Translated from Persian to English by Mazhar Ashif (Guwahati: DHAS, 2009)

তৈয়বুল্লা, মৌলানা মহম্মদ, উম্মুল *কোৰানঃ নীতি আৰু দৰ্শন* (গুৱাহাটীঃ লয়াৰ্চ বুকষ্টল, ১৯৫৭)

তানৰি, মৌলানা আশ্ৰফ আলী, *বেহেস্তি জেৱৰ*, খণ্ড ১ আৰু ২; মৌলানা মনচুৰ আহমদৰ অনুবাদ (হোজাইঃ মৰকজুলমা আৰিফ, ১৯৮৩)

তত্বনিধি, অচ্যুতচরণ চৌধুরী, *শ্ৰীহট্টের ইতিবৃত্ত*, খণ্ড ১-৪ (কলকাতা; কথা, ২০১০)

Weekes, Richard V. (ed), *Muslim Peoples: A World of Ethnographic Survey* (London: Greenwood Press, 1978)

Werbner, Pnina and Helene Basu, *Embodying Charisma : Modernity, Locality and Performance of Emotions in Sufi cult* (London: Routt edge, 1998)

******

# পৰিশিষ্ট

# অসমৰ মুছলমান ঃ “ইতিহাস আৰু ঐতিহ্যৰ অধ্যয়ন আৰু গৱেষণা”

## আমাৰ দাতা সকলৰ প্ৰতি কৃতজ্ঞতা জনাইছোঁ


১। আব্দুল মজিদ , নামঘৰ পথ, পাঞ্জাবাৰী

২। ৰাজীৱ চালেহ, জু- নাৰেঙ্গী, গুৱাহাটী

৩। মিচেচ চাজিদা খাতুন শইকীয়া, নুনমাটী, গুৱাহাটী

৪। হাচান চৌকত হান্নান, শান্তিপুৰ, গুৱাহাটী

৫। চৈয়দ মহম্মদ চৈফুল্লা, জু- নাৰেঙ্গী, গুৱাহাটী

৬। মিচেচ ৰুমেনা ৰহমান, খৃষ্টিয়ান বস্তি, গুৱাহাটী

৭। চৈয়দ আহমেদ চাহ, চাহাব টিলা, গুৱাহাটী

৮। মুবিদুল ইছলাম, হাতীগাঁও, গুৱাহাটী

৯। ডঃ এম আই খান দীঘলীপুখুৰী, গুৱাহাটী

১০। ইলটাফ হুছেইন বৰবৰা, বেলতলা, গুৱাহাটী

১১। আব্দুল ৰেকিব

১২। হাছিবুৰ ৰহমান, গ্ৰীনলেণ্ড,পাঞ্জাবাৰী, গুৱাহাটী

১৩। মিচেচ ৰৌচানা বেগম আৰু ফৰিদ শ্বাহ, পল্টন বজাৰ. গুৱাহাটী

১৪। ৱাহিদ চালেহ, হলেণ্ড

১৫। প্ৰয়াত ন্যায়াধীশ চফিকুল হক চাহাবৰ পৰিয়াল বৰ্গ

১৬। ৱাজিদুৰ ৰহমান, গোলাঘাট

১৭। হিৰেণ গগৈ, পাঞ্জাবাৰী, গুৱাহাটী

১৮। চামচুল হক, ৰাজগড় ৰোড, গুৱাহাটী

১৯। চৈয়দ হাৰুণাৰ ৰহমান, জুৰিপাৰ, গুৱাহাটী

২০। চৈয়দ তবিবুৰ ৰহমান, কবৰস্থান পথ, দ্বাৰান্ধা,গুৱাহাটী

২১। এচ চৰৱাৰ, আলীগড়

২২। মিচেচ আজিদা বেগম, সাতগাওঁ, নৱাপাৰা , গুৱাহাটী

২৩। ৰমিজুদ্দিন আহমেদ, সাতগাওঁ, নৱাপাৰা , গুৱাহাটী

২৪। আফ্ৰিন ৰহমান, যোৰহাট

২৫। হাজাজুদ্দিন হাজৰিকা , গ্ৰীনলেণ্ড,পাঞ্জাবাৰী, গুৱাহাটী

২৬। ৱাহিদুল ইচলাম, সাতগাঁও, বাঘৰবৰি

২৭। নুৰ হুছেইন আহমেদ, বাঘৰবৰি, সাতগাঁও, গুৱাহাটী

২৮। কালবি হাচান আহমেদ, গান্ধীবস্তি, গুৱাহাটী

২৯। আলহাজ পজিৰুদ্দিন আহমেদ, লখিমী নগৰ, দিছপুৰ, গুৱাহাটী

৩০। জে এইচ আহমেদ আবুল ফজল পথ, বেলতলা, গুৱাহাটী

৩১। মেহমুদুৰ ৰেহমান বৰা, বাঘৰবৰি, পাঞ্জাবাৰী, গুৱাহাটী

৩২। এম এ হাৰমাইন, গ্ৰীনলেণ্ড,পাঞ্জাবাৰী, গুৱাহাটী
৩৩। এম এম এ জামান, গ্ৰীনলেণ্ড,পাঞ্জাবাৰী, গুৱাহাটী
৩৪। এচ এইচ চৌধুৰী, ৰাজধানী মছজিদ লেন, দিছপুৰ
৩৫। চৈয়দ মহম্মদ ইদ্ৰিচ, হাতীগাঁও, গুৱাহাটী
৩৬। মোচাহিদ আলি, হাতীগাঁও, গুৱাহাটী
৩৭। ইলতাফ হুছেইন হাজৰিকা, ৰুক্মিণীনগৰ, গুৱাহাটী
৩৮। এ এইচ এচ মহম্মদ
৩৯। ইমতিয়াজ আলী, তৰুণ নগৰ, গুৱাহাটী
৪০। আব্দুল ৰাচি, নামঘৰ পথ,পাঞ্জাবাৰী, গুৱাহাটী
৪১। মহম্মদ তাহেৰ , জালুকবাৰী, গুৱাহাটী
৪২। ড° খোৰছেদ আলম, জালুকবাৰী, গুৱাহাটী
৪৩। তাহফিজুৰ ৰহমান জুৰিপাৰ, গুৱাহাটী
৪৪। এচ এফ আনোৱাৰ
৪৫। ইকৰাম হুছেইন
৪৬। বজলুৰ ৰহমান, জুৰিপাৰ, গুৱাহাটী
৪৭। আব্দুল মোন্নাফ, পাঞ্জাবাৰী, গুৱাহাটী
৪৮। নুৰুল হ'ক, আলী আহমদ নগৰ, গুৱাহাটী
৪৯। মোখতাৰ হুছেইন হাজৰিকা, আলী আহমদ নগৰ, গুৱাহাটী
৫০। ফাৰুক আহমেদ, নামঘৰ পথ, পাঞ্জাবাৰী, গুৱাহাটী
৫১। লুতফুৰ ৰহমান, নামঘৰ পথ, পাঞ্জাবাৰী, গুৱাহাটী
৫২। নুৰ ৰহমান, নিহাৰিকা পথ, পাঞ্জাবাৰী, গুৱাহাটী
৫৩। আব্বাচ উদ্দিন চৌধুৰী, মটৰীয়া, গুৱাহাটী
৫৪। আই আলি
৫৫। আলতাফুৰ ৰহমান , মটৰীয়া, গুৱাহাটী
৫৬। আলহাজ আকবৰ আলি, সাতগাওঁ, নৱাপাৰা , গুৱাহাটী
৫৭। কাচিম আলি, সাতগাওঁ, নৱাপাৰা , গুৱাহাটী
৫৮। বদৰুল হাচান, সাতগাওঁ, নৱাপাৰা , গুৱাহাটী
৫৯। এম ৰহমান, সাতগাওঁ, নৱাপাৰা , গুৱাহাটী
৬০। কৰিম আলি, সাতগাওঁ, নৱাপাৰা , গুৱাহাটী
৬১। নুৰ আহমেদ বৰভূঞা, সাতগাওঁ, নৱাপাৰা , গুৱাহাটী
৬২। আলিম উদ্দিন লস্কাৰ, সাতগাওঁ, নৱাপাৰা , গুৱাহাটী
৬৩। ডঃ কামালুল মজিদ, সাতগাওঁ, নৱাপাৰা , গুৱাহাটী
৬৪। এম জেদ হাৰমাইন, গ্ৰীনলেণ্ড, বাঘৰবৰি , গুৱাহাটী

৬৫। ছাজ্জাদ খনিকৰ, মধুবন, মিলনপুৰ, গুৱাহাটী
৬৬। চফিউৰ ৰহমান শইকীয়া, সুন্দৰপুৰ, গুৱাহাটী
৬৭। মিচেচ পাৰবিন বেগম, আলীগড়
৬৮। মিচেচ চমচে আৰা ইছলাম, খৃষ্টানবস্তি, গুৱাহাটী
৬৯। ইনামুল ইছলাম, নীলমনি ফুকন ৰ'ড, খৃষ্টানবস্তি, গুৱাহাটী
৭০। ফকৰউদ্দিন আহমেদ, হাতীগাঁও, গুৱাহাটী
৭১। চফিকুৰ ৰহমান, হাতীগাঁও, গুৱাহাটী
৭২। মহম্মদ আলি খান, হাতীগাঁও, গুৱাহাটী
৭৩। চৈয়দ দিলুৱাৰ ইছলাম, ডিগবৈ, গুৱাহাটী
৭৪। নুৰুল হুদা, বেলতলা, গুৱাহাটী
৭৫। চিৰাজুল হ'ক, সিজুবাৰী, গুৱাহাটী
৭৬। ডঃ মহম্মদ মইনুদ্দিন আহমেদ, আমেৰিকা যুক্তৰাষ্ট্ৰ
৭৭। হুছেইন আহমেদ, হাতীগাঁও, গুৱাহাটী
৭৮। ডঃ এ-এম খন্দকাৰ, হাতীগাঁও, গুৱাহাটী
৭৯। জুলফিকাৰ আলম হাজৰিকা, ইছলামপুৰ, গুৱাহাটী
৮০। মনোৱাৰ উদ্দিন আহমেদ, মাছখোৱা, গুৱাহাটী
৮১। মিচেচ মাচুম আৰা ৰহমান, হাতীগাঁও, গুৱাহাটী
৮২। খালিদ আতাউৰ ৰচুল মালিক, নগাঁও
৮৩। হবিবুৰ ৰহমান, গনেশগুৰি, গুৱাহাটী
৮৪। মিচেচ মনুৱাৰা খাতুন, নটবমা, গুৱাহাটী
৮৫। মজিদুৰ ৰহমান, ভঙাগড়, গুৱাহাটী
৮৬। মিচেচ আজিফা আহমেদ বৰা, নয়নপুৰ, গুৱাহাটী
৮৭। চৈয়দ লিয়াকত আলি, বাঘৰবৰি, গুৱাহাটী
৮৮। কমৰুজ্জামান আহমদ, বাঘৰবৰি, গুৱাহাটী
৮৯। দেবিৰা চুলতানা আহমদ, বাঘৰবৰি, গুৱাহাটী
৯০। ড° মুছাহিদ আহমদ, আমেৰিকা যুক্তৰাষ্ট্ৰ
৯১। ছাৰটাজ আহমদ, আমেৰিকা যুক্তৰাষ্ট্ৰ
৯২। যোৰহাট ফাৰ্ণিচাৰ, যোৰহাট
৯৩। ডঃ আই হাজৰিকা, যোৰহাট
৯৪। মঃ ৰছিদুন নবী, যোৰহাট
৯৫। আব্দুল কাদিৰ আৰু আব্দুল হেলিম মেমৰিয়েল ট্ৰাষ্ট, গুৱাহাটী
আৰু জাকিৰুল হাৰমাইন, জেহেৰুল হাৰমাইন, মিচেচ ৰাবিয়া বেগম

৯৬। আবুল কালাম মেমৰিয়েল ট্ৰাষ্ট, যোৰহাট
৯৭। এইচ এচ আহমেদ, যোৰহাট
৯৮। কুতুবুদ্দিন ভিয়াত, যোৰহাট
৯৯। নুৰ খুৰছিদ হুছেইন, যোৰহাট
১০০। ইকবাল আহমেদ, যোৰহাট
১০১। বজৰুল হক, যোৰহাট
১০২। মিচেচ জুলফা হাচিম, যোৰহাট
১০৩। খাদিম জাহান, শিৱসাগৰ
১০৪। আচিক আহমেদ, যোৰহাট
১১৫। আলহাজ চাকফি ৰহমান, যোৰহাট
১০৬। ছাজিদুল হক বৰবৰা, যোৰহাট
১০৭। আফতাবুদ্দিন আহমেদ, যোৰহাট
১০৮। নেকিবুৰ ৰহমান বৰবৰা, যোৰহাট
১০৯। আলহাজ ড° জি আহমেদ, আলহাজ্জা ড° ৰাহিদা ইছলাম, আমগুৰি, শিৱসাগৰ
১১০। তৌফিকুল হুছেইন, যোৰহাট
১১১। আলহাজ আনিচুৰ ৰহমান বৰবৰা, যোৰহাট
১১২। আচহাব ফজলুল আলি মেমৰিয়েল ট্ৰাষ্ট, যোৰহাট
১১৩। মিচেচ ৰাহনাজ জামান, যোৰহাট
১১৪। মিচেচ আৰিফা জামান, যোৰহাট
১১৫। মিচেচ মল্লিকা বেগম, যোৰহাট
১১৬। নাচিম শ্বাহ, পল্টন বজাৰ, গুৱাহাটী
১১৭। মহিম আহমদ, মটৰীয়া, গুৱাহাটী
১১৮। জাকিৰ হুছেইন, উজান বজাৰ, গুৱাহাটী
১১৯। ড° হাতেম আলী, মৰিগাঁও
১২০। অধ্যাপক আশ্ৰফ আলিৰ পৰিয়াল বৰ্গ, মাছখোৱা, গুৱাহাটী
১২১। নজৰুল ইছলাম, লেম্ব ৰ'ড, গুৱাহাটী
১২২। ডঃ জি. এম. এছ. চৌধুৰী, ডিব্ৰুগড়
১২৩। ডঃ এম. জেদ. আহমদ, ডিব্ৰুগড়
১২৪। অসম এডুকেশ্বন ট্ৰাষ্ট, গুৱাহাটী
১২৫। বাহাদুৰ গাওঁবুঢ়া সোঁৱৰণী সন্থা, যোৰহাট
১২৬। হুছেইন আহমদ আনফৰ, হোজাই

*বিঃ দ্ৰঃ ওপৰত উল্লেখ কৰা দাতাসকলৰ উপৰিও যদি কোনোবা দাতাৰ নাম অনিচ্ছাকৃতভাৱে বাদ পৰিছে তাৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰা হ'ল।*

# ‘আল-আমিন’ৰ কাৰ্যনিৰ্বাহক সমিতি (২০১৩-১৫ )

| | | |
|---|---|---|
| ১) | ডঃ তৌফিকুৰ ৰহমান বৰবৰা, | প্ৰতিষ্ঠাপক সদস্য, সভাপতি |
| ২) | আব্দুল ৰাছি, | প্ৰতিষ্ঠাপক সদস্য, উপ-সভাপতি |
| ৩) | ফকিল আহমদ বৰা, | আজীৱন সদস্য, সচিৱ প্ৰধান |
| ৪) | নুৰুল হক, | আজীৱন সদস্য, বিত্ত সচিৱ |
| ৫) | মেহমুদুৰ ৰেহমান বৰা, | প্ৰতিষ্ঠাপক সদস্য, যুটীয়া সচিৱ |
| ৬) | ছেলিম আহমদ | আজীৱন সদস্য, যুটীয়া সচিৱ |
| ৭) | আব্দুল মজিদ, | প্ৰতিষ্ঠাপক সদস্য |
| ৮) | কমৰুজ্জামান আহমদ, | প্ৰতিষ্ঠাপক সদস্য |
| ৯) | মোহাম্মদ আব্দুল হাৰমাইন, | প্ৰতিষ্ঠাপক সদস্য |
| ১০) | ইলতাফ হুছেইন হাজৰিকা, | পৃষ্ঠপোষক |
| ১১) | হাছিবুৰ ৰহমান, | প্ৰতিষ্ঠাপক সদস্য |
| ১২) | ইমটিয়াজ আলি, | প্ৰতিষ্ঠাপক সদস্য |
| ১৩) | ইনামুল ইছলাম, | প্ৰতিষ্ঠাপক সদস্য |
| ১৪) | চৈয়দ হাৰুণাৰ ৰহমান, | আজীৱন সদস্য |
| ১৫) | শ্বাহীনা পাৰবীন হুছেইন | আজীৱন সদস্য |
| ১৬) | মাছুমা বেগম ৰাছিফ, | আজীৱন সদস্য |
| ১৭) | মাছুম আৰা ৰহমান, | আজীৱন সদস্য |
| ১৮) | চফিউৰ ৰহমান শইকীয়া, | আজীৱন সদস্য |

## আল-আমিন জনকল্যাণ সমাজে ইতিপূৰ্বে প্ৰকাশ কৰা গ্ৰন্থ্ সমূহ।

১) স্মৃতিৰ জিলিঙনিত কেইগৰাকীমান অসমৰ মুছলমান

সম্পাদক ঃ কমৰুজ্জামান আহমদ, ২০০৯

২) স্মৃতিৰ জিলিঙনিত কেইগৰাকীমান অসমৰ মুছলমান ঃ দ্বিতীয় খণ্ড

সম্পাদক ঃ কমৰুজ্জামান আহমদ, ২০১১

৩) স্মৃতিৰ জিলিঙনিত কেইগৰাকীমান অসমৰ মুছলমানঃ প্ৰথম খণ্ড ঃ দ্বিতীয় সংস্কৰণ

সম্পাদক ঃ কমৰুজ্জামান আহমদ, ২০১২

৪) অসমৰ মুছলমান ঃ প্ৰথম খণ্ড ঃ ইতিহাস আৰু সমাজ

মুখ্য সম্পাদক ঃ মহম্মদ তাহেৰ, ২০১৩

৫) অসমৰ মুছলমানঃ তৃতীয় খণ্ডঃ অসমীয়া সাহিত্য আৰু সংস্কৃতিলৈ অৰদান

মুখ্য সম্পাদক ঃ মহম্মদ তাহেৰ, ২০১৪



বৰাকৰ ফকীৰটিলা মছজিদ

ISBN 978-81-927731-2-4